## Centre for Studies in Social Sciences, Calcutta

### Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Hemonto kumar Sarmah | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saahaityaa Sabhaa Pataraikaa | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha. Jorhat |
| Year: 1973 | Edition: |
| Size: 23 1/2 cms. 4+96+3+95+3+94+3+96+87+104+3+79+3+47+3+64 | Genre: Magazine |
| Volumes: 30 - 9 issues | Condition of the original: Not good |
| Remarks: [illegible]: 1st volume published in 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম সাহিত্য সভা পত্ৰিকা

ত্ৰিংশ বছৰ ॥ ১৮৯৫ শক

ষষ্ঠ সংখ্যা ॥ আহিন

ইং ১৯৭৩

সম্পাদক : হেমন্তকুমাৰ শৰ্মা

**অসম সাহিত্য সভা পত্ৰিকা**

ত্ৰিংশ বছৰ, ষষ্ঠ সংখ্যা আহিন

**শাৰদীয় সংখ্যা**

১৮৯৫ শক ॥ ১৯৭৩ চন

প্ৰকাশক :

**শ্ৰীনগেন শইকীয়া**

প্ৰধান সম্পাদক,

অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় :

**চন্দ্ৰকান্ত সন্দিকৈ ভৱন**

যোৰহাট—১

গুৱাহাটী কাৰ্যালয় :

**ভগৱতীপ্ৰসাদ বৰুৱা ভৱন**

গুৱাহাটী—১

বেটুপাত :

অসমৰ ঐতিহ্যমণ্ডিত মহিষমৰ্দিনীৰ মূৰ্তি

( অসম ৰাজ্যিক সংগ্ৰহালয়ৰ সৌজন্যত

ছপাশাল :

**পূৰ্বদেশ মুদ্ৰণ**

ৰিহাবাৰী,

গুৱাহাটী-৮

বেচ—২·০০ টক

# সূচীপত্ৰ


| | বিষয় | পৃষ্ঠা | লেখক |
|---|---|---|---|
| ১। | প্ৰাচীন অসমীয়া সংস্কৃতি | ॥ ১ ॥ | ড° প্ৰতাপ চন্দ্ৰ চৌধুৰী |
| ২। | দেৱী-কীৰ্তন | ॥ ৯ ॥ | শ্ৰীসুধেন্দুমোহন ভদ্ৰ |
| ৩। | কাব্য-সাহিত্যত স্বতঃস্ফূৰ্ত্ততা | ॥ ১৩ ॥ | শ্ৰীনাৰায়ণ বেজবৰুৱা |
| ৪। | শক্তিবাদৰ পৰম্পৰা | ॥ ১৭ ॥ | শ্ৰীনবীন চন্দ্ৰ শৰ্মা |
| ৫। | মৰা শৰ হাঁহি ( গল্প ) | ॥ ২৩ ॥ | শ্ৰীঘনকান্ত চেতিয়া ফুকন |
| ৬। | সাহিত্য সংবাদ—তামিল সাহিত্য : তিৰুকুৰল | ॥ ২৬ ॥ | শ্ৰীকমল চন্দ্ৰ বায়ন |
| ৭। | ৰাইজৰ চিঠি | ॥ ২৮ ॥ | শ্ৰীপবন চন্দ্ৰ শৰ্মা |
| ৮। | সংস্কৃত নাটকত অতিলৌকিকতা আৰু অদ্ভুত ৰস | ॥ ৩১ ॥ | ড° মুকুন্দ মাধৱ শৰ্মা |
| ৯। | হিন্দী সাহিত্যত ৰাসলীলা প্ৰসঙ্গ | ॥ ৩৭ ॥ | শ্ৰীঅৱনীন্দ্ৰ চন্দ্ৰ বৰা |
| ১০। | হৰেন্দ্ৰ নাথ শৰ্মা : ব্যক্তিত্ব আৰু প্ৰতিভা | ॥ ৪০ ॥ | শ্ৰীৰজনীকান্ত শৰ্মা |
| ১১। | অসমীয়া ব্যাকৰণৰ স্বৰূপ | ॥ ৪৩ ॥ | ড: উপেন্দ্ৰনাথ গোস্বামী |
| ১২। | অসমত তুলসীদাস আৰু শ্ৰীকান্ত কবি | ॥ ৪৫ ॥ | শ্ৰীযজ্ঞেশ্বৰ শৰ্মা |
| ১৩। | ইচ্ছা, চেষ্টা আৰু বাস্তৱতা ( অনূদিত গল্প ) | ॥ ৪৭ ॥ | শ্ৰীবিপ্লৱ বৰুৱা |
| ১৪। | ৰাভাসকলৰ বিবাহ পৰম্পৰাত এভুমুকি | ॥ ৫৩ ॥ | শ্ৰীধীৰেন্দ্ৰকুমাৰ ৰাভা |
| ১৫। | এৰা বোটলা যৎকিঞ্চিৎ | ॥ ৫৩ ॥ | শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা |
| ১৬। | নিতাই পগলা ( ৰস-ৰচনা ) | ॥ ৬২ ॥ | শ্ৰীগোলাপচন্দ্ৰ বৰা |
| ১৭। | বিস্ময়কৰ সপোন | ॥ ৬৬ ॥ | ডা: ৰাজেন্দ্ৰ কুমাৰ ভূঞা |
| ১৮। | নিৰ্গুণ ব্ৰহ্ম: সগুণ ঈশ্বৰ: সনাতন জীৱ | ॥ ৭১ ॥ | শ্ৰীগদাধৰ দেৱ শৰ্মা |
| ১৯। | হাতীমূৰা পাহাৰৰ আকাশী গঙ্গা | ॥ ৭৭ ॥ | শ্ৰীশ্ৰীমান চক্ৰৱৰ্তী |
| ২০। | মাধৱদেৱৰ নামঘোষাত শঙ্কৰদেৱ আৰু গুৰুতত্ত্ব | ॥ ৭৯ ॥ | শ্ৰীবাপচন্দ্ৰ মহন্ত |
| ২১। | জীৱন-তৃষ্ণা ( গল্প ) | ॥ ৮৪ ॥ | শ্ৰীউমা বৰুৱা |
| ২২। | হিন্দুধৰ্মত বহু দেৱ-দেৱী পূজা | ॥ ৮৭ ॥ | শ্ৰীঅতীন্দ্ৰ নাৰায়ণ গোস্বামী |
| ২৩। | অসমীয়া বিজ্ঞান সাহিত্য | ॥ ৯০ ॥ | শ্ৰীসোনেশ্বৰ শৰ্মা |
| ২৪। | আগৰৱালাৰ তেজীমলা | ॥ ৯৫ ॥ | ড° হৰিনাথ শৰ্মা দলৈ |
| ২৫। | শ্ৰীশ্ৰীশীতলা ( আইনাম ) | ॥ ১০০ ॥ | শ্ৰীসমীন কলিতা |
| ২৬। | সম্পাদকৰ চ'ৰা | ॥ ১০৩ ॥ | |


* অসম সাহিত্য সভা পত্ৰিকা * ৩০ শ বছৰ * ষষ্ঠ সংখ্যা (শাৰদীয় সংখ্যা) আহিন * ১৮৯৫ শক ॥ ১৯৭৩ চন *

সম্পাদক : **শ্ৰীহেমন্ত কুমাৰ শৰ্মা**

অসমৰ ক্ষুদ্ৰ সঞ্চয় আঁচনি বিভাগে

অসমৰ ৰাইজলৈ

শাৰদীয় পূজাৰ অভিনন্দন জনাইছে

## আপোনাৰ টকা

# ক্ষুদ্ৰ সঞ্চয় আঁচনিত

## জমা কৰি

শতকৰা ৪% টকাৰ পৰা ৭·৫০% টকালৈ
সুদ লাভ কৰক
আৰু লগতে
মাতৃভূমিৰ মঙ্গল সাধক।

বিশদ বিৱৰণৰ বাবে আপোনাৰ ওচৰৰ ডাকঘৰ
বা
জিলা সঞ্চয় বিষয়াক লগ ধৰক।

( অসম চৰকাৰৰ ক্ষুদ্ৰ সঞ্চয় আঁচনি বিভাগৰ সঞ্চালকৰ দ্বাৰা প্ৰচাৰিত )

# মেট্ৰিক পদ্ধতিৰ ওজন আৰু জোখ-মাখ

ঠগ প্ৰৱঞ্চনাৰ হাত সাৰিবলৈ কাপোৰ-কানি

কেৱল—

১। মেট্ৰিক জোখ মিটাৰ, চেণ্টিমিটাৰত কিনিব।
২। মিটাৰৰ হাৰতহে দাম দিব।
৩। কাপোৰৰ বেপাৰীক মেট্ৰিক জোখত কাপোৰৰ দাম কৰলৈ আৰু বেচিবলৈ দাবী কৰিব।

কাৰণ—

১। মেট্ৰিক জোখ-মাখ ব্যৱহাৰ কৰাটোহে বৰ্ত্তমান আইন সঙ্গত।
২। কাপোৰৰ মিলত মিটাৰৰ জোখতহে কাপোৰ তৈয়াৰ হয়।
৩। ব্যৱসায়ীয়ে মিটাৰৰ জোখতহে আইনমতে বেচিব লাগে।
৪। মিটাৰৰ দাম লৈ ব্যৱসায়ীয়ে গজৰ জোখত কাপোৰ দিলে প্ৰতি টকাত আপোনাৰ ৯ পইচাকৈ লোকচান হয়।

গজৰ জোখত কোনো ব্যৱসায়ীয়ে কাপোৰ বেচিলে
তৎক্ষণাৎ স্থানীয় জোখ-মাখ পৰিদৰ্শকক খবৰ দিয়ক।

( ওজন আৰু জোখ-মাখ নিয়ন্ত্ৰকৰ দ্বাৰা প্ৰচাৰিত )

*With best Compliments from :*

# RHINO TRAVELS

AUTHORISED AGENT INDIAN AIRLINES
GOVT. RECOGNISED TRAVEL AGENTS

Phone (O) 5698,7838,7522 (R) 5296
Cable : 'RINOTRAVEL'

**G. S. Road, Panbazar**
**GAUHATI-1**

We Undertake domestic and international **Air-Sea-Rail Bookings**, Arrangement for **Passports & Visas, Reserve Bank formalities, Hotel Bookings, Carhire, Travellers Cheques & Conducted tours to Kaziranga, Shillong, Etc. Etc.**

অসম সাহিত্য সভাৰ কেইথনমান
বাছকবনীয়া কিতাপ

| | নাম | মূল্য |
|---|---|---|
| ১। | Studies in the Early History of Assam | 20·00 |
| ২। | হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী | ২০·০০ |
| ৩। | পৰমাচাৰ্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী | ৬·০০ |
| ৪। | সাহিত্য সমীক্ষা (২য় তাওৰণ) | ৮·০০ |
| ৫। | বিংশ শতাব্দীৰ অসমীয়া সাহিত্য | ৮·০০ |
| ৬। | মফিজুদ্দিন আহমদ হাজৰিকা ৰচনাৱলী | ৫·০০ |
| ৭। | কনকলাল বৰুৱা | ১·০০ |
| ৮। | গোহাঞি বৰুৱা প্ৰতিভা | ১·০০ |
| ৯। | ৰজনী বৰদলৈ ৰচনামালা | ৮·০০ |
| ১০। | ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ | ৫·০০ |

সদৌ ৰাইজলৈ শাৰদীয় পূজাৰনীয়া আমাৰ
সাদৰ সম্ভাষণ

পূজাৰ আনন্দই সকলোৰে আনন্দ, পূজাৰ বজাৰৰ প্ৰয়োজনীয় সকলো কিতাপ আমাৰ ওচৰত পাব।

ৰাইজৰ সেৱাত—

**লহকৰ এজেঞ্চি**

উলুবাৰী চাৰিআলি
(ডাঃ বি, বৰুৱা ৰোড)
গুৱাহাটী—৭

## পাৰ হৈ যাব
## পূজাৰ বতৰ
## আহিব শীতকাল

শীত অহাৰ লগে লগেই
শীতকালীন শাক-পাচলিৰ সময় পালেহি।
লাই, লফা, পালেং, কবি, মূলা, গাজৰ আদি
বিভিন্ন শাক-পাচলিৰ বাবে
মাটি চহোৱাৰ এয়ে উত্তম সময়।
উন্নত জাতৰ বীজ ব্যৱহাৰ,
ৰাসায়নিক সাৰ প্ৰয়োগ,
পানী যোগান,
কীট-পতংগনাশক ঔষধৰ ব্যৱহাৰ,
উপযুক্ত প্ৰতিপাল আদিৰপৰা
অধিক শাক-পাচলি উৎপাদন কৰিব পাৰিব।

অসম কৃষি বিভাগৰ
প্ৰচাৰ শাখাৰ দ্বাৰা প্ৰচাৰিত

সুৰুচিপূৰ্ণ বিভিন্ন বিষয়ক সামৰা
মাহেকীয়া আলোচনী

**নতুন প্ৰবাহ**

[ নিয়মীয়াকৈ ওলাই এতিয়া দ্বিতীয় বছৰ পাইছেছি ]

বছৰেকীয়া বৰঙণি—১২·০০ টকা
প্ৰতি সংখ্যা—১·০০ টকা
এবছৰৰ কমত গ্ৰাহক কৰা নহয়।

আপোনাৰ ওচৰৰ এজেন্টৰ ওচৰত
খবৰ কৰক
নতুবা
বাৰ টকা আগধন পঠিয়াই
বছৰেকীয়া গ্ৰাহক হওক

'নতুন প্ৰবাহ'ৰ বছৰেকীয়া গ্ৰাহক হোৱা মানেই
আপুনি আৰু আপোনাৰ পৰিয়ালৰ দিনটোত
এনেয়ে হোৱা অলাগতীয়াল খৰচৰ
তিনি দশমিক তেত্ৰিশ পইচা
সংকামত লগোৱা

যোগাযোগৰ ঠিকনা—
পৰিচালক: 'নতুন প্ৰবাহ'
জয়া প্ৰেচ
কমাচল ৰোড
গুৱাহাটী-৩

# প্ৰাচীন অসমীয়া সংস্কৃতি

ড° প্ৰতাপচন্দ্ৰ চৌধুৰী

যাৰ প্ৰাকৃতিক সম্পদৰাজি সুন্দৰ, সাজ-সজ্জা সুন্দৰ, জন সুন্দৰ, গীত-মাত সুন্দৰ, সেই মনোৰমা, সুউচ্চ সংস্কৃতিৰ প্ৰতীক সোণৰ অসম আজি সমস্যা-জৰ্জ্জৰিত, খণ্ড-বিখণ্ডিত। ভাষা-সাহিত্য, কলা-কৃষ্টিতো কু-প্ৰভাৱ নপৰাকৈ থকা নাই। ইয়াৰো এথন বুৰঞ্জী হয়। এই পৰিবেশত থাকি কোনোৰ মন বিষাদ-ম্লান, কোনোৰ হৰ্ষাপ্লুত; কোনোৱে বা নিৰ্লিপ্ত নিৰ্বিকাৰ, কোনোৱে আত্মতুষ্টিত বিভোৰ। থলুৱা, হাড়ে-মগজুৱে অসমীয়াৰ প্ৰাণৰ আৰ্তনাদেও বিজতৰীয়া তথাকথিত ৰাজনীতি বিশাৰদৰ কাণসাৰ নকৰায়। আলৈ-আতিথি প্ৰভাৱান্বিত শাসন-তন্ত্ৰৰ কৰ্ণধাৰসকল জন-গণৰ পৰা আঁতৰি গৈছে। এইসকল অসমীয়াও নহয়, ভাৰতীয়ও নহয়। মনত ৰাখিব লাগিব, আমি অসমীয়া কাৰণেহে ভাৰতীয়। আমাৰ সত্তাৰ, আত্ম-বিকাশৰ, গৰিমা-প্ৰতিষ্ঠাৰ বিনিময়ত, নাইবা প্ৰতিবেশী ৰাজ্যৰ লোলুপ-ঈৰ্ষা-দৃষ্টিত গোটেই দেশখনৰে অপূৰণীয় ক্ষতি হয়: ইয়াৰ অবয়ব পৰিপুষ্ট কৰা নাই। আমি লাগিলে অসমীয়া সংস্কৃতিতে জাহ যাম, অনা-অসমীয়াত নহয়। কিন্তু আজি সেই অৱস্থাই আমাৰ দুৱাৰ-দলিত। ইয়াৰ গতিৰোধ কৰে কোনে? শ্ৰীমন্ত-শঙ্কৰে, নে আনন্দৰাম ঢেকিয়াল ফুকনে; মণিৰামে নে বেজবৰুৱাই; অৰুচিকৰ, অকাৰ্যকৰী বাক-বিতণ্ডাই নে সুপৰিকল্পিত সমূহ প্ৰচেষ্টাই? নিৰীহ সৰল অসমীয়াই নে কূটনীতিজ্ঞ স্বাৰ্থপৰ ৰাজনৈতিক ব্যক্তিবিশেষে? ইয়াৰ উত্তৰো আমিয়েই দিব লাগিব। গতিৰোধ যেয়ে নকৰক কিয়, সমগ্ৰ ভাৰতবাসীৰে এইটো উপলব্ধ হোৱা বাঞ্ছনীয়, থলুৱা অসমীয়া মাতবোলৰ, সংস্কৃতিৰ ৰক্ষণাবেক্ষণ দি, ইয়াকে চৰ্চি বিকাশ সাধন কৰি থকাৰ স্বত্ব জন্মগত; ই অখণ্ডনীয়, অলঙ্ঘনীয়। ইয়াৰ ওপৰত পুনঃ পুনঃ কুঠাৰাঘাত পৰিলে ইয়াৰ থলুৱা বাসিন্দাই ওফৰাই পেলাবলৈ, নাইবা আওবাটে বাটকুৰি বোৱাৰ শঙ্কা আছে বুলি ন্যস্ত স্বাৰ্থান্ধ, ঠেক মনোবৃত্তিৰ জনগণে জানি থোৱা উচিত হব।

প্ৰশ্ন উঠে, অসমীয়ানো কোন! আৰু অসমীয়া সংস্কৃতিৰ স্বৰূপেই বা কি? অসমীয়াৰ নিজস্ব জাতীয় চৰিত্ৰ আছে। এই চৰিত্ৰ প্ৰকৃতি স্বভাৱগত। প্ৰকাশ পাইছে আমাৰ ব্যৱহাৰ, পিন্ধন-উৰন, খোৱা-বোৱা, দিয়া-থোৱাত। এই চৰিত্ৰ সবলতাৰ, চাতুৰ্যৰ নহয়, দুৰ্বলতাৰো নহয়; জয়ভাৰত বাণীৰ, জাতীয় প্ৰেমৰ। এই প্ৰেম অন্তৰ-বাহিৰ পৰশা, ভাতৃ-বোধত্বৰ, সৰ্ব-ভাৰতীয়। অসমত জন্মি, ভাৰতৰ জয়গান আমাৰ বৈষ্ণৱ মহাপুৰুষ মাধৱদেৱে যোড় শতিকাতে গাইছে: 'ধন্য জন্ম ভাৰতবৰিষে'। এই নিৰ্ভাঁজ স্বদেশপ্ৰেম অসমীয়া জাতিয়ে ভাৰতীয় মহাজাতিৰ সকলো স্তৰতে কামনা কৰে সমভাৱে। অসমীৰ দুখত দুখী, সুখত সুখী, ত্যাগত

ত্যাগী, ভোগত ভোগী, কায়মনোবাক্যে ভিতৰ-বাহিৰ অসম-প্ৰেমীয়েই অসমীয়া। ইয়াত থলুৱা-বহিৰাগতৰ পাৰ্থক্য নাথাকে, যদিহে কালিৰ অতিথিও উক্ত গুণৰ অধিকাৰী হয়; ইয়াৰ ভাষা-সাহিত্য, কলা-কৃষ্টিৰ পৃষ্ঠপোষকেই নহয়, পৰিবৰ্ধকো হব পাৰে, অপায়-অমঙ্গল নিবাময়ক হব পাৰে। কিন্তু, পৰিতাপৰ কথা, থলুৱাৰ বাহিৰে (ইয়াৰ মাজতো মাজে মাজে গড়া-খহনীয়া হৈ ফাট মেলে) বহিৰাগতৰ এহেজাৰৰ ভিতৰত এজনেও সেই গুণৰ অধিকাৰী হব পৰা নাই, বৰং নতুন-পুৰণি নিৰ্বিশেষে অন্তৰায় হিচাপেহে থিয় দি আছে। এই অৱস্থাৰ হুবহু চিত্ৰ এখন দাঙি ধৰি ভাৰতীয় জনগণক পতিয়ন নিয়াবলৈ চেষ্টা হোৱা নাই। নাইবা, সেইসকলে বুজিও নুবুজে। অসমৰ সভ্যতাৰ ঘাত-প্ৰতিঘাতৰ বুৰঞ্জীত ইও এটি অবিস্মৰণীয় আলেখ্য হৈ থাকিব বুলি আমাৰ বিশ্বাস। আৰু ইয়ে সাৱধান বাণী শুনাই আমাৰে আৰু ভৱিষ্যত বংশধৰসকলৰ চকু মুকলি কৰি আত্মচেতনা আনি দিয়াত সহায়ক হব।

নানাজনে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ওপৰত কলম ধৰিছে: নতুন নতুন তথ্য আৱিষ্কাৰ কৰি নানা দিশৰ ওপৰত নতুন নতুন নাম দি পুথি লিখিছে; কবিতা-গীত-পদ ৰচিছে, গাইছে; নাট্যাভিনয় মঞ্চস্থ কৰিছে; তুলিকাৰে ৰাম-ধনু সাজিছে, চিত্ৰলেখাৰ ভাও ধৰি সপোন ধৰি ৰাখিছে। কিন্তু, প্ৰকৃত ধাৰাবাহিক সাংস্কৃতিক বুৰঞ্জীৰ অভাৱ আজিও গুচা নাই। সকলো দিশ সামৰি লৈ কলা-কৃষ্টিৰ স্বৰূপ আলোচনা কৰি ধাৰাবাহিক বুৰঞ্জীমূলক সাহিত্য প্ৰণয়ন কৰা সহজ-সাধ্যও নহয়। বহু কথাৰে আঁত বিচাৰি পোৱা নাযায়, আলোচনা-পৰ্যালোচনাও নহয়, সা-সুবিধাও নাইকিয়া। কিন্তু, কৰিব লাগিব।

সংস্কৃতিৰ ধাৰা বহু উপাদান সম্ভূতই নহয়, ই অন্তৰ্মুখী-বহিৰ্মুখী-নিৰ্গত-প্ৰবাহিত; পাৰিপাৰ্শ্বিকতা বিধৌত বিকশিত। ই লিপিতত্ব তথা ভাষাতত্ব, সমসাময়িক সাহিত্য আৰু প্ৰত্নতত্বৰ সামগ্ৰিক সমলৰ ওপৰত নিৰ্ভৰ-যোগ্য। তদনুযায়ী কামটো হৈ উঠা নাই। অসমীয়া লিপিতত্ব আৰু প্ৰত্নতত্বৰ বুৰঞ্জী দুখন সুবৃহৎকৈ লিখি উলিয়াব লাগিব। ইয়াৰ মাজত বিচাৰি পোৱা যাব আমাৰ ৰাজনৈতিক উত্থান-পতন, ভাষা-সাহিত্য, সমাজ-ব্যৱস্থা, ধৰ্ম-বিশ্বাস, সুকুমাৰ কলা-কৃষ্টি আদিৰ সবিশেষ। ইয়ে আমাক বুজাত আৰু আৰু আনকো বুজোৱাত নিশ্চয় সহায়ক হব।

সংস্কৃতিৰ জন্ম, প্ৰতিপালন আৰু বিকাশ হয় ঘাইকৈ ৰাজনৈতিক গোটৰ আবেষ্টনিৰ মাজত। বাহিৰতো হয় ক্ষীণৰূপে। সেয়ে হলেও কেন্দ্ৰীয় উচ্চতৰ মূল ধাৰাত হয় ইবোৰ লগলাগি কালক্ৰমত লয় পায়, নহয় বিশেষভাৱে প্ৰভাৱান্বিত হয়। অসমৰ ক্ষেত্ৰত ইয়েই হৈছিল। এফালে ৰাজপৃষ্ঠ পোষকতা, আনফালে মনুষ্যত্ব-বিকাশধৰ্মী জনগণৰ একনিষ্ঠ উৎসাহ-উদ্দীপনাসিক্ত প্ৰচেষ্টা —এই দুইৰ সমন্বয়ত উপজিছিল আমাৰ বিশাল সাংস্কৃতিক গোটটি, পৰিপুষ্টও হৈছিল বহু শতাব্দীৰ আগতেই। ইয়াৰ প্ৰভাৱ-প্ৰচাৰ ৰাজনৈতিক গোটৰ সীমা চেৰাইগৈ দিগন্তত মিলিছিল। উৰ্বৰা লুইতৰ সভ্যতা আছিল আৰ্যধৰ্মী, ই আছিল মহাবাহুৰ নিচিনাই ঠাল-ঠেঙুলি পৰিপুষ্ট বিতোপন, বিশাল, আৰু অসংখ্য নদী-নলাৰ নিচিনাই অলেখ ধাৰাই কঢ়িয়াই নিছিল পৰ্বতে-কন্দৰে; দূৰ-দূৰণিলৈ ইয়াৰ বতৰা, ভাৰতীয় সভ্যতাৰ এটি বিচক্ষণ সৃতি; বৃহত্তৰ ভাৰতীয় কৃষ্টি-স্ৰজি, প্ৰচাৰিছিল মানৱ-কল্যাণ সুন্দৰৰ উদ্দেশ্যে। নানা শাস্ত্ৰ, ইতিহাস-পুৰাণ আৰু প্ৰত্নতত্বই কয়, নিৰপেক্ষ পণ্ডিতবিশেষে মানিও লৈছে—অসমৰ ৰাজনৈতিক ভূগোলে আবহমান কালৰপৰা শতাব্দীজুৰি উত্তৰে হিমালয়ৰ প্ৰান্তৰ যেনে, তিব্বত, আৰু দক্ষিণে ব্ৰহ্মপুত্ৰ-গঙ্গাৰ সঙ্গমস্থলী (বৰ্তমানৰ বাংলাদেশৰ দক্ষিণ পূব অংশ) পূৱে শদিয়া মিচিমি ৰাজ্য আৰু পশ্চিমে কৰতোয়া-গঙ্গালৈকে উত্তৰবঙ্গৰ বিস্তীৰ্ণ অঞ্চল সামৰি লৈছিল। কামাখ্যা প্ৰকৃতি দেৱীৰ পূজা আৰাধনাৰ ত্ৰিকোণাকাৰ প্ৰতিমূৰ্তিয়ে এই ৰাজনৈতিক গোটটিৰে পৰিধি প্ৰতীকৰূপে আজিও



অৱস্থান কৰিছে, ঠিক যেনেকৈ মধ্যত গণেশগিৰিক লৈ কামৰূপ শিৱ-শাক্তই চতুৰ্পীঠৰ অধিষ্ঠাতা দেৱতা হৈ অসমৰ প্ৰবল সাংস্কৃতিক সত্তাৰ প্ৰতীকৰূপে বিৰাজমান। উক্ত ৰাজনৈতিক গোটৰ মাজত জাত, প্ৰতিপালিত, পৰিসংস্কাৰিত, পৰিবৰ্ধিত অসমৰ সংস্কৃতিয়ে আজিৰ অৰুণাচলৰ সকলো অংশ, পূৱে আৰু দক্ষিণে ব্ৰহ্মদেশ, কম্বোডীয়া, শ্যাম, ইণ্ডোচীন, যাভাদি কৰি দক্ষিণ-পূব এছিয়াৰ বৌদ্ধ-হিন্দু উপনিবেশসমূহ আৰু পশ্চিমে কনৌজ, কোশল, বিদেহ, মগধ, কলিঙ্গাদি প্ৰাচীন ৰাজ্যসমূহলৈ বিস্তৃতি লাভ কৰিছিল। সংস্কৃতিৰ বাহক স্নায়ু-কেন্দ্ৰ, শিক্ষা-দীক্ষা ক্ষেত্ৰত অগ্ৰণী ৰাজধানী প্ৰাগ্‌জ্যোতিষপুৰৰ (বৃহত্তৰ গুৱাহাটী) সৌজন্যত এই বিস্তৃতিৰ সম্ভৱপৰেই নহৈছিল? দূৰ-দূৰণিৰ পণ্ডিত-সজ্জনকো ইয়াৰ মাজলৈ টানি আনিছিল। শাস্ত্ৰকাৰ, শৈৱ-শাক্ত-বৈষ্ণৱৰ, খনিকৰ গায়ক-স্থপতিৰ মিলন ঘটিছিল।

সন্ত-প্ৰাপ্ত ছিয়াং-কামেং-সুৱণশিৰী, লোহিতৰ প্ৰত্ন-তাত্বিক ভাস্কৰ্যই প্ৰাচীন অসমীয়া কলা-কৃষ্টিৰ, সভ্যতাৰ উৰ্বৰতা, ইয়াৰ বহুমুখী প্ৰতিভা আৰু পৰিসৰৰ কথা সোঁৱৰাই দিছে। অসমীয়া তথা ভাৰতীয় বৌদ্ধ-হিন্দু সভ্যতাৰ গুৰিধৰোঁতাসকলৰ এভাগ উক্ত অৰুণাচল অঞ্চলত অৱস্থান কৰা আখ্যান চৰিতৰ সত্যতা উক্ত ভাস্কৰ্যসমূহে ৰাৰুকৈয়ে প্ৰমাণ কৰিছে। পণ্ডিতপ্ৰৱৰ নগেন্দ্ৰনাথ বসুৱে তেওঁৰ পুথিত (Social History of Kamarupa) অসমৰ বৰ্মণ বংশই, বিশেষকৈ কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজত্ব কালত অসমীয়াৰ সংস্কৃতিৰ প্ৰভাৱ দক্ষিণ-পূব এচিয়াৰ ঠাই বিশেষ আৰু ভাৰতৰ অন্যান্য ঠাইত প্ৰতিফলিত হৈ বৃহত্তৰ ভাৰতীয় সভ্যতাৰ বীজ ৰোপণ কৰা ঐতিহাসিক ঘটনাৰ উল্লেখ কৰিছে। প্ৰত্নতাত্বিকখনন কাৰ্যৰ লগতে প্ৰকৃত গৱেষণা আৰু অনুসন্ধানে অসমীয়া সংস্কৃতিৰ এই ব্যাপকতা সম্বন্ধে সম্যক জ্ঞান দিয়াত সহায়ক হব বুলি আশা কৰিব পাৰি। ইয়াৰ অন্যথাই নিৰ্ভৰযোগ্য নোহোৱা তথ্য-পাতিৰ ওপৰত বিকৃত ব্যাখ্যা দি নিজ স্বাৰ্থ সিদ্ধি কৰাত উদ্ধতহোৱা লোকৰ অভাৱ নাই। আজি তাৰেই চানেকি দেখিবলৈ পাইছো, নহলে অৰুণাচলৰ পৰা অসমীয়া ভাষা-সংস্কৃতিৰ অকাল নিৰ্বাসন নহ'লহেঁতেন। নহলে শ্ৰীমন্তশঙ্কৰ-মাধৱৰ নিচিনা অসমীয়াৰ জাতীয় কৰ্ণধাৰসকলক অনাঅসমীয়া কৰা প্ৰচেষ্টা নহ'লহেঁতেন। নহ'লে জাতি জনজাতিৰ মাজত পাৰ্থক্যৰ বীজ সুমাই দি, অসমীয়া ভাষা-সংস্কৃতিৰ মনেসজা তথাকথিত প্ৰভুত্ব স্থাপনৰ স্বাৰ্থ বিচাৰি উলিয়াই অসমথন খণ্ড-বিখণ্ড নকৰালেহেঁতেন।

অসমৰ সংস্কৃতিৰ সম্যক অধ্যয়ন-অনুসন্ধানৰ সুবিধাই বা আজি ক'ত কৰা হৈছে? ভাৰতীয় সভ্যতাৰ অঙ্গীভূত এই সংস্কৃতিৰ পাঠ্যক্ৰম অসমৰ বিশ্ববিদ্যালয়সমূহতেই বা ক'ত কৰা হৈছে? গৱেষণা নহলে পুথিয়েই বা ক'ত ওলাব? পুৰণিক নেওচি নতুনক উপলব্ধি কৰাৰ সাধ্য কাৰ? সাধ্য কৰা হৈছে আমাৰ শিক্ষানুষ্ঠানসমূহত। আমাৰ ঐতিহাসিক অধ্যয়ন আৰম্ভ কৰা হৈছে হয় খৃঃ ১৩শ শতিকাৰ পৰা, নহয় ১৮শ শতিকাৰ পৰা; ধাৰণা কৰা হৈছে যেন ঐতিহাসিক ঘটনা বা সভ্যতাৰ ধাৰা হঠাতে কোনো এক সময় ৰেখাৰ মাজভাগতে উদ্ভৱ হৈ পৰিসমাপ্তি ঘটে। এই ধাৰণা ভুল। আমাৰ লিপি-ভাষা-সাহিত্যৰ, কলা-কৃষ্টিৰ আঁতিগুৰি এনেকুৱা খণ্ডাধ্যায়নে দিব পাৰে বুলি ভাবিবকে নোৱাৰি। আৰু আমাৰ দোষতে কিজানি ভাৰতীয় পণ্ডিতে আমাৰ সভ্যতাৰ গৱেষণা কাৰ্যত সহায় কৰিবলৈ আজিও আগ বাঢ়ি অহা নাই। দুই এজনে আহিলেও বিকৃত ব্যাখ্যাহে দিছে। অলপতে আৱিষ্কৃত গুৱাহাটী—আমবাৰীৰ প্ৰত্নতাত্বিক খননস্থলীয়ে তাৰে প্ৰমাণ দেখুৱাইছে। তেওঁলোকে হয়তো আগবাঢ়ি নাহে এই কাৰণেই, তথাকথিত আৰ্য-বৰ্জিত অসমৰ সংস্কৃতি অভাৰতীয়; নাইবা থলুৱা অসমীয়াৰ ইয়াত নিজস্ব বৈশিষ্ট্য নাইকিয়া। এইখিনিতে আমাৰো দোষ আছে, কাৰণ সৰ্বভাৰতীয় প্ৰদৰ্শনাত, সভা-সম্মিলনত, আমাৰ

থলুৱা কৃষ্টিৰ চানেকি পৰিবেশন নকৰি কিবা-থিনিহে কৰে॑।। যি কাৰণেই নহওক, ভাৰতৰ ৰাজনৈতিক বুৰঞ্জী সংকলনত, অথবা দেশৰ সভ্যতাৰ বুৰঞ্জী প্ৰণয়নত ভাস্কৰবৰ্মা, চুহংমুং দিহিঙ্গীয়া ৰজা, ৰুদ্ৰসিংহ, শিৱসিংহ, নৰনাৰায়ণ, লাচিত বৰফুকন, আতনবুঢ়াগোহাঁই, পিয়লি ফুকন, মণিৰাম দেৱান আদি বিখ্যাত ৰাজন্যবৰ্গ আৰু দেশপ্ৰেমিক বীৰসকলৰ, আৰু যুগাৱতাৰ পুৰুষ শ্ৰীমন্ত শঙ্কৰ, বিদগ্ধ পণ্ডিতমণ্ডলীৰ মাধৱদেৱ, ভট্টদেৱ, পীতাম্বৰ সিদ্ধান্ত বাগীশ, কৃবিৰাজ চক্ৰৱৰ্তী আদিৰ নামোল্লেখ নকৰাকৈয়ে কৰা হৈছে। কৰ লাগিব, ভাৰতৰ জনগণৰ ঐতিহ্যৰ স্বৰূপ আধৰুৱাহৈ প্ৰকাশ পাইছে। নিস্বাৰ্থ ভাৰতীয় পণ্ডিতৰ এইটো স্বীকাৰ্য।

উল্লেখ কৰা হৈছে, নিৰ্ভৰযোগ্য নোহোৱা আহিলা-পাতিৰ ওপৰত প্ৰতিষ্ঠিত ঐতিহাসিক সাংস্কৃতিক ঘটনা বিশ্লেষণে সত্যৰ উদ্‌ঘাটন নকৰে। বিকৃত বৰ্ণনাৰহে অৱতাৰণা হয়। পুৰণি সংস্কৃতিৰ বৰ্ণনা দিয়া, ব্যাখ্যা কৰা সহজ কামো নহয়। এটা বিশেষ শব্দৰ উল্লেখে এডোখৰ লিপি খোদিত প্ৰস্তৰে, এটি বিগ্ৰহে, স্বৰ-লিপিৰ এটি ধ্বনিয়ে সংস্কৃতিৰ বিশদ বিৱৰণ নিদিয়ে। ইবোৰৰ সামূহিক, বৈজ্ঞানিক ব্যাখ্যা লাগে। এনেকুৱা ব্যাখ্যা আমাৰ মাজৰ পণ্ডিতসকলে কৰা নাছিল, এতিয়াও কৰা নাই। আমাৰ পুৰণি সাংস্কৃতিক জীৱন পদ্ধতিৰ আঁত বিচাৰি, আমাৰ লুপ্ত ঐতিহ্যৰ পম খেদি, সমল যোগাৰ কৰি নিজে জানি, লোকৰ মাজত প্ৰচাৰ কৰিবলৈ যৎপৰোনাস্তি প্ৰচেষ্টা চলোৱাৰ ভিতৰত অসমৰ অগ্ৰণী সুসন্তান আছিল পণ্ডিতপ্ৰবৰ হেমচন্দ্ৰ গোস্বামী আৰু ৰায়বাহাদুৰ কনকলাল বৰুৱা। তেওঁলোকেই আমাৰ কাৰণে বন-জঙ্গল কাটি অধ্যয়ন—অধ্যাপনা গৱেষণাৰ বাট সুচল কৰি থৈ গৈছে। তেওঁলোকৰ পিছত বহুতো নতুন নতুন সমল ওলাইছে। সৌ সিদিনা আমবাৰীতো ওলাইছে আৰু হয়তো ওলাব পৰিকল্পিত খনন কাৰ্যৰ সহায়ত। দুখৰ বিষয়, এই-বোৰৰ ওপৰত ভাল ব্যাখ্যা হোৱা নাই। সত্যক লুকাই ৰাখি, পুৰণিক অতি পুৰণি কৰাৰ চেষ্টা চলিছে। লিপিতত্ত্বই আৰু স্থপতিবিদ্যাই তাকে নকয়। আমাৰ বিশ্বাস, আমবাৰীৰ শিলালিপিয়ে ইয়াকেই কৈছে, আমবাৰীত পালবংশৰ ৰাজ অট্টালিকাৰে সৈতে—সবাসিক সত্ৰ আছিল, যত আহোমৰজাৰ দিনলৈকে তান্ত্ৰিক বৌদ্ধ প্ৰথাৰে পুজা-পাতল চলিছিল। তাত এপদ দুপদ ইয়াতকৈ প্ৰাচীন প্ৰত্নতাত্ত্বিক সমল হয়তো থাকিব পাৰে।

সি যি কি নহওক, ভাৰতীয় সভ্যতাৰ নতুন বুৰঞ্জী সঙ্কলিত হৈছে। আমাকো লাগে। মহেঞ্জোদাৰো-হৰপ্পাৰ সংস্কৃতিৰ আঁতিগুৰি বিচাৰি পণ্ডিতসকলে সম-সাময়িক মিছৰ আৰু মোছেপতোমিয়াৰ সভ্যতাৰ লগত সমিল-মিল দেখুৱালেও, এই সভ্যতাৰ বেলেগ বেলেগ স্তৰৰ আৱিষ্কাৰে সাব্যস্ত কৰিছে, ই বহুক্ষেত্ৰত ভাৰতীয় থলুৱা সংস্কৃতিৰে মূল, আৰু নানা সময়ত বিস্তীৰ্ণ অঞ্চল জুৰি উত্থান-পতন হৈছিল। গঙ্গাউপত্যকাৰ আৰ্য সভ্যতা আনকি উক্ত সভ্যতাৰ পৰাই সম্ভূত হোৱা বুলি এচাম পণ্ডিতে ঠিৰাং কৰিছে; আনকি সিন্ধু উপত্যকাৰ সভ্যতাৰ গুৰি ধৰোতাসকলৰ ভিতৰত আৰ্য-মঙ্গোলীয় গোষ্ঠীৰ লোক থকা বুলিও ধাৰণা কৰিবৰ থল আছে। ইয়াৰে এটি ক্ষীণধাৰা ব্ৰহ্মপুত্ৰ উপত্যকা আৰু ইয়াৰ উত্তৰ প্ৰান্তত আৱিষ্কৃত হোৱাটো অসম্ভৱ নহয়। এক কথাত, তথাকথিত অনাৰ্য-আৰ্যৰ সংমিশ্ৰণতেই অসম, তথা ভাৰতৰ সভ্যতাৰ পাতনি মেলে, সেই অনাৰ্যসকল দ্ৰাবিড়-অষ্ট্ৰীক-মঙ্গোলীয়ই হওক; নাইবা প্ৰাক্-আৰ্যগোষ্ঠীৰেই হওক।

লিপি আৰু প্ৰত্নতত্ত্বই আমাক বহুদূৰলৈ লৈ গৈছে। মহেঞ্জোদাৰো-হৰপ্পাৰ লিপিৰপৰাই যে আমাৰ প্ৰাচীন ব্ৰাহ্মলিপি ওলাইছে, এই কথা আজি স্বীকাৰ্য। বেদৰ ৰুদ্ৰ বা পুৰাণৰ শিৱ-মূৰ্তিৰ, মাতৃপূজাৰ সা-সঁজুলি আদি আৱিষ্কাৰে শৈৱ-শাক্ত ধৰ্মৰ প্ৰাচীনত্ব নিৰ্ণয় কৰিছে আৰু আমাৰ আগৰ ধাৰণাৰ সংশোধন আনিছে।



সূৰ্য-বিষ্ণুৰ লগতে লিঙ্গ-যোনি পুজাই যে ভাৰতৰ প্ৰাচীন ধৰ্ম বিশ্বাস আছিল তাৰ প্ৰমাণ উক্ত প্ৰত্নতাত্ত্বিক সমলেই দিছে। বেহা-বেপাৰ, শিল্পোদ্যোগ, অা-অলঙ্কাৰৰ ব্যৱহাৰ, ইত্যাদিৰ প্ৰাচীনত্বও উক্ত সভ্যতাৰ সমলে প্ৰমাণ কৰিছে। এই সভ্যতাৰ নিচিনাই অষ্ট্ৰীক-আৰ্য গোষ্ঠীৰলোকৰ সংমিশ্ৰণত উদ্ভৱ হোৱা প্ৰস্তৰ ধাতু যুগৰ অসমৰ প্ৰাচীন সংস্কৃতিত সমাজ-ব্যৱস্থা আৰু শৈৱ-শাক্ত-তান্ত্ৰিক ধৰ্ম-বিশ্বাসৰ আঁতি-গুৰি বিচাৰি উলিয়াব লাগিব। আৰু ইয়াৰ লগতে বিচাৰি উলিয়াব লাগিব উক্ত সিন্ধু গঙ্গা উপত্যকাৰ সংস্কৃতিৰ লগত অসমৰ সংস্কৃতিৰ আঁত। দক্ষিণ-পূৰ্ব এছিয়াৰপৰা অহা সভ্যতাৰ ধাৰা এই মূল ধাৰাত সংমিশ্ৰিত হৈ অসমত এক অভিনৱ স্বকীয় সভ্যতাৰ সৃষ্টি কৰে। এই সভ্যতা সাৰুৱা মাতিৰ গোন্ধ থকা, ডোবা-পিতনিৰ গোন্ধ থকা, বাঁহনি, কাঠনি-বাৰীৰ গোন্ধ থকা, এড়ি-পলুৰ গোন্ধ থকা, সুৰীয়া মাতৰ গোন্ধ থকা, অগৰু চন্দনৰ গোন্ধ থকা, উৎকৰ্ষ শিক্ষা-দীক্ষাৰ গোন্ধ থকা; অসমীয়া স্বাধীন চিত্তৰ গোন্ধ থকা। আন কথাত, ইয়াৰ মাজতে নিহিত আছে অসমীয়া ভাষা সাহিত্যৰ, সমাজ-গাঁথনিৰ জীৱন-নিৰ্বাহৰ উপায় খেতি-খোলাৰ, বোৱন-কাটনৰ, পিন্ধন-উৰণৰ, সা-সজুৰৰ, আচাৰ-ব্যৱহাৰৰ আঁতবোৰ। ই অসমীয়া হৈও ভাৰতীয়; জন-জাতীয় হৈও অসমীয়া; পৰ্বতীয়া হৈ সমতলীয়া; ঠিক যেনেকৈ পুত সলিলা লুইতৰ প্ৰভাৱ আমাৰ সকলোৰে ওপৰত সমপৰ্য্যায়ৰ আৰু অসমীয়া ভাষা-কৃষ্টি একে সতি-সন্ততিতুল্য জাতি-বিজাতি নিজস্ব সম্পদ। এই সত্য অসমীয়া ভাষা-তত্ত্বই, আমাৰ লিখিত-অলিখিত অভিধানে, পুৰাতাত্ত্বিক অধ্যয়নে দিছে। গতিকে, ইয়াক দুই কৰাটো সত্যৰ অপলাপ আৰু স্বাৰ্থ-প্ৰণোদিত বুলি কোৱাৰ যুক্তি আছে।

যি জাতি-জনজাতি, বড়ো-কোচ-কছাৰী-টাই আহোমে আৰু অন্যান্য সম্প্ৰদায়—শ্ৰেণীবিশেষে অসমীয়া শব্দ-ভাণ্ডাৰলৈ, প্ৰাচীন সভ্যতাৰ নানা দিশত, অসমৰ জাতীয় জীৱনৰ স্তৰ গঠনত অৰিহণা যোগাইছে, সি সকলৰ অসমৰ মাটি-পানীৰ ওপৰত সম অধিকাৰ, সি সকলেই থলুৱা অসমীয়া। গতিকে অসমৰ সৰ্বাঙ্গীন উন্নতিয়ে সিসকলৰ ধ্যান-ধাৰণা হোৱাটো বাঞ্ছনীয়। কামৰূপী প্ৰাকৃতে যেনেকৈ টাই—বড়োভাষাৰ শব্দৰাজিৰ ওপৰত প্ৰভাৱ পেলাই, এটাক আনটোৰ অপভ্ৰংশ বুলি ঠাৱৰ কৰাত প্ৰায় অসাধ্য কৰিছে, নাইবা সকলো অসমীয়াৰ ভাণ্ডাৰত লয় পাইছে, ঠিক তেনেকৈয়ে সমতলৰ লোক পৰ্বতলৈ গৈ নামান্তৰ হোৱা ঘটনাৰ আদ্যোপান্ত আমাৰ বুৰঞ্জীৰ পাতে পাতে। গতিকে অসমীয়া মহাজাতি মূলত পৃথক হৈও এক প্ৰাণ, একজাতি আছিল ইংৰাজ অহাৰ বহু পিছলৈকে। কুৰি শতিকাৰ ৰাজনৈতিক মেৰপাক-সৃষ্ট বিভেদেহে জাতি-জনজাতিৰ মাজৰ দূৰত্ব বঢ়ালে; অসমৰ সভ্যতাৰ বুৰঞ্জীৰ নতুন অধ্যায় ৰচনা কৰিলে।

সংমিশ্ৰণত ওপজা হলেও, প্ৰস্তৰ যুগৰ সংস্কৃতিক বাদ দি, অসমৰ সংস্কৃতি আৰ্য্য-হিন্দু-প্ৰাধান্যৰ জলন্ত চানেকি। প্ৰাচীন অসম কিৰাতৰ ৰাজ্য নাছিল, অনাৰ্য প্ৰধানো নাছিল। বিশিষ্ট আৰ্য্যসকলক ইয়ালৈ মাতি অনা ঘটনাও অতিৰঞ্জিত, নাইবা অনা-অসমীয়া উপাধি-ধাৰী ব্যক্তিবিশেষ, যি সকলৰ সতি-সন্ততি ইয়াৰ সমাজত বিশিষ্ট আসন পাইছে, সেই সকল সেই সেই ঠাইৰ পৰাই ইয়ালৈ আহিছিল, যিবোৰ অসমৰাজ্যৰ অন্তৰ্ভুক্ত আছিল, শতাব্দীজুৰি। ভাস্কৰবৰ্মাৰ নিধনপুৰৰ তাম্ৰশাসন ইয়াৰেই প্ৰত্যক্ষ প্ৰমাণ। চতুৰ্থশতিকাৰ আগৰ আৰু পিছৰ; অন্ততঃ খৃঃ ১৩ শ শতিকালৈকে অসমৰ ৰাজন্যবৰ্গ অনাৰ্য্যবংশ সম্ভূত নাছিল। ইয়াৰ পিছৰ কালছোৱাত তিব্বত মঙ্গোলীয় টাই-আহোমগোষ্ঠীৰ শাসক থাকিলেও, সমাজখন আৰ্য-প্ৰধান আছিল। পাহাৰ অলঙ্ঘ্য ভিতৰুৱা অঞ্চলৰ কথা ইয়াত অনা নাই। প্ৰাকৃতিক ভূগোল নাইবা পাহাৰ, নদ-নদী আৰু ঠাই বিশেষৰ নামে অসমীয়া সমাজখনক কিৰাত কৰিব নোৱাৰে, অসমীয়া সংস্কৃতিৰ আঁতিগুৰি বড়ো বা অনাৰ্য

নকৰে। অকল দুই-চাৰিটা শব্দৰ দোহাই দি ভাষা তত্বক সংস্কৃতিৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ দিয়াতো বিপদশঙ্কুল। প্ৰাচীনতম ৰাজধানী প্ৰাগ্‌জ্যোতিষপুৰ, ৰাজ্য কামৰূপ আৰ্য সংস্কৃতিৰে জীৱন্ত প্ৰতীক। গড়গাঁও, ৰংপুৰ, ডিমাপুৰ-খাছপুৰ-কাছাৰ, কমতা-কোচবিহাৰ, জয়ন্তীপুৰক কেন্দ্ৰ কৰি গঢ়ি উঠা সমাজ-ব্যৱস্থা আৰু সংস্কৃতিৰ অন্যান্য উপাদানসমূহ অনাৰ্য-অথলুৱাৰ আছিল বুলি কোনে কব পাৰে? অভাৰতীয় তথা অনাঅসমীয়া বুলি প্ৰমাণ কৰিব পাৰে?

বহল অসমীয়া সমাজখন পিতৃ-প্ৰধান, মাতৃ-প্ৰধানৰ সমন্বয়ত গঢ় লৈছিল; ইয়াতো অষ্টীকৰ লগতে আৰ্য-হিন্দু ভাৰতীয় ঐতিহ্যৰ গোন্ধ থকাই নহয়, বৰ্ণ বিশেষ বা শ্ৰেণীবিভাগৰ ব্যৱস্থা আছিল, প্ৰায় আজিৰ নিচিনাই। কি বৰ্মন বংশ, কি কোচ-কছাৰী-আহোম বংশ, সকলোৱে কম-বেছি পৰিমাণে আৰ্যসকলক নানা ঠাইত পাতি, থলুৱা-পূৰ্বপুৰুষসকলৰ সমাজ-ব্যৱস্থা, অসমীয়া কৃষ্টি সাবটি লৈ, পৃষ্ঠপোষকহৈ ভাৰতীয় সভ্যতাৰ বিকাশ সাধন কৰা বৃত্তান্তৰ সমসাময়িক বুৰঞ্জীৰ পুথি-নথি-পত্ৰই সাক্ষী দিছে। অসমৰ ধৰ্ম-বিশ্বাস, বিশেষকৈ তান্ত্ৰিক, শাক্ত প্ৰথা আৰু নৱ-বৈষ্ণৱ যুগৰ থলক লগোৱা জাগৰণে সকলোকে সামৰি লৈ এখন বহল বৰ্ণবৈষম্যহীন অস্পৃশ্যতাৱৰ্জিত সমাজৰ ভেটি স্থাপন কৰিছিল। ই আজিও বৰ্তমান। এই অসমৰ ধৰ্ম-পৰায়ণ, অতিথি-সেৱাত অভ্যস্ত, উদাৰ সমাজৰ আহি সমগ্ৰ ভাৰতীয়ৰে অনুকৰণীয় হৈ আছে।

অসমীয়া সমাজৰ অইন এটা মন কৰিব লগীয়া দিশ হৈছে: নানা কাৰণবশতঃ এক গোষ্ঠীৰ লোক আনৰ ওপৰত অনাদি কালৰপৰা নিৰ্ভৰশীল হব লাগিছিল। আৰু ইয়ে নিবিড়ভাৱে মিলা-মিছা, আদান-প্ৰদান কৰাত সহায়ক হৈছিল। সকলো দিশতে স্বাৱলম্বী এই সমাজখন জীৱন-নিৰ্বাহত মান-দণ্ড ৰাখি চালিত হৈছিল। কি অন্ন-বস্ত্ৰ আহৰণ, কি খাদ্য-সম্ভাৰ উৎপাদন, কি বেহা-বেপাৰ-বাণিজ্যকৰণ, কি কুটীৰ শিল্প অনুশীলন, সকলো ব্যৱস্থাতে প্ৰাচীন অসম অগ্ৰণী আছিল। ইয়াৰ এড়ি-মুগা-পাটবস্ত্ৰৰ বয়নশিল্পৰ প্ৰাচীনত্ব কৌটিলীয়া অৰ্থশাস্ত্ৰই প্ৰমাণ কৰিছে। অতীজ কালত চীন-তিব্বত, আৰু উত্তৰ-পূৱ এচিয়াৰ দেশবিশেষ আৰু পশ্চিমৰ সুদূৰ ঠাইবিশেষৰ লগত বেহা-বেপাৰৰ আদান-প্ৰদান সম্বন্ধেও উল্লেখ পাইছো। আজিও আমাৰ গাঁৱত অন্ন-বস্ত্ৰৰ অভাৱ তাকৰ। ইয়াৰ মাজত পুৰণি ঐতিহ্যও বিচাৰি পোৱা যায়। আধুনিক যুগৰ কুৰিশতিকাৰ লোক-প্ৰব্ৰজনে, অনা-অসমীয়াৰ ছল-চাতুৰি আৰু সি সৱৰ প্ৰচেষ্টাত গঢ়লৈ উঠা শিল্পোদ্যোগে আমাৰ অৰ্থনৈতিক অৱস্থাত চৰম আঘাত হানিছে। এতিয়া কথা হৈছে, যিকণ আমাৰ বাপতীয়া ধন বুলিবলৈ আছে, যিকণ অসমীয়াৰ আমনি-কাঠনিবাৰী আছে, তাৰ সংৰক্ষণৰ লগতে আমাৰ কুটিৰ-শিল্পৰ, খেতি-বাতিৰ ঐতিহ্যৰ মান-মৰ্যাদা ব্যাহত থকাৰ প্ৰচেষ্টা হব লাগে। ইয়ে আমাৰ লুপ্ত গৌৰৱ পুনৰুদ্ধাৰ কৰিব।

পুৰণি অসমৰ সমাজ, শিক্ষা-দীক্ষা-গুণত বৰেণ্য আছিল। ইয়াৰ সাক্ষ্য অইন নহলেও আমাৰ আপুকগীয়া সাঁচিপাত তুলাপাতৰ লিখনীসমূহে দিছে। বিদ্যা আৰু কলা, উভয়তে কি সংস্কৃত, কি অসমীয়া, কি টাই-আহোম ভাষাত আমাৰ পূৰ্বপুৰুষ সকলে অমূল্য পুথি প্ৰণয়ণ কৰি অসমীয়া সংস্কৃতি সমৃদ্ধ কৰি ওপচাই দিছিল, ভাৰতীয় সভ্যতালৈ প্ৰভূত অৰিহণা যোগাইছিল। উত্তৰাধিকাৰীসূত্ৰে সিবোৰ পাই আমি গৌৰৱান্বিত। সংস্কৃতত লিখিত ৰাজশাসনকে আদি কৰি অপৰ্য্যাপ্ত নানা বিষয়ৰ ওপৰত পুথিয়ে উক্ত ভাৰতীয় আৰ্য-হিন্দু ঐতিহ্যৰ আলোচনাৰ লগতে আমাৰ সংস্কৃতিৰো ধাৰা নিৰ্ণয় কৰি দেখুৱাইছে। অসমীয়া লিপি-তত্বৰ আঁতি-গুৰি বিচাৰিলে পাওঁ, অসমীয়া অক্ষৰৰ স্বকীয় ধাৰাবাহিক ক্ৰম-বিকাশ উত্তৰ ভাৰতীয় ব্ৰাহ্মী-লিপিৰ পৰা হৈছে। ৫ম শতিকাৰ কামাখ্যাৰ উমাচলৰ শিলালিপিয়ে তাৰ প্ৰমাণ। আমাৰ প্ৰাচীন শব্দৰাজিৰ নমুনা, উক্ত প্ৰাচীন তাম্ৰ-লিপি, অন্যান্য অভিলেখ আৰু পুথিৰপৰা পাব



পাৰি। লিপিতত্ব—ভাষাতত্বৰ ফালৰপৰা যদিও অসমীয়া ভাষা-সাহিত্যৰ সঠিক আঁতিগুৰি বিচাৰি চোৱা হোৱা নাই, আমাৰ বোধেৰে কামৰূপী প্ৰাকৃতেই, যাৰ নমুনা চৰ্য্যাপদ আৰু মহাপুৰুষীয়া গীত-নাটত প্ৰচুৰ পোৱা গৈছে, অসমীয়া প্ৰাচীন সাহিত্যৰ মা-বাপ বুলি কব লাগিব। এই বিষয়ত অনুসন্ধান কৰি সত্যতা নিৰ্ণয় হলে অসমীয়া ভাষা-সাহিত্যৰ গুণৰ গৰিমা বাঢ়িব।

নিজস্ব ক্ৰমবিকাশপ্ৰাপ্ত কামৰূপী প্ৰাকৃত, তথা অসমৰ প্ৰাচীন ভাষা-সাহিত্য কেৱল অসমতেই নহয়, সমগ্ৰ পূৰ্ব-ভাৰততেই প্ৰচলিত আছিল। ৭ম শতিকাত চীন পৰিব্ৰাজক হিউৱেন চাঙে মধ্যভাৰতৰ মাত-কথাৰ লগতো ইয়াৰ কিছু মিল পাইছিল, আৰু উক্ত অসমৰ মাত-কথা কামৰূপী প্ৰাকৃতত কথিত ভাষাৰ বাহিৰে অইন একো নহয়। এই সময়ৰ অৱশ্যে চানেকি পোৱা হোৱা নাই। কনৌজৰাজ হৰ্ষবৰ্ধন আৰু নালন্দা বিশ্ববিদ্যালয়ৰ অধ্যক্ষলৈ লিখা ভাস্কৰবৰ্মাৰ চিঠিয়ে এই বিষয়ত বিশেষ আলোক-পাত কৰিলেহেঁতেন। সি যি কি নহঁওক, কি গদ্য, কি পদ্য, দুয়ো দিশতে অসমীয়া সাহিত্য ভাৰতীয় সাহিত্যৰ বুৰঞ্জীত প্ৰাচীনতম ভাষা বুলি পৰিগণিত হৈ স্বকীয়া আসন এখন অধিকাৰ কৰিছে। ত্ৰয়োদশ শতিকাৰ আমবাৰীৰ গদ্যত খোদিত শিলালিপিয়ে আৰু চতুৰ্দশ শতিকাৰ মাধৱ কন্দলি-প্ৰণীত অসমীয়া গীতি-ৰামায়ণে অসমীয়া সাহিত্যৰ ভাৰতীয় সাহিত্যৰ বুৰঞ্জীত প্ৰাচীনতম আহি ভাঙি ধৰাই নহয়, ইয়ে অসমীয়া লিপি আৰু সাহিত্যৰ ঐতিহ্য প্ৰতীয়মান কৰিছে। এই ঐতিহ্যতে গঢ় লোৱা পঞ্চদশ-ষোড়শ শতিকাৰ বৈষ্ণৱ-অবৈষ্ণৱ সাহিত্যই অসমীয়া সংস্কৃতিৰ ধৰ্মপ্ৰাণ দিশটো প্ৰতিফলিত কৰাৰ উপৰিও অসমীৰ কলা কৃষ্টিৰ চৰম গৌৰৱৰ সোণালী অধ্যায়ৰ সূচনা কৰিছে। ভাৰতীয় ধৰ্ম-শাস্ত্ৰ, দৰ্শন, পুৰাণ, কাব্যাদিৰ সৰহভাগেই সেই যুগতে অসমীয়াত অনূদিত, প্ৰণীত হৈ ভাৰতীয় ঐতিহ্যৰ মহিমা প্ৰচাৰত সহায়ক হৈছিল। ইয়াৰ পৃষ্ঠপোষক, পৰিবৰ্ধক আছিল, হিন্দু-অহিন্দু, কোচ-কছাৰী, আহোম-জয়ন্তীয়া শাসকবৰ্গ, যাৰ ফলস্বৰূপে শতাব্দীজুৰি শদিয়াৰ পৰা কোচবিহাৰলৈ, হিমালয় প্ৰান্তৰপৰা ত্ৰিপুৰালৈ ৰাজকীয় কথিত-লিখিত ভাষা-সাহিত্যৰূপে পৰিগণিত হৈছিল। বৃটিছ ৰাজত্বৰ সূত্ৰপাত হোৱালৈকে এই ব্যৱস্থাই চলিছিল। ইয়াৰ প্ৰমাণ বুৰঞ্জীৰ পাতে পাতে। নগা জনজাতিৰ নিচিনা দাঁতি-কাষৰীয়া অন্যান্য লোকৰ লগত এই ভাষাতেই আদান-প্ৰদান হোৱা কথা বিশিষ্ট পাশ্চাত্য পণ্ডিত বিশেষে লিপিবদ্ধ কৰি গৈছে। ষোড়শ-অষ্টাদশ শতিকাৰ ৰাজনৈতিক বিনিময়ৰ পত্ৰত নাইবা ঊনৈশ শতিকাৰ খৃষ্টীয়ান পাদ্ৰীয়ে প্ৰকাশ কৰা বুৰঞ্জী আৰু অন্যান্য সাহিত্যত সময়োপযোগী অনাঅসমীয়া শব্দচেৰেকৰ ব্যৱহাৰে অসমীয়া ভাষাক অনাঅসমীয়া কৰিবলৈ বিচ-ৰাটো বিচাৰবুদ্ধি হীনতাৰ পৰিচায়কেই নহয়, ই নিজ-স্বাৰ্থ-প্ৰণোদিত অসাধুতাৰ লক্ষণ: অসমীয়া সংস্কৃতিৰ ওপৰতেই অৱমাননাৰ প্ৰচেষ্টা।

আবহমান কালৰপৰা অসম স্মৃতি-জ্যোতিষ আৰু আয়ুৰ্ব্বেদ অধ্যয়নৰ প্ৰধান কেন্দ্ৰ আছিল; পুথিও ৰচনা হৈছিল অপৰ্য্যাপ্ত। চতুৰ্দশ শতিকাৰ দামোদৰ মিশ্ৰৰ স্মৃতি-গঙ্গাজল, ষোড়শ শতিকাৰ পীতাম্বৰ সিদ্ধান্ত বাগীশৰ অষ্টাদশ কৌমুদী, প্ৰায় একে সময়ৰে বংশীবদন দ্বিজৰ জ্যোতিমুক্তাৱলী, কবিৰাজ চক্ৰৱৰ্তীৰ দিনকিৰণাৱলীকে আদি কৰি সংস্কৃতত প্ৰণীত স্মৃতি, জ্যোতিষৰ পুথিসমূহ অসমীয়া সংস্কৃতিৰ আপুকগীয়া সম্পদ। ইবোৰে ভাৰতীয় ঐতিহ্যৰ মহিমা বঢ়ালেও অসমীয়া সংস্কৃতিৰ নিজস্ব নতুন সংস্কৰণ বুলি পৰিগণিত হৈছে। এই নতুনত্বৰ, অসমৰ সংস্কৃতিৰ, বীজ-মন্ত্ৰৰ গোন্ধ আয়ুৰ্বেদৰ পুথি বিশেষতো বিদ্যমান। অইন নালাগে, এই পুথিসমূহৰ টীকাসহকাৰে প্ৰকাশে আমাৰ ঐতিহ্যৰ নিজস্ব দিশটোৰ স্বৰূপ প্ৰমাণ কৰি দেখুৱাব।

অসমৰ পুৰণি সাহিত্যই আৰু প্ৰত্নতাত্ত্বিক সামগ্ৰীয়ে ধৰ্মীয় প্ৰথাৰ সম্যক ৰূপ দেখুৱাইছে। প্ৰস্তৰ যুগৰ আহিলা-পাতিয়ে, আৰ্য-হিন্দুৰ দেৱ-দেৱীৰ মন্দিৰাদিৰ ভগ্নাৱশেষে, সিঁচৰিত হৈ পৰি থকা বিগ্ৰহ আৰু

অন্যান্য স্থাপত্যবিস্থাৰ ভাস্কৰ্যই, মঠ-মন্দিৰ, সত্ৰ-মণিকূট আৰু গুৰু-আসনৰ বেদীত স্থাপিত ধৰ্ম-শাস্ত্ৰ, চৰিত পুথিয়ে প্ৰমাণ কৰিছে অসমত যাইকৈ সূৰ্য্য, ইন্দ্ৰ, বিষ্ণু, শিৱ-দেৱীৰ লগতে, তথাগত-বুদ্ধ অৱলোকিতেশ্বৰৰ উপাসকো আছিল, অন্যান্য জড়োপাসকো আছিল। কি শাক্ত, কি বৈষ্ণৱ, কি তান্ত্ৰিক, কি আগমাচাৰী, কি নিগমাচাৰী, সকলোকে আবহমানকালৰপৰা মাটি-বৃত্তি দান দি সকলো গোষ্ঠীৰ শাসকবৰ্গই ধৰ্মপ্ৰাণ সমাজ এখন গঢ়াত সহায় কৰিছিল। ইয়াৰ ফলতেই ইয়াত একালে শাক্ত আনকালে বৈষ্ণৱ যুগৰ অভ্যুত্থান ঘটিছিল, ভক্তিবাদৰ অসংখ্য ধৰ্ম-শাস্ত্ৰ প্ৰণয়ন হৈ আমাৰ দৌল-দেৱালয়-সত্ৰাদি ধৰ্মানুষ্ঠানৰ বৰভেটি স্থাপন হৈছিল। কালৰ গচকে, দেশৰ অপায়-অমঙ্গলেও ইয়াক আজিও ম্লান কৰিব পৰা নাই।

গোটেই অসমতে সিঁচৰিত হৈ পৰি থকা প্ৰাচীন প্ৰত্নতাত্ত্বিক সামগ্ৰী, স্থাপত্য ভাস্কৰ্যৰ, চাৰুকলাৰ নৃত্য গীতাদিৰ আহিঁয়ে, নানা ৰং-বিৰঙৰ তুলিকাৰ ৰহণে অসমীয়া সংস্কৃতিৰ সুন্দৰ ৰূপ এটি অঙ্কন কৰা দেখা পাইছো। ইবোৰত আছিল, আজিও স্থানবিশেষে আছে—ভাব-ভাষা, ধ্যান-ধাৰণা, ৰূপ-ৰসৰ সৎ-চিৎ-আনন্দৰ অতুলনীয় সমাবেশ। পৰিকল্পিত খনন কাৰ্যই দহ পৰ্বতীয়া, বামুণীপাহাৰ, কামাখ্যা, নুমলিগড়, কপিলী-যমুনাৰ মাজৰ, গুৱাহাটী আমবাৰীৰ স্থাপত্য-ভাস্কৰ্যতকৈও পুৰণি উচ্চস্তৰৰ সামগ্ৰী ওলাব ; ধৰ্মপুৰাণ, শঙ্খচূড়বধকাব্য গীত-গোবিন্দতকৈও তুলিকাৰ চাৰু-চিত্ৰ ওলাব, আৰু আমাৰ অলিখিত সাংস্কৃতিক বুৰঞ্জীৰ প্ৰাচীনত্বৰ সাক্ষ্য দিব। আজিলৈকে বৰ্তমান ভাস্কৰ্য আৰু দৌল-দেৱালয় সমূহৰ চমক লগা কাৰু-কাৰ্যই যেনেকৈ একালে আমাৰ সংস্কৃতিয়ে ভাৰতৰ অন্যান্য পুৰণি ৰাজ্যৰ বাহিৰেও ৰাজস্থান আৰু মোগল স্কুলৰ লগত ভাৱ আদান-প্ৰদানৰ ( ধাৰ কৰাৰ নহয় ) যোগসূত্ৰ স্থাপনৰ ইঙ্গিত দিছে, আন ফালে অসমৰ মিশ্ৰিত, কিন্তু আৰ্য-হিন্দু-পৰিশোধিত হৈ সৰ্ব-ধৰ্মপ্ৰথা, আচাৰ-ব্যৱহাৰ সমন্বয়ভূত বহল অসমীয়া সমাজ এখনৰহে ছবি ডাঙি ধৰিছে। ইয়াৰো অধ্যয়ন আলোচনা লাগে আমাকে বুজিবলৈ। ইয়াৰ প্ৰকৃত অধ্যয়ন, চাৰুকলাৰ চৰ্চা, ইয়াৰ আদৰ, বিকাশ আৰু প্ৰচাৰ কৰাৰ সূচনা হব তেতিয়াহে পৰা যেতিয়া অসমৰ নগৰ-চহৰতেই নহয়, দেশখনৰ ঠাইবিশেষে জাক্-জমকতাপূৰ্ণ শ্ৰীমন্ত শঙ্কৰ কলা-ভৱনৰ আধাৰ শিলা স্থাপন হব। ইয়ে অসমৰ প্ৰাচীন সংস্কৃতিৰ জয়ঢোল বজাই চকু-চৰহাকৈ চমক লগাব।

# দেৱী-কীৰ্তন

শ্ৰীসুধেন্দুমোহন ভদ্ৰ

সংসাৰত যেতিয়াই নানা প্ৰকাৰ অশান্তিয়ে দেখা দিয়ে, তেতিয়াই ভগৱানৰ দিব্য জ্যোতি সাকাৰ-ৰূপে প্ৰকাশিত হয়। সেই দিব্যৰূপৰ উদ্দেশ্য হৈছে সাধু-সকলৰ পৰিত্ৰাণ আৰু দুষ্টৰ দমন। সেই দিব্যৰূপ ভগৱানৰ দিব্যশক্তিৰ আঁকৰ স্বৰূপ। সংসাৰৰ সঙ্কট কালত ভগৱানৰ দিব্যৰূপে পাপ-তাপ বিদূৰিত কৰাৰ মানসেৰে জগতত আৱিৰ্ভূত হৈ শান্তসকলৰ আশাৰ পাত্ৰৰূপে পৰিগণিত হয় আৰু ভক্তসকলৰ একমাত্ৰ শৰণৰ পাত্ৰৰূপে তেৱেঁই স্বীকৃতি লাভ কৰে।

শৰতকালত অৰ্চিতা শাৰদীয় দেৱীৰ নানা ৰূপ। দেৱীয়েই কৰালবদনা আৰু তেৱেঁই শান্তৰূপে বিৰাজ-মানা। শৰতৰ আকাশ, শৰতৰ বায়ু, শৰতৰ জলৰাশি যেনেকৈ বিতোপন হৈ উঠে, দেৱীও এই বিতোপন কালত অতুলনীয় মহিমাৰে মহিমান্বিত হৈ দশোদিশৰ পৰা যেন আমাৰ অপায়-অমঙ্গল আঁতৰাবলৈ আবিৰ্ভূতা হয়। দেৱীৰ স্তৱ-কীৰ্তনত পূজাৰী ভক্তই গভীৰ নিদ্ৰাত অমিত শক্তিৰ আভাস পাই সাৰ পোৱা পুৰুষৰ দৰে বীৰদৰ্পে থিয় হৈ অন্যায়বোধ কৰে দৃঢ় পৰিকৰ হয়। ভাগৱত পুৰাণ, শ্ৰীশ্ৰীচণ্ডী, ঋগ্‌বেদৰ দেৱী সূক্ত ইত্যা-দিত এই কান্তিময়ীৰ শৌৰ্যবীৰ্যপূৰ্ণ কীৰ্তিকলাপ বৰ্ণিত হৈছে। নিৰ্মল শৰতত তেনেকুৱা স্তুতিয়ে যেন ভক্তৰ অন্তৰত অপৰিসীম শক্তিৰ সঞ্চাৰ কৰে। তেওঁ আদ্যা-শক্তি, মহামায়া, যোগনিদ্ৰা, কালী ইত্যাদি নানাৰূপে বন্দিতা হৈছে। তেওঁৰ আঙ্গিক বৰ্ণনা আদিতো শৌৰ্য-পূৰ্ণ কৰ্মৰহে অভিব্যক্তি ঘটিছে। এই দেৱীয়েই বেদান্তত উমাৰূপে বন্দিতা হৈছে। দেৱতাসকলে অসুৰক পৰাজয় কৰি নিজকেই সেই জয়ৰ কাৰণ বুলি ভাবিবলৈ ধৰাত পৰমব্ৰহ্ম তেওঁলোকৰ গৰ্ব নিৰসনৰ বাবে যক্ষৰূপে প্ৰকটিত হ'ল। অগ্নি আৰু বায়ু দেৱতাৰ অহংপূৰ্ণ কথাত যক্ষই তেওঁলোকৰ সমুখত দিব্যৰূপেৰে প্ৰকটিত হ'ল। ইন্দ্ৰই শেষত হৈমৱতী উমাৰপৰা পৰমব্ৰহ্মৰ সন্ধান পাই তপস্যাত সিদ্ধিলাভ কৰিলে। কেনোপনিষদৰ এই উমাই হৈছে দুৰ্গতি নাশিনী, হিমালয়নন্দিনী আৰু অসুৰ নাশিনী দুৰ্গা।

অসুৰমৰ্দিনী, সিংহবাহিনী দেৱীৰ মহিমা অপাৰ। দেৱীয়ে নিজৰ অতুল প্ৰভাৱৰ সহায়ত ক্ষেত্ৰবিশেষে নানা-ৰূপ ধাৰণ কৰি কাৰ্য সম্পাদন কৰি জগতৰ হিত সাধন কৰে। তেওঁ কেতিয়াবা সংহাৰিণী চামুণ্ডাৰ মূৰ্তি আৰু কেতিয়াবা অপৰূপ শান্তৰূপ ধাৰণ কৰে। যেতিয়া দেৱতাসকল অসুৰৰ প্ৰকোপত তিষ্ঠিব নোৱাৰা হয়,

তেতিয়াই দেৱীৰ ভয়ঙ্কৰ ৰণৰঙ্গী মূৰ্তিৰ প্ৰকাশ পায়। তাৰকা নামৰ অসুৰৰ প্ৰকোপত স্বৰ্গৰ দেৱতাবৃন্দ অতীষ্ঠ হৈ বৈকুণ্ঠবাসী বিষ্ণুৰ পৰামৰ্শত দেৱীৰ আৰাধনাত নিমগ্ন হ'ল। চ'ত মাহৰ নৱমী তিথিৰ বৃহস্পতিবাৰে সেই প্ৰতিবোধিতা আদ্যাশক্তি তেওঁলোকৰ সন্মুখত প্ৰকাশিত হ'ল। সেই শক্তিয়েই মহামায়াৰূপী দেৱী আৰু তেৱেঁই হিমালয়-তনয়াৰূপে জন্ম লৈ অসুৰ নিধন কৰি দেৱতাকুলৰ শান্তি ঘূৰাই আনিলে। দেৱী ভাগৱত পুৰাণৰ ৩১ শ অধ্যায়ৰ সপ্তম স্কন্ধত সেই মহামায়া শক্তিৰ বৰ্ণনা দেখিবলৈ পোৱা যায়—

"চতুৰ্দিক্ষু চতুৰ্বেদৈৰ্মূৰ্তিমদ্ভিৰভিষ্টুতম্,
কোটি সূৰ্যপ্ৰতীকাশং চন্দ্ৰকোটিসুশীতলম্ ॥
আদ্যন্তৰহিতং তত্তু ন হস্তাদ্যঙ্গসংযুতম্ ।
ন স্ত্ৰীৰূপমথবা ন পুংৰূপমথোভয়ম্ ॥"

অৰ্থাৎ সেই দিব্য শক্তি চাৰিওফালে পানীৰে বেষ্টিতা আছিল আৰু চাৰিওদিশত চাৰি বেদেৰে বন্দিতা হৈছিল, তেওঁৰ তেজ কোটি সূৰ্যৰ নিচিনাই প্ৰখৰ আৰু তেওঁ কোটি চন্দ্ৰৰ নিচিনাই সুশীতল আছিল। তেওঁ হাত-ভৰি আদি অঙ্গ-বিৰহিতা আৰু আদি-অন্ত চিহ্ন বৰ্জিতা আছিল। পুৰুষ অথবা স্ত্ৰী এনেকুৱা কোনো বিশেষ চিহ্নও তেওঁৰ নাছিল। দেৱীৰ এনেকুৱা ৰূপ দেখা পাই দেৱতাসকলে ভয়ত চকু মুদিলে। তেতিয়া ত্ৰাসিত দেৱতাসকলে বিৰাটস্বৰূপিনী, অব্যাকৃতা, মূৰ্তিমতী ইত্যাদি নানা ধৰণে স্তুতি কৰিবলৈ ধৰিলে।

এই দেৱীৰ পৰাই চিৎ, অচিৎ, অৰ্থাৎ চেতন আৰু জড় পদাৰ্থৰ উৎপত্তি হৈছে। দেৱী-ভাগৱত পুৰাণত দেৱীয়ে নিজেই কৈছে—

'অহমেবাস পূৰ্বং তু নান্যং কিঞ্চিন্নগাধিপ।
তদাত্মৰূপং চিৎসংবিৎ পৰব্ৰহ্মৈকনামকম্ ॥'

তেওঁ সৃষ্টিৰ আদিত বিদ্যমানা আছিল, আন কোনো বস্তু-মহাবস্তু তেতিয়া নাছিল। তেৱেঁই সকলোৰে আত্মাৰূপে বিৰাজিতা।

তেৱেঁই পৰমব্ৰহ্মৰূপিণী। এই দেৱীয়েই ব্যাকৃত আৰু অব্যাকৃত ৰূপিণী; তেওঁ সৃষ্টি-স্থিতি আৰু লয়-কাৰিণী। এই জগতৰ সকলোবিলাক দেৱীৰ দ্বাৰাই সৃষ্ট, পালিত আৰু ধৃত হৈছে; তেওঁ বিসৃষ্টিত সৃষ্টিৰূপা আৰু পালনত স্থিতিৰূপা। শ্ৰীশ্ৰীচণ্ডীত দেৱীৰ মাহাত্ম্য এনেকৈ কীৰ্তিত হৈছে—

"ত্বয়ৈব ধাৰ্য্যতে সৰ্বং ত্বয়ৈব সৃজ্যতে জগৎ।
ত্বয়ৈতৎ পাল্যতে দেৱি ত্বমৎস্যন্তে চ সৰ্বদা ॥
বিসৃষ্টৌ সৃষ্টিৰূপা ত্বং স্থিতিৰূপা চ পালনে ॥"

দেৱী শ্ৰী, হ্ৰী, বুদ্ধি, লজ্জা, পুষ্টি, তুষ্টি, শান্তি আৰু ক্ষান্তি ৰূপেৰে বিৰাজমানা। নানাৰূপেৰে ৰূপান্বিতা দেৱীক শ্ৰীশ্ৰীচণ্ডীত নানা ভাবে স্তুতি কৰা হৈছে। তেওঁ সকলো প্ৰাণীত চেতনা ৰূপে, বুদ্ধি ৰূপে, নিদ্ৰাৰূপে, ক্ষুধাৰূপে, ছায়াৰূপে, শান্তিৰূপে আৰু তৃষ্ণাৰূপে বিৰাজিতা। তেওঁ সৰ্বব্যাপিনী আৰু স্মৃতি, দয়া, বৃত্তি, লক্ষ্মী, ভ্ৰান্তি ইত্যাদি সকলোৰূপে দীপ্তিময়ী। তেওঁৰ অপাৰ মহিমাময় এই জগৎ॥ দেৱীয়েই সদসদৰূপে বিশ্ব-ব্ৰহ্মাণ্ড বিয়পি আছে। তেওঁ নিজৰ ত্ৰিগুণাত্মিকা শক্তিৰ প্ৰভাৱত বিশ্বক পৰিপালন কৰিছে। কল্প সময়ত সকলোকে সংহাৰ পূৰ্বক দেৱীয়ে অকলে ৰমণ কৰে—

"সৃষ্টাখিলং জগদিদং সদসৎ স্বৰূপম্।
শক্ত্যা স্বয়া ত্ৰিগুণয়া পৰিপাতি বিশ্বম্ ॥
সংহৃত্য কল্পসময়ে ৰমতে তথৈকা।
তাং সৰ্ববিশ্বজননীং মনসা স্মৰামি ॥

তেওঁ সকলো বিশ্বৰ জননী আৰু সেয়েহে মাতৃস্বৰূপা, মাতৃৰূপেই দেৱীয়ে সকলোকে পালন কৰিছে—



"যা দেৱী সৰ্বভূতেষু মাতৃৰূপেন সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ ॥—শ্ৰীশ্ৰীচণ্ডী ॥

তেৱেঁই এই গোটেই জগতৰ আধাৰ স্বৰূপা, দেৱীয়েই জগতৰ একমাত্ৰ আশ্ৰয়ৰূপিনী, তেওঁৰ অতুলনীয় তেজ অনতিক্ৰমনীয়, তেওঁ জলৰূপে ধৰিত্ৰীক তৃপ্তি প্ৰদান কৰিছে—

"আধাৰ ভূতা জগতস্তমেকা
মহী স্বৰূপেন যতঃ স্থিতাসি।
অপাং স্বৰূপস্থিতয়া ত্বয়ৈত—
দাপ্যায়তে কৃৎস্নমলঙ্ঘ্যবীৰ্য্যে ॥ শ্ৰীশ্ৰীচণ্ডী ॥

এই দেৱীয়েই সংসাৰৰ আদি কাৰণ স্বৰূপিণী ('বিশ্বস্য বীজং পৰমাসি মায়া'—শ্ৰীশ্ৰীচণ্ডী)। তেৱেঁই সৰ্বস্বৰূপা আৰু স্বৰ্গমুক্তিপ্ৰদায়িনী (সৰ্বভূতা যা দেৱী স্বৰ্গমুক্তিপ্ৰদায়িনী'—শ্ৰীশ্ৰীচণ্ডী)। তেওঁ বিপদত আশ্ৰয় স্বৰূপিণীৰূপে, সকলো প্ৰকাৰৰ মঙ্গল আৰু কল্যাণবিধায়িনীৰূপে আৰু অভীষ্টপ্ৰদায়িনীৰূপে বিৰাজমানা—

'সৰ্বমঙ্গলমাঙ্গল্যে শিৱে সৰ্বাৰ্থসাধিকে।
শৰণ্যে ত্ৰ্যম্বকে গৌৰি নাৰায়ণি! নমোঽস্তুতে
॥ শ্ৰীশ্ৰীচণ্ডী ॥

এই দুৰ্গতিনাশিনী দুৰ্গা অগ্নিবৰ্ণা আৰু শুভকান্তিমতী। কৰ্মফল প্ৰদানত তেওঁ পাৰদৰ্শিনী। মন্ত্ৰপাঠক্ৰমে কল্পিত মন্ত্ৰত দেৱীক 'দুগ্ধস্নাপিতা' চন্দন চৰ্চিতা আৰু বেলপাতৰ মালাৰে শোভিতা-ৰূপে বৰ্ণনা কৰা হৈছে ('ক্ষীৰেণ স্নাপিতা দুৰ্গা চন্দনেনানুলেপিতা। বৈল্বপত্ৰ-কৃতামালা নমো দুৰ্গে নমো নমঃ')॥ ঋগ্‌বেদৰ খিল সূক্তৰ চতুৰ্থ অধ্যায়ৰ ৰাত্ৰিদেৱীৰ স্তৱত ৰাত্ৰিকেই ভগৱতী বুলি বন্দনা কৰা হৈছে। তাত কোৱা হৈছে যে ৰাত্ৰিয়েই সকলো প্ৰাণীত নিবাসকাৰিণী জননী, তেওঁ গ্ৰহ-নক্ষত্ৰ শোভিতা আৰু কল্যাণবিধায়িনী ('সংবেশনীং সংযমনীং গ্ৰহনক্ষত্ৰ মালিনীম্' ৪)। বিষম দুৰ্গ, ঘোৰ ৰণ-বিগ্ৰহ আৰু শত্ৰুসংকটত তেওঁ ভক্তক অভয় প্ৰদান কৰে। ৰণত বিকৃত দন্তৰাজিৰ চিকমিকনিত দেৱীৰ আনন-মণ্ডলৰ শোভা মুণ্ডমালাৰে সৈতে ভয়ঙ্কৰ ৰূপ ধাৰণ কৰে।

'দ্ৰংষ্ট্ৰা কৰালবদনে শিৰোমালা বিভূষণে।
চামুণ্ডে মুণ্ডমথনে নাৰায়ণি! নমোঽস্তুতে ॥"
শ্ৰীশ্ৰীচণ্ডী ॥

ৰণত দেৱীৰ প্ৰলয়ঙ্কৰী ৰূপ আৰু আনহাতে লজ্জা, মহাবিদ্যা, মহাৰাত্ৰি আদি ৰূপও মন কৰিব লগীয়া। তেওঁ বৰ প্ৰদায়িনী, অভীপ্সিতানুসৰি তেওঁ বৰ প্ৰদান কৰে ('বৰদাহং সুৰগণা বৰং যং মনসেচ্ছথ'—শ্ৰীশ্ৰীচণ্ডী)

তেওঁৰ নানা ধৰণৰ ৰূপ দেৱী-ভাগৱত পুৰাণৰ তৃতীয় স্কন্ধৰ একোনবিংশ অধ্যায়ত বৰ্ণিত হৈছে—বিষম মাৰ্গত দেৱী বৰাহীৰূপে, দুৰ্গত দুৰ্গাৰূপে, কলহত কালিকা ৰূপে, মণ্ডপত মাতঙ্গীৰূপে, স্বয়ম্বৰত সৌম্যাৰূপে সকলোকে ৰক্ষা কৰে। তেওঁ সচ্চিদানন্দস্বৰূপিনী, জগদ্ধাত্ৰী আৰু মহামায়াৰূপেও বিৰাজিতা। দেৱী-ভাগৱত পুৰাণৰ ষষ্ঠ স্কন্ধৰ পঞ্চম-অধ্যায়ত এনেকৈ কোৱা হৈছে যে ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ দেৱীৰ আদেশতেই নিজ নিজ কৰ্তব্য সম্পাদন কৰে; মূলতে সৃষ্টি, স্থিতি আৰু প্ৰলয়ৰ কাৰণ সেই আদ্যাশক্তি দেৱী। তেওঁ ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰতকৈ ওপৰত অৰ্থাৎ সত্ত্ব, ৰজ আৰু তম গুণত তেওঁ সীমিত নহয়। সেয়েহে পণ্ডিতসকলে ব্ৰহ্মাৰ তুলনাত বিষ্ণু, বিষ্ণুৰ তুলনাত ৰুদ্ৰ আৰু ৰুদ্ৰৰ তুলনাত মহেশ্বৰীৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদিত কৰিছে।

ঋগ্‌বেদৰ দশম মণ্ডলৰ ১২৫ নম্বৰ সূক্তটো 'দেৱী-সূক্ত' নামে প্ৰসিদ্ধ। তাত দেৱীয়ে নিজৰ কীৰ্তিকলাপ বৰ্ণনা কৰিছে। এই দেৱীয়ে মিত্ৰ, বৰুণ, ইন্দ্ৰ, অগ্নি আৰু অশ্বিনীযুগলক ধাৰণ কৰিছে। যি সকলে দেৱীৰ

উদ্দেশ্যে যজ্ঞত আহুতি অৰ্পণ কৰে, সেইসকলক তেওঁ প্ৰচুৰ পৰিমাণে নানাবিধ সম্পদ প্ৰদান কৰে ( অহং দধামি দ্ৰবিণং হবিষ্মতে'—ঋক্‌বেদ, ১০।১২৫।২ ), তেওঁ ৰাষ্ট্ৰী গোটেই পৃথিৱীৰ ঈশ্বৰী আৰু ঐশ্বৰ্যৰ ভঁৰাল, যজ্ঞা-ইসকলৰ ভিতৰত তেৱেঁই প্ৰধান (প্ৰথমা যজ্ঞিয়ানাং—১০। ১২৫।৩)। সকলো প্ৰাণীৰ হৃদয়ত আত্মাৰূপে তেওঁৰ অৱস্থিতি আৰু সেয়েহে প্ৰাণীসমূহে ভোজন, শ্ৰৱণ, দৰ্শন আদি কাৰ্য কৰিবলৈ সক্ষম হৈছে। ঐকান্তিক ভাৱে যিজন ভক্তই দেৱীৰ প্ৰসাদ লাভৰ বাবে আৰাধনা কৰে, তেওঁক দেৱীয়ে শক্তিশালী কৰি তোলে আৰু দেৱীৰ কৃপাত তেওঁ শোভন প্ৰজ্ঞাযুক্ত হৈ ঋষিতুল্য সন্মানৰ পাত্ৰৰূপে পৰিগণিত হয়। অন্তৰ্যামীৰূপে তেওঁ আকাশ আৰু পৃথিৱীত বিয়পি আছে। দুষ্টৰ দমন আৰু শান্তৰ পালনৰ বাবে তেওঁ ৰুদ্ৰৰ ধনুত গুণ আৰোপিত কৰে। তেওঁ ভক্তক সকলো প্ৰকাৰ অকল্যাণৰ পৰা আঁতৰত ৰাখে, তেওঁৰ কৃপাদৃষ্টি থাকিলে পিশাচ, যক্ষ, দানৱ আদি কোনোৱেই একোকেই কৰিব নোৱাৰে। তেওঁ ত্ৰিভুবনত একমাত্ৰ জয়প্ৰদায়িনী, কান্তিমতী আৰু সকলো প্ৰকাৰৰ শান্তি প্ৰদানকাৰিণী—

"সৰ্বশান্তিপ্ৰদে সৌম্যে জয়দে ভুবনত্ৰয়ে।
শ্ৰীজয় শ্ৰীজয় শ্ৰীদে প্ৰসীদ গিৰিজে সতি ॥"

শ্ৰীবৃহদ্ ব্ৰহ্মাণ্ড পুৰাণ


হে মহিষাসুৰমৰ্দিনি, অসুৰদলনি, সিংহবাহিনি, সচ্চিদানন্দস্বৰূপিনি, শক্তিপ্ৰদায়িনি দেৱি! জগতবাসীয়ে যেন স্ব স্ব ৰিপুক দমন কৰি তোমাৰ প্ৰসাদ লাভ কৰিব পাৰে, অনন্তৰূপেৰে সজ্জিতা তোমাৰ প্ৰসাদ লাভ কৰি যেন প্ৰতিজন মানৱ শক্তিশালী হৈ শত্ৰু বিজয়ত দৃঢ়প্ৰতিজ্ঞ হবলৈ সক্ষম হয়। মাতৃস্বৰূপিনী সেই শক্তিৰ সকলো সন্তানে যেন নিজৰ নিজৰ চিত্তবৃত্তি বলিদান দি এটা মহতী ঐক্যশক্তিত বান্ধখাই জগতৰ হিত সাধন কৰিব পাৰে—এয়ে চিৎস্বৰূপিনী মহামায়া দুৰ্গাদেৱীৰ পাদযুগলত প্ৰাৰ্থনা।

"চিতিৰূপেণ যা কৃৎস্নমেতদ্ব্যাপ্যস্থিতা জগৎ।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমোনমঃ ॥"

শাৰদীয় দুৰ্গা পূজা উপলক্ষে ৰাইজলৈ হিয়া ভৰা শুভেচ্ছা
আৰু প্ৰীতি সম্ভাষণ যাচিলো।

ডাকা জুৱেলাৰি ৱৰ্কছ

এ, টি, ৰোড
গুৱাহাটী—১



# কাব্য-সাহিত্যত স্বতঃস্ফূৰ্ত্ততা

শ্ৰীনাৰায়ণ বেজবৰুৱা

চিন্তাশীল ব্যক্তিমাত্ৰেই সৃষ্টিধৰ্মী শিল্পী বা সাহিত্যিক নহয়; কিন্তু সৃষ্টিধৰ্মী শিল্পী-সাহিত্যিক মাত্ৰেই যে কিছু নহয় কিছু চিন্তাশীল ব্যক্তি এই কথা স্বীকাৰ কৰিবই লাগিব। অৱশ্যে চিন্তাশক্তিৰ গুৰুত্ব আৰু গভীৰত্বৰ ওপৰত নিৰ্ভৰ কৰিছে কোনো শিল্পীৰ শিল্প-প্ৰতিভাৰ স্তৰ বা মান নিৰ্ণয় কৰা সম্ভৱ।

শিল্পী দুবিধ। এবিধ জন্মগত, আনবিধ হওঁ বুলি হোৱা। কবি-শিল্পীৰ ক্ষেত্ৰত জন্মগত আৰু হওঁ বুলি হোৱাৰ মাজত পাৰ্থক্য ইমান বেছি যে এই ব্যৱধান কোনো সেতু-বন্ধনৰ দ্বাৰাই আঁতৰোৱা সম্ভৱপৰ নহয়। এনে সম্ভাৱনা নথকাৰ কাৰণেই জোৰ কৰি বা হওঁ বুলি হোৱা তথাকথিত কবিসকলে সম-সাময়িক কবিতাৰ বজাৰখন তেওঁলোকৰ সংখ্যাগৰিষ্ঠতাৰ সুযোগতে আক্ৰো-হেৰে বা বলেৰে দখল কৰি লোৱা দেখা যায়। তাৰ-পিছত তেওঁলোকে একগোট হৈ জন্মগত যি দুই এক কবি-শিল্পী থাকে, তেওঁলোকক ছলে-বলে-কৌশলে, কবি-গোষ্ঠীৰ মাজৰ পৰা বাহিৰ কৰি দিব পাৰিলেই স্বস্তিৰ নিশ্বাস পেলায়। এনে নিশ্বাসে সমসাময়িক কবিতা-সমালোচনাৰ আকাশখন বিষাক্ত কৰি তোলে।

জোৰ কৰি বা হওঁ বুলি হোৱা কবি গোষ্ঠীত অন্তৰ্ভুক্ত সকলে নিজে নিজৰ যশকীৰ্তন কৰি অথবা নিজ গোষ্ঠী-ভুক্তসকলৰ মাজতে পৰস্পৰে পৰস্পৰৰ লিখা কবিতা সমালোচনা কৰাৰ নামত প্ৰশংসাপত্ৰ লিখি ইজনে সিজনক কাব্য-জগতত প্ৰতিষ্ঠা কৰাত লাগি যায়।

দেশে-বিদেশে, সকলো সময়তে, সকলো ঠাইতে এয়ে সম-সাময়িক সাহিত্যৰ বুৰঞ্জী। 'মাউথে উটিলে গুৰি পকৰাৰো মৰণ নাই'—এইবুলি এই জাত সম-সাময়িক কবি-শিল্পীয়ে ভালকৈ বুজে। সেইদেখি তেওঁলোক সদা-য়েই দলবান্ধি একেলগে থিয় দিয়ে। অৱশ্যে দলত দলপতি, উপ-দলপতি একো একোজন তেওঁলোকে নিজেই বাছি লয়।

নিজৰ ভিতৰত তেওঁলোকৰ যিমানেই খোৱা-কামোৰা নেলাগক, গাইগুটীয়া নাইবা জন্মগত কবিৰ বিৰুদ্ধে থিয় হোৱাত তেওঁলোক কিন্তু সদায়েই একগোট। ফলত জন্মগত কবিৰ ভাগ্য সম-সাময়িক কাব্য-বজাৰত মন্দা। আচৰিত যেন লাগিলেও সঁচা যে, যুগে যুগে সম-সাময়িক বজাৰত অকলশৰীয়া কবি-শিল্পী সকলেই সকলো দেশতে কালজয়ী কাব্য-সাহিত্য সৃষ্টি কৰি কবিতাৰ চিৰন্তন সুঁতিত চিৰদিনে সক্ৰিয় বৰঙণি দি যাবলৈ সক্ষম হৈছে। আনফালে স্বয়ম্ভু কাব্য-নায়ক-সকল সময়ৰ অন্ধকাৰত লুপ্ত হৈ গৈছে।

হওঁ বুলি হোৱা কবিগোষ্ঠীয়ে সমসাময়িক সাহিত্য বজাৰত, পাৰিলে এই সংখ্যালঘু জন্মগত কবিসকলক কবিয়ে নেলাগে, সাধাৰণ সাহিত্যিক বুলিও স্বীকৃতি

দিব নোখোজে। কিন্তু এইটোও সঁচা যে তেওঁলোকৰ মন্তামন্তক উত্তৰ পুৰুষে গ্ৰাহ্য কৰিব নে নকৰে এই কথাও তেওঁলোকে ন দি কব নোৱাৰে। বৰঞ্চ মনে মনে অন্তৰত অনুভৱহে কৰে যে তেওঁলোকৰ প্ৰতিপত্তিৰ প্ৰভাৱ বৰ্তমানতেই শেষ! ইয়াতেই তেওঁলোকৰ ট্ৰেজেদী!

ঠেক কাব্য-গোষ্ঠী মনোভাব আৰু প্ৰকৃত কবি-বিদ্বেষ—ইয়াৰ মাজত কি মনস্তত্ত্ব লুকাই থাকে সেইটো কাব্যমোদী প্ৰকৃত সুধী মণ্ডলীৰ বিচাৰৰ এটা অপৰিহাৰ্য বিষয়। প্ৰৱাহমান অদূৰ ভৱিষ্যতৰ কাব্য-সমালোচক সকলে যুগে যুগে এই মনস্তত্ত্বৰ কথা গঁকিয়াই দেখুৱাই দি আহিছে। সেইদেখি সাহিত্যিক-ঐতিহাসিক সমালোচনা মনস্তত্ত্বৰ মূল সোঁতত যি সকল চিন্তাশীল সমালোচকে সাঁতোৰাৰ কৌশল জানে, তেওঁলোকেহে বুজে ক'ব পাৰে কেতিয়া কোনকালে কেনেকৈ বয়। ব্যক্তিগত ৰুচি-অভিৰুচি আৰু খেয়ালৰ ওপৰত প্ৰতিষ্ঠিত, অবৈজ্ঞানিক মন্তব্যৰ মূল্য সেই সেই ব্যক্তি আৰু তেওঁৰ সম-সাময়িক অন্ধ অনুগতসকলৰ মাজতেই সীমাবদ্ধ; আৰু তেওঁলোকৰ জীৱনান্তৰ লগে লগেই শেষ। নিৰ্লিপ্ত, নিৰপেক্ষ বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ মোল তেওঁলোকে নুবুজে আৰু বুজিবলৈকো ইচ্ছা নকৰে। বস্তুৰ গুণাগুণ বাস্তৱ দৃষ্টিৰে উপলব্ধি কৰিব পৰাৰ যোগ্যতা বা মনোভাব তেওঁলোকৰ নাই। অথচ, এনেলোকৰ মাজতেই দেখা যায় সমসাময়িক সাহিত্য-সমালোচনাৰ বজাৰত প্ৰতিপত্তি অৰ্জন কৰিবৰ কাৰণে হেতা ওপৰা। ফলত বিয়াজাহিৰ নামৰ একশ্ৰেণীৰ আত্মশ্লাঘামূলক সাহিত্যই সমসাময়িক বজাৰত সময়ে সময়ে তল ওপৰ লগাই কেঁচামতীয়া সাহিত্যিকসকলক চমৎকৃত কৰাৰ লগতে বিপথে নিয়াও দেখা যায়! মৌলিক সাহিত্য সৃষ্টিৰ বাতাবৰণৰ ক্ষেত্ৰত ইয়াতকৈ ডাঙৰ অন্তৰায় আৰু কি হ'ব পাৰে? অথচ এনেবোৰ লোকেই দাবী কৰে সাহিত্যত নেতৃত্ব দিয়াৰ। সাহিত্য যেন ৰাজনীতি বা কূটনীতিহে!

'আধুনিক' শব্দটোৰে সম-সাময়িক কবি আৰু কাব্য সমালোচকসকলৰ মনত এটা খেলিমেলিৰ ভাব জগাই তোলা দেখা যায়। ই সঁচাকৈয়ে বৰ পৰিতাপৰ কথা। এই খেলিমেলি ভাবৰ কাৰণেই, আজিৰ চাম কবিয়ে কালিৰ চাম কবিৰ কবিতাৰ সম্যক সোৱাদ লবলৈ অপাৰগ নহলেও যেন অনিচ্ছুক। ই বাৰু কিহৰ দৈন্য? মেধাৰ? নে বুদ্ধিৰ? নে কল্পনাৰ? নে অনুভূতিৰ? নে সামগ্ৰিক সাহিত্যিক সহানুভূতিৰ?…… যিহৰেই নহওক দৈন্য কিন্তু ঠিক।

আজিৰ চাম কবিয়ে তেওঁলোকৰ পঢ়াশুনা, চিন্তাশক্তি মেধা আৰু অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰি, নতুন দৃষ্টিভঙ্গিৰে তেওঁলোকৰ কাব্যসৃষ্টিত মনোনিবেশ কৰিছে। কালিৰ চাম কবিয়েও তেওঁলোকৰ নিজৰ সময়ৰ অভিজ্ঞতাৰ লগত তেওঁলোকৰ অধ্যয়ন আৰু চিন্তাশক্তি যোগ দি কবিতা লিখিছিল। আৰু 'কাইলৈ'ৰ চাম কবিয়েও কবিতা লিখিব কাইলৈৰ জগতৰ লগত খাপ খোৱাকৈ। এয়ে যুগধৰ্ম।

যিহেতু প্ৰকৃত কবিৰ লেখাত প্ৰত্যেক যুগতে সম-সাময়িক আত্মাৰ ৰেঙণি ফুটি উঠে, প্ৰকৃত কবিৰ মাজত সেয়েহে মূলগত কোনো পাৰ্থক্য নাই। কিন্তু অতি পৰিতাপৰ কথা এয়ে যে বৰ্তমানৰ বহুতো কবি আৰু কবিতা-সমালোচকে কালিৰ চাম কবিৰ কবিতাক যিমানকণ মৰ্যদা দি, সেইবোৰৰ ন মূল্যাঙ্কন কৰা উচিত—আৰু তেনে কৰোঁতে যিমানকণ ঐতিহাসিক আৰু বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ আৱশ্যক, সেই কণ আয়ত্ত কৰাৰ যোগ্যতা যেন অৰ্জন কৰিব পৰা নাই। বৌদ্ধিকতাৰ বৰায় আৰু অ-বৈজ্ঞানিক মনোভাব একেলগে তিষ্ঠিব পাৰে জানো?

কোনেও নুই নকৰে যে কালিৰ চাম কবিৰ কবিতাত যি প্ৰকাশশৈলীৰ প্ৰয়োগ আমি দেখিবলৈ পাওঁ, সেই শৈলী আজি প্ৰায় অপ্ৰচলিত হৈ গৈছে। কিন্তু আমি মনত ৰখা উচিত যে আজিৰ চাম কবিয়ে যি শৈলীৰে কবিতা লিখিছে, সেই শৈলীও কাইলৈ অপ্ৰচলিত হৈ যাব। এই কথা জানিও নজনা হোৱাত কোনো যুক্তি নাই। শৈলী আহিব আৰু যাব, কিন্তু



প্ৰকৃত কাব্য কাব্য হৈয়েই ৰৈ যাব। সেয়ে যদি হয়, প্ৰকৃত কাব্য ৰচনাই জানো প্ৰকৃত কবিৰ কাম্য নহয়?

কবিতাৰ কাৰণেহে শৈলীৰ আৱশ্যক আৰু সমাদৰ। শৈলীৰ কাৰণে কবিতাৰ সমাদৰ নহয়। কবিতাৰ কাৰণেহে ছন্দৰ বিচিত্ৰ প্ৰয়োগ। ছন্দৰ কাৰণে কবিতাৰ প্ৰয়োগ নহয়। কবিতা কবিতাই। বাহ্যিক ৰূপ যেনেকুৱাই নহওক, কবিতা সদায়েই ছন্দিতা; আৰু সেই ছন্দ নিহিত হৈ থাকে ধ্বনিত। উচ্চাৰণ কৰিলেই হৈ উঠে সি ৰূপায়িত স্বতঃস্ফূৰ্ত ভাৱে।

ভিন ভিন যুগৰ সাজপাৰ, আ-অলঙ্কাৰৰ ৰুচি ভিন ভিন হোৱাৰ দৰে ভিন ভিন যুগৰ কবিতা ৰচনাৰ শৈলী বা টেকনিকো ভিন ভিন।

প্ৰকৃত সমালোচকে যি কোনো কবিতাৰ মাজত কবিতা আছেনে নাই সেইটোহে দেখা পায়; আৰু তাৰহে বিচাৰ কৰি কবিতাৰ স্তৰ, পৰ্যায় বা মান নিৰ্ণয় কৰে। কি কবিতাই কি অলঙ্কাৰ লৈছে, কি পোচাক পিন্ধিছে, কি ৰং সানিছে—এইবোৰলৈ প্ৰকৃত কাব্য-সমালোচকৰ দৃষ্টি গৌণ; মুখ্য নহয়। প্ৰকৃত কবি বা কাব্য-সমালোচকে কবিতাৰ মাজত বিচাৰে কবিতাহে। অলঙ্কাৰ, ৰং বা পোচাক নহয়। যি কোনো যুগৰ, যি কোনো দেশৰ কবিতাৰ মাজত তেওঁলোকে দেখা পায় তাৰ উলংগ ৰূপটোহে।

অলংকাৰ বা পোচাক সোলোকাই থলেও যি কবিতাই, নিজৰ সুশ্ৰী, সুস্থ সৌন্দৰ্য নিৰ্বিবাদে জগতৰ সমুখত দাঙি ধৰি এটাইকে চমৎকৃত কৰাৰ উপৰিও, তাৰত তন্ময় কৰি তুলিব পাৰে, সেয়েহে প্ৰকৃত কবিতা।

প্ৰকৃত কবিতালৈ পিঠি দি কবিতাৰ বিভিন্ন আংগিক আৰু আধুনিক ৰুচিতে যাৰ দৃষ্টি সীমাবদ্ধ, তেনে তথাকথিত সমালোচকে সমালোচনা কাৰ্যৰপৰা যিমান সোনকালে অব্যাহতি লয়, সিমানেই সুস্থ সৃষ্টিধৰ্মী কাব্য-সাহিত্য বা কবিতাৰ মঙ্গল।

উপলব্ধানুভূতিবিহীন তথাকথিত বৌদ্ধিক দৃষ্টিভঙ্গী আৰু ভাটৌধৰ্মী অধ্যয়ন-বিদ্যাৰ বাগাড়ম্বৰেৰে কেঁচা-কোমলমতীয়া অপৈণত শিক্ষোৎসুকসকলক মুগ্ধ কৰি শিষ্যত্বত দীক্ষিত কৰা সহজ হলেও, পৈণত মনৰ চিন্তাশীল আৰু জ্ঞানী-বিদ্বান ব্যক্তিক ভুৱা দিয়া টান। এই কাৰণেই বোধ কৰোঁ নীলবৰণীয়া শিয়ালজাতীয় সাহিত্য-সমালোচকৰ সংখ্যা আজিৰ যুগত দিনে দিনে কলমো হোৱাদি হ'ল। ধাৰ কৰা 'সমীক্ষা'ৰ ধুম উঠিল।…. বৰ্তমানে সম-সাময়িক অসমীয়া সাহিত্য, তথা কাব্য-সাহিত্য সমালোচনাৰ ধাৰা এনে পৰ্যায়লৈ অধঃপতিত হোৱা বুলিয়েই কব পাৰি। ৰচকৰ ৰচনা নপঢ়াকৈয়ে বেছি ভাগ অসমীয়া সমালোচকে দি দিয়ে তেওঁলোকৰ গধুৰ মন্তব্য একো একোখন বৃহৎ পুথিৰ ওপৰত! ইয়াতকৈ সাহিত্য-সমালোচনাৰ ক্ষেত্ৰত ডাঙৰ ধৃষ্টতা আৰু অমাৰ্জনীয় অপৰাধ আৰু কিবা হব পাৰেনে?

সম-সাময়িকতাৰ ঠেক গণ্ডীত সীমাবদ্ধ দৃষ্টিভঙ্গীয়ে কালজয়ীত্বৰ অন্তহীন দিগন্তত উদ্ভাসিত কাব্য-সাহিত্যৰ উমান পাব নোৱাৰে। মানসিক স্বাৰ্থকতাৰ উচ্চতম পৰ্যায়তহে মহৎ কাব্য-সাহিত্যৰ অঙ্কুৰ নিহিত হৈ থাকে।

আত্মকেন্দ্ৰীকতাৰ শীৰ্ষতম শিখৰত উপনীত হৈ, সকলোলৈকে নিৰপেক্ষ সমদৃষ্টি নিক্ষেপ কৰি, সত্য-সুন্দৰৰ বিমল অস্তিত্ব উপলব্ধি কৰাৰ যোগ্যতা অৰ্জন কৰিব নোৱাৰিলে, কোনেও নিজস্ব মৌলিকতাৰ ৰহ ঢালি, উচ্চ পৰ্যায়ৰ কাব্য-সাহিত্য সৃষ্টি কৰিব নোৱাৰে।

দলীয় নীতি লৈ প্ৰচাৰৰ মাধ্যমেৰে কোনো ৰাজনৈতিক দলে প্ৰতিপত্তি অৰ্জন কৰি ৰাজ্যশাসনৰ ভাৰ গ্ৰহণ কৰাৰ দৰে, সাহিত্যৰ ক্ষেত্ৰতো দলীয় নীতি লৈ কোনোৱে যদি সাহিত্য-ৰাজ্য বা ৰাষ্ট্ৰ শাসন কৰাৰ কল্পনা কৰে, তেনেহলে বুজিব লাগিব যে, তেওঁলোক প্ৰকৃত অৰ্থত সাহিত্যিক নহয়; সাহিত্যিক কূটনীতিবিদহে। সাহিত্যত ৰাজনীতি বা কূটনীতিৰ স্থান নাই, থাকিব নোৱাৰে, থকা উচিত নহয়। কোনোৱে যদি ভাবে সাহিত্যতো কূটনীতিৰ প্ৰয়োজন; আৰু ইয়াতো কূটনৈতিক 'ডাবা' খেল প্ৰৱৰ্তন কৰি

ন্যস্ত স্বাৰ্থ বাহাল ৰখা উচিত, তেনেহলে, তেওঁলোকে যিমান সোনকালে সাহিত্যৰ ৰাজ্য ত্যাগ কৰে সিমানেই সুস্থ, সৃষ্টিধৰ্মী সাহিত্যৰ কল্যাণ।

সম-সাময়িক সাহিত্য-সমালোচনা জগতত থদমদম লগোৱা, দৰাচলতে গ্ৰন্থকীট কিন্তু বৌদ্ধিক নেতৃত্বৰ দাবী কৰা স্বয়ম্ভু কেইগৰাকীমান কাব্য-সমালোচকে যিহকে নকওক, এক কথাত; মেধাতীত চৈতন্যত উদ্ভূত স্বতঃস্ফুৰ্ত কাব্যিক আত্মপ্ৰকাশৰ মাজতহে কবিতাৰ আত্মাই সহাঁৰি দিয়ে। এনে আত্মাৰ আবেদনত সৃষ্টি হোৱা কবিতাই স্বতঃস্ফুৰ্ত কবিতা, প্ৰকৃত কবিতা।

কবিতাই কবিতাৰ সংজ্ঞা। পৃথিবীৰ নানান কবিয়ে, নানান লিখকে কবিতাৰ নানান সংজ্ঞা দিবলৈ চেষ্টা কৰিছে। কিন্তু কোনো এটা সংজ্ঞাই কবিতাক সম্পূৰ্ণকৈ দাঙি ধৰিব পৰা নাই।

পাণ্ডিত্যৰ অভিমান বা দম্ভ কবিতাত থাকিব নোৱাৰে। যদি থাকে সি কবিতা নহয়; কবিতাৰ নামত বিদ্যাজাহিৰ নাইবা বহুৱালিহে।

অন্তৰত কবিসত্তাই সঁহাৰি নিদিলে কোনেও সঁচা কবিতা লিখিব নোৱাৰে। অন্তৰত কবি জাগিলেহে কবিতাই বিচিত্ৰ ৰূপত দেখা দিয়ে আৰু সেই ৰূপৰ বহিঃপ্ৰকাশেই কবিতা।

ধ্যানমগ্নতা আৰু তন্ময়তাৰে পৰিশ্ৰুত নোহোৱা কবিতাৰ স্তৰ নিম্ন আৰু স্থূল। তেনে উপকৰা কবিতাক কবিতা নুবুলি বাহ্যিক ৰূপ অনুপাতে কাব্যিক ভঙ্গিত লিখা সৰস বা নীৰস গদ্য ৰচনা নাইবা পদ্য আখ্যাহে দিব পাৰি। কবিতাৰ নামত তথাকথিত বৌদ্ধিক আৰু কাৰিকৰী কেৰামতালিৰে, বছা বছা দাঁতভঙা শব্দ প্ৰয়োগ কৰি, তলীতবাং গদ্য, পদ্য বা ৰচনা লিখি উদীয়মান কবিসকলৰ আগত অবাঞ্ছনীয় আৰ্হি দাঙি ধৰাটো এটা অমাৰ্জনীয় অপৰাধ। তেনে অন্তঃসাৰশূন্য কবিতাই প্ৰকৃত কাব্যামোদীক ক্ষুণ্ণ কৰাৰ উপৰিও সূক্ষ্ম সুকুমাৰ কলা-বোধৰ মূৰত কুঠাৰাঘাত কৰি, সম্ভাৱনা থকা কুঁহিমেলা কবিসকলক অবাটে নিয়াটো তেনেই স্বাভাৱিক। কোমলমতীয়া গঁজালি কবিক যি কোনো দায়িত্বসম্পন্ন লোকে এইদৰে বিপথে নিয়াতকৈ ডাঙৰ সাহিত্যিক মহাপাপ আৰু কি হ'ব পাৰে ?

কোৱা বাহুল্য, জাতীয় কলা-ৰুচি আৰু শৈল্পিক চৰিত্ৰ-গঠনৰ ক্ষেত্ৰত কবি-শিল্পীসকলৰ দায়িত্ব এটাইতকৈ গধুৰ। বিনা সাধনাৰে এই গধুৰ দায়িত্ব বহন কৰিবলৈ যোৱাটো কেৱল বৌদ্ধিক বিলাসিতাই নহয়, ধৃষ্টতাও।

কবিতা হৈছেনে নাই, কবিয়ে নিজে কোৱা বা নোকোৱাৰ ওপৰত নিৰ্ভৰ নকৰে; নিৰ্ভৰ কৰে তেওঁৰ কবিতাৰ ওপৰতহে।

কবিতা যদি সঁচাকৈয়ে কবিতা হয়, কোনো অপ-প্ৰচাৰেই তেনে কবিতাক পৃথিবীৰ সুধীমণ্ডলীৰ দৃষ্টিৰ-পৰা সদায়দিন আঁতৰাই ৰাখিব নোৱাৰে। যুগে যুগে এই নিৰ্ঘাত সত্যটোৱে সমসাময়িকতা ৰাহুৰ পূৰ্ণগ্ৰাসৰ পৰা মুক্ত হৈ নিজকে নিজে প্ৰতিষ্ঠা কৰি আহিছে।

সত্য-সুন্দৰৰ ধ্যানবিন্দুত উপনীত কাব্যানুভূতিৰ আত্মপ্ৰকাশেই কবিতাত স্বতঃস্ফুৰ্ততা। এই স্বতঃস্ফুৰ্ততাই কবিতাৰ জ্বলন্ত স্বাক্ষৰ; কবিতাৰ প্ৰাণ। এই প্ৰাণ-কেন্দ্ৰৰ ওপৰতেই শ্ৰেষ্ঠ কবিতাৰ পাৰমাণৱিক শক্তি নিহিত হৈ থাকে। সেয়েহে বিন্দুৰ সাধক কবিকণ্ঠত নিনাদিত হয়:

মই এটা বিন্দু।
চিন্তাৰ সকলো শক্তি কেন্দ্ৰীভূত হৈ মস্তিষ্কত বিন্দু
হৈ যায়।

বিন্দু! বিন্দু! বিন্দু! বিন্দুৰ সিন্ধুতে বৰ্তে বিশ্ব চৰাচৰ।
বিন্দুতেই মহাকল্লোল সৃষ্টিৰূপী মহা সমুদ্ৰৰ।
সেই সমুদ্ৰতে স্নান কৰি আজি মই বহিছোঁ ধ্যানত।
লাগে মোক সত্যৰ মাজত সুন্দৰৰ অভিব্যক্তি।
লাগে মোক সুন্দৰৰ অপৰূপ-ৰূপ ৰূপান্তৰ কলাৰ
মাজত।

লাগে মোক কলা·····কলা····কলা·····।
মোৰ বাবে কৰোঁ মই কলাৰ সাধনা, কবিতাৰ
মাধ্যমেৰে।
সেয়েহে মোৰ বিন্দুৰ সাধন; সেয়েহে মোৰ আত্ম-
আৱিষ্কাৰ।

# শক্তিবাদৰ পৰম্পৰা

শ্ৰীনবীন চন্দ্ৰ শৰ্মা

ভাৰতীয় শক্তিবাদৰ ইতিহাস অতি প্ৰাচীন। দূৰ অতীতৰ পৰাই ভাৰতীয় সাহিত্য-সংস্কৃতি, কলা-কৃষ্টি আদিৰ ওপৰত শক্তিবাদে গভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰি আহিছে। বৰ্তমানৰ মাতৃৰূপ, ইয়াৰ তত্ত্ব আৰু উপাসনা-পদ্ধতি অনেক যুগৰ বিবিধ সংস্কাৰ, বিবিধ জন-বিশ্বাসাদিৰ সংমিশ্ৰণ মাথোন। শক্তি উপাসনা আৰু শক্তিবাদ আৰ্য আৰু অনা-আৰ্যসকলৰ বিশ্বাসত স্থান পোৱা বিভিন্ন দেৱ-দেৱীৰ বিশেষত্ব বাজিৰ অপূৰ্ব সম-ন্বয় বুলি ক'বলৈ যোৱাৰ পৰিপ্ৰেক্ষিত উইণ্টাৰ-নিজে সমীচীন মন্তব্যকে প্ৰকাশ কৰিছে: "There is no doubt that this goddess and her cult do unite traits of very different deities, Aryan as well as Non-Aryan".[১]

শক্তি আৰু ইয়াৰ উপাসনা-পদ্ধতিত এফালে গভীৰ আধ্যাত্মিকতা, ভাবুকতা আৰু আনফালে তামসিক আচাৰাদিৰ প্ৰাবল্য পৰিলক্ষিত হয়। দেৱী জনা এফালে কৃষ্ণ-বৰ্ণা, নগ্নিকা, ভয়ংকৰী, অন্যফালে বৰাভয়দায়িনী। দেৱী উপাসনাৰ এফালে বিশুদ্ধ যোগ, আনফালে পঞ্চ-মকাৰৰ (মদ্য, মাংস, মৎস্য, মুদ্ৰা, মৈথুন) তত্ত্বৰ বাহুল্য পৰিদৃষ্ট হয়।[২]

শাক্ত দাৰ্শনিকসকলৰ দৃষ্টিত পৰম ব্ৰহ্ম চিৰ শাশ্বত শক্তিৰ বাহিৰে অন্য একো নহয়। এই শক্তিৰ পৰাই 'জীৱ-জংগম, কীট-পটংগম' আদি পৰিদৃশ্যমান জগতৰ সৃষ্টি হৈছে। জীৱসমূহে মাতৃৰ গৰ্ভৰপৰা জন্ম লাভ কৰে। সেইবাবে মানৱ অন্তৰত জগত স্ৰষ্টা পৰমেশ্বৰৰ বিষয়ে উপলব্ধি কৰিব লাগিব মাতৃ শব্দৰ সহায়ত, পিতৃ শব্দৰ সংযোগত নহয়। যেনেকৈ মানুহে ব্যথা-বেদনা, দুখ-দুৰ্ভাগ্যৰ সময়ত 'মা' বা 'আই' বুলি হঠাতে চিঞৰি উঠে; অথবা সীমাহীন বিপদ-বিঘিনিৰ মাজতো মানুহৰ জয়জয়তে মনত পৰে মাতৃলৈ, তদ্ৰূপ একমাত্ৰ পৰমা মাতৃ বা জগন্মাতাইহে মানৱৰ দুখ-দুৰ্গতি, অপায়-অমংগল আদি দূৰ কৰিব পাৰে, মষিমূৰ কৰিব পাৰে।[৩] এই পৰমা প্ৰকৃতিয়েই হৈছে শক্তি। শক্তিৰ উপাসকেই হৈছে শাক্ত। জগন্মাতা পৰমা প্ৰকৃতিয়েই পাৰ্বতী, উমা, দুৰ্গা, কালী, লক্ষ্মী, ৰাধা ইত্যাদি।[৪] ঠিক যেনেকৈ নীলিম আকাশৰ মুকুট-মণি স্বৰূপ চন্দ্ৰমা সীমাহীন জল ৰাশিত বিভিন্ন ৰূপে প্ৰতিফলিত হয়; তদ্ৰূপ পৰমা ঈশ্বৰী দেৱী জনাকো যি নামেই দিয়া নহওক, সেই

১. A History of Indian Literature, Vol. I : M. Winternitze.
২. 'শাক্ত পদাৱলী ও শক্তিসাধনা' : অধ্যাপক শ্ৰীজাহ্নৱী কুমাৰ চক্ৰবৰ্তী।
৩. Principles of Tantra : Avalon.
৪. A. History of Indian Literature vol.-I : M. Winternitze.

জনাই বিভিন্ন দেৱতা আৰু তেওঁলোকৰ শক্তি-ৰূপে প্ৰতিফলিত হৈছে। তেৱেঁই ব্ৰহ্মা, তেৱেঁই বিষ্ণু; তেৱেঁই শিৱ আৰু তেৱেঁই আগ্না কালিকা, মহা-যোগিনী; তেৱেঁই জগৎ স্ৰষ্টা, জগত পালন কৰ্ত্ৰী, জগত ধ্বংস-কাৰিণী। তেৱেঁই মহাকালৰ মাতৃ।[৫] যিহেতু পৰমাদেৱী জনাই স্ত্ৰী, সেই বাবে প্ৰতি গৰাকী স্ত্ৰী সেই জগন্মাতাৰ একোটি অৱতাৰ বুলি বিবেচনা কৰা উচিত। প্ৰত্যেকটি স্ত্ৰী-বাচক প্ৰাণীতেই দেৱীজনা বিৰাজ কৰিছে।

অনাদি কালৰেপৰা ভাৰতবৰ্ষত মাতৃ-আৰাধনা পদ্ধতি প্ৰবাহমান হৈ আহিছে। স্বৰূপাৰ্থত ভাৰতবৰ্ষই প্ৰকৃতি বা শক্তি-পূজাৰ উৎসভূমি।[৬]

পণ্ডিতসকলৰমতে অনা-আৰ্যসকলেই পোনতে মাতৃ পূজা প্ৰবৰ্তন কৰিছিল। তেওঁলোকৰ সমাজ আছিল মাতৃ প্ৰধান (Matriarchal)। সেইবাবে অনা-আৰ্যসকলৰ আচাৰ-ব্যৱহাৰ, কলা-কৃষ্টি, ধৰ্ম-কৰ্ম, ক্ৰিয়া-কাণ্ড, উৎসৱ-অনুষ্ঠান আদি সকলোতে মাতৃ-ভাৱৰ প্ৰাধান্য লক্ষ্য কৰা যায়। মাতৃ ভাবাসক্ত অনা-আৰ্যসকলে ভয় বিস্ময়াদিৰ দ্বাৰা অভিভূত হৈ ধৰ্ম-কৰ্মাদি পৰিকল্পনা কৰাৰ সময়ত তেওঁলোকৰ আগত সততে বিৰাজমান আছিল মাতৃকা দেৱী। তেওঁলোকৰ দৃষ্টিত মাতৃকা দেৱীয়েই আছিল সৃষ্টি-স্থিতি-লয়ৰ প্ৰধানতম কাৰণ।

দেৱীতত্ত্বৰ বিকাশ, প্ৰবাহ, অগ্ৰগতি আৰু বৈশিষ্ট্যত সেইহে প্ৰাক্-আৰ্যজাতিসকলৰ বিভিন্ন লোক-বিশ্বাস, ধ্যান-ধাৰণাদি পুঞ্জীভূত হৈ থকা দেখা যায়। সেইবাবেই দেৱীৰ বিভিন্ন নাম আৰু ৰূপত অষ্ট্ৰিক, দ্ৰাবিড়, মংগোলীয় আদি বিভিন্ন অনা-আৰ্যজাতিৰ ধ্যান-ধাৰণা আৰু বিশ্বাসাদিৰ আভাস পোৱা যায়। দেৱীৰ 'শাকম্ভৰী', 'সীতা', 'বনদুৰ্গা', 'কামাখ্যা' আদি নাম বোধকৰোঁ অষ্ট্ৰিক ভাষাৰপৰা আহিছে। দ্ৰাবিড়সকল যে মাতৃ-পূজক আছিল, তাত সন্দেহৰ অৱকাশ নাই। সিন্ধু উপত্যকাৰ সভ্যতাৰ পটভূমি আছিল মাতৃ-উপাসনা। মহেঞ্জোদাৰোৰ সভ্যতাই মাতৃ-পূজাৰ প্ৰাচীনতম নিদৰ্শন[৭]।

মংগোলীয় বা তিব্বতীয় চীন আদি জাতিও আছিল মাতৃ-উপাসক। প্ৰাচীন মংগোলীয় জাতিৰ মাতৃ এজনী বিধৱা নাৰীহে—"The soberest story on record that their ancestor Budantsar was miraculously conceived of a Mongal widow." ইয়াৰপৰা সহজে অনুমান কৰিব পাৰি যে, মংগোলীয় বা তিব্বতীয় চীন জাতিও আছিল মাতৃ-তান্ত্ৰিক।

হিন্দু-তন্ত্ৰত বিশিষ্ট স্থান লাভ কৰোঁতা দেৱী 'তাৰা', বৌদ্ধমহাচীন তাৰাৰ লগত অভিন্ন। 'তাৰা'ৰ পূজা পদ্ধতি চীনদেশৰ পৰা ভাৰতলৈ আহিছে। শক্তিপূজাৰ প্ৰধান ফুল জবাফুল যাক ইংৰাজীত বোলাহয় 'China Rose', ইও চীন দেশৰপৰা আহিব পাৰে বুলি পণ্ডিত সকলে ভাবে।[৯]

ওপৰৰ আলোচনাৰপৰা আমি অনুমান কৰিব পাৰোঁ যে মাতৃপ্ৰধান অনা-আৰ্যসকলেই সৰ্ব প্ৰথমে ভাৰতবৰ্ষত মাতৃ উপাসনা পদ্ধতি প্ৰচলন কৰে। আনকি আৰ্যসকলৰদ্বাৰা ৰচিত প্ৰধান গ্ৰন্থসমূহতো দেৱীক পুলিন্দ, শবৰ, কিৰাত আদি অনাৰ্য জাতিৰ উপাস্য দেৱতা বুলি স্বীকাৰ কৰা হৈছে। 'হৰিবংশ'ৰ 'আৰ্যাস্তৱ'ত এইদৰে কোৱা হৈছে :—

পৰ্বতাগ্ৰেষু ঘোৰেষু নদীষু চ গুহাসু চ।
বাসস্তে চ মহাদেৱি বনেষু পবনেষু চ ॥

৫. মহানিৰ্বাণ তন্ত্ৰ
৬. History of Ancient India : R. S. Tripathi
৭. Pre-historic Ancient and Hindu India : Donald A. Mackenzie.
৮. Encyclopaedia Britannica.
৯. শাক্ত পদাৱলী ও শক্তি সাধনা : অধ্যাপক শ্ৰীজাহ্নবী কুমাৰ চক্ৰবৰ্তী।



শবৰৈৰ্বৰ্বৰৈশ্চৈৱ পুলিন্দৈশ্চ সুপূজিতা।
ময়ূৰ পিচ্ছধ্বজিনী লোকান্‌ক্ৰমসি সৰ্বশঃ ॥[১০]

আৰ্য-ধৰ্ম আৰু সাহিত্যৰ আৰম্ভণিতে মাতৃ ভাব শক্তিবাদে বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাছিল। আৰ্য-সমাজ আছিল—পিতৃ প্ৰধান। ঋগ্বেদত প্ৰধান দেৱতা স্বৰূপে স্বীকৃত হোৱা ইন্দ্ৰ, সূৰ্য, মৰুৎ, দ্যৌ, বৰুণ, অগ্নি আদি দেৱতাসকল পুৰুষহে। এওঁলোক প্ৰত্যেকেই পৰম শক্তিধৰ। পুৰুষ-দেৱতাসকলৰ তুলনাত স্ত্ৰী দেৱতাবিলাক নগণ্য। আৰ্য-ধৰ্ম আৰু সাহিত্যৰ পৰৱৰ্তীকালত (ঋগ্বেদ সম্পূৰ্ণ নোহওঁতেই) মাতৃ-উপাসনা বা শক্তিবাদে বিশেষভাৱে প্ৰসাৰ লাভ কৰে।

পুৰুষ-প্ৰধান আৰ্যসকলৰ শ্ৰেষ্ঠ গ্ৰন্থ ঋগ্বেদৰ শেষাংশত সন্নিবিষ্ট দেৱী-সূক্ত আৰু ৰাত্ৰি-সূক্তত সৰ্ব প্ৰথমে আমি দেৱীতত্ত্বৰ আভাস পাওঁ। দেৱী সূক্তত অম্ভৃণ ঋষিৰ কন্যা বাক্‌ৰ মুখেৰে দেৱীয়ে নিজৰ মাহাত্ম্য আৰু শক্তি ব্যক্ত কৰিছে। 'আদিশক্তি দেৱতা' বাক্ সৰ্বশক্তিৰ আধাৰ স্বৰূপা, সৰ্ব ব্যাপিনী আৰু তেৱেঁই সকলোকে সৃষ্টি কৰিছে। তেৱেঁই একাদশ ৰুদ্ৰৰূপে বিচৰণ কৰে, তেৱেঁই বসু আৰু বিষ্ণু প্ৰভৃতি আদিত্যক ধাৰণ কৰে। বাকেই বিশ্বদেৱী। তেৱেঁই মিত্ৰ, বৰুণ, ইন্দ্ৰ, অগ্নি, অশ্বিনী কুমাৰ দ্বয়, শত্ৰু, সংহাৰ-কাৰিণী সোম, ত্বষ্টা, পূষণ, ভগ আদি দেৱতাসকলক ধাৰণ কৰে। তেৱেঁই দেৱতাৰ উদ্দেশ্যে হবি প্ৰদানকাৰী, সোম যোগকাৰী যজমানক ধন-সম্পত্তি দান কৰি ৰক্ষা কৰে :—

"অহং ৰুদ্ৰেভিৰ্বসুভিশ্চৰাম্যহমাদিত্যৈৰুত বিশ্বদেৱৈঃ।
অহং মিত্ৰাৱৰুণোভা বিভৰ্ম্যহমিন্দ্ৰাগ্নি অহমশ্বিনোভা ॥
অহং সোমবাহনসং বিভৰ্ম্যহং ত্বষ্টাৰমুত পূষণং ভগম্।
অহং দধামি দ্ৰবিণং হবিষ্মতে সুপ্ৰাব্যে যজমানায় সুয়তে ॥[১১]

বাক্ দেৱীয়েই বিশ্বৰ গৰাকী, ধন-সম্পত্তিৰ অধিকাৰিণী, তেৱেঁই পৰম জ্ঞানী, বাকেই উপাস্যসকলৰ মাজত প্ৰধান, তেৱেঁই সকলোৰে দেহত সৰ্বৰূপে বিৰাজ কৰিছে। তেৱেঁই জগতৰ জীৱনী শক্তি স্বৰূপা :—

"অহং ৰাষ্ট্ৰীং সংগমনী বসুনাং চিকিতুষী প্ৰথমা যজ্ঞিয়ানাম্।
তাং মাং দেবা ব্যদধুঃ পুৰুত্ৰাভূৰিস্থাত্ৰাং ভূৰ্যাৱেশযন্তীয় ॥[১২]

বাক্ দেৱীয়েই ৰুদ্ৰৰূপে জগত ধ্বংস কৰে। তেৱেঁই ব্ৰাহ্মণক ঘৃণা কৰোঁতাজনক বধ কৰিবৰ বাবে ৰুদ্ৰলৈ ধনু আগ বঢ়ায়। সাধুজনক ৰক্ষা কৰিবৰ বাবে বাক্ দেৱীয়েই সংহাৰ-মূৰ্তি ধাৰণ কৰে। তেওঁ পৃথিৱী আৰু স্বৰ্গ উভয়তেই প্ৰৱেশ কৰি আছে :—

"অহং ৰুদ্ৰায় ধনুৰা তনোমি ব্ৰহ্মদ্বিষে শৰৱে হন্তবা উ।
অহং জনায় সমদং কৃণোম্যহং দ্যাবা পৃথিবী আ বিবেশ ॥[১৩]

বাক্ দেৱীয়েই ভুবাদি সৃষ্টি কৰি তাৰ মাজত বায়ু ৰূপে বিচৰণ কৰিছে। তেওঁ নিৰ্লিপ্তা, কূটস্থ আৰু ব্ৰহ্ম চৈতন্য ৰূপিণী :—

"অহমেৱ ৱাতইৱ প্ৰৱাম্যাৰভমাণা ভুৱনানি বিশ্বা।
পৰো দিবা পৰ এনা পৃথিব্যৈতাৱতী-মহিমা সম্বভূব ॥[১৪]

ঋগ্বেদৰ দেৱী সূক্তই অনা-আৰ্য জাতিৰ মাতৃকা

১০. হৰিবংশ বিষ্ণু পৰ্ব—৩-৬।৭
১১, ঋগ্বেদ—১০।১২৫।১—২।
১২. ঋগ্বেদ—১০।১২৫।৩
১৩. ঋগ্বেদ—১০।১২৫।৬
১৪. ঋগ্বেদ—১০।১২৫।৮

দেৱীয়ে আৰ্য-ধৰ্ম আৰু সংস্কৃতিত স্থান লাভ কৰাৰ অনন্য প্ৰমাণ। দেৱী-সূক্তত মাতৃকাদেৱী পৰমাত্মা ব্ৰহ্মৰ সদৃশ স্থান লাভ কৰিছে। আৰ্য-সংস্কৃতিত এইদৰেই পোন প্ৰথমে তান্ত্ৰিক-শক্তি সিদ্ধান্তৰ প্ৰৱেশ ঘটে।

ঋগ্বেদৰ ৰাত্ৰি-সূক্তত শক্তিদেৱীৰ মহিমা কীৰ্তন কৰা হৈছে। ৰাত্ৰি-সূক্তৰ দেৱতা 'ৰাত্ৰি' পৰমাত্মাৰ কন্যা। ৰাত্ৰিদেৱী খীৰতী গাইৰ দৰে। তেৱেঁই আমাক দুগ্ধ দান কৰে। তেওঁ 'আয়তি' অৰ্থাৎ সকলোতে ব্যাপ হৈ আছে। 'ৰাত্ৰি' দেৱী কাৰণ তেওঁ সকলো বস্তুৰে দ্যোতনশীলা। ৰাত্ৰিদেৱীয়ে সকলো জীৱৰ ভাল বেয়া, কৰ্ম-ফল বিধান কৰে; তেওঁ নানা বিভূতিময়ী। ৰাত্ৰিদেৱী অমৰ্ত্যা অৰ্থাৎ নিত্যা। তেৱেঁই অবিদ্যাৰূপ অন্ধকাৰ নাশ কৰে। জীৱসমূহে স্বৰূপত বিৰাজ কৰিছে—ৰাত্ৰি দেৱীৰ কৃপাত। তেৱেঁই আমাক ৰক্ষা কৰে, মোক্ষদান কৰে। ঋগ্বেদত ৰাত্ৰি দেৱীক এইদৰে স্তুতি কৰা হৈছে :—

"উপতে গা ইবকৰং বৃনীষ্ব দুহিতৰ্দিবঃ।
ৰাত্ৰি স্তোমং ন জিগ্যুষে ॥

অৰ্থাৎ, হে ৰাত্ৰি দেৱতা। দুগ্ধৱতী ধেনুৰ নিচিনাকৈ তোমাক স্তুতি আদিৰে প্ৰসন্ন কৰিছোঁ; হে পৰমাকাশৰ (বা সূৰ্যৰ) কন্যা! মই শত্ৰুজয় কৰিবলৈ ইচ্ছা কৰিছোঁ, তুমি মোৰ স্তৱ আৰু হবি গ্ৰহণ কৰা।

ঋষি বিশ্বামিত্ৰৰ গায়ত্ৰীমন্ত্ৰত ৰাত্ৰিদেৱীয়েই সপ্তলোকচাৰী সবিতাৰ বৰণীয় 'জ্যোতি আৰু বুদ্ধিৰ নিয়ন্ত্ৰী শক্তি। তেৱেঁই বেদ-মাতা :—"ওঁ ভূৰ্ভুবঃ স্বঃ তৎ সবিতুৰ্বৰেণ্যং ভৰ্গোদেৱস্য ধীমহি ধীয়ো যোনঃ প্ৰচোদয়াৎ ওঁ।"[১৫] অৰ্থাৎ, সৰ্বলোক প্ৰকাশক সৰ্বব্যাপী সেই পূৰ্ণ মণ্ডল জগত-প্ৰসৱিতা পৰম দেৱতাৰ বৰণীয় জ্ঞান আৰু শক্তি ধ্যান কৰোঁ, যিয়ে আমাক বুদ্ধি-বৃত্তি প্ৰেৰণ কৰে।

সামবেদৰ এটি সূক্তত ৰাত্ৰিদেৱীক ময়ূৰ পুচ্ছ—ভূষণা, পাশহস্তা কিৰাতী বা শবৰীৰূপে স্তুতি কৰা হৈছে। সামবেদত ৰাত্ৰিদেৱী প্ৰাণীবিলাকৰ সুখ বিধাত্ৰী আৰু সমস্ত কৌমাৰী শক্তিৰ সমষ্টিৰূপে ৰূপায়িত হৈছে :—

'ওঁ ৰাত্ৰিং পপন্থে পুনৰ্ভূং ময়োভূং কন্যাং।
শিখণ্ডিনীং পাশহস্তা যুৱতীং কুমাৰিণীম্ ॥

অথৰ্ববেদত শক্তিবাদৰ ওপৰত অপেক্ষাকৃতভাৱে অধিক গুৰুত্ব আৰোপ কৰা হৈছে। কোনো কোনো পণ্ডিতৰ মতে অথৰ্ববেদেই শক্তি-পূজাৰ মূল উৎস। মুঠতে অথৰ্ববেদত শক্তি-উপাসনাৰ মূলতত্ত্ব, শক্তি-পূজাৰ অভিচাৰাদি ক্ৰিয়া, শাক্ত আচাৰসন্মত দীক্ষাদিৰ বিবিধ মন্ত্ৰৰ উল্লেখ আছে।

উপনিষদসমূহতো শিৱ আৰু শক্তিবাদৰ গভীৰ প্ৰভাৱ পৰিছে। শক্তিতন্ত্ৰত শক্তি আৰু শিৱৰ অভিন্নতা স্বীকাৰ কৰা হৈছে। অথৰ্ববেদ, উপনিষদবাঞ্ছিত যোগ আৰু শক্তি-পূজাৰ বিস্তৃত বৰ্ণনা সন্নিৱেশ কৰা হৈছে।

'কেনোপনিষদ'ত স্বয়ং ব্ৰহ্মই হেমা ভৰণ ভূষিতা অতিশয় শোভনা হৈমৱতীৰূপে আবিৰ্ভূতা হৈছিল।[১৬]

"স তস্মিন্নেবাকাশে স্ত্ৰিয়মাজগাম বহুশোভমানামুমাং হৈমৱতীম্।"[১৭]

ব্ৰহ্মই যে স্ত্ৰীৰূপ ধাৰণ কৰিছিল, সেই কথা স্বয়ং হৈমৱতীয়েই ইন্দ্ৰক এইদৰে কৈছিল :—"সা ব্ৰহ্মেতি হোবাচ। ব্ৰহ্মণো বা এতাদ্বিজয়ে মহীয়ধ্বমিতি, ততো হৈব বিদাঞ্চকাৰ ব্ৰহ্মেতি।"[১৮]

১৫. ঋগ্বেদ, ৩।৫।৬২

১৬. পঞ্চ পুষ্প—শ্ৰীতীৰ্থনাথ শৰ্মা।

১৭. কেনোপনিষৎ—৩।২৫।১২

১৮. কেনোপনিষৎ—৪।২৬।১



অৰ্থাৎ, তেওঁ ব্ৰহ্ম, তেওঁৰ অনুগ্ৰহতে তোমালোকে বিজয় লাভ কৰিব পাৰিছা। তেওঁৰ মহিমাৰ জৰিয়তেহে তোমালোকে মহিমান্বিত হব পাৰিছা।"

তৈত্তেৰীয় আৰণ্যকৰ অন্তৰ্গত 'নাৰায়ণ উপনিষদ'ত 'দুৰ্গা' নামটি পোৱা গৈছে। ইয়াৰপৰা দেখা যায় যে উপনিষদৰ যুগতে দুৰ্গাদেৱীয়ে স্বাভিব্যক্তি লাভ কৰিছে।

অন্যান্য বৈদিক সংহিতাৰ উপনিষদসমূহতো মাতৃকা শক্তিৰ বিদ্যমানতা অস্বীকাৰ কৰিব নোৱাৰি। উপনিষদত কালী, কৰালী, উমা, হৈমৱতী, ভদ্ৰকালী আদিৰ নামোল্লেখ পোৱা যায়। ৰুদ্ৰ-পত্নী-ৰূপে তেৱেঁই অম্বিকা, অগ্নি-শিখা-ৰূপে তেৱেঁই কালী, কৰালী আৰু ব্ৰহ্মশক্তি-ৰূপে তেৱেঁই উমা, হৈমাৱতী। সন্দেহ নাই, উপনিষদত ব্ৰহ্মৰেই সাৰ্বভৌমত্ব প্ৰতিপন্ন কৰা হৈছে। মাতৃকাশক্তিয়ে উপনিষদত প্ৰাধান্য লাভ কৰিবপৰা নাই, ব্ৰহ্মৰ শক্তি ৰূপেহে মাতৃকা-দেৱীয়ে প্ৰাধান্য লাভ কৰিছে।

দৰ্শনত বিশেষকৈ বেদান্ত দৰ্শন আৰু সাংখ্য দৰ্শনত মাতৃকা দেৱীয়ে স্থান লাভ কৰিছে। বেদান্তত মায়া-তত্ত্বৰ বিষয়ে গভীৰভাৱে আলোচনা কৰা হৈছে, আৰু সাংখ্য দৰ্শনত প্ৰকৃতি-তত্ত্বৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হৈছে। শঙ্কৰাচাৰ্যই বেদান্তৰ মায়াবাদৰ বিষয়ে ব্যাখ্যা কৰিছে—তেখেতৰ ভাষ্যত। কপিল মুনি বিৰচিত সাংখ্য-দৰ্শনত প্ৰকৃতিৰ প্ৰাধান্য দেখা যায়। সাংখ্য দৰ্শনমতে পঞ্চবিংশতি তত্ত্বৰ সংযোগত সৃষ্টি সম্ভৱ হৈছে। এই পঞ্চবিংশতি তত্ত্বৰ ভিতৰত প্ৰকৃতি আৰু পুৰুষেই প্ৰধান তত্ত্ব। অন্যান্য তত্ত্বসমূহৰ মূল আৰু একমাত্ৰ কাৰণ হৈছে—প্ৰকৃতি। সাংখ্য-দৰ্শনত প্ৰকৃতিয়েই প্ৰধান, বাস্তৱ, প্ৰপঞ্চ সৃষ্টিৰ কাৰণ। ইয়াৰ বিপৰীতে পুৰুষ অকৰ্তা, দ্ৰষ্টা আৰু সাক্ষী মাত্ৰ। অৱশ্যে সাংখ্য দৰ্শনৰ প্ৰকৃতি অন্ধ, জড়-শক্তি। পৰৱৰ্তী কালত ৰচিত হোৱা তন্ত্ৰ, পুৰাণ আদিত সাংখ্য দৰ্শনৰ প্ৰকৃতি তত্ত্বৰ সুগভীৰ প্ৰভাৱ পৰিছে।

পুৰাণসমূহত মাতৃকা-শক্তি অথবা শক্তিবাদৰ প্ৰভূত প্ৰভাৱ দেখা যায়। ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰ আৰু শক্তিয়ে পুৰাণসমূহত প্ৰধান স্থান লাভ কৰিছে। "কৃষ্ণস্তু ভগবান স্বয়ম্' বুলি প্ৰতিপন্ন হোৱা শ্ৰীমদ্ভাগৱত পুৰাণতো শক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন হৈছে। যশোদাৰ গৰ্ভত জন্মলাভ কৰি দুৰ্গা, ভদ্ৰা, কালীৰূপে পূজা পাবলৈ নাৰায়ণে মহামায়াক নিৰ্দেশ দিছে।[১৯]

শ্ৰীমদ্ভাগৱত পুৰাণত শ্ৰীকৃষ্ণৰ নিৰ্দেশত গোপীসকলে 'কাত্যায়নী' দেৱীক পূজা কৰি কৃষ্ণক স্বামী পাবৰ নিমিত্তে এইদৰে বৰ সাধিছিল :—

'কাত্যায়নি মহামায়ে মহাযোগিন্যধীশ্বৰি।
নন্দগোপ সুতং দেৱি পতিংমে কুৰুতে নমঃ ॥[২০]

শ্ৰীমদ্ভাগৱত পুৰাণৰ একাদশ স্কন্ধত শ্ৰীআবিৰ্হোত্ৰই কেশৱক উপাসনা কৰিবলৈ এইদৰে উপদেশ দিছে :—

"য আশু-হৃদয়গ্ৰন্থিং নিৰ্জিহীৰ্ষুঃ পৰাত্মনঃ।
বিধিনো পচৰেদ্দেৱং তন্ত্ৰোক্তেন চ কেশৱম্ ॥"[২১]

ব্ৰহ্মাণ্ড-পুৰাণত দেৱীতত্ত্ব বা শক্তিতত্ত্বই প্ৰাধান্য লাভ কৰিছে। দেৱী-ভাগৱতত ঋগ্বেদৰ 'ৰাত্ৰিদেৱী'ৰ বিষয়ে এইদৰে কোৱা হৈছে :—

"ব্ৰহ্মমায়াত্মিকা ৰাত্ৰিঃ পৰেমেশলয়াত্মিকা।"

দেৱী ভাগৱতত দেৱীয়ে এইদৰে কৈছে—"কিং নাহং পশ্য সংসাৰে মদ্বিযুক্তং কিমস্তিহি।"[২২]

১৯. শ্ৰীমদ্ভাগৱত পুৰাণ, ১০।২।৭, ১০—১২

২০. শ্ৰীমদ্ভাগৱত পুৰাণ, ১০।২২।৪

২১. শ্ৰীমদ্ভাগৱত পুৰাণ, ১১।৪।৪৭

২২. দেৱীভাগৱত, ৩।৬

কালিকা-পুৰাণত দেৱীৰ সাৰ্বভৌমত্ব ভালদৰে লক্ষ্য কৰিব পাৰি। মাৰ্কণ্ডেয় পুৰাণতো দেৱীতত্ত্বৰ সুস্পষ্ট ৰূপায়ণ পৰিলক্ষিত হৈছে :—

"একৈবাহং জগত্যাত্ৰ দ্বিতীয়া কা মমাপৰা'
পশ্যৈতা দুষ্ট! ময্যেব বিশন্ত্যো মদ্বিভূতয়ঃ ॥"[২৩]

মহা ভাৰততো দেৱীতত্ত্বই স্থান লাভ নকৰাকৈ থকা নাই। মহাভাৰতত দেৱীতত্ত্বৰ আভাস থকাৰ পৰিপ্ৰেক্ষিত ফাৰকুহাৰে এইদৰে উল্লেখ কৰিছে :—

"The earliest passage occurs in the Mahabharata and celebrates Durga as the slayer of Mahisha."[২৪] মহাভাৰতৰ ভীষ্মপৰ্বৰ ত্ৰয়োবিংশ অধ্যায়ত কৃষ্ণৰ নিৰ্দেশমতে অৰ্জুনে দুৰ্গাক স্তুতি কৰিছে। অৰ্জুনৰ এই স্তুতিত দেৱীক কুমাৰী, কালী, কাপালী, মহাকালী, চণ্ডী, কাত্যায়নী, কৰালা, বিজয়া, কৌশিকী, উমা, কান্তাৰবাসিনী বোলা হৈছে। 'বিৰাট পৰ্ব'ৰ ষষ্ঠ অধ্যায়তো যুধিষ্ঠিৰে দেৱীক মহিষাসুৰ নাশিনী, নাৰায়ণ—প্ৰিয়া, বাসুদেৱ ভগ্নী আৰু বিন্ধ্যবাসিনী বুলি স্তুতি কৰিছে।

বিষ্ণু-পুৰাণতো দেৱীতত্ত্বৰ ক্ষীণ আভাস নথকা নহয়। 'স্কন্দ-পুৰাণ'ত দেৱীতত্ত্বই অপেক্ষাকৃতভাৱে অধিক গুৰুত্ব লাভ কৰিছে। 'ৰুৰু' দৈত্যৰ পুত্ৰ দুৰ্গাসুৰক বধ কৰি দেৱীয়ে দুৰ্গা নাম পোৱা বুলি স্কন্দ-পুৰাণত কোৱা হৈছে।

হৰিবংশৰ 'আৰ্যাস্তৱ'ত দেৱীতত্ত্বৰ স্বৰূপ প্ৰকটিত হৈছে। ইয়াত দেৱীক নাৰায়ণী, ত্ৰিভুৱনেশ্বৰী, সিদ্ধি, ধৃতি, কীৰ্তি, শ্ৰী, বিদ্যা, সন্ধ্যা, ৰাত্ৰি, প্ৰভা, নিদ্ৰা, কালৰাত্ৰি, আৰ্যা, কাত্যায়নী, ব্ৰহ্মচাৰিণী, মহাবলা, উগ্ৰচাৰিণী, জয়া-বিজয়া, পুষ্টি-তুষ্টি, দয়া-ক্ষমা, বিন্ধ্যবাশিনী, ত্ৰিশূলী বুলি কোৱা হৈছে।[২৫]

হৰিবংশত দেৱীক সৰ্বভূতৰ আবাস আৰু পৰমাগতি বুলি কোৱা হৈছে—"আবাসঃ সৰ্বভূতানাং নিষ্ঠা চ পৰমা গতিঃ।"[২৬]

হৰিবংশত স্থানপোৱা দেৱীতত্ত্বৰ এই বৈশিষ্ট্যলৈ লক্ষ্য কৰি ভাৰতীয় বিদ্যাৰ পণ্ডিত মুয়াৰ চাহাবে এইদৰে মন্তব্য প্ৰকাশ কৰিছিল: "The object of this passage seems to be to take Durga and her worship (the extensive prevalence of which could not be ignored by the Vaisnavas) under the protection and patronage of Visnu."

তন্ত্ৰ-শাস্ত্ৰসমূহত দেৱীতত্ত্বই বিশেষভাৱে গুৰুত্ব লাভ কৰিছে। শক্তিবাদ আৰু ইয়াৰ উপাসনা-পদ্ধতিয়েই তন্ত্ৰৰ প্ৰতিপাদ্য বিষয়। তন্ত্ৰৰ প্ৰধান উপাস্য হৈছে মাতৃকাশক্তি। প্ৰকৃতি, বৈদিক স্ত্ৰীদেৱতা সৰস্বতী, মহী, ৰাত্ৰি, পৌৰাণিক দেৱতা উমা, লক্ষ্মী, ৰাধা ; লৌকিক দেৱতা ষষ্ঠী, শীতলা, মনসা আদি সকলোৱেই শক্তিৰ মূৰ্তি। বিভিন্ন তন্ত্ৰত বিভিন্ন মহাশক্তিৰ বিষয়ে উল্লেখ কৰা হৈছে। সিদ্ধ যামলত শত লক্ষ মহাবিদ্যাৰ কথা কোৱা হৈছে:—"শত লক্ষ মহাবিদ্যা তন্ত্ৰাদৌ কথিতা প্ৰিয়ে।"[২৭]

তন্ত্ৰোক্ত অলেখ মহাবিদ্যাৰ ভিতৰত প্ৰধান দশ-মহাবিদ্যা হৈছে :—

( ২৪ পৃষ্ঠাত চাওক )

---

২৩. মাৰ্কণ্ডেয়চণ্ডী, ১০।৫

২৪. An outline of the Religious Literature of India. : J. N. Farquhar

২৫. হৰিবংশ বিষ্ণু পৰ্ব, ৩।১—৫,

২৬. হৰিবংশ বিষ্ণুপৰ্ব, ৩।১০

২৭. সিদ্ধ যামল।

গল্প

# মৰা শৰ হাঁহি

শ্ৰীঘনকান্ত চেতিয়াফুকন।

বলোভদ্ৰ মাষ্টৰে জীয়াই থাকোঁতে হাঁহিবলৈ সুযোগ নাপালে....

এয়া আজি একেবাৰে যাবলৈ ওলালে....
গছৰ পাত ধুমুহাত সৰি পৰাৰ দৰে।
মূৰৰ চিন্তাবোৰো লগতে যাব....
সমাজবাদ....বস্তুৰ চ'ৰা দাম....অভাৱ অনাটন....
জীয়েকৰ হব লগা বিয়া....পুতেকৰ চাকৰি....।
শেষত হাঁহিব খুজিছিল এটি তৃপ্তিৰ হাঁহি....
কিন্তু তেওঁ হাঁহিবলৈ সুযোগ নাপালে
ভাগৰি পৰিল।
জৰ-কাঁহ...গেষ্ট্ৰিক....এনিমিয়া....
বুকুৰ বিষ...প্ৰোটিন....দেফিচিট্....ইনচ'মেনিয়া
তথাপিও পুতেকৰ শেষ চেষ্টা অথলে নগল,
পিতৃৰ মুখত দেখিবলৈ পালে সন্তুষ্টিৰ হাঁহিটো।
কিন্তু সেই হাঁহি ??
বিচাৰিলে কি, পালে কি ?
একুৰা চিতাৰ জুইৰ বাবে পাঁচ মোন শাল খৰি।
কোনোবা বন্ধুৰ পৰা আনিলে ধাৰ কৰি
ডেৰকুৰি টকা। আৰু... মিছা কথাকৈ
বাপেকৰ মৃত্যু-শীতল, মেটেকাফুলীয়া মুখত
উপহাৰ দিলে এটি হাঁহি।....
এয়া—মৰা শৰ হাঁহি।....

০০০ ০০০ ০০০

....সেই হাঁহিটো বাপেকৰ মুখত দেখিম বুলিয়েই বিমলে আজি সচাঁকৈ ওলাই গৈছিল—দেউতাকে কেইবাদিনৰ আগতে লিখা এখন চিঠি লৈ। সেই চিঠি মন্ত্ৰীলৈ লিখি কৈছিল, "বিমল এই চিঠিখন তই নিজে মন্ত্ৰীক দিবি। মোৰ কথা সুধিলে কবি ; কিজানি দয়া কৰি চাকৰি দিয়েই।"

—বিমল আজিৰ যুগৰ ত্ৰিবস্তুৰা গ্ৰেজুৱেট। সি গৰীবৰ ল'ৰা। কত ভাল মানুহৰ ল'ৰাকেই মন্ত্ৰীয়ে চাকৰি দিব পৰা নাই। ভাল মানুহ মানে—ধনী মানুহ, বিমলে বুজে। তথাপিও সান্ত্বনা দিবলৈ দেউতাকক কয় মন্ত্ৰীক লগ নাপালো" বুলি।....নিজৰ অকৰ্মণ্যতাৰ বাবে তাৰ লাজো লাগে।

—বিমলে শেষত সচাঁকৈয়ে মন্ত্ৰীক দেখা কৰিলেগৈ। কিন্তু সি বিচাৰিলে কি, পালে কি ? মন্ত্ৰীয়ে যেতিয়া দেউতাকৰ চিঠিখন ভালদৰে পঢ়িও নাচালে—তেতিয়াই বুজিলে দেউতাকৰ মৃত্যুৰ বাহিৰে আৰু একো বিকল্প নাই। সেয়েহে আহোঁতে তাৰ বন্ধু এজনৰ পৰা দেউতাকৰ আসন্ন মৃত্যুৰ কথা কৈ ডেৰকুৰি ৰূপ ধাৰ কৰি আনিছে। সদাহতে তাৰে পঁাচমোন শাল খৰি পাব। একুৰা চিতাৰ জুই দপ্‌দপ্‌কৈ জ্বলিব—পুৰি চাই কৰিব। এটি প্ৰোটিন দেফিচিট—এনিমিক দেহা আৰু পুৰি

ভস্ম কৰিব পিতৃত্বৰ বহু অপূৰণ আশা-আকাঙ্ক্ষা……

বিমলে ঘৰ পাই চোৰৰ দৰে মনে মনে পিছ দুৱাৰেদি ঘৰত সোমালে। মাক আৰু ভনীয়েকক দেউতাকে দুখুনাকৈ সকলো কথা কলে। তিনিওটাই কান্দিলে। কন্দাৰ বাহিৰে আৰু কি উপায় আছে? দেউতাকৰ অৱস্থা আজি খুব বেয়া। মাকে কলে, "বুইছ সোণ, তই চাকৰি পালোঁ বুলি, মন্ত্ৰীয়ে তোক চাকৰি দিছে বুলি কবি।" মাকো কান্দি কান্দি ওলাই গল। হয়তো চুবুৰীয়াক কিবা এটা খবৰ দিবগৈ।....

বিমলে নিজকে খুব সংযত কৰি ললে।—হত্যাকাৰীৰ নিষ্ঠুৰতাৰে যেন এটা সাংঘাতিক হত্যাকাণ্ডহে কৰিব।—দেউতাকৰ মুখৰ এটি হাঁহি দেখিবৰ বাবে সিখন জগতৰ সকলো অঘটন ঘটাব।—

........ ........ ........

"সোণতৰা, বিমল এতিয়াও অহা নাই….?"

"আহিছে দেউতা….এয়া আহিছে…."

"সোণতৰা,….সি চাকৰি পাব জানিছনে—? মন্ত্ৰীয়ে মোক চিনি পায়….বৰ ভাল মানুহ—"

—সোণতৰাই দেউতাকৰ ওচৰলৈ লৰি গল। দেউতাকে এয়া যে প্ৰলাপ বকিছে….

বিমলে মাত দিলে, "দেউতা, মই পালোঁহি।"

"আজি তই মন্ত্ৰীক লগ পালিনে?"

"পালোঁ দেউতা, আপোনাৰ চিঠি পঢ়ি আপোনাৰ কথা সুধিলে….মোক এই মাহতে চাকৰি দিম বুলিছে…."

"দেখিলি সোণতৰা, দেখিলি বিমল, মাষ্টৰৰ কথা মন্ত্ৰীয়েও নেপেলায়। তেওঁ সচাঁকৈ ভাল মানুহ…। কচোন বিমল আৰু কি হ'ল, কিয়নো তোৰ ইমান পলম হল?"

"তেওঁৰ ঘৰৰ সন্মুখৰ কোঠাটোত থকা টাইপিষ্টনে কি জানো, এটা ডেকা লৰা সি মন্ত্ৰীক লগ পাবলৈকে নিদিয়ে। সুধিলত কলে যে মন্ত্ৰীৰ মিটিং আছে। কি মিটিং ক'ত, তাকো নকয়। পিছতহে গম পালোঁ তেওঁ ভিতৰতেই কথাপাতি আছে।"

"কাৰ লগত কথাপাতি আছিল? বৰ দৰকাৰী কথা হয়তো!"

"হব পাৰে, সেই কেইজনক অৱশ্যে মন্ত্ৰীৰ ইলেকচনৰ সময়ত তেওঁৰ লগত ঘূৰা দেখিছিলোঁ। দেউতা—এতিয়া বেছি কথা নকব মনে মনে থাকিলেই ভাল…."

"নহয় অ' বিমল কুকুৰৰ শত্ৰু কুকুৰ। তোৰ দৰে হয়তো সেই টাইপিষ্টটো নিবনুৱা আছিল; আৰু মন্ত্ৰীৰ অনুগ্ৰহত চাকৰিটো পাই—তোক দেখি তাৰ ভয় হৈছে জানোচা তাৰ চাকৰিটোকে তই লবলৈ গৈছ।"

"হব পাৰে….কিন্তু আমাৰ ভাল ভাল মন্ত্ৰী কেইজনমানক ধ্বংস কৰিব এনেকুৱা কেইটামান অভদ্ৰ চাকৰিয়ালে আৰু কেইটামান ভোটৰ দালালে।" বিমলে খং আৰু ক্ষোভত কলে।

"আগৰ ভাল মানুহে, জানিছ বিমল, লোকক তোষামোদ কৰিব নাজানে। লোকক তোষামোদ কৰিব নজনাৰ বাবেই আজি মোৰ এই অৱস্থা। তই কিন্তু ভালেৰে থাকিবি। আজিকালি

(২২ পৃষ্ঠাৰ পিছৰ পৰা)

"কালীতাৰা মহাবিদ্যা ষোড়শী ভুবনেশ্বৰী।
ভৈৰৱ ছিন্নমস্তা চ বিদ্যা ধূমাৱতী তথা ॥
বগলা সিদ্ধ বিদ্যা চ মাতঙ্গী কমলাত্মিকা।
এতা দশমহাবিদ্যাঃ সিদ্ধবিদ্যাঃ প্ৰকীৰ্তিতাঃ ॥"[২৮]

বৌদ্ধ ধৰ্মৰ মহাযান শাখাই হিন্দুসকলৰ নিচিনাকৈ নানা দেৱ-দেৱীৰ পূজা, তন্ত্ৰাচাৰ আদি স্বীকাৰ কৰি লয়। তাৰ পৰিণতি স্বৰূপে বজ্ৰযান শাখাত অলেখ তন্ত্ৰ ৰচিত হয়। বজ্ৰযান শাখাৰ তন্ত্ৰ সমূহতো হিন্দু-তন্ত্ৰৰ নিচিনাকৈ দেৱ-ভাষা সংস্কৃততে ৰচিত আৰু পূজাৰ মন্ত্ৰ, যন্ত্ৰ (মণ্ডল), জপ আৰু হোমাদিৰো বিদ্যমানতা লক্ষ্য কৰা যায়। বজ্ৰযান শাখাৰ শক্তিবাদে পৰৱৰ্তী ভাৰতীয় ধৰ্ম-সংস্কৃতিত আৰু সাহিত্যত গভীৰ ভাবে প্ৰভাৱ বিস্তাৰ কৰিছিল।

২৮. চামুণ্ডা তন্ত্ৰ।



এইটো তোষামোদৰ যুগ।" ইতিমধ্যে বিমলে দেখিলে দেউতাকৰ মুখত এটি প্ৰশান্তিৰ ভাব—এটি যেন সন্তুষ্টিৰ হাঁহি পুতেকে চাকৰি এটা পাইছে; সমগ্ৰ জীৱনত সি কৰিব তেওঁ নোৱাৰিলে পুতেকে এতিয়া কৰিব পাৰিব। গুৱাহাটীৰ দৰে মহানগৰী এখনত এচমকা মাটিত এটা ঘৰ কৰিব নোৱাৰি চহৰৰ পৰা দূৰত অকণমান চৰকাৰী মাটিত এয়া বাহঁ-খেৰৰ ঘৰ। এই মাটিৰ পট্টা আজিও নহ'ল। তথাপিও বিমলে বি, এ, পাছ কৰিলে। সি এতিয়া থাব পাৰিব। হয়তো বলোভদ্ৰ মাষ্টৰে এইবোৰকে ভাবিলে।….

"বিমল চাওঁ ওচৰলৈ আহ, মই আজি মনত সুখ পাইছো; কিন্তু গাটো খুব ছাতিফুটি লাগিছে। সোণতৰাক মনেশ্বৰ ড্ৰাইভাৰলৈকে বিয়া দিব লাগিব। লৰাটো ভাল। কোম্পানীৰ চাকৰি কৰে, বাহিৰা পইচাও পায়।"

"দেউতা, বাহিৰা পইচা—?"

"হয় বিমল, বাহিৰা পইচা পোৱা চাকৰিয়ালবোৰেহে জীয়াই থাকিব পাৰিব, ইবোৰ চব মৰিব। মন্ত্ৰীয়ে তোক চাকৰি দিব যেতিয়া তোকো তেনেকুৱা চাকৰিকেই দিব নিশ্চয়। নহলেযে তই ঘৰখন চলাব নোৱাৰিবি।"

"দেউতা, আপুনি অলপ শান্তিৰে শুই থাকক।"

"নহয় বিমল, মই মাষ্টৰ, বাহিৰা পইচা নাই, ঘৰ-দুৱাৰ মাটিৰ এই অৱস্থা। টকা দিব নোৱাৰিলো কাৰণেই মাটিৰ পট্টা নহল। পিছত বহুতে পালে, মাটি থকায়ো পালে। এইখন সমাজ আজি তেওঁলোকৰহে। আমি অমানুহ বুইছ বিমল।—"

বিমলৰ মনত পৰিল চিঠিখনৰ কথাটো। দেউতাকৰ চিঠিখন মন্ত্ৰীয়ে জানো পঢ়িলে? কিন্তু বহুত মন্ত্ৰীয়ে দেখোন দুৰ্নীতিপৰায়ণ ঠিকাদাৰ, ব্যৱসায়ী, দালাল এইবোৰৰ লগ-তেই সৰহ সময় কথা বতৰা পাতে। এজন মন্ত্ৰীয়ে তেওঁৰ মন্ত্ৰিত্বৰ গোটেই কালছোৱাতে সাহিত্যিক, কবি, মাষ্টৰ, অধ্যাপক এইবোৰৰ লগত কেইঘণ্টা কথা পাতে বাৰু? তেওঁলোক ঘৰলৈ গলে আগতীয়াকৈ তেওঁলোকক মাতি কথাবতৰা পাতি বিদায় দিয়েনে? নিজৰ সমষ্টিৰ ভোটৰ দালাল বা ব্যৱসায়ীৰ লগত বা দুৰ্নীতি-পৰায়ণ কৰ্মচাৰীৰ লগত কিমান সময় কটায়?

—বিমলে দেউতাকৰ মূৰত হাত দিলে…ইমান চেঁচা। ভৰি দুটাও বৰ চেঁচা। সি মাতিলে "সোণতৰা, মিঠাতেল অলপ তপতাই আন আৰু এবাটি তপত চাহপানী।" সি বাপেকৰ হাত-ভৰি পিটিকি দিবলৈ ধৰিলে।…. বাপেকৰ যে বক্তব্য শেষ হৈছে।….

ইতিমধ্যে শৰ্মা পণ্ডিত আহি ওলাল। মাকে খবৰ দিয়া আৰু দুই এজন চুবুৰীয়াৰ মানুহ আহিল।


বেলা ভাটী দিছে। শাওণমহীয়া বতৰৰ দীপ্তসূৰ্য ভাগৰি পৰাৰ সময় এয়া। পশ্চিম আকাশত বেলি পৰাৰ আগজাননী। বিমলে দেউতাকৰ ভৰিত তপত তেল অলপ ঘঁহি দিলে। কিন্তু এই চেঁচা যে অস্বাভাৱিক….সি কান্দি কান্দি ডাক্তৰৰ ওচৰলৈ ল'ৰ দিলে। ডাক্তৰ চৌধুৰীয়ে কলে, "বুইছা বিমল, চাবি-নোহোৱা ঘড়ীৰ দৰে হ'ল—এনেয়ে চলি আছে; দেউতাৰাৰ হাৰ্ট বৰ দুৰ্বল। তাতে এনিমিয়া আৰু বহুতো কম্প্লেকেচি… তথাপিও ডাক্তৰক বিমলে এক ৰকম জোৰ কৰিয়েই লৈ আহিল। সি নিলগৰ পৰা শুনিলে শৰ্মা পণ্ডিতে সুৰলগাই সিহঁতৰ ঘৰত কীৰ্তন পঢ়িছে। এয়া শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ:

উদ্ধৱক সম্বোধি মাতন্ত কৃষ্ণে পাছে।
কৰ্মবন্ধ এৰাইবে প্ৰবন্ধ যাৰ আছে ॥
বৈষ্ণৱৰ সঙ্গ সিটো লৈব প্ৰথমত।
মোহোৰ চৰিত্ৰ শুনিবেক ভকতত ॥
মোৰ নাম কীৰ্তন কৰিব সৰ্বজনে।
হৃদয়ত মোৰ ৰূপ চিন্তিব যতনে ॥

.... ... ....

ডাক্তৰ আহি ৰোগীৰ ওচৰলৈ গ'ল। বুকু আৰু হাতৰ স্পন্দন পৰীক্ষা কৰি মূৰ জোকাৰি দিলে।

(২৭ পৃষ্ঠাত চাওক)




# ॥ তামিল সাহিত্য ঃ তিৰুকুৰল ॥

শ্ৰীকমলচন্দ্ৰ বায়ন

দ্ৰাবিড়সকলৰ প্ৰাচীনতম ভাষা তামিল। সংস্কৃত সৰ্বসাধাৰণৰ কথিত ভাষা হব নোৱাৰিলে ; কিন্তু কিছু পৰিবৰ্তিত ৰূপত তামিল ভাষা আজিও হাজাৰ বছৰ আগৰদৰে জনসাধাৰণৰ মাজত প্ৰচলিত হৈ আছে। আধুনিক তামিল সাহিত্যৰ ভঁৰাল যিমানেই টনকিয়াল নহ'ক কিয় প্ৰায় দুহাজাৰ বছৰ আগতেও এই ভাষাত শ্ৰেষ্ঠ সাহিত্য ৰচিত হৈছিল। তামিলভাষী লোকে তেওঁলোকৰ এই নিজ ভাষা-সাহিত্যক লৈ বৰ গৰ্ব অনুভৱ কৰে আৰু সংস্কৃতিৰ প্ৰতি গভীৰ আনুগত্য দেখুৱায়। আৰ্যসকলে সংস্কৃত ভাষাক দেৱভাষা বোলে ; তামিলসকলেও তামিল ভাষাক দেৱবাণী বুলি শ্ৰদ্ধা কৰে।

মহৰ্ষি অগস্ত্যাই ৰচনা কৰা 'অগস্তিয়ম' তামিল ভাষাৰ প্ৰাচীনতম উপলব্ধি—শাস্ত্ৰীয় গ্ৰন্থ বুলি কোৱা হয়। তামিল ভাষাৰ আন এখন পুৰণি পুথি 'তোল্কাপ্পিয়ম' মূলতঃ ব্যাকৰণ, যাৰ ৰচয়িতা অগস্ত্য মুনিৰ শিষ্য তোল্কাপ্পিয়ৰ। ইয়াত তামিল ৰাজ্যৰ ভৌগোলিক স্থিতি আৰু ভাষাৰ ব্যাকৰণিক নিয়মৰ প্ৰামাণিক ব্যাখ্যা দিয়া হৈছে। এই কালৰ ৰচনাবোৰৰ কিছুমান দুষ্প্ৰাপ্য। কিন্তু তাৰ পিছৰ কালৰ সকলোবোৰ ৰচনা পোৱা যায়। সেইবোৰ অধ্যয়ন কৰিলে সেই কালৰ সমাজ-ব্যৱস্থা আৰু সংস্কৃতিৰ স্বৰূপ উদ্‌ঘাটিত হয়।

তামিল ভাষাৰ অপ্ৰতিম নীতি গ্ৰন্থ 'তিৰুকুৰল'। ইয়াৰ ৰচয়িতা সন্ত তিৰুৱল্লুৱৰ। দেশ-বিদেশতো এই খন গ্ৰন্থৰ সমাদৰ বাঢ়িছে। বিখ্যাত ফৰাচী পণ্ডিত এৰিয়লে এইখন গ্ৰন্থক উচ্চমান-সম্পন্ন বিশুদ্ধতম অভিব্যক্তি বুলি কৈছে। তামিলভাষীসকলে এইখন বৰেণ্য গ্ৰন্থক নিজৰ ভাষাৰ বেদ বুলিও গণ্য কৰে।

তিৰুকুৰল তিৰু আৰু কুৰলৰ সংযোজিত ৰূপ। তিৰু অৰ্থাৎ শ্ৰীসম্পন্ন, দৈৱীয়, পৱিত্ৰ আৰু কুৰল অৰ্থাৎ কুৰলছন্দ। অতি আদৰৰ হোৱা বাবে কুৰলৰ আগত তিৰুশব্দ সেই ধৰণে সংযুক্ত কৰা হৈছে যি ধৰণে ভগবদ্‌গীতাৰ আগত শ্ৰীমৎ লিখা হয়। এখন গ্ৰন্থত লিখকে সৰু সৰু কুৰল ছন্দত ধৰ্ম, অৰ্থ আৰু কামৰ সৰ্বাঙ্গীন ব্যাখ্যা কৰিছে। এই সম্পৰ্কে আন আন ভাষাতো পুথি ৰচনা কৰা হৈছে ; কিন্তু তিৰুকুৰল এখন সম্পূৰ্ণ স্বকীয়া গ্ৰন্থ। ইয়াত আধ্যাত্মিক সকলো ধৰণৰ কথা জীৱন্ত ৰূপত সন্নিৱিষ্ট কৰা হৈছে। অৱশ্যে ইয়াত মোক্ষৰ বিষয়ে বেলেগে ব্যাখ্যা দিয়া হোৱা নাই ; কাৰণ জীৱন কালত যেতিয়া সকলো বিলাক কাম সততাৰে পালন কৰা হয় তেতিয়া মোক্ষৰ দুৱাৰ অনায়াসে মুকলি হয়।

তামিল ভাষাত ধৰ্মৰ বাবে 'অৰম্', অৰ্থৰ বাবে 'পোৰল' আৰু কামৰ বাবে 'ইন্বম' শব্দ ব্যৱহাৰ কৰা হয়। এই তিনিবৰ্গৰ উল্লেখ তামিল ভাষাৰ প্ৰাচীন গ্ৰন্থসমূহত হৈছে।

ধৰ্ম, অৰ্থ আৰু কামৰ স্বৰূপকেই তিৰুকুৰলত বিবেচনা কৰা হৈছে। তিৰুকুৰল তিনিখণ্ডত বিভক্ত। অৰুটুপাল, পোৰুট্‌পাল আৰু কামটুপাল। 'পাল' এই শব্দৰ অৰ্থ হ'ল—অধিকাৰ, অধ্যায়, বৰ্গ নতুবা খণ্ড। ইয়াৰ আধাৰতেই তিৰুকুৰলৰ আন এটি নাম মুপ্‌পাল।

ইয়াৰ প্ৰথম খণ্ডত আঠত্ৰিশ, দ্বিতীয় খণ্ডত সত্তৰ আৰু তৃতীয় খণ্ডত পঁচিশটা অধ্যায় আছে। প্ৰতিটো অধ্যায়তে বিষয়াবদ্ধ দহোটাকৈ কুৰল আছে। এই ধৰণে এইখন মহৎ গ্ৰন্থত এহেজাৰ তিনিশ ত্ৰিছটা কুৰল আছে। কুৰল তামিল ভাষাৰ বিশিষ্ট ছন্দ, যাৰ দুটা চৰণত ক্ৰমে চাৰিটা আৰু তিনিটাকৈ পদ আছে। দৃষ্টান্তৰূপে তিৰুকুৰলৰপৰা দুটা কুৰল উদ্ধৃত কৰা হ'ল। :—

"অগনমন্দু ইদলিন্ নন্ত্ৰে, মুগনমন্দু
ইনচোলন আগপ্ পেৰিন্"

( প্ৰসন্ন মনেৰে কাৰোবাক উপহাৰ দিয়াটো ভাল ; কিন্তু হাঁহিমুখে মিঠাবচন কোৱা তাতোকৈ ভাল। )

"নিলত্তিল্ কিড়ন্দমে, কালকাট্টুম, কাট্টুম
কুলত্তিল পিৰন্দাৰৱায়চ্ চোল্ !"

( যি ধৰণে কোনো এটা গছপুলি দেখিলে মাটিৰ প্ৰকৃতি বুজা যায়, সেই ধৰণে কোনো লোকৰ জন্ম পৰম্পৰাৰ বিষয়ে তেওঁৰ কথা-বতৰাৰ পৰা জনা যায়। )

তিৰুকুৰল কালবিজয়ী মহাগ্ৰন্থ। তামিল ভাষাৰ এইখন শ্ৰেষ্ঠ গ্ৰন্থ। এইখন লেটিন, জাৰ্মান, ফ্ৰেঞ্চ, ইংৰাজী আদি বহুতো বিদেশী ভাষালৈ অনূদিত হৈছে। 'সুনীতিকুসুমমালা' নামেৰে কুৰলৰ অনুবাদ সংস্কৃত ভাষাতো প্ৰায় এশ বছৰ আগতেই হৈছে। হিন্দী ভাষালৈ এইখন গ্ৰন্থৰ অনুবাদ ১৯২৮ চনতেই কৰা হয় যদিও ডাঃ শংকৰ ৰাজু আৰু শ্ৰীবেঙ্কট কৃষ্ণনে দোহা ছন্দত কৰা হিন্দী ৰূপান্তৰ সুখপাঠ্য। হিন্দীভাষাৰ উপৰিও বঙলা, মাৰাঠী, তেলেগু আদি ভাষাতো অনুবাদৰ কাম হাতত লোৱা বুলি জানিব পৰা গৈছে। অসমীয়া ভাষাতো ইয়াক আমি পাবলৈ আশা কৰোঁ।

তিৰুকুৰল খৃষ্টীয় দ্বিতীয় শতাব্দী আৰু বহুতে

( ২৯ পৃষ্ঠাত চাওক )

---

( ২৫ পৃষ্ঠাৰ পিছৰ পৰা )

সকলো শেষ। তেওঁ এয়া বৰ শান্তিৰে শুইছে।

শৰ্মা পণ্ডিতে কলে "মুখৰ ফালে চাওকচোন যেন এটি সন্তুষ্টিৰ হাঁহি···শ্ৰীকৃষ্ণৰ এয়া বৈকুণ্ঠ প্ৰয়াণ"।

বাহিৰলৈ নিবৰ কাৰণে ইজনে সিজনক ইঙ্গিত দিলে।

—সোণতৰা, বিমল আৰু মাকে কান্দোনৰ বাউচি জুৰিলে।

বিচনাৰে সৈতে মাষ্টৰৰ শটো ইতিমধ্যে চোতাললৈ উলিয়ালে। বলোভদ্ৰ মাষ্টৰৰ মৰা শটো এতিয়া চোতালত। অন্তিম যাত্ৰাৰ কাৰণে সাজু হ'ল।

কোনোবাই দুডাল কেঁচা বাঁহ আনিলে। বিমলে দেউতাকৰ মৰাশটোৰ ভৰিত মূৰটো থৈ মনে মনে কলে, "দেউতা, শুনক মই চাকৰি পোৱা নাই দেউতা ; মন্ত্ৰীয়ে আপোনাৰ চিঠিখন সম্পূৰ্ণ কৈ নপঢ়িলে···তেওঁৰ যে বহুতো কাম। মোক ক্ষমা কৰক।" বিমলে হেঁপাহ পলুৱাই কান্দি ললে। চাঙি সজা হ'ল।

—আকাশত সোৱা চতুৰ্দশীৰ জোন।

বলোভদ্ৰ মাষ্টৰৰ মুখৰ হাঁহিটো জোনাকে আৰু উজ্জ্বলাই দিলে।

—এতিয়া কিনিবৰগৈ বিমলে পাঁচ মোণ শালখৰি। জকুৰা চিতাৰ জুই জলিব লাগিব।

—জলি জলি ছাই কৰিব লাগিব বহুতো স্মৃতি···অপূৰণ বহুতো আশা···



[ চিঠিৰ মতামতৰ বাবে সম্পাদক দায়ী নহয়। ]

## 'এক পৰিতাপৰ বিষয়'

সম্পাদক ডাঙৰীয়া,

প্ৰতিষ্ঠ সুসাহিত্যিক শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকাদেৱ আৰু প্ৰবীণ চিন্তাশীল লিখক শ্ৰীমোহনচন্দ্ৰ মহন্ত দুয়োলৈকে মোৰ প্ৰণাম জনালো। মোৰ ক'ব লগীয়াখিনি :

হাজৰিকাদেৱে 'অসমীয়া জাতিৰ জাতীয় 'চৈতন্যৰ অভাৱ' বুলি কোৱাত মহন্তদেৱৰ গাত লাগিল। লাগিবই, কাৰণ মহন্তদেৱ অসমীয়া। কিন্তু হাজৰিকাদেৱে অসমীয়া আলোচনীৰ প্ৰতি অনাদৰ-অৱহেলাৰ ভাৱটো বেছি সংখ্যক অসমীয়ালোকৰ হোৱা বাবেই তেওঁলোকক লৈয়েই অৰ্থাৎ বেছি সংখ্যকক লৈয়েই জাতীয় চৈতন্যৰ অভাৱৰ কথা কব লগীয়া হ'ল। ইয়াত মহন্তদেৱৰ দৰে কিছু সংখ্যক অসমীয়া লোক বাদ পৰিবই। যিহেতুকে অসমীয়া আলোচনীৰ আলোচনাৰ ক্ষেত্ৰতহে জাতীয় চৈতন্যৰ কথা আহিল, গতিকে সেই জাতীয় চৈতন্যৰ অভাৱৰ কথাষাৰৰ পৰিসৰো নিশ্চয় ঠেক বুলি জানিব লাগিব। হাজৰিকাদেৱে সকলো ক্ষেত্ৰতে অসমীয়াৰ জাতীয় চৈতন্যৰ অভাৱৰ কথা নিশ্চয় কোৱা নাই। তেখেতৰ কথাটো অপ্ৰিয় হলেও উলাই কৰিব নোৱাৰা। মহন্তদেৱে তাকেই অলপ দকৈ ভাবি লৈ আপ্‌চোচ্‌ কৰিছে। কথা হ'ল—সঁচা ধনী মানুহ যদি হয়েই তেন্তে দুখীয়া বুলি কোৱাত গাত লাগিব লগীয়া হ'ল কিয়?

হাজৰিকাদেৱে উদ্ধৃতি দিয়া 'দীপকৰ অন্তিমবাণী' মহন্তদেৱে ভবাৰ দৰে জাতীয় চেতনা সঞ্জীৱিত কৰি তোলাৰ প্ৰচেষ্টা নহয়। সেয়া হ'ল—'দীপক'ৰ ব্যক্তিগত জীৱনৰ সংগৃহীত তিক্ত অভিজ্ঞতাৰ অভিব্যক্তি আৰু অসমীয়া জাতিৰ পৰা 'দীপকে নিবিচৰা অথচ বিনিময়ত লাভ কৰা—পোৱা নোপোৱাৰ খতিয়ান। এখন 'দীপক'ৰ এটা অন্তিমবাণীত অসমীয়াৰ দৰে এটা জাতিৰ জাতীয় চেতনা সঞ্জীৱিত হোৱাৰ কথা যদি ভাবিছে তেন্তে ভুল কৰিছে। কাৰণ, আমাৰ ছাল গঁড়ৰ ছালৰ দৰে ডাঠ। এবাৰ বোলে এটা গড়ক কুট্‌কুটাই দিয়াত তিনিদিনৰ পাছতহে হাঁহিছিল।

মহন্তদেৱৰ মতে ভোকৰ ভাত পিয়াহৰ পানী নাপাই মানৱৰ যি দুৰ্দশা হয় চিন্তাশীল লোকৰ বোলে আলোচনীত মানসিক খাদ্য বিচাৰি নাপাই সেই একে দুৰ্দশাই হয়। কিন্তু ভোকৰ ভাত মুঠি দুপৰীয়াৰ সাজত নাপালে বুলিয়েই যে ৰাতি পোৱা সাজো খাব নালাগিব তাৰ মানে নাই। এসময়ৰ 'ৰামধেনু' "মণিদীপ', 'অসমীয়া'ই আৰু আজিৰ এই 'পত্ৰিকা'ই কোনোবা চিন্তাশীল-লোকৰ মানসিক খাদ্যৰ অভাৱ পূৰণ যদি কৰিব পৰা নাই তেন্তে মোৰো একো কব লগীয়া নাই। "যিবিলাক দোষ-ত্ৰুটিৰ বাবে আমাৰ কাকত-পত্ৰবোৰ অল্পায়ু হয় তাৰ ভিতৰত সৰহ ভাগেই জন্ম লয় কাকতৰ নিজ কাৰ্যালয়ৰ মজিয়াতেই" তথাপি "কাকত-পত্ৰবোৰৰ গৰাকীসকলে আনৰ গাত বাবে পাচি দোষ জাপি দি নিজে অজগৰীয়া বা নিৰ্দোষী



বোলাই গা সাৰিবলৈ বিচাৰে" বুলি কৈ মহন্তদেৱে অসমীয়া জাতিৰ জাতীয় চৈতন্য থকা বুলি ওকালতি কৰিছে। তেখেতে কব খুজিছে আলোচনীৰ মৃত্যুৰ কাৰণ গৰাকীহে, পাঠক সমাজৰ সংখ্যা কম হোৱা বাবে নহয়।

মই ভাবোঁ যে অসমীয়া আলোচনীবোৰ মৰাৰ অন্যতম প্ৰধান কাৰণ হ'ল অসমীয়া লোকে আলোচনী নিকিনে বা কিনি নপঢ়ে। অৱশ্যে মই এইটোও কওঁ যে যিমানেই বেহাই নিদিয়ক কিয় ২।৩ বছৰলৈ আগধন দি অসমীয়া আলোচনীৰ বছৰেকীয়া গ্ৰাহক হোৱাৰ সংসাহসকণ মোৰ নাই। কাৰণ মই জনাত আলোচনী কেতিয়া মৰে ঠিক নাই। মই আৰু ভাবো—মৰে কিয়?

১) প্ৰকাশ হোৱা আলোচনী এখনৰ যি কেইটা কপি বিক্ৰী হয় তাৰে আলোচনীখন চলিব নোৱাৰে। কাৰণ খুব কম সংখ্যক লোকেহে কিনে। আমি জনাত দেখাত আৰু শুনাত 'বোম্বেৰ সংস্কৃতি' নথকা অসমীয়া আলোচনীৰ বিক্ৰী কম। এই কথষাৰ এই কাৰণেই কৈছো যে কেতিয়াও অসমীয়া আলোচনী নিকিনা কেতবোৰ লোকে মই দেখাত নিয়মীয়াকৈ Filmfare আৰু Femina কিনে। ই এক পাশ্চাত্য সংস্কৃতিৰ নামত চলি অহা ঢং। এই সংস্কৃতিৰ মতে অসমীয়া আলোচনীবোৰত 'একো' পোৱা নাযায়। গতিকে মজিয়াৰ কাৰ্পেটৰ লগত খাপ নাখায়।

২) অসমীয়া আলোচনীত 'প্ৰতিষ্ঠিত লিখকৰ প্ৰতিপত্তি বেছি' হোৱা বাবেই আলোচনীয়ে 'এক ৰক্ষণশীল চিন্তাধাৰাক' আঁকোৰগজালি খামোচ মাৰি ধৰি থাকে

---

( ২৭ পৃষ্ঠাৰ পিছৰ পৰা )

পঞ্চম শতাব্দীৰ ৰচনা বুলি অভিমত প্ৰকাশ কৰে। ঐতিহাসিক আৰু অন্য অনুসন্ধানৰ আধাৰত প্ৰথম আৰু দ্বিতীয় শতাব্দীৰ মাজভাগতেই এইখন গ্ৰন্থ ৰচনা হোৱা বুলি বহুমত প্ৰকাশ পাইছে।

তিৰুকুৰল ধৰ্মগ্ৰন্থ নহলেও প্ৰমুখ ধৰ্মাৱলম্বীসকলৰ পৰা উচ্চ প্ৰশংসা পাইছে। ইয়াত সামান্যভাৱে ধৰ্মৰ সাৰগৰ্ভিত ব্যাখ্যা এনেধৰণে কৰা হৈছে ; সকলো ধৰ্মানুযায়ীয়ে সহজভাৱে সেইবোৰৰ পৰা আধ্যাত্মিক প্ৰেৰণা লাভ কৰিব পাৰে।

অহিংসা, সত্য, অস্তেয়, অপৰিগ্ৰহ আৰু ব্ৰহ্মচৰ্য এই পাঁচতত্ত্ব যি কোনো ধৰ্মৰেই পঞ্চশীল। কুৰলে ইয়াৰ প্ৰতিষ্ঠাৰ বাবে মানৱক আমন্ত্ৰণ জনাইছে।

পৃথিৱীৰ সকলো ধৰ্মই মানৱ মাত্ৰকেই এক বুলি ভাবে। কিন্তু প্ৰৱঞ্চনা এইটোৱেই যে এই মানুহেই ধৰ্মিক সম্প্ৰদায়ৰ সংকুচিত পৰিধিত ভাগ-বাতোৱাৰা কৰিআছে। তিৰুকুৰলৰ নিজা কোনো ধৰ্ম, সম্প্ৰদায় নতুবা মতবাদ নাই। সকলোকে উদাৰ দৃষ্টিৰে আৰু বিস্তৃত পথেৰে আগুৱাই নিয়াটোৱে হৈছে এই গ্ৰন্থৰ উদ্দেশ্য।

গ্ৰন্থখন পঢ়িলে ৰচয়িতা গৰাকীক আমি বিবিধৰূপত পাওঁ। কেতিয়াবা ভক্তৰ ৰূপত, কেতিয়াবা দাৰ্শনিক আৰু ৰাজনীতিজ্ঞ ৰূপত, কেতিয়াবা প্ৰেমময় মূৰ্তিত আৰু কেতিয়াবা কবি-শিল্পীৰ ৰূপত। বিশেষকৈ তেওঁৰ স্বৰূপ তৃতীয় প্ৰেমখণ্ড, কামাট্টুপালত প্ৰস্ফুটিত হৈছে।

তিৰুকুৰল তামিল ভাষাৰ অপ্ৰতিম সম্পাদন। যিদৰে আমি কীৰ্তন-নামঘোষাক লৈ গৌৰৱ বোধ কৰোঁ, সেই দৰে তামিলভাষীয়ে তিৰুকুৰলক লৈ গৌৰৱ অনুভৱ কৰে। তিৰুকুৰল পঢ়িলে এনে অনুভৱ হয় যে কেতিয়াবা দ্ৰাবিড় সভ্যতা উত্তৰভাৰততো বিয়পি পৰিছিল। কিন্তু কালান্তৰত আৰু ঐতিহাসিক ঘটনা-চক্ৰত তেওঁলোক দাক্ষিণাত্যৰ বিন্ধ্যাচলত বসবাস কৰিব লগীয়া হয়। দেশ-বিদেশৰ লিপিবিশেষজ্ঞসকলৰ পৰা এইটো জনা যায় যে তামিল ভাষা আৰু লিপি সেইকালৰ সিন্ধুউপত্যকাৰ ভাষা-গোষ্ঠিৰ পৰাই ওলাইছে। ইয়াৰে এইটোও অনুমান কৰা হয় ; সেইকালত সিন্ধুঘাটীত হয়তো দ্ৰাবিড় জাতিসমূহ বাস কৰিছিল নতুবা সুসংস্কৃত আৰ্যসমাজ প্ৰতিষ্ঠাপিত হৈছিল।

এনেবোৰ বহুমূলীয়া গ্ৰন্থ অসমীয়ালৈ অনুবাদ হলে আমাৰ বাবেও বিশাল দ্ৰাবিড় সংস্কৃতি অধ্যয়নৰ পথ মুকলি হ'ব।

আৰু 'উদীয়মান লেখকক' আদৰ নকৰে। ইয়াকে হয়তো মহন্ত-দেৱে অসমীয়া আলোচনীৰ 'মইমতীয়া প্ৰকৃতি' বুলি কৈছে। ই অৱশ্যে বৰ্জনীয়।

৩) এইটো কথা সঁচা যে অসমীয়া আলোচনীয়ে পাঠকৰ ৰুচিৰ প্ৰতি মন-কাণ নিদিয়ে। যদি দিয়ে তেন্তে মুষ্টিমেয় এক শ্ৰেণীৰ পাঠকৰ ওপৰতহে দিয়ে। কাৰণ ইমান তত্ত্বগধুৰ প্ৰবন্ধ-সম্ভাৰেৰে সমৃদ্ধ এই পত্ৰিকাখনো কিছু বিশেষ চিন্তাশীল অধ্যয়নৰত লোকৰ বাবেহে। সকলো পাঠকে বিচৰা সকলো বস্তু থাকিব লাগে। সেই বুলি মই শৃঙ্গাৰ ৰসাত্মক গল্প-প্ৰিয় পাঠক সমাজৰ কথা কোৱা নাই।

৪) মহন্ত দেৱে কৈছে—"আলোচনী বা অন্য সংবাদ-পত্ৰৰ পৰিচালকসকলে সম্পাদক নিযুক্তি কৰিবৰ সময়ত সাংবাদিক যোগ্যতালৈ নেচাই সৰ্বসাধাৰণ সাহিত্যিক বৈশিষ্টালৈ চায়েই সম্পাদকক নিৰ্বাচিত বা মনোনীত কৰে। ফলত কাকতৰ অকাল মৃত্যু হয়।" তেখেতে এই কথাষাৰ কোনখন কাকত বা আলোচনীৰ প্ৰতি লক্ষ্য ৰাখি কৈছে নাজানো। সাংবাদিক গুণ নথকা সম্পাদকৰ বাবেই আলোচনী মৰে নে নমৰে নাজানো; কিন্তু পৰিচালক বা প্ৰকাশকৰ লগত সম্পাদকৰ থাকিব লগীয়া সম্প্ৰীতিৰ অভাৱৰ বাবে যে আলোচনী মৰে জানো। কাৰণ—যিটো কথা সাংবাদিকতাৰ গুণৰ ফালৰ পৰা এজন সম্পাদকৰ বাবে অপৰিহাৰ্য সেইটো কথা একেজন ধনী পৰিচালক বা প্ৰকাশকৰ অপ্ৰিয় হবও পাৰে—সাধাৰণতে হয়েই। তেনে পৰিস্থিতিত সম্পাদকজনৰ এটা হুপ লগা অৱস্থা হয়। কাৰণ উল্লেখ নিষ্প্ৰয়োজন। তেনে ক্ষেত্ৰত গৰাকীৰ ইচ্ছাই বাহাল থাকে। ফলত বেচেৰা সম্পাদকজনৰ সম্পাদকীয় ব্যক্তিত্ব কোঁচ খাই আহে,—অনুভূতিয়ে আঘাত পায়, সম্পাদকীয় স্বাধীনতা ক্ষুণ্ণ হয়, ইত্যাদি। তাৰ পাছত গৰাকী আৰু সম্পাদকৰ মাজত থকা সম্প্ৰীতিৰ সৌধৰ ভেটিবো ফাট-মেলে—আলোচনীৰ অকাল মৃত্যু হয়। সেই মৃত্যুত গৰাকীজনৰ একো নাহেও নাযায়ও। কিন্তু সম্পাদক একে-জনৰ মনোবল হ্ৰাস পাই আহে— জাতিৰ একোটা অপূৰণীয় ক্ষতি হয়।

৫) অসমীয়া আলোচনী কম বিক্ৰী হৈ অকাল মৃত্যুৰ কৰাল গ্ৰাসত পৰাৰ অন্যতম প্ৰধান কাৰণ হ'ল অন্যান্য আলোচনীৰ দৰে থাকিব লগীয়া ব্যৱসায়িক গুণ আমাৰ আলোচনীৰ কৰ্ম-কৰ্তাসকলৰ নাই। ভাল বস্তু দিছো যেতিয়া লোকে লাগিলে বিচাৰি কিনি পঢ়িব বুলি ভাবিলে নহব। নহলে সকলো স্কুল, কলেজ আৰু পুথি-ভঁৰালত একোটাকৈ কপি বিক্ৰী কৰিব নোৱাৰাৰ কাৰণ মই দেখা নাপাওঁ। Readers Digest আদিৰ দৰে গ্ৰাহকৰ সংখ্যা বঢ়োৱাৰ কৌশল গ্ৰহণ নকৰে কিয়? এই পত্ৰিকাৰ এটা Standard আছে কোনেও না নকৰিব যেন পাওঁ। এটা ব্যক্তিগত অনুৰোধ :

অসমীয়া সাহিত্য সভা পত্ৰিকাৰ এনে নিয়মীয়া এখনৰ-দীৰ্ঘায়ু সদায় কামনা কৰিমেই। আলোচনীখন হাতত তুলি লৈ পাত লুটিয়াই চাই ভাল বস্তুৰেই দেখিবলৈ পাইছো। কথা হ'ল—পাত লুটিয়াই ভাল বস্তু পোৱাৰ আগতে হাতত আলোচনীখন তুলি লব লাগিব। হাতত তুলি লোৱাৰ আগতে তুলি লবলৈ মন যাব লাগিব। দেখিলেই হাতত তুলি নোলোৱাকৈ থাকিব নোৱাৰাকৈ প্ৰত্যেকজনৰ মন যাব লাগিলে আলোচনীখনৰ বেটু-পাতটো অলপ আটকধুনীয়া হব লাগিব। সংস্কৃতি আলোচনীৰ পাতত জীয়াই ৰাখক......কামত লাগিব। বেটুপাতটো ৰেলেগ ধৰণেৰে ধুনীয়া কৰকচোন। সেই বুলি মই বেটুপাতত কিবা এটা dressed nacked বিচৰা বুলি নাভাৱিব।

আলোচনীখনলৈ এটা মৰম উপজিছে—দীৰ্ঘায়ু কামনা কৰিহে কৈছো—বেয়া নাপাব। জানো মৃত্যু অনিবাৰ্য, কিন্তু অকাল মৃত্যু অবাঞ্ছনীয়। ধন্যবাদ।

বিনীত—

**শ্ৰীপবন চন্দ্ৰ শৰ্মা।**

টেঙাবাৰী : মঙ্গলদৈ

# সংস্কৃত নাটকত অতিলৌকিকতা আৰু অদ্ভুত ৰস

**ড' মুকুন্দমাধৱ শৰ্মা**

## অলৌকিকতাৰ গণ্ডী

নাটকৰ যি ঘটনা সাধাৰণ কাৰ্যকাৰণ সম্বন্ধৰদ্বাৰা ব্যাখ্যা কৰিব নোৱাৰি অথবা যি ঘটনা প্ৰাকৃতিক শক্তিসমূহৰ বাহিৰৰ কোনো শক্তিৰ প্ৰভাৱত ঘটি উঠে তাতে আমি অতিলৌকিকতাৰ অস্তিত্ব দেখা পাওঁ। আপাত দৃষ্টিত সংস্কৃত নাটকসমূহ অতিলৌকিকতাৰে ভৰা, কিয়নো তাত বহুপৰিমাণে দেৱতা আৰু প্ৰায় দেৱতাৰে নিচিনা যক্ষ, ৰক্ষ, গন্ধৰ্ব, কিন্নৰ, মহাপ্ৰভাৱ-শালী ঋষিমুনি আদিক নাটকীয় চৰিত্ৰ-ৰূপে উপস্থাপিত কৰা হয় আৰু বহুল পৰিমাণে ইন্দ্ৰজাল অথবা ইন্দ্ৰ-জালৰদৰে অস্বাভাৱিক ঘটনাসমূহৰ অৱতাৰণা কৰা হয়। কিন্তু এই সকলোবিলাকৰ ক্ষেত্ৰতে থিতাতে অতিলৌকিকতাৰ উপস্থিতি মানি লোৱাৰ যুক্তি নাই। উদাহৰণ স্বৰূপে যদি এনে এখন নাটক লোৱা হয় য'ত সকলোবিলাক নায়ক-নায়িকাই দেৱ-দেৱতা, তাত অতিলৌকিক বুলিবলৈ একো বাকী নাথাকিব। আমাৰ কাৰণে যিটো অতিলৌকিক অস্বাভাৱিক দেৱ-দেৱতাৰ কাৰণে সেইটোৱেই লৌকিক আৰু স্বাভা-বিক। সেইদৰেই আমি প্ৰভাৱ সম্পন্ন ঋষি-মুনি আদিয়ে যেতিয়া কিবা এটি আচৰিত কাম কৰি দেখুৱায়, তেতিয়া তাক থিতাতে অতিলৌকিক বুলি ক'ব নোৱাৰি। এই কথা বুজাবৰ কাৰণে এটি উদাহৰণ দিয়া হৈছে—

শকুন্তলা নাটকৰ ষষ্ঠ অঙ্কত নায়িকা শকুন্তলাৰ সাজ-সজ্জাৰ কাৰণে বনস্পতি (বৃক্ষ) সমূহে পাট কাপোৰ আৰু অলঙ্কাৰ আদি দিছে। দুজন মুনি কুমাৰে সেইখিনি বস্তু অপ্ৰত্যাশিতভাৱে আনি উপস্থিত কৰিলত তাত থকা আশ্ৰমবাসীসকল আচৰিত হৈ পৰিছে।

(সৰ্ব্বা ৱিলোক্য বিস্মিতাঃ)

গৌতমী—ৱৎস হাৰীত, কুত এতৎ?

হাৰীতঃ — তাতকাশ্যপপ্ৰভাৱাৎ।

এই বনস্পতিৰপৰা পাটকাপোৰ আদি পোৱা ঘটনাৰ যি অতিলৌকিকতা আৰু তাৰপৰা উদ্ভৱ হোৱা বিস্ময় (অদ্ভুত ৰস) কেৱল সিমান পৰলৈকেহে অনুভৱ কৰা যায় যেতিয়ালৈকে হাৰীতে পাটকাপোৰ আদিৰ উৎপত্তিৰ বিষয়ে জানিবলৈ দিয়া নাই। এই ঘটনাটো কণ্বমুনিৰ (তাত কাশ্যপৰ) প্ৰভাৱৰ ফলত অৰ্থাৎ মুনি-ৰূপে তেওঁৰ যি অলৌকিক ক্ষমতা আছে, তাৰ ফলত ঘটিছে বুলি ব্যাখ্যা কৰাৰ লগে লগেই ইয়াত থকা অতিলৌকিকতা আৰু বিস্ময়ৰ অৱকাশ নাইকিয়া হৈছে।

## অতিলৌকিক আৰু অদ্ভুত ৰস

অতিলৌকিক ঘটনা বা বিষয়সমূহৰ লগত অদ্ভুত

ৰসৰ নিচেই ওচৰ সমন্ধ। অতিলৌকিক ঘটনাসমূহ জগতৰ স্বাভাবিক ঘটনা প্ৰবাহৰ বাহিৰত আৰু অদ্ভূত-ৰসৰো উদ্ভৱ হয় কিছুমান অস্বাভাবিক আৰু অসাধাৰণ বিভাগৰ পৰা। অদ্ভূত ৰসৰ স্থায়ী ভাব বিস্ময়। 'সাহিত্যদৰ্পণ'ত বিস্ময়ৰ বৰ্ণনা এনেদৰে দিছে—

বিবিধেষু পদাৰ্থেষু লোকসীমাতিবৰ্তিষু।
বিস্ফাৰশ্চেতসো যস্ত স বিস্ময় উদাহৃতঃ॥

(স্বাভাবিকতাৰ সীমা চেৰাই যোৱা বিভিন্ন পদাৰ্থৰ বিষয়ত চিত্তৰ যি বিস্ফাৰ বা বিস্তৃতি ঘটে সেয়ে বিস্ময়।) কোনো এটি আচৰিত ঘটনা দেখিলে সেইটোনো কেনেকৈ ঘটিবলৈ পালে, তাৰ নো কাৰণ বা হেতু কি—এনে ধৰণৰ প্ৰশ্ন মনত জাগি উঠাৰ ফলত আমাৰ কল্পনা শক্তি সক্ৰিয় হৈ উঠে। কল্পনাৰ জাল বহুদূৰলৈ বিস্তৃত হৈ পৰে আৰু সেই কল্পনাৰ বিস্তৃতিয়েই চিত্তৰ বিস্ফাৰ। 'সাহিত্যদৰ্পণ'ৰ 'লক্ষ্মীটীকা'ত কৈছে—"ইন্দ্ৰজালব্যাপাৰাদিসু জ্ঞাতেষু যশ্চেতসো বিস্ফাৰো বিস্তাৰো বা স চ দৃষ্টহেতুভ্যোঽ সম্ভবিত্বজ্ঞানেন হেত্বনুসন্ধানে মনোব্যাপাৰৰূপঃ স তু বিস্ময়ঃ।" (ইন্দ্ৰজাল আদি দেখাৰ পাছত 'আমি সদায় দেখি থকা কাৰণবিলাকৰ ফলত এই কাৰ্য চোন ঘটিব নোৱাৰে। তেনেহলে ইয়াৰ নো কাৰণ কি ?'—এনে ধৰণৰ চিন্তাত মনটো ব্যস্ত হৈ পৰাৰ ফলত চিত্তৰ যি বিস্ফাৰ বা বিস্তাৰ ঘটে সেয়ে বিস্ময়।) উদ্ধৃতিত থকা লোক সীমাতিবৰ্তী কথাষাৰে কেৱল যে অলৌকিক দেব-দেবতাৰ কাৰ্যক বুজাব লাগিব এনে নহয়, মানুহে কৰা ইন্দ্ৰজাল (যাদুবিদ্যা) আদিকো এই কথা-ষাৰৰদ্বাৰা বুজুৱা হৈছে।

কেনেবিলাক বিষয় বা ঘটনাৰপৰা বিস্ময় আৰু অদ্ভূত ৰসৰ উদ্ভৱ হ'ব পাৰে—সেই বিষয়ে 'নাট্য-শাস্ত্ৰ'ত কৈছে—

(ক) 'অথাদ্ভুতো নাম বিস্ময়স্থায়িভাৱাত্মকঃ। স চ দিব্যজনদৰ্শনেপ্সিত মনোৰথা বাপ্ত্যুপৱনদেৱ কুলাদিগমন সভাবিমানমায়েন্দ্ৰজালসম্ভাৱনাদিভিৰ্বিভাৱৈ ৰুৎপদ্যতে।' (যি ৰসৰ স্থায়ী ভাব বিস্ময় সেয়ে অদ্ভূত ৰস। দিব্যজন অৰ্থাৎ দেবতা আদিৰ দৰ্শন, মনৰ অভিলাষ পূৰণ, উপবন; মন্দিৰ আদিলৈ গমন, সভা, বিমান, মায়ালগা বস্তু, ইন্দ্ৰজাল বা যাদু আৰু সম্মানলাভ (?) আদি বিভাৱৰ সহায়ত তাৰ উদ্ভৱ হয়।)

(খ) 'বিস্ময়ো নাম মায়েন্দ্ৰজালমানুষ কৰ্মাতিশয়চিত্ৰ পুস্ত শিল্পবিদ্যাতিশয়াদিভিৰ্বিভাৱৈঃ সমুৎপদ্যতে।' (মায়া, ইন্দ্ৰজাল, মানুহে কৰা কামৰ আতিশয্য বা মাত্ৰাধিক্য, চিত্ৰাঙ্কন লিপি প্ৰভৃতি শিল্প কৰ্ম আৰু বিদ্যাৰ বিষয়ত মাত্ৰাধিক্য বা অসাধাৰণ নৈপুণ্য আদি বিভাৱৰ ফলত বিস্ময়ৰ উদ্ভৱ হয়।)

দুয়োটা উদ্ধৃতিতে ইন্দ্ৰজাল বা 'মেজিক'ক অদ্ভূত ৰসৰ অন্যতম বিভাৱৰূপে মানি লোৱা হৈছে। দ্বিতীয় উদ্ধৃতিত 'মানুষকৰ্মাতিশয়' (মানুহে কৰা কামৰ আতি-শয্য বা মাত্ৰাধিক্য) অংশত এই ইঙ্গিত আছে যে কেৱল মানুহে কৰা কামবিলাকহে যদি অতিমাত্ৰাৰ বা আস্বাভাবিক ধৰণৰ হয়, তেতিয়া সিঁহত বিস্ময়ৰ অৰ্থাৎ অদ্ভূত ৰসৰ বিভাৱ হয়।

অদ্ভূত ৰসৰ উদাহৰণ স্বৰূপে 'সাহিত্যদৰ্পণ' (তৃতীয় পৰিচ্ছেদ)ত নিম্নলিখিত শ্লোকটি দিয়া হৈছে—

দোৰ্দণ্ডাঞ্চিতচন্দ্ৰশেখৰধনুৰ্দণ্ডাৱভঙ্গোদ্যত—
ষ্টংকাৰ ধ্বনিৰাৰ্যবালচৰিত প্ৰস্তাৱনাডিণ্ডিমঃ।
দ্ৰাক্পৰ্যস্তকপালসংপুটমিলদ্ৰহ্মাণ্ড ভাণ্ডোদৰ-
ভ্ৰাম্যৎপিণ্ডিতচণ্ডিমা কথমহো নাদ্যাপি বিশ্ৰাম্যতি॥

এই পদ্যটি ভৱভূতিৰ 'মহাবীৰচৰিত'ৰ পৰা লোৱা হৈছে। উক্ত নাটকত ৰামে হৰধনু ভঙ্গ কৰাৰ পাছত ধনুৰ টংকাৰ ধ্বনি বহু সময়লৈ মাৰ নোযোৱা দেখি বিস্ময়ত অভিভূত হৈ লক্ষ্মণে উক্ত শ্লোকৰ কথাখিনি কৈছিল—

"হকি! আৰ্য ৰামচন্দ্ৰৰ বাহুদণ্ডৰদ্বাৰা আকৃষ্ট হোৱা হৰধনুৰ ভঙ্গৰ ফলত উদ্ভৱ হোৱা, আৰু আৰ্যৰ (ৰাম-চন্দ্ৰৰ) বাল্যচৰিত ৰূপ নাটকৰ আৰম্ভতে বাজি উঠা (আৰম্ভনিদ্ৰচক) ডিণ্ডিম বাদ্যস্বৰূপ, টংকাৰ ধ্বনিটোৱে মুখামুখিকৈ জাপি থোৱা দুটা জ'কাৰ নিচিনা এই বিশ্বব্ৰহ্মাণ্ডৰ ভিতৰত থিতাতে প্ৰখৰ ভাৱে বিয়পি পৰি আকৌ গোট খাই যেন লাৰু বান্ধি এতিয়াও গুম্‌গুমাই আছে কিন্তু ইমান পৰেও শাম কটা নাই।"



এই পদ্যত কোনো দেৱতা বা তৎসমকক্ষ লোকে আচ-ৰিত কাৰ্য এটি সমাধা কৰিছে বুলি কোৱা হোৱা নাই নাইবা, কোনো ইন্দ্ৰজাল কৰ্ম দেখা পোৱা বুলিও লক্ষ্মণে বৰ্ণনা কৰা নাই। ইয়াত এটা 'মানুষকৰ্মাতিশয়' বৰ্ণনা কৰা হৈছে; কিন্তু কোনো অতিলৌকিক বিষয় (চুপাৰ নেচাৰেল এলিমেণ্ট) উপস্থাপিত কৰা হোৱা নাই, অথচ অদ্ভূত ৰসৰ অভিব্যঞ্জনা হৈছে। কিন্তু তথাপি এই কথা মানিব লাগিব যে অতিলৌকিকতা আৰু অদ্ভূত ৰসৰ ভিতৰত এটা বৰ ঘনিষ্ঠ সম্বন্ধ আছে। এই ক্ষেত্ৰত অধ্যাপক এ. বি. কীথৰ দুটি মন্তব্য প্ৰণি-ধানযোগ্য—

(i) In each play there should be a dominant sentiment, in the *Nataka* it should be the erotic or the heroic, other sentiments are merely auxiliary, but that of wonder is specially appropriate in the *denouement;* indeed something in the way of supernatural intervention is often convenient to extricate the plot. ( *Sanskrit Drama,* p. 325 )

(ii) It follows, therefore, that the sentiments which are to be evoked by a Sanskrit *Nataka* are essentially the heroic or the erotic, with that of wonder as a valued subordinate element, appropriate in the *denouement.* The wonderful well consorts with the ideal characters of legend which accepts without incredulity or discomfort the intervention of the divine in human affairs, and therefore follows with ready acceptance the solution of the knot in the *S'akuntala* or the *Vikramorvasiya.* ( *Sanskrit Drama,* p. 278 )

[ ১। নাটক নাটিকা আদি ৰচনাৰ প্ৰতিখনতে একোটা প্ৰধান ৰস থকা উচিত। 'নাটক' শ্ৰেণীৰ ৰচনাত শৃঙ্গাৰ বা বীৰ ৰস প্ৰধান ৰস ৰূপে থকা উচিত। আন ৰস-বিলাক তাত কেৱল সহায়কাৰী-ৰূপেহে থাকে। কিন্তু নাটকৰ পৰিণতিৰ বেলিকা অদ্ভূত ৰস বিশেষভাৱে উপযোগী। বাস্তৱিকতে কাহিনী ভাগৰ জঁট ভাঙিবৰ কাৰণে মাজতে দৈৱ বা অতিলৌকিক ঘটনা এটাই আহি দেখা দিয়াটো প্ৰায়ে বৰ সুবিধাজনক উপায় হৈ পৰে।

২। গতিকে দেখা গ'ল যে সংস্কৃত নাটকত যাইকৈ বীৰ বা শৃঙ্গাৰ ৰসকে ফুটাই তুলিব লাগে, আৰু লগতে অদ্ভূত ৰসটো এটা প্ৰয়োজনীয় গৌণ উপাদানৰূপে থাকিব লাগে! এই অদ্ভূত ৰস নাটকৰ পৰিণতিৰ বেলিকা বিশেষভাৱে উপযোগী। পৌৰাণিক উপাখ্যানৰ আদৰ্শ চৰিত্ৰসমূহৰ লগত অদ্ভূত ৰস বৰ ভালদৰে খাপ খাই পৰে, কিয়নো পৌৰাণিক উপাখ্যানসমূহত কোনো অবিশ্বাস বা অসুবিধা নোহোৱাকৈ মানুহৰ কামৰ মাজতে আহি দৈৱ বা অতিলৌকিক হেতুৱে ভাগ লোৱা কথাটো মানি লোৱা হয়; আৰু সেই কাৰণেই 'শকু-ন্তলা' অথবা 'বিক্ৰমোৰ্বশীয়'ত যি ভাৱে কাহিনীৰ জটিলতাৰ সমাধান হৈছে তাক সহজভাৱে মানি ল'ব পৰা হয়। ]

## অদ্ভূত ৰস আৰু নিৰ্বহণ সন্ধি

ওপৰৰ উদ্ধৃতি দুটাৰপৰা বুজা যায় যে নাটকৰ পৰি-ণতি (ডিনুমঁা) বা নিৰ্বহণ সন্ধিত অদ্ভূত ৰস ফুটাই তোলাটো বিশেষভাৱে বাঞ্ছনীয়। এই বিষয়ে 'সাহিত্য-দৰ্পণ'ত কৈছে—

এক এৱ ভৱেদঙ্গী শৃঙ্গাৰো বীৰ এৱ বা।
অঙ্গমন্যে ৰসাঃ সৰ্বে কাৰ্যো নিৰ্বহণেঽদ্ভুতঃ॥

[ অঙ্গী বা প্ৰধান ৰস কেৱল এটাহে হ'ব লাগে। সেয়ে বীৰ বা শৃঙ্গাৰ। আন ৰসবিলাক অঙ্গৰস বা গৌণ ৰস-ৰূপে থাকিব। নিৰ্বহণ সন্ধিত অদ্ভুত ৰস ফুটাই তোলাটো উচিত। ] নাট্যশাস্ত্ৰত এই বিষয়ে অধিক গুৰুত্ব দি কৈছে—

সৰ্বেষাং কাব্যানাং নানাৰসভাৱযুক্তি যুক্তানাম্।
নিৰ্বহণে কৰ্তৱ্যো নিত্যং হি ৰসোঽদ্ভুতস্তজ্ঞৈঃ ॥

[ নানা ধৰণৰ ৰস আৰু ভাৱযুক্ত সকলো কাব্যৰেই নিৰ্বহণত বা পৰিণতিত কাব্যজ্ঞসকলে সদায়েই অদ্ভুত ৰস ফুটাই তোলা উচিত। ]

এই বিশেষভাৱে বাঞ্ছনীয় অদ্ভুত ৰস 'শকুন্তলা' নাটকৰ সপ্তম অঙ্কতো আছে। কিন্তু আমাৰ বোধেৰে পুনৰ্মিলনৰ সমগ্ৰ দৃশ্যটোৰপৰাই এই অদ্ভুত ৰসৰ অভিব্যঞ্জনা হয়। কেৱল ভগৱান মাৰীচ অথবা তেওঁৰ দৈৱী শক্তিৰ ফলত নহয়। পূৰ্বতে এই ইঙ্গিত দি অহাই হৈছে যে কোনো অলৌকিক কৰ্ম কৰোঁতাজন যদি সৰ্বজন বিদিতভাৱে অলৌকিক শক্তিসম্পন্ন হয়, তেতিয়া হ'লে তেওঁৰ অলৌকিক কৰ্মসমূহো স্বাভাৱিক যেনেই লগা হয় আৰু সেইবিলাকৰ পৰা অদ্ভুত ৰসৰ অভিব্যঞ্জনাও নহয়। মাৰীচৰ অস্বাভাৱিক চেহেৰা, তেওঁৰ তপোবল, ধ্যানবলেৰে দুৰ্বাসাৰ অভিশাপৰ বিষয়ে পূৰ্বতেই জান পাব পৰা ক্ষমতা, তেওঁৰ শিষ্য গালৱৰ আকাশ মাৰ্গেদি কণ্বমুনিৰ ওচৰলৈ উৰি যোৱা আদি আমাৰ চকুত 'লোকসীমাতিৰ্বতী' যেন নালাগে; কিয়নো মাৰীচ, গালৱ আদিৰ থন এখন বেলেগ লোক, তপস্যা আৰু অসাধাৰণ ক্ষমতাৰ এখন বেলেগ জগৎ। সেইখন জগতৰ কাৰণে আকাশেদি উৰা মাৰি যোৱাটো বিশেষ একো অলৌকিক বা অস্বাভাৱিক ধৰণৰ কথা নহয়। গতিকে এনেবিলাক বিষয়ৰপৰা অদ্ভুত ৰসৰ অনুভূতি নহয়।

আমাৰ মতেৰে নাটকৰ পৰিণতিৰ যি অদ্ভুত ৰস, তাৰ ক্ষেত্ৰত হ'ব লগা বিস্ফাৰ বা চিত্তৰ বিস্তৃতি ঘটে যি ঘটনাৰাজিয়ে নায়ক-নায়িকাৰ পুনৰ্মিলন ঘটাই তুলিছে তাৰ বিষয়ে মনতে বাৰে বাৰে ভাবি চোৱাৰ ফলত। নাটকত যেতিয়া আশ্চৰ্যজনক আনন্দজনক পৰিণতি ঘটি উঠে তেতিয়া আমি চমৎকৃত হৈ পৰোঁ আৰু নিজে নিজেই প্ৰশ্ন কৰোঁ—এইটোনো আকৌ কেনেকৈ হৈ উঠিল, কেনেকৈ হৈ উঠিল?" অব্যৱহিত পূৰ্বৱৰ্তী ঘটনাৱলী আমি মনৰ মাজতে দুনাই জুকিয়াই চাওঁ। ঘটনাক্ৰমৰ বিষয়ে এই জিজ্ঞাসা আৰু পুনৰনুধাৱনৰ ফলতেই আমাৰ চিত্তৰ বিস্ফাৰ বা বিস্তাৰ ঘটে। অদ্ভুত ৰসৰ অনুভূতিৰ মূলতে যে হৈ যোৱা ঘটনাৰ বিষয়ে বাৰে বাৰে ভাবি থকাৰ প্ৰবৃত্তিও কিছুপৰিমাণে থাকে সেই কথা অলংকাৰ শাস্ত্ৰৰ যুক্তিৰেও তলত দেখুওৱাৰ দৰে সমৰ্থন কৰিব পাৰি।

## বিস্ময় আৰু চমৎকাৰ

সাধাৰণভাৱে সকলো প্ৰকাৰ ৰসৰে অনুভূতি বা আস্বাদ নো কেনে ধৰণৰ সেই কথা বৰ্ণনা কৰিবলৈ গৈ 'সাহিত্যদৰ্পণ'কাৰ বিশ্বনাথে কৈছে যে এটা 'অলৌকিক 'চমৎকাৰেই হ'ল ৰসৰ প্ৰাণ' (লোকোত্তৰচমৎকাৰপ্ৰাণ)। চমৎকাৰ নো কাক বোলে তাকে ব্যাখ্যা কৰি কৈছে—চমৎকাৰ হ'ল চিত্তৰ বিস্তাৰ আৰু তাৰেই আন এটা নাম হ'ল বিস্ময়।' (চমৎকাৰশ্চিত্তবিস্তাৰৰূপো বিস্ময়াপৰপৰ্যায়ঃ)। এই বিস্ময়েই অদ্ভুত ৰসত স্থায়ী ভাৱ। এই কথাৰ পাছতে বিশ্বনাথে হৰদত্ত নামৰ পূৰ্বসূৰী একজনৰ শ্লোক এটাৰ উদ্ধৃতি দিছে। (কোনো কোনো পাঠত হৰদত্তৰ নাম ধৰ্মদত্ত বুলি দিয়া আছে।) সেই শ্লোকত নাৰায়ণতকৈও প্ৰাচীনতৰ এজন পণ্ডিতৰ এটা মত সোমাই আছে। মতটো হ'ল এই যে সকলো ৰসৰ অনুভূতিৰ সাৰ-ৰূপে থাকে এটা চমৎকাৰৰ অনুভূতি। গতিকে সকলো প্ৰকাৰ ৰসৰ মূলতে এটা অদ্ভুত ৰস



ওতঃপ্ৰোতভাৱে আছে। সেই কাৰণে নাৰায়ণৰ মতে সৰ্বপ্ৰধান আৰু একমাত্ৰ ৰস হ'ল অদ্ভুত। (বাকী ৰসবিলাক অদ্ভুত ৰসৰে অবান্তৰ ভেদ মাত্ৰ)। তুলনীয়—

ৰসে সাৰশ্চমৎকাৰঃ সৰ্বত্ৰাপ্যনুভূয়তে।
তচ্চমৎকাৰসাৰত্বে সৰ্বত্ৰাপ্যদ্ভুতো ৰসঃ
তস্মাদ্ অদ্ভুতমেৱাহ কৃতী নাৰায়ণো ৰসম্ ॥
(সাহিত্যদৰ্পণ—৩)

পণ্ডিতৰাজ জগন্নাথে ব্যাখ্যা কৰিছে যে কাব্য পাঠ কৰি সহৃদয়সকলে এটা লোকোত্তৰ আহ্লাদ লাভ কৰে। তাৰে আন এটা নাম চমৎকাৰ আৰু সহৃদয়সকলৰ অনুভূতিয়েই সেই চমৎকাৰৰ প্ৰমাণ। চমৎকাৰৰ কাৰণ হ'ল পুনঃপুনৰনুসন্ধান (বা হৈ যোৱা ঘটনাখিনিক মনতে বাৰে বাৰে পাগুলি থকাৰ প্ৰবৃত্তি) ৰূপ এটা ভাৱনা। তুলনীয়—

লোকোত্তৰত্বং চাহ্লাদগতশ্চমৎকাৰত্বাপৰ পৰ্যায়োঽনুভৱসাক্ষিকো জাতিবিশেষঃ। কাৰণং চ তদৱচ্ছিন্নে ভাৱনাৱিশেষঃ পুনঃপুনৰনুসন্ধানাত্মা। (ৰসগঙ্গাধৰ—১)

নাটকৰ শেষ পৰিণতিৰ সময়ত, নাটকীয় জটিলতাৰ আমোদজনক শুভসমাধানৰ সময়ত আমি ক্ষন্তেকৰ কাৰণে এই অদ্ভুত ৰসৰ স্বাদ লাভ কৰোঁ। নাটকৰ শেষ পৰিণতিৰ সময়ত অনুভৱ কৰা অদ্ভুত ৰসৰ কাৰণে বেলেগ কোনো অভিনয়ৰ প্ৰয়োজন নাই। শেষ অৱস্থাত ঘটা অদ্ভুত ঘটনাৱলীয়ে মনত যি চাপ বহুৱায় তাৰ ভিত্তিত, এটা সহজাত প্ৰবৃত্তিৰ তাড়ণাত, সেই ঘটনাৰাজিকে মনতে বাৰে বাৰে জুকিয়াই চোৱাৰ ফলতে আমি চমৎকাৰ বা বিস্ময়ৰ মাজেদি অদ্ভুত ৰসৰ অনুভূতি পাব পাৰো। গতিকে নিৰ্বহণ সন্ধি বা নাটকৰ পৰিণতিত অতিলৌকিকতা নোহোৱাকৈও অদ্ভুত ৰসৰ অনুভূতি হ'ব পাৰে। নিৰ্বহণ সন্ধিৰ বাহিৰে আন সন্ধিতো অৱশ্যে স্বতন্ত্ৰভাৱে অদ্ভুত ৰস থাকিব পাৰে।

## নিৰ্বহণ সন্ধি আৰু উপগূহন

'সাহিত্যদৰ্পণ'ত (৬-৮০) কৈছে যে 'শকুন্তলা' নাটকত সপ্তমাঙ্কত শকুন্তলাক (দুষ্মন্তই) চিনি পোৱাৰ পাছৰ ঘটনাখিনি নিৰ্বহণ সন্ধিৰ ভিতৰত পৰে। (তুলনীয়ঃ যথা বা শাকুন্তলে সপ্তমাঙ্কে শকুন্তলাভিজ্ঞানাদূৰ্দ্ধ্বৰোঽৰ্থৰাশিঃ)। কিন্তু এই চোৱা কাহিনীত অদ্ভুত ৰসৰ অনুভূতি দিবপৰা তেনে বিশিষ্ট কোনো ঘটনা নাই। কিন্তু নিৰ্বহণ সন্ধি আৰম্ভ হোৱাৰ আগতেই, সপ্তমাঙ্কৰে প্ৰথমৰ ফালে অদ্ভুত ৰসৰ অনুভূতি দিব পৰা এটা বিশিষ্ট ঘটনা হ'ল ৰক্ষাই মাটিত পৰি যোৱা ভৰতৰ কালিকা লগা মাদলীটো তুলি লোৱাটো। শিশু ভৰতক ওমলাই থকা আশ্ৰমৰ ধাত্ৰী দুগৰাকীয়ে, ভৰতৰ গাৰ পৰা সৰি পৰা মাদলীটো তুলি লবলৈ দুষ্মন্তক বাৰণ কৰিছিল। কিয়নো, নিজৰ পিতাকৰ বাহিৰে আন কোনোবাই সেই ৰক্ষা মাদলীটো ল'লে হেনো সাপ হৈ থোঁট মাৰি দিয়াৰ কথা। কিন্তু তেওঁলোকে বাৰণ কৰোঁতে নকৰোঁতে ই দুষ্মন্তই তুলি ললেই আৰু মাদলীয়ে একো অপকাৰো নকৰিলে। তাকে দেখি বিস্ময়ত বুকুত হাত দি ধাত্ৰী দুগৰাকীৰ দুয়ো দুয়োৰে মুখলৈ চাবলৈ ধৰিলে। তুলনীয়—

উভে—মা কখু মাকখু এদং (ৱিলোক্য) কথং গহিদং জ্জেৱ।
(বিস্ময়াদুৰো নিহিতহস্তে পৰস্পৰং ৱিলোকয়তঃ।)

এইখিনি অভিনয় দেখি দৰ্শকসকলৰো মনত বিস্ময় জন্মাৰ কথা আৰু অদ্ভুত ৰসৰ অনুভূতি হোৱাৰ কথা। 'শকুন্তলা' নাটকৰ নিৰ্বহণ সন্ধিত কিন্তু অদ্ভুত ৰসৰ অভিব্যঞ্জনা কৰিব পৰা আৰু এনে স্পষ্টভাৱে আঙুলিয়াই দেখুৱাব পৰা কোনো ঘটনা নাই। গতিকে, কোনো বিশিষ্ট

ঘটনাৰপৰা নহয় কিন্তু সামগ্ৰিক ভাবেহে নিৰ্বহণ সন্ধিয়ে অদ্ভূত ৰসৰ অনুভূতি দিয়ে।

অলংকাৰ-শাস্ত্ৰৰ মতে নিৰ্বহণ সন্ধিত ১৪ টা অঙ্গ আছে। ('সাহিত্যদৰ্পণ' ষষ্ঠ পৰিচ্ছেদ দ্ৰষ্টব্য)। তাৰে এটা অঙ্গৰ নাম উপগূহণ। 'নাট্যশাস্ত্ৰ'ত উপগূহনৰ লক্ষণ (ডেফিনিচন্) এনেভাৱে দিয়া আছে—

'অদ্ভূতস্য তু সংপ্ৰাপ্তিৰুপগূহনমিষ্যতে' (না. শা. ২১-১২০), কিন্তু নিৰ্বহণ সন্ধিত ধৰাবন্ধাভাৱে থাকিব লগীয়া যিটো অদ্ভূত ৰসৰ কথা আলংকাৰিকসকলে কৈছে তাৰে সৈতে উপগূহণৰ অদ্ভূত ৰস একেটা নহয়। এনে দৰে ভবাৰ যুক্তি হ'ল—

১। সকলো নাটকতে কোনো এটা সন্ধিৰ সকলোবিলাক অঙ্গ নাথাকিলেও হয়। অধ্যাপক কীথে কৈছে—

Not all these members need be used. Some must be included in any drama, since one without any would be like a man without limbs, and, adroitey used, they may give merit to a mediocre subject-matter. ( *Sanskrit Drama*, p. 300 )

[ সকলোবিলাক অঙ্গ যে থাকিবই লাগিব তেনে কোনো বাধ্যবাধকতা নাই। অৱশ্যে কেইটামান অঙ্গ থাকিবই লাগিব, নহ'লে নাটকখন অঙ্গ-প্ৰত্যঙ্গ নোহোৱা মানুহ এটাৰ দৰে হ'ব। আৰু নিপুণভাৱে ব্যৱহাৰ কৰিলে সেই অঙ্গবিলাকে এটা মধ্যমস্তৰৰ বিষয়-বস্তুকো সুন্দৰ কৰি তুলিব পাৰে। ] আকৌ 'সাহিত্যদৰ্পণ'ৰ ৬-১১৪ আৰু ৬-১২০ ৰ বৃত্তিতো কৈছে – "অন্যেষাং চ যথাসম্ভৱং স্থিতিঃ" (অৰ্থাৎ উল্লেখ কৰাটোৰ বাহিৰে বাকীবিলাক অঙ্গ যিমানদূৰ সম্ভৱ সিমান পৰিমাণে থাকিব লাগে।) গতিকে উপগূহণ নামৰ অঙ্গটোও কোনো কোনো নাটকত নাথাকিবও পাৰে। আন হাতে নিৰ্ব্বহণ সন্ধিৰ অদ্ভূত ৰস সকলো নাটকতে ধৰাবন্ধাভাৱে উপস্থিত থাকিব লাগিব।

২। নিৰ্ব্বহণ সন্ধিত ধৰাবন্ধাভাৱে থাকিব লগীয়া অদ্ভূত ৰসৰ বিষয়ে কওঁতে কোনো এজন আলংকাৰিকেই কোনো ধৰণেই উপগূহণৰ উল্লেখ কৰা নাই।

৩। অভিনৱগুপ্তয়ো 'নাট্যশাস্ত্ৰ' (১৮-৪৩)ৰ ব্যাখ্যাৰ বেলিকা উপগূহণৰ অদ্ভূত ৰসৰ কথা উল্লেখ কৰা নাই। তেওঁৰ কথাৰ পৰা বুজা যায় যে বহুতো উৎকণ্ঠাৰ শেষত অপ্ৰত্যাশিতভাৱে ঘটনাৰ এটি শুভ পৰিণতি আহি পৰাৰ ফলতে নিৰ্ব্বহণ সন্ধিৰ অদ্ভূত ৰসৰ অনুভূতি হয়। তুলনীয়—"তথা চ শৃঙ্গাৰৱীৰৰৌদ্ৰৈঃ স্ত্ৰীৰত্ন-পৃথিৱীলাভ-শত্ৰুক্ষয়াঃ কৰুণাদিভিস্তুন্নিবৃত্তিৰিতীয়তা ক্ৰমেণ লোকোত্তৰাসংভাব্যমনোৰথ-প্ৰাপ্তৌ ভৱিতব্যমদ্ভূতেন।" ('অভিনৱভাৰতী,' কবিৰ সংস্কৰণ, ১ম খণ্ড, ১৯৩৪ চন, পৃঃ ৪২৯)। [ শৃঙ্গাৰ ৰসৰ চিত্ৰণৰ মাজেৰে স্ত্ৰীৰত্নৰ লাভ, বীৰ ৰসৰ চিত্ৰণৰ মাজেৰে পৃথিৱী বা ৰাজ্য লাভ। ৰৌদ্ৰ ৰসৰ মাজেৰে শত্ৰুক্ষয়, কৰুণৰ চিত্ৰকণৰ মাজেৰে পূৰ্বোক্ত লাভসমূহৰ অৱসান বা ক্ষতি আদি ক্ৰমে দেখুৱাই গৈ অৱশেষত অসাধাৰণভাৱে, অপ্ৰত্যাশিতভাৱে মনোৰথ সিদ্ধি হোৱাটো ফুটাই তুলিলেই অদ্ভূত ৰসৰ অভিব্যঞ্জনা হৈ পৰে। ] সেই কাৰণেই আমি এই সিদ্ধান্তলৈ আহিব খোজো যে নিৰ্বহণ সন্ধিৰ অদ্ভূত ৰস অসম্ভৱকো সম্ভৱ কৰি তুলিব পৰা ঘটনাৰাজিৰ এটা সামগ্ৰিক প্ৰতিক্ৰিয়া। নিৰ্ব্বহণ সন্ধিৰ মাজতে হুম্যন্তই ভৰতৰ মাদলীটো তুলি লোৱাৰ নিচিনা বিশিষ্ট ঘটনা একোটাৰ মাজেদি অদ্ভূত ৰস ফুটাই তুলিলে তাকে উপগূহন বুলি অভিহিত কৰা হয়। গতিকে কোনো নাটকত উপগূহণ থাকিলে সি নিৰ্ব্বহণ সন্ধিৰ সামগ্ৰিক অদ্ভূত ৰসৰ ভিতৰতে পৰিব।

(ক্ৰমশঃ)

# হিন্দী সাহিত্যত ৰাসলীলা প্ৰসঙ্গ

শ্ৰীঅবীন্দ্ৰচন্দ্ৰ ৰবা

ৰাসলীলাৰ ৰসমধুৰ বৰ্ণনাৰে ভাৰতীয় ভক্তি-সাহিত্য সমুজ্জ্বল হৈ আছে। ভাৰতৰ একাধিক ভাষাৰ সাহিত্যত ৰাসলীলাৰ মনোৰম আৰু ভাবব্যঞ্জক চিত্ৰাঙ্কন হৈছে। ৰাসলীলাৰ আধাৰ হল আধ্যাত্মিকতা আৰু এই আধ্যাত্মিকতাই ভাৰতীয় ভক্তি-সাহিত্যৰ পটভূমি ৰচনা কৰিছে। ভাৰতীয় প্ৰায় সকলো প্ৰধান উৎসৱতেই এই আধ্যাত্মিকতা কোনো নহয় কোনো ৰূপত নিহিত হৈ আছে। এই আধ্যাত্মিকতাৰ দৃষ্টিকোণতেই ভাৰতৰ বিভিন্ন ভাষাৰ ৰাসলীলাই ৰূপ পৰিগ্ৰহ কৰিছে। হিন্দী সাহিত্যৰ ৰাসালীলা বৰ্ণনাও এনে আধ্যাত্মিক ভাবনাৰে অনুপ্ৰাণিত হৈছে।

ৰাসলীলাৰ অন্যতম নায়ক শ্ৰীকৃষ্ণৰ ব্যক্তিত্ব আৰু মহিমাই ভাৰতীয়সকলক অভিভূত কৰি ৰাখিছে। কৃষ্ণৰ অস্তিত্ব সম্পৰ্কে বিভিন্ন পণ্ডিতে বিভিন্ন মত প্ৰকাশ কৰিছে। কোনো কোনো পণ্ডিত মতে কৃষ্ণ এজন ঐতিহাসিক ব্যক্তি। কোনো কোনোৱে কৃষ্ণক অৰ্দ্ধ ঐতিহাসিক তথা ইতিহাস আৰু কল্পনাৰ সংমিশ্ৰণ বুলি কৈছে। কোনো কোনোৰ ধাৰণাত কৃষ্ণ কাল্পনিক ৰূপাভাস মাত্ৰ। কৃষ্ণৰ সৰ্বপ্ৰথম উল্লেখ [ আঙ্গিৰসৰ ৰূপত ] ঋকৃবেদত হৈছে। ইয়াত কৃষ্ণই এজন ঋষিৰ ৰূপত আত্ম প্ৰকাশ কৰিছে। ছান্দোগ্য উপনিষদত কৃষ্ণ দৈৱকীনন্দন আৰু বৈদিক ঋষিৰূপে অৱতীৰ্ণ হৈছে। মহাভাৰতত কৃষ্ণ পাণ্ডৱ-সখা, বিচক্ষণ ৰাজনীতিজ্ঞ আৰু বিষ্ণুৰ অৱতাৰৰূপে চিত্ৰিত হৈছে। মহাভাৰতৰ সভা-পৰ্বত শিশুপালৰ উক্তিয়ে কৃষ্ণৰ গোপ জীৱনৰ ওপৰত সামান্য আলোকপাত কৰিছে আৰু পৰৱৰ্তী পুৰাণসমূহত কৃষ্ণৰ বাল্য জীৱন আৰু গোপ-জীৱনৰ চিত্ৰাঙ্কন হৈছে। কৃষ্ণৰ ৰাসলীলা আৰু গোপীসকলৰ প্ৰেম-প্ৰণয়ৰ চিত্ৰাঙ্কন নৱম শতাব্দীত ৰচিত ভাগৱত পুৰাণতেই প্ৰথম হৈছে। কৃষ্ণৰ এক বিশেষ আৰাধিকা গোপ-বালাৰ উল্লেখ ইয়াত হৈছে। এই গোপবালাই ব্ৰহ্মবৈবৰ্ত পুৰাণত গোপী শ্ৰেষ্ঠা ৰাধিকাত পৰিণত হৈছে। এনেভাৱেই ভাৰতীয় সাহিত্যত কৃষ্ণৰ তিনিটা ৰূপৰ অনুধাবন কৰিব পাৰি : (১) ঋষি আৰু ধৰ্মোপদেষ্টা, (২) নীতি-কুশল ক্ষত্ৰিয় নেতা আৰু (৩) বালক আৰু কিশোৰ ৰূপত বিভিন্ন প্ৰকাৰ লীলা-প্ৰদৰ্শন কৰোঁতা অৱতাৰী পুৰুষ। কৃষ্ণৰ এই প্ৰথম ৰূপৰ বিকাশ গীতাত, দ্বিতীয় ৰূপৰ বিকাশ মহাভাৰতত আৰু তৃতীয় ৰূপৰ অভিব্যক্তি ভাগৱত পুৰাণত হৈছে। কৃষ্ণৰ এই তিনি ৰূপৰ অভিব্যক্তি ভাগৱত ধৰ্মৰ তিনি অৱস্থাৰ দ্যোতক। আদিতে ভাগৱত ধৰ্মত সহজ সৰল উপাসনা প্ৰণালীয়ে প্ৰাধান্য লাভ কৰিছিল। ছান্দোগ্য উপনিষদ আৰু গীতাৰ কৃষ্ণ-কথাৰ পৰা এইটো জানিব পাৰি। মহাভাৰতৰ যুগত ভাগৱত-ধৰ্ম ভাবনা প্ৰধান হলেও কৰ্মবিৰোধী

নাছিল। গতিকে তাত কৃষ্ণৰ কৰ্মশীলতাৰ মিশ্ৰণ হোৱাটো স্বাভাৱিকেই আছিল। সম্ভৱতঃ মহাভাৰতত চিত্ৰিত কৃষ্ণ চৰিত্ৰই কৃষ্ণৰ ঐতিহাসিক মূল ৰূপ আৰু এই মূল ৰূপেই ক্ৰমে পৰৱৰ্তী সাহিত্যত বিকশিত আৰু পৰিৱৰ্ধিত হৈছে। পৌৰাণিক যুগত ভাগৱত ধৰ্মই বৌদ্ধ, জৈন, শৈৱ আদি ধৰ্মৰ লগত প্ৰতিদ্বন্দ্বিতা চলাব লগা হয় আৰু সৰ্বসাধাৰণৰ অনুকূল বিষয় কিছুমান গ্ৰহণ কৰিব লগাত পৰে। জৈন আৰু বৌদ্ধ মতাৱলম্বীসকলে কোনো নহয় কোনো ৰূপত প্ৰণয়তত্ত্ব স্বীকাৰ কৰিছে। এই মতবাদসমূহৰ সংস্পৰ্শত আৰু প্ৰতিক্ৰিয়াত সাহিত্যত কৃষ্ণ-গোপীৰ প্ৰণয় কথাই প্ৰতিষ্ঠা লাভ কৰে। ডঃ ৰামকৃষ্ণ গোপাল ভাণ্ডাৰকাৰে বাসুদেৱকৃষ্ণ আৰু গোপালকৃষ্ণ বেলেগ বুলি কলেও এই মত যুক্তিসিদ্ধ নহয়। ড° পি, ডি, পুছলকাৰে যুক্তি সহকাৰে এই মত খণ্ডন কৰি কৈছে যে কৃষ্ণই গোকুলৰ গোপসকলৰ লগত সামূহিক নৃত্য-গীতত অৱতীৰ্ণ হৈছে আৰু এই নৃত্য-গীতকেই পিছত প্ৰণয়লীলাত ৰূপ দিয়া হৈছে। গতিকে গোকুলৰ কৃষ্ণক মহাভাৰতৰ কৃষ্ণ বা গীতাকাৰ কৃষ্ণৰপৰা বেলেগে ভাবিব নোৱাৰি।

হিন্দু সাহিত্যত ৰাসলীলা প্ৰসঙ্গত ওপৰত উল্লেখিত তৃতীয় ৰূপতেই কৃষ্ণ প্ৰকাশমান হৈছে। হিন্দী সাহিত্যৰ কৃষ্ণ কাব্যৰ পৰিপ্ৰেক্ষিতত আমি ৰাসলীলা বৰ্ণনা অৱলোকন কৰিব পাৰোঁ। হিন্দীত কৃষ্ণকাব্যৰ বিকাশ হৈছে প্ৰধানকৈ দুটা সম্প্ৰদায়ৰ মাজেদি—বল্লভ সম্প্ৰদায় আৰু ৰাধাবল্লভ সম্প্ৰদায়। বল্লভ সম্প্ৰদায়ৰ মতবাদ শুদ্ধাদ্বৈতবাদ আৰু ভক্তিমাৰ্গ পুষ্টিমাৰ্গ নামে জনাজাত। শঙ্কৰৰ অদ্বৈতবাদ অস্বীকাৰ কৰি এই সম্প্ৰদায়ে কয় ব্ৰহ্ম মায়াৰহিত কাৰণে শুদ্ধ আৰু শুদ্ধ ব্ৰহ্মই অদ্বৈত তত্ত্ব। সমগ্ৰ জগত প্ৰপঞ্চ এই ব্ৰহ্মৰেই লীলা বিকাশ। ভাগৱতৰ এঠাইত "পোষণং তদনুগ্ৰহ'ৰ উল্লেখ আছে। ইয়াৰ আধাৰতেই পুষ্টিমাৰ্গ প্ৰতিষ্ঠিত। 'পুষ্টি' শব্দৰ তাৎপৰ্য হৈছে ভক্তৰ পোষণ বা বিকাশ ঈশ্বৰৰ অনুকম্পা নহলে নহয়। গতিকে ঈশ্বৰৰ অনুগ্ৰহত বিশ্বাস ৰাখিব লাগে। ভগৱানে অৱতাৰ ধাৰণ কৰে জীৱক অনুগ্ৰহ কৰিবৰ বাবেই। এই অনুগ্ৰহ এক লীলামাত্ৰ। সকলো জীৱই ঈশ্বৰৰ অনুগ্ৰহ পাব নোৱাৰে।

জীৱৰ ভাগ দুটা। পুষ্টিজীৱ আৰু মৰ্যদাজীৱ। মৰ্যদাজীৱই কৰ্ম আৰু জ্ঞানেৰে মোক্ষপ্ৰাপ্তিৰ চেষ্টা চলায়। পুষ্টিজীৱ ঈশ্বৰানুগ্ৰহত বিশ্বাসী আৰু প্ৰেমলক্ষণাভক্তিৰে ইয়াক লাভ কৰিবলৈ সমৰ্থ হয়। এই সম্প্ৰদায়ত প্ৰাৰম্ভতে বালকৃষ্ণৰ উপাসনাই প্ৰাধান্য পাইছিল যদিও পিছলৈ মাধুৰ্যভাবৰ প্ৰেৰণাত বালকৃষ্ণৰ ঠাইত ৰাধা-কৃষ্ণই প্ৰতিষ্ঠা লাভ কৰে।

ৰাধাবল্লভ সম্প্ৰদায়ে কৰ্ম আৰু জ্ঞানৰ যুক্তি খণ্ডন কৰি ভক্তিৰ মহিমা প্ৰতিপাদন কৰে। এই সম্প্ৰদায়ৰ কবিয়ে ৰাধা-কৃষ্ণৰ কুঞ্জ-ক্ৰীড়া আৰু সুখ-বিলাসৰ চিত্ৰন সৰসতাৰে কৰিছে। ৰাধা-কৃষ্ণৰ নিত্যকেলিত ভক্তসকলৰ মন সততে নিমজ্জিত থাকিব লাগে। এই কথা ইয়াত স্পষ্টভাৱে কোৱা হৈছে। এই সম্প্ৰদায়ৰ সাহিত্যৰ এটা মন কৰিব লগীয়া কথা হৈছে—ইয়াত সংযোগ-সুখৰ বৰ্ণনাই হৈছে; বিয়োগ-ভাবনাৰ চিত্ৰন হোৱা নাই। যি মাধুৰ্য ৰাসৰ সংযোগ-সুখত সম্ভৱ, সি বিয়োগলীলাত সম্ভৱ হব নোৱাৰে। এই দৃষ্টিকোণতেই এই সম্প্ৰদায়ৰ কবিসকলে ৰাধা-কৃষ্ণৰ যুগলমূৰ্তিৰ প্ৰতিষ্ঠা কৰিছে। এই কবিসকলৰ দৃষ্টিত ৰাধা-কৃষ্ণ অভিন্ন তত্ত্ব; তেওঁলোক প্ৰেমৰূপ, প্ৰেমৰ কাৰণ, কাৰ্যও। জলতৰঙ্গৰ দৰে তেওঁলোক এজন আনজনৰ লগত সম্বন্ধিত। সৃষ্টিৰ জড়-চেতন সকলো বস্তুৰ মূলতে প্ৰেম। প্ৰেমৰ এই ৰসময় ৰূপৰ দুটা ধাৰা—ব্ৰজৰস আৰু নিকুঞ্জৰস। ব্ৰজৰসত গোপীসকলৰ উপপতি প্ৰেম হয়। এই ৰস পৰকীয়া ভাবাপন্ন। ই কেৱল অৱতাৰ ৰূপত প্ৰকট হয়। ইয়াক অনিত্য বোলা হৈছে। নিকুঞ্জ ৰস নিত্য আৰু অখণ্ড। ইয়াত 'স্ব' আৰু 'পৰ'ৰ ভেদ নাই। ই কেৱল বৃন্দাবনতেই অনুভূত হয়। গতিকে ইয়াক 'বৃন্দাবনৰসো' বোলা হৈছে।

এই বৃন্দবনৰসতেই হিন্দীৰ ৰাসলীলা বৰ্ণনা অভিব্যক্ত হৈছে। কৃষ্ণ আৰু গোপীৰ প্ৰণয়-বৰ্ণনাত শৃঙ্গাৰ ৰসৰ সাৱলীল প্ৰবাহ লক্ষ্য কৰিব পাৰি। কৃষ্ণ আৰু গোপীৰ প্ৰেমানুভূতি বৃন্দাবনৰ প্ৰাকৃতিক পৰিবেশত ক্ৰমে গভীৰ হৈ পৰিছে। প্ৰেমৰ পাৰম্ভিক অৱস্থাত পৰস্পৰৰ মাজত মান-অভিমানৰ শিশু খেলা চলিছে আৰু এই মান-অভিমানেই ক্ৰমে প্ৰণয়-বেদনালৈ ৰূপান্তৰিত হৈছে। প্ৰেমৰ বিহ্বলতা আৰু তন্ময়তাৰ চিত্ৰণ এই ধাৰাৰ কবিসকলে সফলতাৰে কৰিছে।

এই ক্ষেত্ৰত সুৰদাসৰ কৃতিত্ব সৰ্বাধিক। সুৰদাসৰ সুৰ সাগৰত যদিও স্থানবিশেষে অশ্লীল দৃশ্যৰ অৱতাৰণা কৰা হৈছে, সেই দৃশ্যই আমাৰ মনক কাম ভাবনাৰে প্ৰভাৱিত নকৰে, বৰং কামভাবনাক অতিক্ৰম কৰি এক অপাৰ্থিব অলৌকিক বৃন্দাবনলৈ লৈ যায়-যত জীৱাত্মা—পৰমাত্মাৰ নিত্যলীলা চলিব লাগিছে। সুৰদাস আদি কবিসকলৰ শৃঙ্গাৰ বৰ্ণনা আধ্যাত্মিকতাৰে সমৃদ্ধ। এই শৃঙ্গাৰ অভৌতিক, অপাৰ্থিব শৃঙ্গাৰ আৰু শৃঙ্গাৰ ৰসাশ্ৰিত লৌকিক ৰাসলীলা বিশ্বযুক্ত অনাদি কালৰে পৰা চলি থকা চিৰন্তন ৰাসলীলাৰ প্ৰতিভাস মাত্ৰ।

ৰাধাকৃষ্ণলীলা হিন্দীৰ কৃষ্ণকাব্য-ধাৰাৰ কবিসকলৰ এটা প্ৰধান বিষয় বুলিব পাৰি। ভাৰতীয় কাব্যত মহাভাৰতৰ সময়ৰ পৰাই কৃষ্ণচৰিত্ৰই সাহিত্যিক মৰ্যদা পোৱাৰ কথা ওপৰত কৈ অহা হৈছে। পৰৱৰ্তী সংস্কৃত, প্ৰাকৃত আৰু অপভ্ৰংশ সাহিত্যত কৃষ্ণকথা আলোচিত হৈছে আৰু ইয়াত প্ৰধানকৈ কৃষ্ণৰ লোকৰঞ্জক ৰূপ চিত্ৰিত হৈছে। শ্ৰীমদ্ভাগৱততেই প্ৰথম গ্ৰন্থ য'ত কৃষ্ণৰ লোকৰঞ্জক ৰূপ বিস্তাৰিতভাৱে দাঙি ধৰা হৈছে আৰু কৃষ্ণৰ বাল্যলীলা আৰু ৰাসলীলা সাহিত্য শৈলীত উপস্থাপন কৰা হৈছে। কৃষ্ণ-গোপীৰ সম্বন্ধৰ ঔচিত্যৰ ওপৰতো ইয়াত বিচাৰ কৰা হৈছে। পৰীক্ষিতৰ প্ৰশ্নত ভাগৱতকাৰে কৈছে: গোপীসকলৰ প্ৰেমত কামবাসনাৰ চেকা থাকিলেও কৃষ্ণ অলৌকিক ব্ৰহ্মৰ অৱতাৰ, গতিকে তেওঁক এই দোষে স্পৰ্শ কৰিব নোৱাৰে।

হিন্দীৰ প্ৰায় সকলো কৃষ্ণভক্ত কবিয়ে ভাগৱতৰ পৰাই সমল লৈ ৰাধা-প্ৰসঙ্গ আৰু ৰাস-প্ৰসঙ্গৰ অৱতাৰণা কৰিছে। কিন্তু এই কবিসকলৰ লগত ভাগৱতকাৰৰ দৃষ্টিকোণৰ পাৰ্থক্য আছে। ভাগৱতত কৃষ্ণই গোপীসকলৰ পুনঃ পুনঃ প্ৰাৰ্থনাতহে গোপীসকলত প্ৰবৃত্ত হৈছে। হিন্দীৰ কৃষ্ণকবিসকলৰ ৰচনাত কৃষ্ণই এক আনন্দমুখৰ শিশুৰ দৰে স্বয়ং গোপবালকৰ প্ৰতি উন্মুখ হৈছে আৰু নিজৰ বিভিন্ন লীলাৰে তেওঁলোকৰ হৃদয় জয় কৰিছে। ভাগৱতত কৃষ্ণই কতো নিজৰ ব্ৰহ্মৰূপ পাহৰিব পৰা নাই। আদিৰে পৰা অন্তলৈ কৃষ্ণ পাঠকৰ বাবে অলৌকিক হৈয়েই আছে। হিন্দীৰ কৃষ্ণ-কবিসকলৰ লেখনীত কৃষ্ণই লৌকিকতাৰ পৰিধান লৈছে। ভাগৱতত ৰাধাসম্বন্ধীয় ইতিবৃত্তৰো অভাৱ। সুৰদাসৰ দৰে কৃষ্ণকবিসকলে ৰাধাৰ বাল্যকাল, যৌৱনাৱস্থা আদিৰ কল্পনাৰে ৰাধাক এক সজীৱ ব্যক্তিত্ব প্ৰদান কৰিছে।

# 'হৰেন্দ্ৰনাথ শৰ্মা ঃ ব্যক্তিত্ব আৰু প্ৰতিভা'

**শ্ৰীৰজনীকান্ত শৰ্মা**

একনিষ্ঠ শিক্ষাব্ৰতী আৰু সাহিত্যসেৱী হৰেন্দ্ৰনাথ শৰ্মাদেৱ আজি আৰু আমাৰ মাজত নাই। কৰ্কট ৰোগত আক্ৰান্ত হৈ তেওঁ যোৱা ১৭ জুলাইৰ (১৯৭৩ চন) দিনা নিজ বাসভৱনত স্বৰ্গী হয়। তিনিবাৰকৈ ৰাষ্ট্ৰীয় বঁটা লাভ কৰা হৰেন্দ্ৰনাথ শৰ্মাদেৱে ত্ৰিশখনৰো ওপৰ শিশুসাহিত্য আৰু তত্ত্বগধুৰ গ্ৰন্থৰ দ্বাৰা অসমীয়া ভাষা-জননীৰ বেদীত নিজকে উছৰ্গা কৰিছিল। তেওঁ শিক্ষকতাকে জীৱনৰ একমাত্ৰ লক্ষ্য কৰি লৈ সকলো প্ৰতিকুল অৱস্থাকে প্ৰত্যাহ্বান জনাই নিজকে এজন আদৰ্শবান পুৰুষ-ৰূপে প্ৰতিষ্ঠা কৰি থৈ গ'ল। "কামেই মোৰ জীৱনৰ ব্ৰত" এয়ে আছিল তেওঁৰ জীৱনৰ একমাত্ৰ উদ্দেশ্য। নিজকে তেওঁ সদায় 'সামান্য পুৰুষ' বুলি পৰিচয় দিছিল; কিন্তু কাৰ্যকুশলতাত তেওঁ আছিল অসামান্য। দেখাত দীৰ্ঘকায় ক্ষীণদেহী শৰ্মাদেৱ এফালে আছিল স্থিৰ-গম্ভীৰ, আনহাতে আছিল অত্যন্ত ধুহুটীয়া। ছাত্ৰছাত্ৰীক অত্যন্ত মৰম কৰিছিল; কিন্তু প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে আনকি শিক্ষকেও তেওঁৰ ব্যক্তিত্ব দেখি তেওঁৰ ওচৰ চাপিবলৈ ভয় কৰিছিল। এই মহান আদৰ্শবান পুৰুষ গৰাকী অকল পাটাচাৰকুছিৰ বাইজৰ কাৰণেই—চিৰস্মৰণীয় হৈ নাথাকিব, তেওঁ অসমৰ সাহিত্যাকাশতেই জিলিকি থাকিব।

হৰেন্দ্ৰনাথ শৰ্মাই ১৯০৫ চনত (১৬ ডিচেম্বৰ) কামৰূপ জিলাৰ সৰিহগাঁৱৰ সৰু পৰিয়াল এটাত জন্মগ্ৰহণ কৰে। তেওঁৰ পিতৃ কাশীনাথ শৰ্মা, মাতৃ উৰ্মিলা দেৱী। তেওঁ নিজ ঘৰতে বৰ্ণপৰিচয় শিকি পিছত বামুণকুছি প্ৰাইমেৰী স্কুলত ভৰ্তি হয়। সেই স্কুলৰ পৰাই তেওঁ সুখ্যাতিৰে তিনি টকীয়া জলপানী লৈ উত্তীৰ্ণ হয়। পিতাকৰ ইচ্ছাৰ বিৰুদ্ধে ইংৰাজী শিকে গোৰীপুৰৰ জমিদাৰৰ হাইস্কুলত। তেওঁ হাইস্কুলৰ দশমমান শ্ৰেণীতে "আউনীআটি গোস্বামী" স্বৰ্ণপদক লাভ কৰে আৰু ১৯২৬ চনত ইংৰাজী, অসমীয়া, সংস্কৃত আৰু গণিতত 'লেটাৰ' আৰু 'ষ্টাৰ' লৈ প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। সেই বছৰত ইংৰাজী আৰু অসমীয়াত তেৱেঁই আটাইতকৈ বেছি নম্বৰ পাইছিল আৰু কুৰি টকীয়া বৃত্তি এটা লাভ কৰিছিল। কিন্তু প্ৰশ্ন হল কুৰি টকাৰে কলেজীয়া শিক্ষা লাভ কৰে কেনেকৈ? শৈশৱৰ পৰা সংসাৰৰ পাকচক্ৰত জৰ্জৰিত হোৱা শৰ্মাদেৱে অপ্ৰত্যাশিতভাৱে লাভ কৰিলে কিছুমান উল্লেখযোগ্য সহায় সহানুভূতি যিয়ে মেৰুদণ্ড পোনাবলৈ সাৰ্থক কৰি তুলিলে। কটন কলেজৰ পৰা ইণ্টাৰ-মিডিয়েট পৰীক্ষাত ৰসায়ন, তৰ্কশাস্ত্ৰ আৰু অসমীয়াত শতকৰা ৮০% নম্বৰতকৈ বেচি পালে আৰু লাভ কৰিলে বিষ্ণুপ্ৰিয়া পুৰস্কাৰ। এই কৃতিত্বৰ বাবে তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা "ৰাম দুৰ্লভ স্বৰ্ণপদকো" লাভ কৰিলে।

শৰ্মাদেৱে বি-এ মহলাত ভৰ্তি হৈ আগৰ বিষয়বোৰ এৰি দি অৰ্থনীতিত অনাৰ্চ ললে। বি-এ ফাইনেল পৰীক্ষাৰ আগদিনা তেওঁৰ গাত বসন্তৰোগে দেখা দিলে। কলেজৰ অধ্যক্ষ ডঃ থমচনে পৰামৰ্শ দিলে যে এইবাৰ পৰীক্ষা দিব নালাগে; কিন্তু শৰ্মা-দেৱে অনাৰ্চ পৰীক্ষা নিদি পাছ কোৰ্ছ দি ডিষ্টিংচন লাভ কৰিলে।

ধন শিক্ষাৰ মূলবস্তু হলেও—সককালৰেপৰা হেজাৰ বিপদৰ মাজতো অপ্ৰত্যাশিতভাৱে সহায় লাভ কৰা শৰ্মাদেৱে এইবাৰো ধনৰ কাৰণে বিশেষ চিন্তা নকৰি কলিকতা বিশ্ববিদ্যালয়ত অৰ্থনীতি আৰু আইনৰ ছাত্ৰ হ'লগৈ। শ্ৰীদীননাথ শৰ্মাৰ দ্বাৰা সম্পাদিত 'আৱাহন'ৰ লগত শৰ্মা ঘনিষ্ঠভাৱে জড়িত হৈ পৰিল। আৱাহনত তেওঁ যি সোণালী স্বপ্ন ৰচিছিল সি কাৰ্যকাৰী নহল—ফলস্বৰূপে শৰ্মাক বহু বিপদে আগুৰি ধৰিলে। আৰ্থিক চিন্তাই জুৰুলা কৰিলে। গুৱাহাটীলৈ আহি অধ্যক্ষ ডঃ থমচন চাহাবক ক'লে। থমচন চাহাবে শৰ্মাৰ আহকাল দেখি নগদ তিনিশ টকা দি সহায় আগবঢ়ালে। আইনৰ পৰীক্ষা এটি দি প্ৰথম হল। এম-এ পঢ়া শেষ হ'ল; কিন্তু পৰীক্ষা দিয়া নহ'ল, শৰ্মাৰ ডিগ্ৰী লাভ নহল; হলেও তেওঁ বহুত অভিজ্ঞতা লাভ কৰিলে। সেয়ে পিছৰ জীৱনত মেৰুদণ্ড পোন কৰিবলৈ তেওঁক শক্তি দিলে।

১৯৩৩ চনত শৰ্মাই পাটাচাৰকুছি হাইস্কুল গঢ়াৰ সপোন দেখে। ৰাইজৰ পৰা তেওঁ অভূতপূৰ্ব সঁহাৰি পালে। পাটাছাৰকুছি বিদ্যাপীঠৰ জন্ম হ'ল। বজালী হাইস্কুলৰ ওচৰতে নতুনকৈ এখন হাইস্কুল গঢ়ি উঠাত ক্ষেইজনমান চকুচৰহা লোকে শৰ্মাৰ এই কাৰ্যৰ বিৰোধিতা কৰি স্কুল পৰিদৰ্শকক লগালে। পৰিদৰ্শকেও এই কাৰ্যৰ বিৰোধিতা কৰিলে। কিন্তু শৰ্মাদেৱৰ ঘনিষ্ঠ ব্যক্তি মুখ্যমন্ত্ৰী ছাৰ ছাদুল্লা চাহাবৰ পৰা পূৰ্ণ সমৰ্থন লাভ কৰিলে। তেওঁৰ মন্ত্ৰীসভা পতনত পুনৰ দুৰ্যোগ আৰম্ভ হ'ল। ডাইৰেক্টৰ স্মলচাহাবে বজালীৰ ওচৰতে স্থাপন কৰা পাটাছাৰকুছি বিদ্যাপীঠক মঞ্জুৰী দিয়া নহ'ব বুলি জনালে। শৰ্মাদেৱে অতি বিৰক্তিৰে কলে, 'চাহাব আপোনাৰ মূৰৰ ওপৰেদি গৈ কলিকতাৰ পৰা মঞ্জুৰী আনিলে আপুনি জানো ভাল পাব?" তেওঁ ভাবিছিল শৰ্মাদেৱ ব্যৰ্থ হব; কিন্তু জীৱনত কোনোদিনে পৰাজয় স্বীকাৰ নকৰা শৰ্মাদেৱে ১৯৩৯ চনত কলিকতা বিশ্ব-বিদ্যালয়ৰ পৰা মঞ্জুৰী আনিলে। ১৯৪০ চনত পাটা-ছাৰকুছি বিদ্যাপীঠ সাহায্যপ্ৰাপ্ত হাইস্কুল-ৰূপে স্বীকৃত হ'ল। ডাইৰেক্টৰ চাহাবে স্কুল পৰিদৰ্শন কৰিবলৈ আহি শৰ্মাৰ কাৰ্যক ভূয়সী প্ৰশংসা কৰিলে। স্কুলখনে পানী-কেচুৱা অৱস্থাৰপৰা কুচক্ৰান্তকাৰী লোক সকলৰ ষড়যন্ত্ৰত চেঁচাপানী ঢালি প্ৰশংসাৰ জয়ধ্বনি তুলি নতুন দিগন্তত অগ্ৰসৰ হ'ল। ১৯৬০ চনত ভাৰতবৰ্ষৰ কাৰ্য-দক্ষ শিক্ষকসকলৰ লগত হৰেন্দ্ৰ নাথ শৰ্মাদেৱেও বঁটা লাভ কৰিলে।

**সাহিত্য সেৱা :** শিশু সাহিত্যিক হিচাপে সুপৰিচিত শৰ্মা অসমীয়া পঢ়ুৱৈৰ মাজত জনপ্ৰিয়। হাইস্কুলৰ অষ্টম মান শ্ৰেণীত থাকোঁতেই 'পদ্মিনী' লিখি আৰ্থিক অনাটনত প্ৰকাশ কৰিব নোৱাৰি 'ভট্টাচাৰ্য এজেঞ্চি'ত মাত্ৰ কুৰি টকাত বিক্ৰী কৰে। তেওঁৰ 'ভীষ্ম', 'প্ৰহ্লাদ' বৰকটকী কোম্পানীত আৰু 'শিৱাজী' বৰুৱা এজেঞ্চিত সৰ্বস্বত্ত ত্যাগ কৰি বিক্ৰী কৰে। অৰ্থৰ অভাৱতেই শৰ্মাদেৱৰ লিখাৰ স্বভাৱটো কালক্ৰমত অভ্যাসত পৰিণত হ'ল আৰু অতি সোনকালেই পঢ়ুৱৈৰ মাজত তেওঁ সুপৰিচিত হৈ পৰিল। 'পখিলা' নামৰ শিশু আলো-চনী এখন তেওঁ সম্পাদনাও কৰিছিল। ১৯২৫ চনতে সূৰ্যপাহাৰ চাবলৈ গৈ এটি অতি উচ্চমানসম্পন্ন প্ৰবন্ধ 'চেতনা'ত প্ৰকাশ কৰিছিল। কটন কলেজত পঢ়ি থকা অৱস্থাতে 'অসমীয়া', 'চেতনা' আদিৰ সম্পাদক মণ্ডলীৰ লগত শৰ্মাৰ ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠাত পাৰিশ্ৰমিক হিচাপে ১৫।১৬ টকা লাভ কৰিব ধৰিলে। ফলত শৰ্মা-দেৱৰ আৰ্থিক অভাৱ দূৰ হোৱাৰ লগে লগে নিজৰ কৃতিত্বও বৃদ্ধি পাবলৈ ধৰিলে।

১৯২৭ চনত শৰ্মাই 'জোৱান ডাৰ্ক' লিখি উলিয়ায়। এই কিতাপখনেই শৰ্মাদেৱক অসমীয়া পাঠকৰ মাজত বিশেষ

ভাৱে পৰিচয় কৰি দিয়ে। 'কামাল পাছা' শৰ্মাদেৱৰ এক উৎকৃষ্ট জীৱনীগ্ৰন্থ। আজিও 'কামাল পাছা'ৰ জনপ্ৰিয়তাই নিসন্দেহে ইয়াৰ শ্ৰেষ্ঠতাকে প্ৰতিপন্ন কৰে। তেওঁ 'হেমকোষত' নথকা কিছুমান শব্দ, বাক্যাংশ, প্ৰবাদ-বচন সংগ্ৰহ কৰিছিল স্কুলীয়া অৱস্থাতে; পিছত সেই শব্দবোৰ শৰৎচন্দ্ৰ গোস্বামীৰ নেতৃত্বত গঢ়ি উঠা সাহিত্য সভাক দি দিয়ে। হৰেন্দ্ৰ নাথ শৰ্মাদেৱৰ জীৱনৰ কীৰ্তি-স্তম্ভ হ'ল — 'বচন ভঙ্গী' নামৰ অসমীয়া বাক্যাংশৰ পুথিখন। আজীৱন গাঁওতে বাসকৰা শৰ্মাদেৱে গাঁৱে গাঁৱে অনাদৃতহৈ পৰি থকা বচন ভঙ্গী, বাক্যাংশবোৰ সংগ্ৰহ কৰি এই অমূল্য গ্ৰন্থখন ৰচনা কৰে; মৃত্যুৰ আগলৈকে শৰ্মা ডাঙৰীয়াই প্ৰবাদ, প্ৰবচন, যোজনা আদি সংগ্ৰহ কৰি আছিল; কিন্তু নিঠুৰ কালে তেওঁৰ আশা পূৰণ হ'বলৈ নিদিলে।

শিশুসাহিত্যিক ৰূপে জনাজাত হৰেন্দ্ৰ নাথ শৰ্মাই 'শিৱাজী', 'সত্যসন্ধাৰ প্ৰথম খোজ', 'অশোক', 'চানক্যনীতি' আদিৰ উপৰিও স্কুলীয়া লৰা-ছোৱালীৰ উপযোগীকৈ ব্যাকৰণ, ৰচনা শিক্ষা আদি লিখি অসমীয়া সাহিত্যৰ এটি অঙ্গ পূৰণ কৰে। শৰ্মাদেৱৰ 'ব্যাকৰণ' প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰে অতি প্ৰিয়। ১৯৫৮ চনত 'অশোক', ১৯৬৭ চনত 'সময় বালিৰ খোজবোৰ' নামৰ পুথিৰ বাবে তেওঁ ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰে। 'ঈছপৰ সাধু' তেওঁৰ এখন যুক্তাক্ষৰ নোহোৱা সৰু লৰা-ছোৱালীৰ উপযোগী গল্পৰ পুথি। তেওঁৰ সদ্যপ্ৰকাশিত 'ৰত্নমালিকা' ৰত্নতকৈও মূল্যবান।

সকলো সময়তে শৰ্মাদেৱৰ গভীৰ বিশ্বাস আছিল। 'কৰ্মণ্যেবাধিকাৰস্তে মা ফলেষু কদাচন'। তেওঁ কৰ্তব্যৰ প্ৰতি কেতিয়াও অৱহেলা কৰা নাছিল। মানুহৰ জীৱনত দুৰ্যোগ আহে, মানুহ প্ৰতিকূল অৱস্থাৰ সন্মুখীন হয়; কিন্তু তাক জয় কৰিব পৰাটোহে ডাঙৰ কথা। শৰ্মা ডাঙৰীয়াইও জীৱনত হেজাৰ বিপদৰ সন্মুখীন হৈও অতি সহজে তাক জয় কৰি নিজকে অসামান্য ব্যক্তি-ৰূপে গঢ়ি তুলিছিল। ৺হৰেন্দ্ৰ নাথ শৰ্মাদেৱে ইচ্ছা কৰিলে ডাঙৰ চাকৰি লব পাৰিলেহেঁতেন; কিন্তু তাকে নকৰি শিক্ষকতা কৰি, দেশমাতৃৰ সেৱা কৰি গৈছিল। এনেহেন মহান শিক্ষাব্ৰতী, সাহিত্যসেৱক শৰ্মাদেৱ আমাৰ সকলোৰে চিৰনমস্য। জয়তু শৰ্মাদেৱ।


দুৰ্গাপূজা উপলক্ষে বাইজলৈ
আমাৰ হিয়াভৰা শুভেচ্ছা আৰু
আন্তৰিক সম্ভাষণ যাচিলোঁ।

শ্ৰীমহালক্ষ্মী মিলচ্

মহাত্মাগান্ধী ৰোড্
গুৱাহাটী-১ (অসম)
ফোন নং—৫০০২



*With best compliments of :*

**R. D. STORE**

READYMADE, WOOL, CLOTH MERCHANTS
TAILORS • DRAPERS

BABU BAZAR
GAUHATI-1 :: [ ASSAM ]

Head Office : Nowgoan


# অসমীয়া ব্যাকৰণৰ স্বৰূপ

ডঃ উপেন্দ্ৰনাথ গোস্বামী

কোনো জনসমষ্টিয়ে স্পষ্ট ধ্বনি-উচ্চাৰণৰ জৰিয়তে মনোভাৱ প্ৰকাশ কৰি পাৰস্পৰিক সহযোগিতা আৰু দৈনন্দিন জীৱনৰ কাৰ্য-পৰিচালনাৰ বাবে অৱলম্বন কৰা প্ৰণালীৰ নাম ভাষা। ভাষাৰ মূল ধ্বনি। এটা নাইবা অধিক ধ্বনিৰ সংযোগত একোটা অৰ্থ প্ৰকাশিত হ'লে হয় ৰূপ। এটা বা অধিক ৰূপৰ সংযোগ আৰু সেই-বোৰৰ পাৰস্পৰিক সম্পৰ্কৰ ফলত একোটা স্পষ্ট মনোভাৱ প্ৰকাশ পায়। এয়ে বাক্য। বাক্যৰ সমষ্টিয়ে সুদীৰ্ঘ মনো-ভাৱ ব্যক্ত কৰে। এইদৰে পাৰস্পৰিক সহযোগিতাৰ সৃষ্টি হয়। অৰ্থাৎ একোখন ঠাইৰ একোটা ভাষাই গঢ় লয়। এনেকৈ গঢ় লোৱা জগতৰ প্ৰত্যেক ভাষাৰ একোটা নিজস্ব শৃঙ্খলা আছে; প্ৰত্যেকৰে গঠন-পদ্ধতিৰ একোটা প্ৰণালী আছে। সেই প্ৰণালীৰ আৱিষ্কাৰৰ দ্বাৰা কোনো এটা ভাষাক সূক্ষ্মভাৱে তন্ন-তন্নকৈ আলো-চনা কৰিব পাৰি। কোনো এটা ভাষাৰ গঠন-পদ্ধতিৰ তন্ন-তন্ন বিচাৰেই সেই ভাষাৰ ব্যাকৰণ। আন কথাত কোনো এটা ভাষাৰ ব্যাকৰণ হ'ল সেই ভাষাটোৰ কথিত ৰূপৰ গঠন-পদ্ধতিৰ বিৱৰণ। এনে ব্যাকৰণক বৰ্ণনা-ত্মক ব্যাকৰণ বোলে। ভাষা এটাৰ লিখিত বা সাহিত্যিক ৰূপো থাকিব পাৰে; কিন্তু সেই সাহিত্যিক ৰূপৰো ব্যাখ্যা দিবলৈ হ'লে ভাষাটোৰ কথিত ৰূপৰ বিশ্লেষণৰ ব্যাখ্যা অপৰিহাৰ্য হৈ উঠে। উদাহৰণ স্বৰূপে অসমীয়া ব্যাকৰণবোৰত শব্দ-বিভক্তিৰ ক্ষেত্ৰত প্ৰথমা —এ বিভ-ক্তিৰ কথা কোৱা হৈছে। লেখোঁতে অসমীয়াত বাঘ্ আৰু পাৰ শব্দ দুটা একে ধৰণে লেখোঁ। অৰ্থাৎ বাঘ্ লেখোঁতে হলন্ত চিন নিদিওঁ। গতিকে বাঘ—এ যেনেকৈ বাঘে হয়, তেনেকৈ পাৰ—এ, পাৰে হ'ব লাগিছিল। কিন্তু পাৰ শব্দটো ব্যঞ্জনান্ত নহয়; স্বৰান্ত আৰু অকাৰান্ত। সেই হেতুকে প্ৰথমা বিভক্তি —এৰ ঠাইত —ই হ'লগৈ।

ভাষা এটাৰ সাহিত্যিক ৰূপত আন ভাষাৰ প্ৰভাৱো থাকিব পাৰে। তেনে প্ৰভাৱ যদি বেছি হয়, তেনেহ'লে তাৰো সুকীয়া বিৱৰণ দাঙি ধৰাটো দৰ্কাৰ। অসমীয়া ভাষাত অনেক সংস্কৃতীয়া প্ৰয়োগ চলি আছে। সেই-বোৰৰ সম্যক জ্ঞান জন্মিবলৈ হ'লে অসমীয়া ভাষাৰ গঠন-পদ্ধতিৰ বিশ্লেষণৰ লগতে সুকীয়া খণ্ড হিচাপে হলেও বিশেষকৈ সংস্কৃতৰ সন্ধি, কৃৎ-তদ্ধিত-স্ত্ৰী প্ৰত্যয়, ষত্ব-ণত্ববিধি, সংখ্যাবাচক শব্দ, উপসৰ্গ আদিৰ যিবোৰ অসমীয়া ভাষাত প্ৰায়ে ব্যৱহাৰ হৈ থাকে সেইবোৰৰ আলোচনা থকাটো অতীৱ বাঞ্ছনীয়। এইখিনিতে বিশেষকৈ ষত্ব-ণত্ববিধিৰ কথাটো উল্লেখযোগ্য। অসমীয়াৰ বৰ্ণনাত্মক ব্যাকৰণত অৰ্থাৎ কথিত ৰূপৰ বিশ্লেষণত ষত্ব-ণত্বৰ আলোচনাৰ স্থান নাই। কিয়নো অসমীয়া দন্ত্য-মূৰ্ধন্য ধ্বনিৰ উচ্চাৰণৰ পিনৰ পৰা কোনো পাৰ্থক্য নাই। কিন্তু অসমীয়া লেখোঁতে এইবোৰক বাদ দিবৰ উপায় নাই।

ইপিনে অসমীয়া ভাষাৰ বৰ্তমানৰ কথিত ৰূপটোৰ

এটা ইতিহাস আছে। অসমীয়া ভাষাই প্ৰাচীন কালৰ পৰা বিভিন্ন স্তৰৰ মাজেৰে বিকশিত হৈ কেনেকৈ বৰ্তমানৰ ৰূপটো পালেহি তাৰ বিৱৰণেই হ'ল অসমীয়া ভাষাৰ ঐতিহাসিক ব্যাকৰণ। উদাহৰণ স্বৰূপে বৰ্তমানৰ অসমীয়াত ব্যৱহাৰ হোৱা চতুৰ্থী বিভক্তি —লৈ ৰূপটোকে ল'ব পাৰোঁ। পুৰণি অসমীয়াত লাগি, লাই, লই আদি ৰূপ পোৱা যায়। চৰ্যাপদত লাগি, লই এই দুটা ৰূপ আছে। উপভাষাত লেগি, গেলি ৰূপ পোৱা যায়। পুৰণি অসমীয়াৰ লাগিৰ পৰা লাই, লই হৈ বৰ্তমানৰ —লৈ হ'লগৈ। আকৌ লাগিৰ পূৰ্ণৰূপটো পাবলৈ হ'লে সংস্কৃতৰ লগ্ন, প্ৰাকৃতৰ লগ্গ তাৰ পাছত লাগ আদি ৰূপৰ আলোচনা কৰিব লাগিব। অসমীয়া ভাষাৰ আদি উৎস সংস্কৃত আৰু পৰৱৰ্তী পৰিবৰ্তন প্ৰাকৃত আদিত ৰূপবোৰৰ কেনে ধৰণৰ পৰিৱৰ্তন হৈছে আদি কথাক লৈ লেখা ব্যাকৰণখন হ'ব তুলনাত্মক ব্যাকৰণ।

গতিকে দেখা গ'ল যে অসমীয়া ভাষাৰ ব্যাকৰণ বুলিলে কথিত ভাষাৰ গঠন-পদ্ধতি দেখুৱাই ৰচনা কৰা এখন কথিত ভাষাৰ বৰ্ণনাত্মক ব্যাকৰণ (ইয়াত কথিত শব্দৰ দ্বাৰা মান্যভাষাৰ কথিত ৰূপক বুজোৱা হৈছে), কথিত ভাষাৰে সৈতে লিখিত ভাষাৰ পাৰ্থক্যসূচক আৰু সংস্কৃতীয়া প্ৰয়োগৰ বিশ্লেষণ-সন্নিৱিষ্ট লিখিত ভাষাৰ ব্যাকৰণ, অসমীয়া ভাষাৰ প্ৰাচীন কালৰ ৰূপৰ পৰা আধুনিক ৰূপ পোৱা আৰু অসমীয়া ভাষাৰ মূল উৎস সংস্কৃত আৰু তাৰ পৰিবৰ্তিত ৰূপ পালি, প্ৰাকৃত আদি ভাষাৰে সৈতে সম্বন্ধিত ৰূপৰ বিৱৰণ সহ ঐতিহাসিক আৰু তুলনাত্মক ব্যাকৰণ—এই তিনি ধৰণৰ ব্যাকৰণৰ আৱশ্যক। অসমীয়া ভাষাৰ ঐতিহাসিক আৰু তুলনাত্মক ব্যাকৰণত সংস্কৃতৰ উপৰি আন জনজাতীয় ভাষা, আৰবী, পাৰছী, হিন্দী, ইংৰাজী আদি ভাষাৰে সৈতে থকা সম্পৰ্কও বিবেচিত হ'ব।

অসমীয়া ভাষাৰ বৰ্ণনাত্মক ব্যাকৰণখনত প্ৰথমতে অসমীয়া ধ্বনি সম্পৰ্কে আলোচনাৰ দৰকাৰ। অসমীয়াত সৰ্বমুঠ ঊনত্ৰিশটা বিশিষ্ট ধ্বনি আছে। এইবোৰৰ আঠোটা স্বৰ আৰু একৈশটা ব্যঞ্জন। অসমীয়াত হ্ৰস্ব আৰু দীৰ্ঘ স্বৰৰ ভিতৰত পাৰ্থক্য নাই। গতিকে দৈৰ্ঘ্য অসমীয়া ভাষাত বিশিষ্টধ্বনি নহয়। স্বৰৰ অনুনাসিকতা হ'লে বিশিষ্টধ্বনি; যেনে, কাহ আৰু কাঁহ। অসমীয়াত কিছুমান দ্বিস্বৰধ্বনি আছে। য় আৰু ৱ অসমীয়াত অৰ্দ্ধস্বৰ বা শ্ৰুতিধ্বনিহে। লেখোঁতে সংস্কৃত বৰ্ণমালাৰ অনুকৰণত বহুতো বৰ্ণ ব্যৱহাৰ কৰা হয় যদিও সেই আটাইবোৰৰ ধ্বনি-গুণ অসমীয়াত নাই। সংস্কৃতৰ ষ্ম অসমীয়াত বি ৰূপেহে উচ্চাৰিত হয়। অসমীয়াত এ, এ' এই বিশিষ্ট ধ্বনি দুটা বুজাবলৈ বেলেগ বৰ্ণ বা আখৰ নাই। দুয়োটাকে এ আখৰেৰে লেখা হয়; যেনে, স্থলৰ বেল পৰে: গছৰ পৰা বে'ল সৰে।

ধ্বনিৰ পাছত ধ্বনি-সংযোগৰ আলোচনা বা ভাষা এটাৰ ৰূপ-গঠনৰ আলোচনা। কোনো ধ্বনি বা ধ্বনি-সংযোগে স্বাধীনভাৱে কোনো অৰ্থ প্ৰকাশ কৰিলে সেইটো মুক্তৰূপ আৰু কোনো ধ্বনি বা ধ্বনি-সংযোগে স্বাধীনভাৱে অৰ্থ প্ৰকাশ নকৰি স্বাধীন ৰূপৰ লগত যোগ হৈ অৰ্থ প্ৰকাশ কৰিলে সেইটোক যুক্তৰূপ বোলা হয়। অসমীয়া ঘৰটো এই শব্দটোৰ ঘৰ হ'ল মুক্তৰূপ আৰু টো হ'ল যুক্তৰূপ। অসমীয়া ভাষাৰ মুক্তৰূপ আৰু যুক্তৰূপৰ সংযোগৰ ক্ষেত্ৰত অৰ্থাৎ অসমীয়া ভাষাৰ ৰূপ-গঠনত বিশেষকৈ চাৰিটা কথা মন কৰিব লগীয়া। এনে ধৰণেও ক'ব পাৰি যে এইকেইটাৰ দ্বাৰাই অসমীয়া ভাষাৰ ৰূপ-গঠন পদ্ধতি নিয়ন্ত্ৰিত হৈছে। এই নীতিকেইটা হ'ল: স্বৰসঙ্গতি, তিৰ্যকৰূপ, ধ্বনিসাপেক্ষতা আৰু ৰূপসাপেক্ষতা। পৰৱৰ্তী অক্ষৰত থকা উচ্চ স্বৰধ্বনিৰ প্ৰভাৱত পূৰ্বৱৰ্তী অক্ষৰত থকা নিম্ন স্বৰধ্বনিৰ উচ্চ স্বৰধ্বনিলৈ হোৱা পৰিৱৰ্তনৰ নাম স্বৰসঙ্গতি; যেনে, বে'তা (বেটা) কিন্তু বেতি (বেটী); ঘৰ, কিন্তু ঘৰ্—উআ, ঘ'ৰুআ (ঘৰুৱা)। কোনো মুক্তৰূপৰ পাছত কোনো যুক্তৰূপ লগ লাগিলে মুক্তৰূপৰ আগৰ ধ্বনি বা ধ্বনি-সংযোগৰ পৰিৱৰ্তনক মুক্তৰূপটোৰ তিৰ্যকৰূপ

( ৪৬ পৃষ্ঠাত চাওক )

# অসমত তুলসীদাস আৰু শ্ৰীকান্ত কবি *

শ্ৰীযজ্ঞেশ্বৰ শৰ্মা

অসমৰ প্ৰসিদ্ধ কবি হিতেশ্বৰ বৰবৰুৱাই এখন সাঁচিপতীয়া পুথিৰ নকল নিজহাতে ইং ১৯২১ চনতে কৰে। সেই পুথি তুলসীদাসী হিন্দী ৰামায়ণৰ লঙ্কাকাণ্ডৰ অসমীয়া পদ্য-অনুবাদ। অসমীয়ালৈ ভাঙনি কৰোঁতা সেই কবিজন আছিল শ্ৰীকান্তসূৰ্যবিপ্ৰ। তেওঁ নিজকে বেলেগ বেলেগ পদৰ ভণিতাত শ্ৰীকান্ত, শ্ৰীকান্ত মূঢ়, শ্ৰীকান্ত বিপ্ৰ, শ্ৰীকান্তসূৰ্যবিপ্ৰ বুলি চিনাকি দিছে। আহোম ৰাজত্বৰ শেহৰ ভাগত ৰাজত্ব কৰা কমলেশ্বৰ সিংহৰ দিনত তেওঁৰ বিচক্ষণ মন্ত্ৰী পিতৃ বুঢ়াগোহাঁই পূৰ্ণানন্দৰ পৃষ্ঠপোষকতাত গ্ৰন্থকাৰে এই পুথি অসমীয়া পদলৈ অনুবাদ কৰে। মূল পুথিখন যোৰহাট অঞ্চলৰ কোনো মানুহৰ হাতত আছে। কবিজনৰ আঁতিগুৰিৰ বিষয়ে অনুসন্ধান কৰি আমি এতিয়ালৈকে সঠিক বিৱৰণ পাব পৰা নাই। তেওঁ যোৰহাট অঞ্চলৰে লোক হব পাৰে।

হিন্দী সাহিত্যৰ লগত অসমৰ সংযোগ কেনেকৈ হ'ল সেই বিষয়ে কোনেও অনুসন্ধান কৰা নাই। আহোম ৰাজত্বকালত বুদ্ধিমন্ত পণ্ডিত থাওন্দসকলে অসমৰ বাহিৰত ভ্ৰমণ কৰি থাকোঁতে নিশ্চয় হিন্দী কাব্যৰ সোৱাদ অসমলৈ আনিবলৈ চেষ্টা কৰিছিল। অসমৰ বাহিৰৰ পৰা অহা সঙ্গীত আৰু বাদ্যযন্ত্ৰৰ প্ৰচলনৰ কথা বুৰঞ্জীত পাওঁ। হিন্দী সাহিত্যৰ প্ৰচলনৰ কথাহে বুৰঞ্জীত উল্লেখ নাই। থাওন্দ আৰু কটকীসকলে ইয়াৰ কাৰণে কি কৰিছিল, তাকো সঠিককৈ ক'বৰ উপায় নাই। মোৱামৰীয়া বিদ্ৰোহৰ কালত কেপ্তেইন্ ৱেল্‌ছৰ লগত অহা হিন্দুস্থানী চিপাহী আৰু সামৰিক বিষয়াসকলেও তুলসীদাসী ৰামায়ণ অসমত প্ৰচাৰ কৰিব পাৰে। আহোম ৰজাসকলে আৰু তেখেতসকলৰ বিষয়াসকলেও অসমীয়া সাহিত্যৰ পৃষ্ঠপোষকতা কৰি আহিছিল। তেওঁলোকৰ ৰাজসভাত ৰাজকবিও আছিল। তুলসীদাসী হিন্দী ৰামায়ণৰ অনুবাদো সেই পৃষ্ঠপোষকতাৰে ফল হব পাৰে।

ৰজা কমলেশ্বৰ সিংহ আৰু মন্ত্ৰী পূৰ্ণানন্দৰ দিনত শ্ৰীকান্ত সূৰ্যবিপ্ৰই অনুবাদ কৰিছিল যেতিয়া সেই সাহিত্য-কৰ্ম অষ্টাদশ শতিকাৰ শেহত অথবা ঊনবিংশ শতিকাৰ প্ৰথমতেই হ'ব লাগিব।

সেই পুথিৰপৰা দুই এটা নমুনা তুলি দিয়া হ'ল। কমলেশ্বৰ সিংহৰ প্ৰশাস্তিৰে আৰম্ভ।

জয়তি কমলেশ্বৰ সিংহ মহাৰাজ।
যাৰ কীৰ্তি ইন্দু ৰাজে পৃথিবীৰ মাজ ॥
গহীন গম্ভীৰ ইটো সুকুমাৰ তনু।
ভ্ৰূযুগ প্ৰকাশয় যেন কামধনু ॥
নীল আকুঞ্চিত কেশ গৌৰবৰ্ণ কায়।
ভূষণে মণ্ডিত যেন মহেন্দ্ৰ পৰায় ॥
জলদগম্ভীৰ ধ্বনি বাক্যামৃত বৃষ্টি।
অমাত্য চাতকে ৰাখি থাকে উৰ্দ্ধদৃষ্টি।

* এই সম্বন্ধে যোৰহাট জগন্নাথ বৰুৱা কলেজৰ অধ্যাপিকা কেশদা মহন্তই আলোচনা কৰিছে।

মহামন্ত্ৰী পূৰ্ণানন্দৰ কথা—

তান মহামন্ত্ৰী পূৰ্ণানন্দ মহাধীৰ।
বুঢ়াগোহাই পাত্ৰস্থিত পৰম সুস্থিৰ ॥
মহামন্ত্ৰী কুলে জন্মি প্ৰবীণতা ভৈল।
ৰাজমন্ত্ৰী হুয়া তেহে প্ৰকাশিয়া ৰৈল ॥
অগাধ জলত মগ্ন নৌকা বিতোপন।
যেন কোনো সুবুদ্ধে কৰিলা উত্তাৰণ ॥
যেন মতে ভগ্নৰাজ্য কৰিলা বিচাৰ।
বুদ্ধি বলে ইটো দেশ কৰিলা উদ্ধাৰ ॥

কবি তুলসীদাসৰ কথা কৈছে—

ভকতো উত্তম ৰামচৰণৰ দাস।
তুলসীদাস যে নাম জগতে প্ৰকাশ ॥
পশ্চিমা ভাষায়ে সিটো গ্ৰন্থ ৰামায়ণ।
নানা ছন্দে প্ৰযত্নে কৰিলা বিৰচণ ॥
তান ভাষাকৃত লঙ্কাকাণ্ড ৰামায়ণ।
পদবন্ধে নিবন্ধিলা কৰিয়া যতন ॥

শ্ৰীকান্তসূৰ্যবিপ্ৰৰ ৰচনাৰ নমুনা—

শুকতুণ্ড নিন্দি শোভে নাসিকা সুন্দৰ।
থকিত আছন্ত কবি নাহি পটন্তৰ ॥
যেন মৃগী দীপ দেখি ধঁটা শব্দে ধায়।
সেহি মতে চতুৰ্দশ নাৰী খেদি যায় ॥

( ৪৪ পৃষ্ঠাৰ পিছৰ পৰা )

বোলা হয়; যেনে, চোৰ কিন্তু চুৰু-নি ( চুৰুনী ); ধোবা, কিন্তু ধুবু-নি ( ধুবুনী ); মানুহ, কিন্তু মানুহ-ক। ইয়াত চোৰৰ ঠাইত চুৰু, ধোবাৰ ঠাইত ধুবু, ব্যঞ্জনান্ত মানুহ ৰূপৰ ঠাইত স্বৰান্ত মানুহ আদি তিৰ্যকৰূপ।

কেতিয়াবা কোনো এটা যুক্তৰূপ মুক্তৰূপটোৰ অন্ত্য ধ্বনি অনুযায়ী পৰিৱৰ্তিত হোৱা দেখা যায়। ইয়াৰ নাম ধ্বনি সাপেক্ষতা। অসমীয়াৰ প্ৰথমা বিভক্তি —এ। কিন্তু মুক্তৰূপটো অকাৰান্ত নাইবা আকাৰান্ত হ'লে —এ, —ই হয়; যেনে, মানুহ্, মানুহে; বাঘ্, বাঘে; কিন্তু ল'ৰা, ল'ৰাই; গাধ, গাধই। সেইদৰে স্বৰান্ত ধাতুৰ ভৱিষ্যত কালৰ ক্ৰিয়া বিভক্তি—ম,—বি,—বা, ব। কিন্তু ধাতুটো ব্যঞ্জনান্ত হ'লে প্ৰত্যেকৰে আগত ই—আগম হয়; যেনে, খা—ম; কিন্তু ধৰ্—ই—ম, ধৰিম। কিছুমান যুক্তৰূপ আকৌ ৰূপসাপেক্ষ। অৰ্থাৎ কিছুমান যুক্তৰূপ কিছুমান যুক্তৰূপৰ পাছতহে লগ লাগে। উদাহৰণ স্বৰূপে অসমীয়া ভাষাৰ বিশেষত্বসূচক নিৰ্দিষ্ট-বাচক প্ৰত্যয়বোৰৰ কথাকে উল্লেখ কৰিব পাৰি: হাত-খন, কাণখন, চকীখন, কলমটো, পেন্সিলডাল, হাতীটো, মাখীটো। দৰাছলতে হাতৰ লগত চকীৰ কোনো সম্বন্ধ নাই, হাতীৰ লগতো মাখীৰ কোনো সাদৃশ্য নাই। অৰ্থাৎ এই প্ৰত্যয়বোৰ কিছুমান বিশেষ ৰূপৰ পাছতহে যোগ হয়। এয়ে ৰূপসাপেক্ষতা।

এতিয়া এইটো স্পষ্টৰূপে দেখা গ'ল যে অসমীয়া ভাষাৰ গঠন-পদ্ধতি বা ৰূপতত্বক স্পষ্টভাৱে খণ্ড-খণ্ডকৈ বিশ্লেষণ কৰি দেখুৱাব পাৰি; অসমীয়া কথিত ভাষাৰ এখন বৰ্ণনাত্মক ব্যাকৰণ ৰচনা কৰিব পাৰি। এই ব্যাকৰণখনৰ পৰা অনা-অসমীয়াই অসমীয়া শিকোঁতে আনকি অসমীয়াসকলেও মান্যভাষাটো আয়ত্ত কৰোঁতে যথেষ্টৰূপে উপকৃত হ'ব। এই বৰ্ণনাত্মক ব্যাকৰণৰ ওপৰত ভিত্তি কৰি অসমীয়া লিখিত ভাষাৰ ব্যাকৰণ ৰচিত হ'ব। তাৰ পাছত ঐতিহাসিক আৰু তুলনাত্মক ব্যাকৰণ ৰচনা কৰিব পৰা যাব। পাঠ্যক্ৰমৰ সন্দৰ্ভত অসমীয়া বৰ্ণনাত্মক ব্যাকৰণখন অষ্টম মানলৈকে চলাব পাৰি (প্ৰাথমিক স্তৰত কোনো ব্যাকৰণ পাঠ্য-পুথি হিচাপে দিয়াৰ আৱশ্যকতা নাই)। নৱম-দশম মান শ্ৰেণীত লিখিত অসমীয়া ভাষাৰ ব্যাকৰণ আৰু মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় শ্ৰেণীত ঐতিহাসিক আৰু তুলনাত্মক ব্যাকৰণৰ অধ্যয়নৰ ব্যৱস্থা হ'ব লাগিব।

## অনূদিত গল্প

# ॥ ইচ্ছা, চেষ্টা আৰু বাস্তৱতা ॥

মূল লিখক: জন ও হাৰা
অনুবাদক: শ্ৰীবিপ্লৱ বৰুৱা

[ জন ও হাৰা ( John O' Hara) মাৰ্কিন সাহিত্যিকসকলৰ ভিতৰত এই বুলিয়েই প্ৰধান যে তেওঁৰ নিচিনাকৈ চমু অথচ সংবেদনশীলতাৰে সমাজৰ বাস্তৱতাক ( social verisimilitude ) আৰু কোনো সাহিত্যিকে দাঙি ধৰিব পৰা নাই। মানুহে জীৱনত দেখে কিবা, কিন্তু বিচাৰে অন্য কিবা; কৰ খোজে কিবা, কৰলগীয়া হয় কিবা; কৰে কিবা, কিন্তু কৰিব খোজে আন কিবা এটা। এইদৰে বাস্তৱতাৰ মাজত ব্যঙ্গ ব্যঙ্গ লগা মানুহৰ জীৱনৰ নগ্নৰূপটো দাঙি ধৰাত ও হাৰা সিদ্ধহস্ত। জীৱনৰ তথা সমাজৰ সূক্ষ্মতম বিন্দুটোৰ ওপৰতো নজৰ নেপেলোৱাকৈ নথকা আমেৰিকান লিখক জন ও হাৰা। আমেৰিকাৰ সমাজত চিৰবৰ্তমান বিভেদতাৰ মাজত প্ৰহসন যেন লগা জীৱনক এটা ইউনিফৰ্ম ৰূপ প্ৰদান কৰাটোৱে তেওঁৰ বিশেষত্ব। সেয়েহে তেওঁৰ চৰিত্ৰসমূহ এটা ফৰ্মাত তৈয়াৰী কাৰখানাৰ বস্তু যেন লাগে।

চুটি গল্পসমূহৰ উপৰিও ও' হাৰৰ বিখ্যাত উপন্যাসবোৰ হ'ল—'এপইণ্টমেণ্ট ইন চামাৰা,' 'টেন নৰ্থ ফ্ৰেদেৰিক্,' 'এৰেঞ্জটুলিভ,' 'পল জো,' 'বাটাৰ ফিল্ড,' ইত্যাদি। 'ইচ্ছা, চেষ্টা আৰু বাস্তৱতা' বোলা গল্পটি ও' হাৰাৰ A Respectable Place. নামৰ গল্পৰ অসমীয়া ৰূপান্তৰ।—অনুবাদ ]

মতি বৰা বুঢ়া হৈ আহিছিল। অইন নহলেও বুঢ়া হোৱাৰ বাবেই হোটেলখন তেওঁ ভাল বা ভদ্ৰ হোটেল কৰিবলৈ বিচাৰিছিল। সেয়েহে ৰাতি দহবজাৰ পিছত নাচ-গানৰ আচৰ বন্ধ কৰি হোটেল বন্ধ কৰা জাননীখন দুৱাৰত ওলোমাই ৰাখিছিল। অৱশ্যে শনিবাৰৰ কথা সুকীয়া আছিল। আগেয়ে মতি বৰাৰ হোটেলত চাহ-ভাতৰ উপৰিও নাচ-গানৰ লগতে আৰু কিবা কিবি নিষিদ্ধ বস্তু পোৱা গৈছিল; বৃহস্পতিবাৰে প্ৰায়ে চিনেমা-থিয়েটাৰ চাই আহি পুৰুষ-মহিলা হোটেল ভৰি পৰিছিল। সেই কাৰণে চাহ-ভাতৰ বিক্ৰীয়েই হৈছিল ভাল। কিন্তু শনিবাৰবোৰত জেপত পিষ্টল ৰখা বা জেপৰ পৰা মাৰাত্মক চুৰিকটাৰী লগত ৰখা উতনুৱা ডেকা দল কেইটামানে আহি কেৱল বিচাৰিছিল মাংস, হুইস্কি, ৰাম অথবা কাকিয়াদ। সিহঁতে হোটেলখনৰেই দুৰ্নাম আনিছিল। মতি বৰাই সিহঁতক অসন্তুষ্ট কৰিব পৰা নাছিল, সেয়ে সিহঁতে সহায় নকৰিলে হোটেল নিৰাপদে ৰখা টান। কাৰণ অকলে তেওঁ হোটেলত থাকে। গতিকে নিজক ৰক্ষা কৰিবলৈকে অনিচ্ছা সত্ত্বেও তেওঁ সিহঁতৰ আলপৈচান ধৰি আহিছিল।

সোমবাৰৰ সন্ধিয়া এটাৰ কথা। হোটেলৰ বিক্ৰী

ৰৰ ভাল নাছিল। ৰবাই 'জনমভূমি'খনৰ পাত লুটিয়াই লুটিয়াই বেৰত ওলোমাই ৰখা ঘড়ীটোলৈ নিৰীক্ষণ কৰি আছিল দহনো বাজে কেতিয়া আৰু ঘনেৰে বহি থকা গ্ৰাহক কেইজন সোনকালে উঠি যোৱাটো বাঞ্ছা কৰিছিল। গতিকে ৰাধা মণ্ডল আহি যেতিয়া উপস্থিত হৈছিল মুখ ফুটাই একো নকলেও অন্তৰেৰে মুঠেই ভাল পোৱা নাছিল। ৰাধামণ্ডল সদায় অহা গ্ৰাহক নহয়। তাৰ নগৰখনৰ কেবাখনো হোটেল ৰেষ্টুৰেণ্টত গৈ বহা অভ্যাস আছে। এই ফালে আহিলে কেতিয়াবা কেতিয়াবা মতিৰামৰ ইয়াতো বহেহি।

ৰাধা মণ্ডল ডাঙৰ দীঘল ভয় লগা চেহেৰাৰ মানুহ। প্ৰকৃতিও দুৰ্দান্ত। স্কুলত থাকোঁতে ফুটবল খেলিছিল। ফুটবলৰ প্ৰশিক্ষণ লবলৈ পাটিয়ালাৰ অনুষ্ঠানতো যোগ দিছিল; কিন্তু দুখৰ বিষয় খেলাধূলাৰ বাপলৈ যোগদান কৰা শিক্ষাৰ্থীবোৰক অনুষ্ঠানে প্ৰকৃত খেলুৱৈ কৰি কৰি পঠিয়াব পৰা নাছিল। ৰাধা মণ্ডলে দিল্লী, কলিকতা, মাদ্ৰাজ আদিত খেল খেলাৰ সুযোগ পাইছিল কলেজত থাকোঁতে। কলেজত সি ছবছৰ পঢ়িছিল যদিও বি.এ. হলে পাছ কৰিব পৰা নাছিল। মোহনবাগান, ইষ্টবেঙ্গল আদি ডাঙৰ ডাঙৰ টিমৰ লগত যোগদান কৰাৰ চেষ্টা কৰিছিল যদিও মণ্ডলে পুৰা গধূলি নিতৌ প্ৰেক্‌টিছ কৰাৰ সুযোগ নপোৱাত খেলিব পৰা নাছিল। গতিকে নগৰখনলৈ অহা টিমবোৰৰ বিৰুদ্ধে খেলাৰ সুযোগত বাহিৰে ডাঙৰ দল এটাতো স্থান পোৱা নাছিল। প্ৰায়ে মণ্ডলে ৰেলষ্টেছনৰ ওচৰৰ ৰেষ্টুৰেণ্টখনত বহি চাহপানী বা কফি একাপ আগত লৈ আড্ডা দিছিল। সেয়েহে মানুহে সিনো কি কাম কৰি খায় জানিব বিচাৰিছিল। বন্ধু-বান্ধৱে মাক-বাপেকক এই বিষয়ে প্ৰশ্ন কৰিলে সি মটৰ গাড়ীৰ ব্যৱসায় কৰে বুলি জানিবলৈ দিছিল। অৱশ্যে কোনোবাই গাড়ী বেচাকিনা কৰিলে সি সহায় কৰি নিদিয়া নহয় আৰু তাৰ বাবে কিবা অলপ কমিছনো পাইছিল। পিছে সি 'বম্' দিছিল অধিক।

হঠাতে এদিন ৰাধামণ্ডলক পুলিচৰ পোচাক পিন্ধি বহল বহল পেটি মাৰি কাষত পিষ্টল ওলোমাই লৈ হাতত নোটবুক পেঞ্চিল সহ, যোগমায়া কেবিনৰ সমুখত থিয় হৈ চাৰি আলিত যানবাহন নিয়ন্ত্ৰণ কৰা দেখা গৈছিল। তেওঁক বোলে কিবা ট্ৰেফিক ইন্‌চপেক্‌টৰ পাতিছিল। সেয়া অৱশ্যে তাৰ মহাক চৌধুৰীৰ কাৰ্য আছিল। কাৰণ, চৌধুৰী তেতিয়া আছিল যানবাহনৰ মন্ত্ৰী। এই নতুন চাকৰিটোৱে স্বাভাৱিকতে ৰাধামণ্ডলৰ ভালেখিনি পৰিবৰ্তন আনিছিল। তাৰ বন্ধুৰ সংখ্যা কমিছিল আৰু পেটত চৰ্বি জমা হৈছিল।

সোমবাৰৰ সেই নিশাটোৰ নিচিনাকৈ সি কেতিয়াবা কেতিয়াবা মদ খাই নগৰখনত ঘূৰি ফুৰিছিল। মতিবাবুৰ হোটেললৈ নিচা-খৰা অৱস্থাত সঁচৰাচৰ সি অহা নাছিল; কিন্তু সেই নিশা পাতল মুগাৰঙী চুট এজোৰ পিন্ধি সি হাজিৰ হৈছিল। দেখাত তাক নিচাত বিভোৰ হৈ থকা যেন নালাগিলেও মতিৰামে জানিছিল যে সি নিচা খাই আহিছিল। কাৰণ এক পেগেই হওক বা অধিক পেগেই হওক ফটিকাৰ ক্ৰিয়া তাৰ ওপৰত একেই আছিল। সি মতিৰামক কৈছিল, "ৰাম আৰু এবটল চ'ডা দিয়া"। মতিৰামেই সেইমতে ৰামৰ বটল, চ'ডা আৰু গিলাচ এটা তাৰ আগত নি ৰাখিছিল। ৰাধা মণ্ডলে লগে লগে মদ বাকি নলৈ মেজত ধৰি থিয় হৈছিল আৰু ৰগৰ কৰাৰ দৰে মিচিকিয়াই হাঁহি এটা মাৰি তাৰ ৰিভলভাৰটো উলিয়াই লৈছিল। সি বেৰেলডাল মতিৰামৰ মুখত সুমুৱাই দি লিপ্‌লিপি ভাল টানিছিল। অৱশ্যে সাংঘাটিক কিবা এটা ঘটি যোৱা নাছিল, কেৱল ঘটনাটো দেখি থকা উপস্থিত গ্ৰাহকৰ মাজৰ তিৰোতা এগৰাকী মূৰ্চ্ছা গৈছিল। মতিৰামে জানিছিল এইটো এটা বুঢ়া সৈনিকৰ খেলা বুলি। বাৰ্টেনডাৰেও সদায়ে প্ৰথমটো গুলী চেম্বাৰত নাৰাখিছিল। গতিকে প্ৰথম ফায়াৰিং সদায়ে মিছা হৈছিল। মতিৰামে ভয় নকৰাত মণ্ডলে ভাল পোৱা নাছিল। সি কৈছিল "বাঃ ইমান সাহস নে? গুলি নথকা বুলি ভাবিছা



নহয় চা বাৰু"। এই বুলি সি পাচ জাঁই গুলী মাৰি দেখুৱাইছিল। তাৰে দুই জাঁই গুলীয়ে দোকানৰ ডাঙৰ আইনা কেইখন ভাঙিছিল আৰু বাকী কেইজাঁই কত গৈ লাগিছিল সেইফালে লক্ষ্য নকৰি মতিবাবু টেবিলৰ তলত পেট পেলাই শুই পৰি অপেক্ষা কৰিছিল। ৰাধা মণ্ডলে চিঞৰি মাতিছিল, "এই চালা কুকুৰৰ বেটা বেথিলিনে?" আৰু ৰামৰ বটলটো শাৰী শাৰীকৈ সজাই ৰখা বটলবোৰৰ ওপৰত মাৰি দি তেওঁ ওলাই গুচি গৈছিল।

শ্ৰীমতী দত্ত অৰ্থাৎ মূৰ্চ্ছা যোৱা তিৰোতা গৰাকী গুলী কেইজাঁই যোৱাৰ পিছত সংজ্ঞা ঘূৰাই পাইছিল। তেওঁৰ গিৰিয়েকে চিঞৰি কৈছিল, "এইবোৰ উঠাওক, মতিবাবু, আমি আহিলোঁ।

"সি আৰু নাহে বৰ, আপোনালোক নাযাব," মতিৰামে কৈছিল। "সি আৰু কেতিয়াও ইয়ালৈ নাহে আপোনালোক নাযাব।" সকলো মানুহ গুচি গৈছিল আৰু হোটেলৰ ক্ষয়ক্ষতি নিৰ্ণয় কৰিবলৈ মতিবাবু অকলশৰীয়া হৈ পৰিছিল। তেওঁ হোটেলখন মেৰামতি কৰিবলৈ বহু টকাৰ দৰ্কাৰ হ'ব বুলি বুজিব পাৰিছিল। সেয়েহে পুলিচ আহি ৰিপোৰ্ট এটা কৰি নিয়ালৈকে বাট চাইছিল।

অলপ পিছতে পুলিচ পাৰ্টি এটা আহি উপস্থিত হৈছিল। পাৰ্টিটোত লামা বুলি তেওঁৰ চিনাকি পুলিচ এজনো আছিল। লামাই কৈছিল, "আমি বৰ দুখ পাইছো, মতিবাবু। আমি তাক হাজোতত ৰাখিছো। পুৱালৈ ও. চি. অথবা অন্য কোনোবা এজন আহি চাই যাবহি।"

মতিবাবুৰ হোটেল চাবলৈ পিছদিনা পুৱা ও. চি. নাহি ফৰ্মান আলি বুলি এজন হাবালদাৰহে আহিছিল। তেওঁ কৈছিল, "মতিবাবু আমি কাগজ-পত্ৰ ইতিমধ্যে ঠিকঠাক কৰিছো। কওঁকচোন বাৰু আপোনাৰ বোধেৰে আপুনি কিমান টকা লোকচান হব বুলি ভাবে?"

"দত্ত বাবু আৰু তেওঁৰ পৰিবাৰ সম্পৰ্কে কি হব?"

"তেওঁলোকৰ কথা এৰক। আমি আমাৰ সাহায্য পুঁজিৰপৰা আপোনাক সহায় কৰিম! গতিকে আপোনাৰ কথাকেই কওক।"

"বাৰু, মোৰ কোনো আপত্তি নাই কোনোবাই যদি মোৰ মেৰামতিৰ যাবতীয় খৰচ দিয়ে। মোকৰ্দমা কৰা ইচ্ছা মোৰ নাই। আঢ়ৈশমান টকা হলেই খৰচ হয়তো মিটি যাব।"

"তেনেহলে এয়ে বন্দোবস্ত হ'ল?"

"হয়, এনে বন্দোবস্তৰেই হব," মতিৰামে কৈছিল।

ফৰ্মান আলিয়ে মতিৰামক ধন্যবাদ দিছিল আৰু তাতেই মিটমাট হোৱা যেন লাগিছিল। কিন্তু প্ৰকৃততে ঘটনাৰ অন্ত পৰা নাছিল।

যেতিয়া এক দুইকৈ কেবা সপ্তাহ পাৰ হৈ যোৱাতো কোনো পুলিচ মতিৰামৰ ওচৰলৈ "পুলিচ সাহায্য পুঁজিৰ টিকট লৈ অহা নাছিল তেওঁ অলপ আচৰিত হৈছিল; তথাপিও তেওঁ চুপচাপ মাৰি অপেক্ষা কৰি আছিল। পুলিচবিলাকে সিইতৰেই পোচাক পিন্ধা ৰাধা মণ্ডলৰ লগত মতিৰামৰ কাজিয়া লগাৰ বাবে তেওঁৰ হোটেললৈ অহা বন্ধ কৰি দিছিল। এই কথাৰ সম্ভেদ পাইছিল যেতিয়া তেওঁৰ জীয়েকৰ পাৰ্কিং টিকট সম্পৰ্কত মতিৰামেই ফৰ্মান আলিক লগ ধৰিছিল। ফৰ্মান আলিয়ে মেৰৰৰ গাত দোহাই দি মতিৰামক এৰাই ফুৰিছিল। তেতিয়াৰে পৰা মতিৰামেই লক্ষ্য কৰিছিল যে কোনো পুলিচেই তেওঁৰ লগত কথা পাতিব নোখোজে। তেওঁ ঘৈণীয়েকৰ আগত কৈছিল, "দেখিছানে মইহে যেন পুলিচবোৰৰ লগত কাজিয়া কৰিলোঁ। দোকান ভাঙিলে সিহঁতৰেই এজনে আৰু জগৰ লাগিল মোৰ।" সঁচাকৈয়ে পুলিচে তেওঁৰ ওপৰত প্ৰতিশোধ লোৱাৰ চেষ্টাত থকা কথা তেওঁ গম পালে তেতিয়া যেতিয়া ৰাস্তা বন্ধ কৰি পৌৰসভাৰ আইন ভঙ্গ কৰা দোষত তেওঁক পুলিচে জৰিমনা কৰিলে। ট্ৰাকেৰে মাল আনি দোকানৰ সন্মুখত এদিন দুদিন নহয় পাঁচবছৰো অধিক কাল নমাই আহিছে; কিন্তু জগৰ লাগিল এতিয়া।

মতিবাবুই আপত্তি কৰি আবেদন কৰিছিল যে ট্ৰাকখন যি কোম্পানীয়ে মাল দিয়ে সেই কোম্পানীৰ, গতিকে জৰিমনা হলে সেই কোম্পানীৰহে হব লাগিছিল ; কিন্তু জৰিমনা মতিবাবুইহে দিব লগীয়া হৈছিল। এই ক্ষেত্ৰত আইন বোলে অন্য ধৰণৰ আছিল। মতিবাবুই কোম্পানীৰ পৰা সেই জৰিমনাৰ টকা লবলৈ চেষ্টা কৰিছিল ; কিন্তু কোম্পানীৰ চেল্‌ছ্‌মেনজনে কৈছিল যে জৰিমনা কৰিছে মতিবাবুক, কোম্পানীৰ তাত কি ? তদুপৰি সি জনাইছিল যে সদৰ থানাত সি জানিব পাৰিছিল আটাইবোৰ থাকী পোচাক পিন্ধোতাসকল মতিবাবুৰ বিৰুদ্ধে আৰু অহা বিহুৰেলৰ সময়ত তেওঁৰ হোটেলৰ লাইচেন্স কেন্সেল কৰাব, কিয়নো তেওঁ হেনো গ্ৰাহকৰ সন্তুষ্টি আনিব পৰাকৈ বস্তু ৰাখিব পৰা নাই।

মতিৰামে ফৰ্মান আলিক লগ ধৰি কথা হোৱাৰ সিদ্ধান্ত কৰিছিল। ফৰ্মানৰ লগত অন্য এজন মানুহে কথা পাতি আছিল। দুৱাৰ মুখত মতিবাবুক দেখা যেন পাই ফৰ্মানে তাচ্ছিল্যৰ সুৰত মাত লগালে "কিহে হোটেলৱালা, হ'ল কি ? বিনয় সুৰত মতিৰামেই কলে, "মই আপোনাক অকলশৰীয়াকৈ অলপ লগ পাব পাৰোনে ?"

"নাই মোৰ সময় নাই, কওঁকচোন কি হ'ল ?"

"হাৱালদাৰ চাহাব ! মই এটা কথা আজি কিছু দিনৰপৰা মনতে ভাবি আছো। কথাটো অন্য একো নহয় কেৱল সামান্য এটা দান। মানে পুলিচ সাহায্য পুঁজিলৈ মই আঠৈশ টকা দান দিব খোজোঁ। ?"

"কি কলে, দান ? দান নে ভেটি দিব খুজিছে ? শুনক গোস্বামী ডাঙৰীয়া, এই মানুহজনে যে ভেটি দিব খুজিছে তাৰ সাক্ষী হিচাপে আপোনাক দৰ্কাৰ হব পাৰে।"

"উস্ ! ভগৱান, ভেটি কিয় হবহে", মতিৰামে কৈছিল।

"মই আপোনাক ধৰ্মসভাৰ সভ্য বুলি গুনিবলৈ পাইছো। লাজ পোৱাৰ আগতেই ইয়াৰপৰা গুচি যাওক।"

মতিৰাম সেমেনা সেমেনিকৈ ওলাই গ'ল।

পিছৰ শনিবাৰৰ নিশা হোটেলত বিবিধ শ্ৰেণীৰ মদ, নাচ, গান আদি সকলো নিষিদ্ধ বস্তুৰ ব্যৱস্থা কৰা হৈছিল। কাৰণ মতিবাবুৱে জানিছিল যে ভাল হোটেল কৰিবলৈ মন কৰাৰ ফলত তেওঁৰ হোটেল খনকেই বন্ধ কৰিব লগীয়া হল। কিয়নো হোটেলৰ লাইচেন্স আৰু তেওঁ নাপাব সেই কথা নিশ্চিত বুলি বুজিব পাৰিছিল।

"মোৰ দুখুনী জননী জন্ম-ভূমি, তুমিয়ে মোৰ স্বৰ্গ, তুমিয়ে মোৰ মোক্ষ, তুমিয়ে মোৰ জগদ্ধাত্ৰী। তোমাৰে দহ দিশক দহ ভুজ কল্পনা কৰি অসুৰ ভাবক বিনাশকাৰিণী দুৰ্গা বুলি হিন্দুৱে তোমাৰে জ্যোতিৰ্ময়ী মাতৃ-মূৰ্তিৰূপে পূজা কৰে।"

—কৰ্মবীৰ **নবীনচন্দ্ৰ বৰদলৈ।**

# ৰাভাসকলৰ বিবাহ পৰম্পৰাত এভুমুকি

অধ্যাপক **শ্ৰীধীৰেন্দ্ৰকুমাৰ ৰাভা**

ৰাভাজাতি পুৰণি অসমৰ জনজাতীয় গোষ্ঠীৰ এটি স্বকীয় জনগোষ্ঠী। অথচ মঙ্গলয়ড্ ফৈদৰ জনজাতীয় পৰম্পৰা আৰু ঐতিহ্য ৰাভাজাতিৰ শাখা-প্ৰশাখাবোৰে উত্তৰাধিকাৰ সূত্ৰে অদ্যাপি নিষ্ঠাৰে বহন কৰি আহিছে আৰু এইটো কালানুবৰ্তিত হৈ চলিয়েই থাকিব হয়তো।

ৰাভাজাতিৰ বিবাহ পৰম্পৰাত তেওঁবিলাকৰ সামাজিক ব্যৱস্থা আৰু সাংস্কৃতিক বিবৰ্তনৰ প্ৰতিবিম্ব প্ৰতিফলিত হয়। বিবাহপ্ৰথাৰ পৰম্পৰাতেই জাতীয় কলা-কৃষ্টি বিকশিত হয় আৰু ঐতিহ্যও স্তিমিত হয়। ৰাভাসকলৰ বিবাহ পৰম্পৰাত এটি গতিশীল ভাবৰ প্ৰবাহ বৈ আছে। প্ৰাচীনতাৰ দেৱালত জনবিশ্বাস, লোকাচাৰ আদিৰ আধুনিক মূল্যায়ন নিতে হব লাগিছে আৰু বিবাহ-চুক্তিৰ নথি-পত্ৰই সেইবোৰৰ প্ৰমাণ। প্ৰাচীনতাৰ মামৰখিনি মচি-কাছি চাফ কৰাৰ পাছত উত্তৰ পুৰুষে সযতনে বুকুত সাবটি লৈছে। অৱশ্যে পুৰণি বিধি-বিধান সময়ৰ ধূলিত উৱলি যোৱাৰ উপক্ৰম হোৱাত পৰম সাহসেৰে নতুনত্বক অধিগ্ৰহণ কৰিব লগীয়াত পৰিছে। এনে কাৰ্যত কষ্ট স্বীকাৰ্য। ৰাভাসকলৰ সামাজিক ব্যৱস্থাপনা শিথিল যদিও পৌৰাণিক লোকাচাৰ আৰু বিধি-নিয়মৰ যোগেদি বিবাহ-কাৰ্য সিদ্ধ হয়। পৌৰাণিক নীতি-নিয়মবোৰ সময়ে সময়ে কেতিয়াবা বিতৰ্কৰ বিষয় হৈ পৰে যদিও দ্বিপাক্ষিক আলোচনা-বিলোচনাৰ মাজেৰে আপোচ-মীমাংসা সূত্ৰে বিবাহ-কাৰ্য সম্পাদিত হয়। ৰাভাসকলৰ বিবাহ পৰম্পৰাত বড়ো গোষ্ঠীৰ ক্ষীণ প্ৰভাৱ পৰিলক্ষিত হয়। সম্প্ৰতি ক্ৰম বিবৰ্তনৰ চাকনৈয়াত পৰি এই প্ৰভাৱৰ পৰা মুক্ত হোৱাৰ প্ৰয়াস কৰা দেখা গৈছে।

ৰাভাসকলৰ উপশাখা কেবাটিও আৰু ভিন্ন শাখাভেদে তেওঁবিলাকৰ সামাজিক বাধ্য-বাধকতা আৰু নিয়ম শৃঙ্খলাও ভিন্নপ্ৰকাৰৰ। মূলতঃ ৰাভাসকলৰ জাতীয় পৰিষদ এটা। ৰাভাসকলৰ উপশাখাবোৰ গোত্ৰ অনুসৰিহে শ্ৰেণীবিভক্ত হৈছে। অনুসন্ধান কৰি পোৱা গৈছে—ৰাভাসকলৰ মুঠ ৩৪টা গোত্ৰ আছে। এই গোত্ৰৰ ৰাভাসমাজত পৰিচিত নাম হ'ল বাৰায়। পশ্চিমবঙ্গৰ ৰাজ্যিক গবেষণা কেন্দ্ৰৰ দ্বাৰা প্ৰকাশিত 'The Rabhas of West Bengal' নামক গ্ৰন্থতো ৰাভাজাতিৰ প্ৰসাৰণ আৰু বিকাশৰ কথা সন্নিবিষ্ট হৈ আছে। সেইসকলৰ গোত্ৰ আৰু ভাষা-কথনৰ নিয়মাৱলীত ৰাভাজাতিৰ পূৰ্বসূৰীৰ লক্ষণ আৰু বৈশিষ্ট্য লিপিবদ্ধ হৈ আছে। যি নহওক, অসমৰ ৰাভাসকলৰ গোত্ৰভেদে বিবাহচুক্তিৰ বৈসাদৃশ্য পৰিলক্ষিত হয়। ৰাভা জাতীয় পৰিষদে সৰ্বসম্মত ভাবে এটা উপবিধি (Manuscript)

বা পাণ্ডুলিপি তৈয়াৰ কৰি লৈছে। এই পাণ্ডুলিপিতে ৰাভাসকলৰ বিবাহ-প্ৰথাৰ বিশদ বিৱৰণ আছে। অৱশ্তে বৰ্তমানৰ পাণ্ডুলিপিত পূৰ্বৰ পৌৰাণিক লোকাচাৰ-সম্বলিত নীতিসমূহে স্থান পোৱা নাই অথবা তাহানিকালৰ মুখপৰম্পৰা চলি অহা বিধিৰ উল্লেখ পৰ্যন্ত ইয়াত পাবলৈ নাই।

প্ৰথমতে, পৌৰাণিক বিবাহ পৰম্পৰাৰ পৰ্যালোচনা কৰা যুগুত হ'ব। মানৱসভ্যতা বিকাশৰ প্ৰাৰম্ভকালতে যেতিয়া প্ৰথমবাৰৰ বাবে বিবাহ উৎসৱ পতা হৈছিল হেজাৰ হেজাৰ জনতাই হেনো সেই উৎসৱ উপভোগ কৰাৰ কাৰণে অনেক দূৰ বাটকুৰি বাই আহি উৎসৱথলীত সমবেত হৈছিল। আহিয়েই দেখি হতবাক হৈছিল আৰু কিংকৰ্তব্যবিমূঢ় হৈ পৰিছিল। এনেতে চেনাইৰ শব্দ প্ৰবলভাৱে বাজি উঠিল, ঢোলৰ কোব দ্বিগুণে চাৰিল। ফলত দৰা-কইনা দুয়ো স্বকীয় অস্তিত্ব পাহৰি নাচিবলৈ ধৰিলে। বিবাহ বাহৰত সমবেত ৰাইজে দৰা-কইনাক ধৰি-মেলি কথমপি পাণ-তামোল এযোৰ কাটি খাই বৈ উঠি ঘৰাঘৰি গ'ল। আনহাতে নৱ দম্পতি হালে সুখ-দুখৰ কথা আলোচনা কৰাতকৈ চিকাৰ আৰু আহাৰ আদি সংগ্ৰহ কৰাতহে বেছি ব্যস্ত হৈ পৰিল। আচল বিবাহ মিলনৰ তাৎপৰ্য তেতিয়ালৈকে উপলব্ধি কৰিব পৰা নাছিল। সেইদৰেই বাধ্যবাধকতাৰ মাজত এটা দশক পাৰ হোৱাৰ পিছত আমাৰ ককা-আজোককাসকলৰ দিন উপস্থিত হ'ল। তেতিয়া কিন্তু চৰাইচিৰিকতি, জীৱ-জন্তু আদিৰ মিলন প্ৰয়াসী মনৰ উচ্ছলতাই মানুহকো উন্মনা কৰিছিল বাবে বল প্ৰয়োগ বা আইন অথবা মৌখিক কঠোৰ ভাষণৰ প্ৰয়োজন হোৱা নাছিল। ফলত বাসনাদীপ্ত মনে সহায়কাৰী হিচাপে নাৰী এগৰাকীৰ প্ৰয়োজন অনুভৱ কৰিলে। সেইমতে দুয়ো দুয়োৰে প্ৰতি আসক্ত হৈ চুক্তিবদ্ধ হ'ল। তাৰেই নাম বিবাহ। এই বিবাহ পৰম্পৰা কালানুক্ৰমিক নতুনত্বৰ মাজেৰে পুৰণিত ভেজা দি আজিৰ অৱস্থাত উপনীত হৈছে। পৌৰাণিক বিবাহ প্ৰথাৰ বিশ্লেষিত ফলাগমৰ পৰা জনা জানিব পৰা হৈছে যে, পূৰ্বতে ৰাভা সমাজত তামোল-পান কাটি ৰাইজৰ মানুহক সাক্ষী ৰাখিয়েই বিবাহ-কাৰ্য সম্পাদিত হৈছিল। তাৰ পাছত দশকজুৰি সামাজিক গাঁথনি পৰিবৰ্তনমুখী হৈ কুৰিশতিকাৰ নৱ মানৱ-সভ্যতাৰ স্বীকৃতিয়ে ডেকা-গাভৰুৰ আধুনিক মনৰ গঢ়ত গঢ় দি ৰূপহ-ৰূপহীৰ ভাৱনা-চিন্তা অন্য প্ৰকাৰৰ কৰি তুলিছিল আৰু ক্ৰমশঃ তাৰ স্পষ্টীকৰণ দৃঢ় হৈ পৰিব লাগিছে। সামাজিক নীতি-নিয়মৰ বাধ্য-বাধকতাই সাম্প্ৰতিক জনজীৱনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। এই বিষয়টোত ডেকা-গাভৰু সচেতন আৰু স্বতন্ত্ৰমুখী। সেয়েহে, মনে বিচৰা যৌৱনৰ বিজয় উৎসৱ উদ্‌যাপনৰ সমাদৰ আজিৰ সমাজত অভিনৱ আৰু যুগ সাপেক্ষ হৈছে। এনেদৰেই ৰাভাসকলৰ বিবাহ পৰম্পৰাতো আবৰ্তন, পৰিবৰ্তন, পৰিবৰ্দ্ধন আৰু সংস্কাৰমুখী হব লাগিছে।

শাস্ত্ৰত উল্লেখিত আসুৰিক আৰু গন্ধৰ্ব বিবাহৰ উপৰি ৰাভাসকলৰ **তামোল-পাণ খোৱা** নামৰ এক শ্ৰেণীৰ বিবাহ আছে। এই বিবাহ এটি তৃতীয়া শ্ৰেণীৰ পৰিচায়ক; অথবা ই প্ৰেম বলিয়া দুটি মনৰ মিলনত সমজুৱাই অনিচ্ছাকৃত সমৰ্থন-দানৰ এটা পৰম্পৰা। দৰা আৰু কন্যাপক্ষৰ মাজত যাতে অসূয়া, বিষাদ আদিৰ ভাৱনাই দীৰ্ঘম্যাদী প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব নোৱাৰে—তাৰ এটা সহজ নিয়ম সমজুৱাই তামোল-পান খাই দৰা কন্যাক আশিস্ প্ৰদান কৰা প্ৰথাটো।

সম্ভ্ৰান্ত পৰিয়ালত অথবা মৰ্যাদাসম্পন্ন ব্যক্তি-বিশেষৰ পৰিয়ালত 'গৃহস্থী বিবাহ'ৰ প্ৰচলন পূৰ্বাপৰ চলি আহিছিল। এই প্ৰথামতে দৰাপক্ষৰ মানুহে গৈ কন্যা সজাই-পৰাই লৈ আহি দৰাৰ ঘৰতে তেওঁলোকৰ শুভ-মিলন বা শুভ-বিবাহ কাৰ্য সম্পাদন কৰিছিল। এই ক্ষেত্ৰত কন্যাপক্ষৰ ৰাইজেও সহযোগিতা আগবঢ়াই অনুষ্ঠানটিৰ পৱিত্ৰতা ৰক্ষা কৰে।

ৰাভাসকলৰ **নিকা বিবাহ** এটি অনাড়ম্বৰ উৎসৱ মাথোন। উপযাচি অহা কন্যাৰ লগত অংশ গ্ৰহণকাৰী

( ৫৪ পৃষ্ঠাত চাওক )

# এৰা বোটলা যৎকিঞ্চিৎ

অধ্যাপক **শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা**

## ॥ অসমীয়া পঞ্জিকাৰ তিতা-কেঁহা ॥

চলিত বছৰৰ প্ৰথম সংখ্যা পত্ৰিকাত প্ৰকাশিত আমাৰ 'এৰা বোটলা' শিতানত 'দীপকৰ আত্মহত্যা' সম্পৰ্কত অসমীয়া আলোচনীৰ অল্পায়ুসৰ বিষয়ে আমাৰ চেৰেক কথা লিখা হৈছিল। সেই বিষয়টোকে বন্ধুবৰ শ্ৰীমোহনচন্দ্ৰ মহন্তদেৱে তেওঁৰ লেখনীৰ মথনী-মাৰিৰে ঘূটি দিয়াত পত্ৰিকাৰ পাঠকসমাজত আশানুৰূপভাৱে নহলেও চুৰ্বীয়া আলোড়ন হোৱা দেখি সন্তোষ পাইছোঁ; কিয়নো এনে আত্মসচেতনতা এটা জীয়া জাতিৰ লক্ষণ। আজি পুনৰ প্ৰায় একে পৰ্যায়ৰ আন এটা বিষয় উত্থাপন কৰিব খুজিছোঁ। বিষয়টো হৈছে অসমীয়া পঞ্জিকা। মূল বিষয়ৰ মাজত সোমোৱাৰ আগতে কিছু আগকথা কোৱাৰ প্ৰয়োজন।

প্ৰাগজ্যোতিষপুৰ, নৱগ্ৰহ, শ্ৰীসূৰ্য পাহাৰ এইবোৰ নামে আজিও আমাৰ মনত এই ধাৰণা সুদৃঢ় কৰি তোলে যে প্ৰাক্ ঐতিহাসিক যুগৰে পৰা আমাৰ দেশ জ্ঞান-বিজ্ঞান আৰু জ্যোতিষ-চৰ্চাৰ কেন্দ্ৰস্থল আছিল। সেই সুদূৰ অতীতৰ পৰাই অসমৰ জ্যোতিষ-গণনা নিজস্ব পদ্ধতিৰে চলি আহিছে। ভাৰতবৰ্ষত আন ঠাইৰ গণনা-পদ্ধতিৰ লগত ৰিজাই চালে কামৰূপী গণনাপদ্ধতিৰ বিভিন্ন দিশত বৈশিষ্ট্য পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে অসমৰ প্ৰচলিত ত্ৰিকোণ গণনা-পদ্ধতি ভাৰতৰ আন ঠাইত অবিদিত। এইমতে গণনা কৰি অসমৰ জ্যোতিষীসকলে বহাগ মাহত মানুহৰ ঘৰে ঘৰে প্ৰত্যেক ব্যক্তিৰ বৰ্ষফল কৈ ফুৰে। আচৰিত কথা এইটোহে যে পূৰ্বপৰম্পৰামতে চলি অহা এই কামৰূপী গণনাপদ্ধতিৰ আজি পৰ্যন্ত কোনো শাস্ত্ৰ ছপা হৈ ওলোৱা নাই।

অসমীয়া সাহিত্যৰ সোণালী যুগৰ স্ৰষ্টা মহাৰাজা নৰনাৰায়ণে অসমত কামৰূপী জ্যোতিষ-চৰ্চাক সঞ্জীৱিত কৰিবলৈ পৃষ্ঠপোষকতা আগ বঢ়াইছিল। এইজনা বিদ্যোৎসাহী নৃপতিৰ আমোলতে 'খণ্ডসাধ্য' নামৰ এখনি কামৰূপী জ্যোতিষৰ পুথি ৰচিত হৈছিল।

নিৰ্ভৰযোগ্য সূত্ৰৰ পৰা জানিব পৰা গৈছে যে কামৰূপ জিলাৰ গন্ধিয়া গাঁওনিবাসী গণনা বিশাৰদ পণ্ডিত ৺আত্মনাথ ভট্টাচাৰ্যদেৱৰ হাতত এই 'খণ্ড সাধ্য' গণনা শাস্ত্ৰখন বংশানুক্ৰমে সংৰক্ষিত হৈ আহিছে। বৰ্তমানে তেওঁৰ সুপুত্ৰ অৰ্থাৎ জ্যোতিষী অধ্যাপক শ্ৰীপুৰুষোত্তম ভট্টাচাৰ্যদেৱৰ হাতত এই পুথিখন থাকিব পায়। যদি আছে তেন্তে ভট্টাচাৰ্যদেৱে অবিলম্বে সেই পুথি প্ৰকাশন পৰিষদ নাইবা অসম সংস্কৃত-পৰিষদৰ যোগে পোহৰলৈ উলিয়ায় যেন। ই ভট্টাচাৰ্য-বংশৰ পুৰুষানুক্ৰমিক সম্পত্তি হলেও কামৰূপৰ এক অমূল্য জাতীয় সম্পদ। সম্প্ৰতি এই পুথিৰ বিষয়ে আমি ভট্টাচাৰ্যদেৱৰ পৰা বিস্তৃতভাৱে জানিবলৈ পাম বুলি আশা কৰিছোঁ।

এই কথা নকলেও হব যে আলোচনী, দৈনিক বাতৰিকাকত আদিৰ দৰে আমাৰ দিনেকীয়া কামকাজৰ বাবে পঞ্জিকা এখনৰ আৱশ্যক অপৰিহাৰ্য। এই আৱশ্যকতা অনুভৱ কৰি সময়ে সময়ে অসমীয়া পঞ্জিকা প্ৰকাশৰ প্ৰচেষ্টা এবাৰ নহয়, দুবাৰ নহয়, বহুবাৰ চলাই থকা হৈছে। পৰিতাপৰ বিষয় অসমীয়া পঞ্জিকা ওলাই আছে, মৰি আছে।

অসমত পোনতে গুপ্তপ্ৰেছ পঞ্জিকা আৰু তাৰ পিছত পি-এম-বাকচি পঞ্জিকাৰ অবাধ প্ৰচলন হয়। এই দুয়োখন বঙলা পঞ্জিকাৰ আজিও অকণ্টকা ৰাজভোগ চলি আছে আৰু আগলৈকে চলি থাকিব বুলি ধৰি লব পাৰি। ইয়াৰ উপৰিও সৰুসুৰা বঙলা জেপ-পঞ্জিকায়ো আমাৰ ৰাজ্যত শিপাই লৈছে। এইবোৰ পঞ্জিকা দীৰ্ঘজীৱী। কোনো কোনোখনে ৰূপালী জয়ন্তী, সোণালী জয়ন্তী, হীৰক জয়ন্তীৰ মুখ দেখা পাইছে। দুখৰ বিষয় এতিয়ালৈ প্ৰকাশ হোৱা কেৰাখনো অসমীয়া পঞ্জিকা অল্পায়ুস হৈ বিলুপ্ত হৈছে। অসমীয়া পঞ্জিকাৰ ইতিবৃত্ত অসমীয়া আলোচনীৰ ইতিবৃত্তকৈ বেছি বেদনাদায়ক আৰু ভয়াবহ। এই ইতিবৃত্তত ভাল দিশো অৱশ্যে নথকা নহয়।

অসমীয়া পঞ্জিকা প্ৰকাশৰ ধাৰাবাহিক প্ৰচেষ্টা 'ৰঞ্জা আৰু মকৰা' সাধুৰ অধ্যৱসায়ৰ লগত ৰিজাব পাৰি। আগছোৱাৰ প্ৰচেষ্টাত অসমীয়া পঞ্জিকা প্ৰাচীন কামৰূপী গণনাশাস্ত্ৰ খণ্ডসাধ্যমতে উলিওৱাটো সম্ভৱ নোহোৱাত মকৰন্দ, দিনচন্দ্ৰিকা ভাৰতীয় জ্যোতিষ-গণনা শাস্ত্ৰমতেহে গণিগণি উলিওৱা হৈছিল। জয়জয়তে কামৰূপ জিলাৰ মাখিমাহা গাঁওনিবাসী অদ্বিতীয় অসমীয়া জ্যোতিষী ৺গোপীনাথ দেৱ শৰ্মোপাধ্যায় ; স্মৃতি-জ্যোতিৰত্নদেৱৰ আপ্ৰাণ চেষ্টাত ইংৰাজী ১৯০৪ চন মানত অসমত জ্যোতিষশাস্ত্ৰৰ বহুল প্ৰচাৰ হয় আৰু তেওঁৰেই সৰ্বপ্ৰথমে অসমীয়া পঞ্জিকা গণনা কৰি উলিয়ায় যদিও ধনৰ অভাৱত সেই পঞ্জিকাই

( ৫৫ পৃষ্ঠাত চাওক )

( ৫২ পৃষ্ঠাৰ পিচৰ পৰা )

দৰাৰ মিলন, বন্ধনৰ পবিত্ৰতাখিনিয়ে নিকা বিবাহৰ তাৎপৰ্য। সমাজৰ গঞ্জনা সহি, সামাজিক বান্ধোন ছিঙি মৰম পিয়াসী মনে যাক ভাল পাই উপযাচি গৃহস্থৰ ঘৰলৈ আহে সেই ৰমণীক ভৎসৰ্না কৰিয়েই বা লাভ কি ? এনে উদাৰ মনোভাবেৰে ৰমণীক বিবাহৰ দিনাখন গা-ধুই নিকা কৰি সমাজত থিয় কৰাই দৰাৰ লগত কন্যাৰ মিলন উৎসৱ পাতি পাৰস্পৰিক প্ৰতিশ্ৰুতি আৰু প্ৰতিজ্ঞাবদ্ধ কৰোৱাই উদযাপন কৰাৰ নামেই নিকাবিবাহ।

নিকা বিবাহৰ সমতুল্য যি বিবাহ-প্ৰথা প্ৰচলিত তাৰেই নাম **যাচনি বিবাহ**। যাচনি বিবাহৰ সামাজিক মূল্যবোধ নাই। কন্যাই স্বইচ্ছাই এজনৰ তাত উপযাচি আহিলেই পুৰুষজন গৃহস্বামী হৈ কন্যাৰ ভৰণ-পোষণ কৰিবলৈ বাধ্য হৈ পৰে। জীৱনে-মৰণে সঙ্গিনী ৰূপে কন্যাজনীয়েও পতিভক্তিত ব্ৰতী হৈ জীৱন যাপন কৰাৰ সাংসাৰিক সুখ-দুখ ভোগ কৰে। এইয়া নিয়তিৰ নিৰ্বন্ধন।

পৌৰাণিক পদ্ধতিৰে ৰাভাসকলৰ বিবাহ পৰম্পৰা ৰক্ষিত হলেও সামাজিক আৱৰ্তনে নতুনত্বৰ মাজেৰে ডেকা-গাভৰুৰ মাজত বাস্তৱবাদৰ আদৰ্শ উত্থাপিত কৰাইছে। সেয়েহে আধুনিক পদ্ধতিৰে উপত্যকাবাসী মানৱৰ চিৰন্তন নিয়ম-শৃঙ্খলাকে আশ্ৰয় কৰি অসমীয়াৰ জাতীয়ত্ব আৰু ঐতিহ্য বহন কৰি তেনে পৱিত্ৰ বিবাহ-কাৰ্য সম্পাদন কৰিবলৈ ৰাভাসকল সম্প্ৰতি আগ্ৰহান্বিত আৰু তেওঁলোকে তাৰ প্ৰচুৰ প্ৰচলন কৰিবলৈ লৈছে। সাম্প্ৰতিক অৰ্থনৈতিক পৰিস্থিতিয়ে সকলো জাতি-উপজাতিকে সংমিশ্ৰিত সংস্কৃতিৰে এক মানৱ-হৃদয় তৈয়াৰ কৰিবলৈ বাধ্য কৰাইছে। উদাৰ আৰু বিশালতাৰ মনোভাবেৰে মানৱজাতিৰ পুনৰ নিৰ্মাণৰ বাবে জনজাতি, উপজাতি আৰু উচ্চ বৰ্ণৰ পূৰ্ণ সংহতি, ঐক্য আৰু সহযোগিতাৰ অৱশ্যে প্ৰয়োজন। সেয়েহে ৰাভাসকলৰ বিবাহ পৰম্পৰাই মানৱক্যাক পৱিত্ৰ হোমৰ বেদীত মিলন ঘটাবলৈ প্ৰচেষ্টা চলাইছে। ভিন্ন জাতিৰ আদৰণি সম্ভাষণ পালে ই বিৰাট ৰূপ ল'ব পৰিব।



ছপাৰ পোহৰ দেখা নেপালে। তেওঁৰেই কৃতবিদ্য ছাত্ৰ গন্ধিয়া গাঁওনিবাসী যোগনাথ বিদ্যানিধিদেৱে ৪।৫ বছৰ ধৰি অসমীয়া পঞ্জিকা এখন উলিয়াইছিল। তাৰ পিছত দ্বিতীয় বাৰ ১৯৩৬-৩৭ চনত 'নতুন অসমীয়া পঞ্জিকা' নামেৰে এখন সম্পূৰ্ণ আকাৰৰ পঞ্জিকা ওলায়। সেই পঞ্জিকাৰ গুৰি ধৰোঁতা আছিল গন্ধিয়া গাঁওৰেই জ্যোতিৰ্বিদ পণ্ডিৎ ৺ঘনশ্যাম শৰ্মা, জ্যোতিভূষণদেৱ। এওঁৰ সৌজন্যত বৰনগৰ অঞ্চলৰ কলিতা পাৰা গাঁওৰ শ্ৰীধৰণীধৰ দেৱমিশ্ৰই সেই অসমীয়া পঞ্জিকাখন সৰ্বাঙ্গসুন্দৰ কৰি বিদেশী পঞ্জিকাৰ লগত প্ৰতিযোগিতাত ফেৰ মাৰিব পৰাকৈ একেৰাহে ৫।৬ বছৰ প্ৰকাশ কৰিছিল। সেই পঞ্জিকা ছপা হৈছিল গোৱাহাটীৰ জয়ন্তী প্ৰেছত—কেশৱকান্ত বৰুৱা ডাঙৰীয়াৰ পৃষ্ঠপোষকতাত। আজি জয়ন্তী প্ৰেছ নাই, তাৰ গৰাকী কেশৱকান্ত বৰুৱা আৰু আল ধৰা গুকেশ্বৰ বৰাৰো হাড়ত বন গজিল। মেনেজাৰ শ্ৰীখগেন্দ্ৰনাথ ভূঞাও স্মৰণশক্তি ৰহিত বাৰ্ধক্যপীড়িত। পুৰণি কথাৰ আঁত বিচাৰি পাবলৈকে টান হৈছে।

ইয়াৰ পিছত ১৯৫০ চনত প্ৰকাশ হয় সুপ্ৰসিদ্ধ "প্ৰাচীন কামৰূপ পঞ্জিকা।" এইখন পঞ্জিকাই অসমীয়া জ্যোতিষৰ ক্ষেত্ৰত এক নতুন অভিলেখৰ সৃষ্টি কৰে। পঞ্জিকাখনৰ প্ৰকাশ আৰু প্ৰচাৰৰ অন্তৰালত ভালেখিনি তিতা-কেঁহা আৰু সুখদুখৰ কথা সাঙোৰ খাই আছে। ভৱিষ্যতে বাট বুলিবৰ সময়ত এইবোৰ কথা জনা থাকিলে পূৰ্বৰ অভিজ্ঞতাই সহায়ক হিচাপে কাম কৰিব নিশ্চয়। সেই কাৰণে এই পঞ্জিকাৰ সাহসী জাতীয়প্ৰেমী প্ৰকাশক হাউলী পঞ্চৰত্ন ফাৰ্মৰ গৰাকী শ্ৰীযাদৱচন্দ্ৰ দাসৰ পৰা খাটনি ধৰি অনা কথাখিনি আমি তলত হুবহু তুলি দিছোঁ। শ্ৰীদাসে আমাক লিখি জনাইছে এইদৰে :

"পূৰ্বৰ বহু প্ৰচেষ্টা ব্যৰ্থ হোৱাতো হতাশ নহৈ অসমৰ বিশেষকৈ কামৰূপৰ গণনাকাৰক বিশিষ্ট পণ্ডিতবৰ্গই অসমৰ জাতি, ধৰ্ম, কৰ্ম আৰু সংস্কৃতিৰ বাহকস্বৰূপ অসমীয়া পঞ্জিকা এখন পুনৰ প্ৰকাশ কৰিবলৈ অহো-পুৰুষাৰ্থ কৰি আছিল। আমাৰো একান্ত ইচ্ছা হ'ল প্ৰাচীন গণনাবিদ্যা পুনৰুদ্ধাৰ কৰি অসমৰ জাতীয় বৈশিষ্ট্য ৰক্ষাৰ্থে হাতে কামে লাগিবলৈ। পঞ্জিকা প্ৰকাশ কৰা অতি দুৰূহ কাম আৰু ইয়ে জয়জয়তে কেইবছৰমান লোকচান ভৰাই জুৰুলা কৰে। এই কথা জানিও অন্তৰ-খনত জাতীয়তাৰ ভাবে বৰকৈ খুন্দিওৱাত মৰ সাহস কৰিও পঞ্জিকা এখন প্ৰকাশ কৰিবলৈ আগবঢ়া হৈছিল। মনত এই কথাই বিশেষকৈ লাগিল যে, যি দেশ সৃষ্টি পাতনিৰ পৰা জ্যোতিষ-গণনাৰ কেন্দ্ৰ, আজিও স্বকীয়া-ভাবে দেশত জ্যোতিষ-গণনা হৈ সকলো দৈনন্দিন কাৰ্য্য-কলাপচলি আছে, সেই দেশৰ অধিবাসীয়ে নিজক নেওচি বিজতৰীয়া পঞ্জিকামতে চলিব লগীয়া হোৱাটো অতি পৰিতাপৰ আৰু লাজৰ কথা। এই সন্ধিক্ষণতে গন্ধিয়া, মাখিবাহা, ক্ষুদ্ৰভালুকী, টিহু আদিৰ পৰা কেবা গৰাকী বিশিষ্ট জ্যোতিষীয়ে আহি মোক অসমীয়া পঞ্জিকা এখন প্ৰকাশ কৰিবলৈ গাত লবৰ কাৰণে বৰকৈ হেঁচা দিয়াত মযো সন্মতি দিলোঁ। যি সকল পণ্ডিতে প্ৰাচীন কামৰূপৰ লুপ্ত গৌৰৱ উদ্ধাৰৰ উদ্দেশ্যে অতি আগ্ৰহেৰে আহি মোক এই অসমীয়া পঞ্জিকা প্ৰকাশ কৰিবলৈ নেৰা নেপেৰাকৈ ধৰিছিল তেওঁলোকৰ সকলোৰে প্ৰতি মই অশেষ কৃতজ্ঞ। এয়া ইং ১৯৪৯ চনৰ কথা।

অসমৰ গণনাৰ বৈশিষ্ট্য ৰক্ষাৰ্থে আমি প্ৰকাশ কৰা পঞ্জিকাখনৰ নামকৰণ কৰা হ'ল "প্ৰাচীন কামৰূপ পঞ্জিকা।" প্ৰথম তিনি বছৰ ইং ১৯৫০-৫২ লৈ আমাৰ পঞ্জিকা 'খণ্ডসাধ্য' মতে গণনা নহৈ ভাৰতীয় আন আন জ্যোতিষ গণনাৰ নিয়মানুযায়ী গণনা কৰা হৈছিল। নামটো অনুযায়ী প্ৰাচীন কামৰূপৰ অৰ্হিত গণনা নোহোৱা বাবে 'খণ্ডসাধ্য' মতৰ প্ৰাচীন পন্থী পণ্ডিতসকলে আমাৰ পঞ্জিকাৰ কিৰুদ্ধে কঠোৰ সমালোচনা কৰিবলৈ ধৰিলে। নিজৰ নাক কাটি সতিনীৰ যাত্ৰা ভঙ্গ কৰাৰ নিচিনাকৈ তেওঁলোকে ৰাজ্য চৰকাৰ, বিশিষ্ট চৰকাৰী বিষয়া, বিশিষ্ট জ্যোতিষী পণ্ডিতবৰ্গলৈ আৰু ৰাজ্যৰ বিশিষ্ট

নেতৃস্থানীয় লোকলৈ নানা কটু সমালোচনা কৰি লিখা-লিখিও কৰিছিল। আমি তেনেকুৱা সমালোচনাত অলপো হতাশ নহৈ বৰং দুগুণ উৎসাহেৰে কামত লাগি গৈছিলোঁ। তেওঁলোকে আমাক প্ৰাচীন কামৰূপৰ তথা প্ৰাগ্‌জ্যোতিষপুৰৰ লুপ্ত গৌৰৱ উদ্ধাৰৰ ক্ষেত্ৰত নতুন উদ্দীপনাহে আনি দিলে। সেই সময়ত অসম সংস্কৃত বোৰ্ডৰ সম্পাদক আছিল ৺জীৱেশ্বৰ শৰ্মা এম, এ, বেদান্ততীৰ্থদেৱ। তেওঁৰ উৎসাহ আৰু উদগনি পাই আমি এই সমস্যাৰ সমাধানাৰ্থে প্ৰচেষ্টা চলালোঁ। সেই উদ্দেশ্যে সমগ্ৰ অসমৰ জ্যোতিষী পণ্ডিতসকলক আহ্বান কৰি এখন আলোচনা সভা পতা হৈছিল। সেই সভাখন বহিছিল টিহু পাব্লিক লাইব্ৰেৰী হলত সভাপতিৰ আসনত আছিল উক্ত বেদান্ততীৰ্থদেৱ। সভাত পণ্ডিতশিৰোমণি শ্ৰদ্ধাস্পদ ৺জীৱেশ্বৰ গোস্বামী ষড়দৰ্শনতীৰ্থদেৱ আৰু শ্ৰীপুৰুষোত্তম ভট্টাচাৰ্য দেৱো উপস্থিত আছিল। কেবা ঘণ্টাব্যাপী জ্যোতিষ-শাস্ত্ৰবোৰৰ আলোচনা হোৱাৰ পাচত পাৰ্যমানে 'খণ্ডসাধ্য'ৰ মত বহাল ৰাখি অন্যান্য ঠাইত প্ৰচলিত ভাৰতীয় শাস্ত্ৰৰ বিধান অনুসৰি বিজ্ঞানসম্মত ভাবে সকলোৰে সহযোগৰ দ্বাৰা সকলোৰে ব্যৱহাৰোপযোগীকৈ প্ৰাচীন কামৰূপ পঞ্জিকাখন শুদ্ধভাবে উলিয়াবলৈ স্থিৰ সিদ্ধান্ত লোৱা হ'ল। তদনুযায়ী পঞ্জিকা গণনা কৰি দিবলৈ পণ্ডিতসকল তৎপৰ হ'ল। ১৩৬১ চনৰ (ইং ১৯৫৩) গণনাকাৰকসকলৰ গণনা আৰু স্মৃতিৰ নিখুঁত ব্যৱস্থা দিবলৈ সভাই বালিগাওঁ নিবাসী পণ্ডিত প্ৰৱৰ শ্ৰীযুত হংসনাথ ভাগৱতী, স্মৃতিতীৰ্থ দেৱ আৰু মুগুৰীয়াগাঁও নিবাসী পণ্ডিতপ্ৰৱৰ শ্ৰীযুত হৰগোবিন্দ দেৱশৰ্মা, স্মৃতি-ব্যাকৰণ-তীৰ্থদেৱক ভাৰ দিছিল। তদুপৰি এঘাৰজনীয়া সভাৰ কমিটী এখন পাতি ভৱিষ্যতলৈ 'খণ্ডসাধ্য' গণনাশাস্ত্ৰৰ ব্যৱস্থাৰ লগত গোটেই ভাৰতৰ সময়ৰ সামঞ্জস্য ৰাখি আৰু ভাৰতীয় অন্যান্য পঞ্জিকাৰ লগতো সামঞ্জস্য ৰাখি ভৱিষ্যত গণনা নিৰূপণ কৰিবলৈ নিযুক্ত কৰিছিল। এই সভাত দুয়োপক্ষৰ জ্যোতিষী পণ্ডিতসকলৰ মহামিলন চাবলৈ অতি চমৎকাৰ হৈছিল। তেতিয়াৰপৰা 'প্ৰাচীন কামৰূপ পঞ্জিকা' অসমৰ এটা গৌৰৱৰ বস্তু হৈ পৰে।

'প্ৰাচীন কামৰূপ পঞ্জিকা' ইং ১৯৫০ চনৰপৰা প্ৰকাশ হয় আৰু ইং ১৯৫৩ চনত পূৰ্ণ পয়োভৰে ভৰ যৌৱন অৱস্থাপ্ৰাপ্ত হয়। অৱশেষত ইং ১৯৫৫ চনত ইয়াৰ যৱনিকা পতন হয়। প্ৰথমতে যদিও অসীম সাহসেৰে কেইজনমান পণ্ডিতেহে আগবাঢ়ি ওলায় আৰু নিজৰ দায়িত্বত পঞ্জিকা গণনা কৰি আমাক ছপোৱাৰ উপযোগী কৰি পাণ্ডুলিপি প্ৰদান কৰে, ১৫।৫।৫২ ইং তাৰিখে ক্ষুদ্ৰ ভালুকীত গৰিয়া নিবাসী সুবিজ্ঞ পণ্ডিত দত্তদেৱ শৰ্মাৰ সভাপতিত্বত শুভক্ষণতে যিখন সভা বহিছিল তাতহে ৰাজহুৱা সন্মতিক্ৰমে পঞ্জিকাৰ গণনাকাৰ্য আৰম্ভ হৈছিল। তাৰ পাচৰ বছৰতো টিহুৰ সভাত ই সৰ্ব-সম্মত ব্যৱস্থা হাতত লৈ সৰ্ব্বাঙ্গীণ সুন্দৰৰূপে প্ৰকাশ পাইছিল।

'প্ৰাচীন কামৰূপ পঞ্জিকা'ৰ যাৱতীয় গণনা কাৰ্যৰ গুৰি ধৰোঁতা আছিল গণিত শাস্ত্ৰবিশাৰদ গোটেই অসমত সুপৰিচিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহকাৰী, গণিতজ্ঞ ৺কেশৱচন্দ্ৰ শৰ্মাদেৱ। এওঁ আছিল ভূতপূৰ্ব 'নতুন অসমীয়া পঞ্জিকা'ৰ পৰিচালক আৰু সংশোধক অপ্ৰতিদ্বন্দ্বী জ্যোতিৰ্বিদ ৺ঘনশ্যাম দেৱশৰ্মা জ্যোতি-ভূষণ দেৱৰ কৃতবিদ্য কনিষ্ঠ পুত্ৰ। এই পঞ্জিকাৰ সংশোধক আছিল পণ্ডিত দত্তনাথ দেৱশৰ্মা জ্যোতিৰত্ন আৰু মাখিবাহা গ্ৰাম নিবাসী পণ্ডিতপ্ৰৱৰ শ্ৰীচন্দ্ৰ নাথ দেৱশৰ্মা জ্যোতিৰত্ন। এই দুজন বিচক্ষণ পণ্ডিতে বৃদ্ধাৱস্থাতো যি অসীম কষ্ট স্বীকাৰ কৰিছিল আৰু দেহ-মন-প্ৰাণ দি পঞ্জিকাখনৰ বাবে যি অপৰিসীম শ্ৰম কৰিছিল তাৰ তুলনা নাই। ইপিনে গৰিয়া নিবাসী শ্ৰীমদনচন্দ্ৰ দেৱশৰ্মা ভাগৱতী, জ্যোতিৰত্নদেৱে কৰা আপ্ৰাণ চেষ্টাও উল্লেখযোগ্য। প্ৰাচীন কামৰূপ পঞ্জিকাৰ কাৰণে বাবে এওঁ আৰু শ্ৰীসূৰ্যকান্ত দেৱশৰ্মা জ্যোতিভূষণে যে অগ্ৰগণ্য স্থান পাব তাত সন্দেহ নাই। গণনাকাৰক পণ্ডিতসকলৰ ভিতৰত প্ৰধান আছিল গৰিয়াৰ শ্ৰীমদনচন্দ্ৰ



দেৱশৰ্মা ভাগৱতী, জ্যোতিষৰত্ন, শ্ৰীমহেশচন্দ্ৰ শৰ্মা, পণ্ডিত, নিজনমাটি গাঁৱৰ (ক্ষুদ্ৰ ভালুকী) শ্ৰীসূৰ্যকান্ত দেৱশৰ্মা, জ্যোতিভূ‍ৰ্ষণ, শ্ৰীঅৰুণ চন্দ্ৰ শৰ্মা ভাগৱতী, জ্যোতিষশাস্ত্ৰী, বেদান্তৰত্ন, বৰ সাদেৰীৰ শ্ৰীৰাধামোহন দেৱশৰ্মা, জ্যোতিভূ‍ৰ্ষণ, কালজিৰা পাৰাৰ শ্ৰীদেবেন্দ্ৰনাথ দেৱশৰ্মা, জ্যোতিষৰত্ন, ক্ষুদ্ৰ ভালুকীৰ শ্ৰীগৰীন্দ্ৰনাথ দেৱশৰ্মা জ্যোতিভূ‍ৰ্ষণ আৰু শ্ৰীভৈৰৱচন্দ্ৰ দেৱশৰ্মা, জ্যোতিষৰত্ন। প্ৰাচীন কামৰূপ পঞ্জিকাৰ সৰ্বপ্ৰথম আদিবক্তা আছিল অন্যতম বিশিষ্ট পণ্ডিত বৰপেটা নিবাসী ৺গিৰীশ শৰ্মাদেৱ।

প্ৰাচীন কামৰূপ পঞ্জিকাৰ কাম আৰম্ভ কৰোঁতে মোৰ পৰমাৰাধ্য ধৰ্মগুৰু শ্ৰীশ্ৰীমৎস্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰী-দেৱৰ আৰু শিক্ষাগুৰু ৺হৰিনাৰায়ণ দত্ত বৰুৱা-দেৱৰ অশেষ আশীৰ্বাদ শিৰত লৈহে আৰম্ভ কৰা হৈছিল। এই গুৰুদ্বয়ে দিয়া উদগনি আৰু আত্মিক বলতহে এই দুৰূহ জাতীয় কামটো যে কৰিবলৈ সমৰ্থ হৈছিলোঁ তাত অকণো সন্দেহ নাই। মোৰ ৰাজনৈতিক গুৰু অসম কেশৰী অম্বিকাগিৰী ৰায় চৌধুৰীৰ ঐকান্তিক ইচ্ছা আৰু তেওঁৰ অসীম মনোবলে মোক আৰু বলীয়ান কৰি তুলিছিল। মোৰ ধৰ্মগুৰুদেৱ এই সময়ত এম, এল, এ, আছিল। তেখেতৰ সৌজন্যতে সেই সময়ৰ বিত্তমন্ত্ৰী ৺মতিৰাম বৰাদেৱৰ অনুগ্ৰহ লাভ কৰা সম্ভৱ হৈছিল। জাতীয় ভাবাপন্ন অসম মাতৃৰ সুযোগ্য সন্তান বৰাদেৱে প্ৰাচীন কামৰূপ পঞ্জিকা প্ৰকাশত অনুদান স্বৰূপে ইং ১৯৫২ চনত ৭৫০ টকা আৰু ১৯৫৩ চনত এহেজাৰ টকা আমাক চৰকাৰী সাহায্য দিছিল। তদুপৰি গোটেই অসমত—সকলো চৰকাৰী অফিচত প্ৰাচীন কামৰূপ পঞ্জিকা লবলৈ হুকুম জাৰি কৰিছিল। ইয়াৰ উপৰি সেই সময়ৰ শিক্ষামন্ত্ৰী শ্ৰীঅমিয়কুমাৰ দাস, যোগান আৰু প্ৰচাৰ বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী (বৰ্তমান ৰাজ্যপাল), অসম বিধান সভাৰ তেতিয়াৰ এম, এল, এ, শ্ৰীশৰৎচন্দ্ৰ সিংহ (বৰ্তমানে মুখ্যমন্ত্ৰী), বাগ্মীবৰ শ্ৰীনীলমণি ফুকন, প্ৰভৃতি বহুজন অসম মাতৃৰ সুযোগ্য সন্তান প্ৰাচীন কামৰূপ পঞ্জিকাৰ পৃষ্ঠপোষক আছিল।

সকলোৰে জনা কথা যে, বিদেশী দেশান্তৰ আৰু চৰশোধিত পঞ্জিকা গ্ৰহণ কৰি তিথি-কৃত্যাদি পালন কৰিলে স্বদেশীয় ধৰ্মাচৰণত ব্যাঘাত হয়। সেইবাবে নিজদেশৰ ধৰ্ম ৰক্ষাৰ বাবে গুৱাহাটীক (প্ৰাচীন জ্যোতিষ গণনাৰ কেন্দ্ৰস্থান প্ৰাগ্‌জ্যোতিষপুৰক) কেন্দ্ৰ কৰি বিজ্ঞান-সম্মতভাবে ভৌগোলিক গণিত আৰু জ্যোতি-ৰ্বিজ্ঞান (Theoritical Astronomy) মতে এই নগৰৰ দেশান্তৰ আৰু চৰ সংস্কাৰ কৰি প্ৰাচীন কামৰূপ পঞ্জিকাৰে আমাৰ অসম দেশৰ ধৰ্ম-কৰ্মাদি পালন কৰা হৈছিল। গণনাকাৰ্য সঙ্কলন কৰোঁতে বিদেশী পণ্ডিতৰ সম্পাদিত জ্যোতিষ্ আৰু অন্যান্য শাস্ত্ৰক আমাৰ দেশৰ উপযোগী কৰি লৈহে গ্ৰহণ কৰা হৈছিল।

প্ৰাচীন কামৰূপ পঞ্জিকা গুৱাহাটীক কেন্দ্ৰ ধৰি অক্ষাংশ ২৬।১১।১৮ আৰু দ্ৰাঘিমা ৯১।৪৬ অনুসাৰে উজ্জয়িনীৰ পৰা দেশান্তৰ দং ২।৩৯।৪০ আৰু যাম্যোত্তৰ অৰ্থাৎ চৰাৰ্ধ কাল মেষাদি ৰাশিত্ৰয়ৰ যথাক্ৰমে দণ্ডাদি ০।৫৭।২১, ০।৪৬।৪৪ আৰু ০।১৮।৭ গ্ৰহণ কৰি গণনা কৰা হৈছিল। পি, এম, বাকৃচি আদি পঞ্জিকা প্ৰাচীন গৌড়ক (বৰ্তমান কুমিল্লাৰ ওচৰত) কেন্দ্ৰ কৰি অক্ষাংশ ২৩।১৮ আৰু দ্ৰাঘিমা ৯১।১১ অনুসৰি উজ্জয়িনীৰ পৰা দেশান্তৰ দণ্ডাদি ২।২৪ পল আৰু যাম্যোত্তৰ দেশান্তৰ মেষাদি ৰাশিত্ৰয়ৰ যথাক্ৰমে দং ০।৫১।১৯, দং ০।১৭।১৬ গ্ৰহণ কৰি গণনা কৰে। এই দুই ধৰণৰ পঞ্জিকাই ৰেৱতী নক্ষত্ৰক আদি বিন্দু ধৰি প্ৰণয়ন কৰা গণিত-জ্যোতিষ শাস্ত্ৰক অৱলম্বন কৰি অহা বাবে দুয়োখন পঞ্জিকাৰ অয়নাংশ একে। পি, এম, বাগ্‌চি পঞ্জিকাই ৰবিৰ পৰমক্ৰান্তি ২৪ অংশ গ্ৰহণ কৰিছে; কিন্তু প্ৰাচীন কামৰূপ পঞ্জিকাই ২৩ অংশ ৩৭ কলা গ্ৰহণ কৰিছে। সূৰ্য্যৰ উদয়াস্ত দুয়োখন পঞ্জিকাতে ব্যৱহাৰিক ঘড়ীৰ স্থানীয় সময় দিয়া হৈছে। প্ৰাচীন কামৰূপ পঞ্জিকাত যাম্যো-ত্তৰ দেশান্তৰজনিত চৰাৰ্ধ সূক্ষ্মনীতিত সংস্কাৰ কৰি

প্ৰথমতে সূৰ্য ঘড়ীৰ (sun dialৰ) সূৰ্যোদয়াস্ত নিৰ্ণয় কৰা হৈছিল আৰু তাত প্ৰাত্যাহিক কাল সমীকৰণ (Equation of time) সংস্কাৰ কৰি ব্যৱহাৰিক ঘড়ীৰ গুৱাহাটীৰ স্থানীয় সময়ত সূৰ্যোদয়াস্ত গণনা কৰা হৈছিল। গতিকে বঙ্গ-অসম দুয়ো দেশৰ সূৰ্য্যৰ উদয়াস্ত যাম্যোত্তৰ দেশান্তৰ জনিত ঘ ০।২।২৫ চেঃ ব্যৱধান হৈছিল মাত্ৰ। এই দুয়ো ধৰণৰ পঞ্জিকাৰ গ্ৰহস্ফুটতো ব্যৱধান আছিল। সংক্ৰাৰ, উদয়াস্ত, বক্ৰ, শীঘ্ৰাদিৰ পাৰ্থক্য আছিল। গ্ৰহস্ফুটাদি গণনা কৰোঁতে কামৰূপ পঞ্জিকাই 'মকৰন্দ' গ্ৰন্থ মতে আৰু গৌড়ীয় পঞ্জিকাই 'সিদ্ধান্ত ৰহস্য'ৰ মতে চলিছিল। কামৰূপ পঞ্জিকাই পঞ্চাঙ্গ গণনা কৰোঁতে 'দিন চন্দ্ৰিকা' গ্ৰন্থক কামৰূপ ৰাজ্যৰ ব্যৱহাৰোপযোগী কৰি পঞ্চাঙ্গ চন্দ্ৰিকাৰ সহায় লৈ গণনা কৰিছিল। এইবোৰৰ বাহিৰে ৰজা-মন্ত্ৰী, বিষ্ণুপুৰুষ, চেদপুৰুষ নিৰ্ণয়, মেষাদি দ্বাদশ ৰাশিৰ আয়-ব্যয়, ধৰ্ম, অধৰ্ম, সুখ, দুখ, ধৈৰ্য, উন্মত্ত, নিদ্ৰা, জাগ্ৰত, সুশীল, কুৰূপ আদি কথন, ত্ৰিকোণ বিষুবফল গণনা, বৰ্ষফল, ৰাশি-ফল, নক্ষত্ৰফল গণনা, চিৰ প্ৰচলিত লোকাচাৰ জ্যোতিষ, শুভদিনৰ নিৰ্ঘণ্ট, হালখটি, তিথি-পৰ্বনাদিৰ নিৰ্ণয়, জ্যোতিষ ৰচনাৰ্থ, ডাকৰ বচন, ৰাশিনিৰ্ণয়, যোটনশুদ্ধি আদি, কাক-চৰিত, জন্মাষ্টমী নিৰূপণ (সৌৰ ভাদ্ৰত) ইত্যাদিত প্ৰাচীন কামৰূপ পঞ্জিকাই অসমীয়াৰ জাতীয় বৈশিষ্ট্য সদায় ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল। ইয়াৰ উপৰি অসমত প্ৰচলিত তিথি, পৰ্ব, উৎসৱ, সভা, মেলা, স্বৰ্গদেৱী পূজা-পাবন, ভঠেলী, অশোকাষ্টমী, ব্ৰহ্মপুত্ৰ স্নানাদি, স্মৃতি দিবস আদিও সন্নিবিষ্ট কৰি গোটেই পঞ্জিকাখন প্ৰকৃত জাতীয় আকাৰত প্ৰতিষ্ঠিত কৰা হৈছিল। বিশে-ষকৈ অসমৰ মহাপুৰুষ, আতৈসকলৰ তিথিৰ তালিকা, অসমৰ সত্ৰসমূহৰ তালিকা, নতুনকৈ স্থাপিত সত্ৰ আশ্ৰমাদিৰ তালিকা, অসমী আইৰ বৰপুত্ৰসকলৰ জন্ম-মৃত্যু তাৰিখ, স্থানীয় পৰ্ব-মেলাদিৰ তালিকা, ইত্যাদি পঞ্জিকাৰ শেষ ভাগত প্ৰকাশ কৰাত ই এখন নতুন যুগৰ বুৰঞ্জীৰ নিচিনা কাম কৰি সম্পূৰ্ণ কলেৱৰৰ আপুৰুগীয়া বস্তু হৈ উঠিছিল। মুঠৰ ওপৰত 'প্ৰাচীন কামৰূপ পঞ্জিকা' অসমৰ এখন জাতীয় দাপোণ আছিল বুলি কব পাৰি।

যদিও বিজুতৰীয়া পঞ্জিকা প্ৰীতিৰ কাৰণে প্ৰথম অৱস্থাত 'প্ৰাচীন কামৰূপ পঞ্জিকা'ই অসমীয়াৰ জনপ্ৰিয়তা লাভ কৰিব পৰা নাছিল তথাপি প্ৰতি বছৰে ইয়াৰ প্ৰতি অসমীয়াৰ আকৰ্ষণ ক্ৰমে বাঢ়ি আহিছিল। বিৰুদ্ধ ফলৰ অপপ্ৰচাৰে এই জনপ্ৰিয়তাত অশেষ বাধা দিছিল যদিও ইয়াৰ বৰ্ষফলৰ সফলতাই বিশেষকৈ মানুহৰ মন আকৰ্ষণ কৰিছিল। বিশেষকৈ লোকপ্ৰিয় বৰদলৈদেৱৰ পৰলোকৰ আগতে তেওঁৰ ৰাশি-চক্ৰ গণনা কৰি প্ৰাচীন কামৰূপ পঞ্জিকাই তেওঁৰ জীৱনাৱসানৰ ইঙ্গিত দিয়াত সমগ্ৰ দেশবাসী এই পঞ্জিকাখনৰ প্ৰতি আকৃষ্ট হৈ পৰিছিল। ইং ১৯৫০ চনৰ অসমত হোৱা প্ৰবল ভূমিকম্পৰ আগজাননীও 'প্ৰাচীন কামৰূপ পঞ্জিকা'ত প্ৰকাশ পাইছিল। এইদৰে দেশবাসীৰ পঞ্জিকাখনৰ প্ৰতি আদৰ বাঢ়ি অহাৰ লগে লগে ক্ৰমান্বয়ে প্ৰতিবছৰে আৰ্থিক ক্ষতি কমি আহি-ছিল। 'প্ৰাচীন কামৰূপ পঞ্জিকা'ই অসমত বহুলভাবে প্ৰচাৰিত পি এম্ বাগ্‌ছিৰ পঞ্জিকাৰ লগত বৰ কষ্টেৰে ফেৰ মাৰি নিজৰ ঘৰত আসন লব লগীয়াত পৰিছিল। ইয়াৰ কাৰণ হ'ল এইখন পঞ্জিকাক অসমৰ মানুহে নিজৰ দেশৰ পঞ্জিকা নোহোৱাত শ শ বছৰে বেদ বাণীৰ দৰে মানি আহিছিল। অসমীয়া ভাষাত ছপোৱা পঞ্জিকা যিমানে ভাল বা সঠিক নহওক লাগে তাক বিশ্বাস কৰোৱাটো আমাৰ পক্ষে এটা প্ৰধান সমস্যা হৈ পৰিছিল। তদুপৰি স্থানীয় প্ৰেছৰ অসুবিধাত কলিকতাত কেইজনমান বঙালী বন্ধুৰ অশেষ সহায়ত আমি কলিকতাত পঞ্জিকা ছপাইছিলোঁ। কলিকতাত ছপোৱাৰ পৰা আমি প্ৰচুৰ বিজ্ঞাপন পাইছিলোঁ আৰু তাৰদ্বাৰা পঞ্জিকা প্ৰকাশত আমাৰ অৰ্থনৈতিক যথেষ্ট সহায় হৈছিল। পি, এম বাগ্‌ছি পঞ্জিকাৰ দাম আমাৰ লগত প্ৰতিযোগিতা কৰি প্ৰতি বছৰে কমাই আনিছিল আৰু আমিও সেই অনুপাতে আমাৰ যদিও অধিক খৰচহয় বজাৰ ৰক্ষাৰ কাৰণে দাম বঢ়াবতো নোৱাৰোৱেই নিজৰ লোকচান কৰিও দাম কমাই দিবলগীয়া হৈছিল। এইবোৰ কাৰণতে আমাৰ পঞ্জিকাৰ বিক্ৰীৰ পৰিমাণ বাঢ়ি গলেও অৰ্থনৈতিক উন্নতি হব পৰা নাছিল। ছবছৰ ঘোৰ প্ৰতিদ্বন্দ্বিতা আৰু অন্তৰ্নিহিত বাধা অতিক্ৰম কৰি অৱশেষত ২৩ হাজাৰ টকা আৰ্থিক ক্ষতি হোৱাতো পঞ্জিকা প্ৰকাশ কৰি থকাই আমাৰ উদ্দেশ্য আছিল। পঞ্জিকাখনৰ কাৰণে যে শাৰীৰিক আৰু মানসিক কেনেকুৱা অক্লান্ত আৰু অসম্ভৱৰূপে খাটিব লগীয়া হৈছিল তাক আনে উপলব্ধি কৰা অসম্ভৱ। তদুপৰি আৰ্থিক চিন্তাই জুৰুলা কৰি-ছিল। ইয়াৰ কাৰণে ধাৰ ধুৰ কৰি নি পানীৰ দৰে ধন খৰচ কৰিব লগা হৈছিল। ইফালে আকৌ যুদ্ধৰ সময়ত, কলিকতাত পঞ্জিকা ছপাই বুকিং বন্ধ থকাৰ কাৰণে অসমত আনি তোলাটো আৰু ছপোৱাত-কৈয়ো ডাঙৰ সমস্যা হৈ পৰিছিল। নিৰুপায় হৈ একোখন বিমান কেৰেয়া কৰিও অসংখ্য খৰচান্ত হৈ বিক্ৰীৰ সময় পাৰহৈ যায় আৰু বিজুতৰীয়া পঞ্জিকাবোৰে বজাৰ অধিকাৰ কৰে বুলি ততাতৈয়াকৈ আমাৰ ব্যৱস্থা কৰিব লগীয়া হৈছিল। ইমান খৰচান্ত হৈ পঞ্জিকাবোৰ আগ্ৰহেৰে আনি ঘৰত তুলি লৈ কাকতে-পত্ৰে জাননী দিও পাচত দেখা গৈছিল যে অসমীয়া পঞ্জিকা মানুহে নিবিচাৰে। সহানুভূতি পোৱাৰ আশাত পঞ্জিকাত লিখা সকলৰ উপৰিও বহুতক নিজ খৰচত বিনামূল্যে বহু পঞ্জিকা বিলাই দিয়া হৈছিল। তথাপি দেখা গৈছিল যে অসমৰ গণনাকাৰক পণ্ডিতসকলৰ বহুতে নিজৰখন নকল আৰু ভুল বুলি প্ৰচাৰ কৰি পি, এম, বাগ্‌ছিৰ আৰু অন্যান্য বঙলা পঞ্জিকাহে ব্যৱহাৰ কৰে। কিতাপ বেচা দোকানীবিলাকক যাচি নিজ খৰচত ৰাখিবলৈ অমত হোৱা সত্বেও কাৰো কাকূতি কৰি দি অহা হয়; কিন্তু পাছত বহুতৰ পৰা ধন আদায় কৰা কষ্টকৰ হৈ পৰে। কিমানৰ ঠাইত যে ধন মৰা পৰিছে তাৰ সীমা নাই। বহুতে যাচি যাচি বাকী হাতে থৈ অহাৰ পাছত অসমীয়া পঞ্জিকাখিনি মানুহক নেদেখাকৈ লুকাই থৈ দি পি, এম বাগছিৰ দাম দি ধন ভৰি অনাখিনিহে বিক্ৰী কৰে। পাছত অসমীয়া পঞ্জিকাখিনি নিজ খৰচত ঘূৰাই আনিবলগীয়া হয় নাইবা বহুতে হিচাব খুজি পঠিয়ালে পুনৰ বুক কৰি ঘূৰাই দিয়ে। সেইবোৰ নিজে আকৌ ধন ভাঙি খালাচ কৰিব লগীয়া হয়। পঞ্জিকাৰ বেপাৰ এনহীয়া। গতিকে বিক্ৰীৰ সময় উকলি যোৱাৰ পাছত সেইবোৰ খালাচ কৰিলেও কোনো কামত নাহে। যিমান পৰা যায় সন্মান ৰক্ষাৰ্থে খালাচ কৰা হয়; কিন্তু বহুত ফিৰৎ পেকেট টকা অভাৱে খালাচ নকৰা বাবে ৰেলোৱে ষ্টেছনত 'নিলাম' কৰি দিয়ে। এইদৰে বেছিভাগ ব্যৱসায়ীৰ সহানুভূতি আৰু জাতীয়তা-হীন ভাব আৰু ব্যৱহাৰত আমি আচৰিত হোৱাৰ বাহিৰে আন উপায় একো নাপাইছিলোঁ। এইদৰে পঞ্জিকাৰ প্ৰকাশন হাতত লৈ আমি নিজৰ মনৰ বলৰ পৰীক্ষা কৰিছিলোঁ। অসমীয়া ৰাইজৰ জাতীয় ভাব-হীনতা, গণনাকাৰক পণ্ডিতসকলৰ অনাদৰ আৰু বিৰূপ ভাব আৰু ব্যৱসায়ীসকলৰ সহানুভূতিহীনতা আৰু পানীৰদৰে টকাৰ শ্ৰাদ্ধ কৰিও আমাক হতাশ কৰিব পৰা নাছিল। প্ৰেছৰ বিজুতি ঘটি পঞ্জিকা আধা ছপা হৈ বন্ধ কৰিব লগীয়া হোৱা অৱস্থাত পৰি, ইপিনে আন বিজুতৰীয়া পঞ্জিকা ওলাবৰ হ'ল সিপিনে আমাৰ পঞ্জিকা ছপা হবলৈকেই বহুত বাকী; আন প্ৰেছো বহু চেষ্টা কৰি উলিয়াব নোৱাৰাত হতভম্ব হৈ কলিকতাৰ গলিয়ে ৰাস্তাই কান্দি ফুৰা অৱস্থাও হৈছিল। এইবোৰ নানা সমস্যাত পৰি চিন্তা সাগৰত বুৰি অকালতে মোৰ দাড়ি-চুলি পৰ্যান্ত পকি গৈছিল। পঞ্জিকা উলিওৱাৰ কাৰণে নিজৰ হাউলি চাৰি-আলিত থকা ঘৰ-মাটিও বন্ধক থৈ টকা ধাৰ লবলগীয়া হৈছিল। এই দুঃসাহসিক কাৰ্যত মোক আৰ্থিক সহায় কৰি-ছিল মাত্ৰ মোৰ মঞ্জুৰী প্ৰাইমাৰী স্কুলৰ পুথি এখনে। সেইখন হৈছে গোটেই অসমত সকলোৰে সমাদৃত দ্বিতীয়-তৃতীয় মানৰ পাঠ্য; নাম "সাধাৰণ জ্ঞান আৰু স্বাস্থ্যপাঠ"। এই পুথিখনো কুচক্ৰত পৰি ১৯৫৩ ইং চনত হঠাৎ নাম-ঞ্জুৰ হৈ যোৱাত বিনা মেঘে বজ্ৰপাত হ'ল। এইখন

পুথিৰ আয়ৰ বিনিময়ত মই 'প্ৰাচীন কামৰূপ পঞ্জিকা'ৰ ক্ষতি স্বীকাৰ কৰি আছিলোঁ। আৰু ইয়াৰ কাৰণেই মই ধাৰ-ঋণ লবলৈকো সাহস আৰু উপায় পাইছিলোঁ। এই পুথিখন নামঞ্জুৰ কৰাত মই পঞ্জিকাৰ ভৱিষ্যত ভাবি অস্থিৰ আৰু নিৰুপায় অনুভৱ কৰিছিলোঁ। কিন্তু পিছমুহূৰ্ত্ততে ভগৱন্তক চিন্তি পুনৰ মনতে সাহস গোটাই লৈ পুনৰ মঞ্জুৰ কৰাৰ উপায় অৱলম্বন কৰিলোঁ। এই একমাত্ৰ জাতীয় অনুষ্ঠানটিৰ ভৱিষ্যত সম্পৰ্কে বিশেষ-ৰূপে উপলব্ধি কৰিছিল মোৰ প্ৰধান পৃষ্ঠপোষক হিচাপে শ্ৰীমহেন্দ্ৰমোহন চৌধুৰীদেৱে। তেওঁৰ অপৰিসীম যত্নতে এই বিষম সমস্যাৰ সমাধান কৰিবলৈ সমৰ্থ হৈছিলোঁ। কিন্তু ইয়াৰ পাছতে আৰু যি বিপৰ্যয় আহি উপস্থিত হ'ল তাৰ হাত এৰাবলৈ আৰু উপায় নোহোৱা হ'ল। পঞ্জিকাৰ আপ্ৰাণ পৃষ্ঠপোষক অসমৰ বিত্তমন্ত্ৰী মতিৰাম বৰা ডাঙৰীয়া হঠাৎ স্বৰ্গী হোৱাত মোৰ এখন হাত ভাঙিল। বজা ঘৰৰ সহায় আৰু সহানুভূতি সম্পূৰ্ণ হেৰুৱালোঁ। তাৰ পিছতে প্ৰাচীন কামৰূপ পঞ্জিকাৰ মূল গণনাকাৰক, পৰিচালক আৰু সংশোধক ৺কেশৱচন্দ্ৰ শৰ্মা দেৱে যেতিয়া অকালতে ইহসংসাৰ ত্যাগ কৰিলে, আমাৰ অন্যান্য পণ্ডিতসকলো নিথকৱা হৈ পৰিল। তেওঁলোকৰ ভিতৰত নানা সমস্যাৰ উদ্ভৱ হৈ বিশৃঙ্খলাৰ সৃষ্টি হ'ল। মধ্যে ইমান ক্ষতি-স্বীকাৰ আৰু দুৰ্যোগৰ পাছত আৰু ক্ৰমান্বয়ে ছ বছৰ (ইং ১৯৫০-৫৫ চনলৈ) আৰ্থিক ক্ষতিগ্ৰস্ত হৈ ভৱিষ্যত অন্ধকাৰ দেখিলোঁ। অৱশেষত 'প্ৰাচীন কামৰূপ পঞ্জিকা' উলিওৱাৰ আশা ত্যাগ কৰিবলৈ নিয়তিয়ে বাধ্য কৰালে। এইদৰেই এই একমাত্ৰ জাতীয় অনুষ্ঠানটিৰ বিলুপ্তিসাধন হ'ল। অসমীয়া জাতিৰ এই জাতীয় অভাৱটো স্থায়ী-ভাৱে পূৰণ হোৱা দেখি যাব পাৰিলেও মনত অপাৰ শান্তি পাই যাম।"

আমিও একে আশাকে কৰিছোঁ। শ্ৰীদাসৰ মুখত ফুলচন্দন পৰক।

ইয়াৰ পিছত 'অসমীয়া পঞ্জিকা' নাম দি আন এখন পঞ্জিকা উলিয়াইছিল গুৱাহাটীৰ শৰ্মা বাদাৰ্ছৰ শ্ৰীকন্দৰ্পেশ্বৰ শৰ্মাই (বৰ্ত্তমান বালভৱনৰ অধ্যক্ষ)। ছপা হৈছিল 'অসম বাতৰি' প্ৰকাশ হোৱা ভৰলুপৰীয়া গুৱাহাটী প্ৰেছৰ পৰা। দুখৰ বিষয় জন্মৰ কলপাততেই ইও চকু মুদিলে অৰ্থাৎ এবাৰ মাথোন ই জন্মৰ পোহৰ দেখা পাইছিল। তিনি হেজাৰ মান গাঁথিৰ ধন হেনো পানীত পৰিল সেই কাৰণে ৰসতে নাম থৈ শ্ৰীশৰ্মাই দ্বিতীয় বাৰ পঞ্জিকা উলিয়াবলৈ মৰসাহ নকৰিলে।

সুখৰ বিষয় এই বছৰ আকৌ এখন নতুন পঞ্জিকাৰ মুখ দেখা পাই আমি আনন্দিত হৈছোঁ। এই পঞ্জিকা-খন প্ৰকাশ হৈ ওলাইছে যোৱা বহাগ বিহুৰ লগে লগে "কেইগৰাকীমান গুৱাহাটী তথা টিহুৰ ধৰ্মপ্ৰাণ দেশ-প্ৰেমিক মহান লোকৰ উৎসাহ শুভেচ্ছা আৰু বিশেষকৈ নৱগ্ৰহৰ দলৈ শ্ৰীপ্ৰিয়নাথ শৰ্মাদেৱৰ ঐকান্তিক প্ৰচেষ্টাত।" এই নৱগ্ৰহকেন্দ্ৰিক পঞ্জিকাখন 'নৱগ্ৰহ পঞ্জিকা' নামেৰে নামাঙ্কিত হোৱা হ'লে আমি বিশেষভাৱে গৌৰৱ কৰিবৰ থল আছিল। নহল নাই। ইয়াৰ গণনা আৰু সংশোধনত আছে শ্ৰীধৰ্মেশ্বৰ শৰ্মা পণ্ডিত (গণিত-জ্যোতিষ সংশোধক), শ্ৰীমদনচন্দ্ৰ ভাগৱতী, জ্যোতিষৰত্ন, শ্ৰীসূৰ্যকান্ত শৰ্মা, জ্যোতিৰ্ভূষণ (গণনাকাৰক), শ্ৰীহৰগোবিন্দ শৰ্মা, স্মৃতি-ব্যাকৰণ-তীৰ্থ (ব্যৱস্থাপক আৰু সংশোধক)। প্ৰকাশক পৰিষদৰ সভাপতি হৈছে 'অসম-বাণী'ৰ সম্পাদক শ্ৰীসতীশ চন্দ্ৰ কাকতী, সম্পাদক শ্ৰীপ্ৰিয়নাথ শৰ্মা দলৈ, লগতে আছে সমগ্ৰ অসমৰ পণ্ডিতমণ্ডলী আৰু সমূহ অসমীয়া ৰাইজৰ শুভেচ্ছা। সম্পাদক শৰ্মা দলৈদেৱৰ "ঐকান্তিক প্ৰচেষ্টা"ৰ বিষয়ে আমি বিশেষভাৱে অৱগত। তেওঁকে প্ৰমুখ্য কৰি আনসকলৰ এই শুভ কাৰ্যত প্ৰায় বিনামূলীয়া শ্ৰমদান উলাই কৰিব পৰা বিধৰ নহয়। পঞ্জিকাখনৰ গুণাগুণৰ বিষয়ে কবলৈ বিশেষ নাই, আগলৈ ইয়াৰ আৰু উন্নতি হোৱাটো সুনিশ্চয়।

কিন্তু যোৱা বছৰৰ দুটা কথাই আমাক আশাৰ বেঙনি দেখুৱাব পৰা নাই। প্ৰথমটো হৈছে অবতৰীয়া প্ৰকাশ। মাঘ মাহৰ পৰাই বজাৰত পঞ্জিকাৰ বতৰ



আৰম্ভ হয়। ফাগুন-চ'তত হয় ভৰপক। এই কলি-কতীয়া পঞ্জিকাই বজাৰ ওপচাই পেলোৱাৰ পিছত বহাগ মাহতহে পঞ্জিকাখন চুচুক্‌চামাক্‌কৈ বজাৰলৈ ওলোৱাত উচিত সমাদৰৰ পৰা বঞ্চিত হোৱাটো স্বাভাবিক। দ্বিতীয়-টো হৈছে বিজ্ঞাপনৰ অভাৱ। আলোচনী-বাতৰি কাকত আদিৰ আৰ্থিক ফালটোত বিজ্ঞাপনে কেনেদৰে সহায় কৰে সেইটো আমি নকলেও হব। পি-এম বাগ্‌ছি পঞ্জিকাৰ আধাআধি অংশত বিজ্ঞাপনৰ ভোগ দখল। তাৰ ফলত সেই পঞ্জিকা প্ৰকাশ এটা বিৰাট অনুষ্ঠানত পৰিণত হবলৈ সক্ষম হৈছে। অসমীয়া পঞ্জিকাৰ প্ৰকাশক মণ্ডলীয়ে এই বিষয়ে যথেষ্ট তৎপৰ হোৱাটো বাঞ্ছনীয়। তদুপৰি আন ঠাইত সম্ভৱ হলেও অসমত কোনো প্ৰতি-ষ্ঠানেই কেৱল দেশপ্ৰেম, স্বাৰ্থত্যাগ আৰু বিনামূলীয়া শ্ৰমদানৰ ওপৰত নিৰ্ভৰ কৰি দীৰ্ঘায়ুস লাভ কৰিব নোৱাৰে। আগৰ তিতা-কেঁহা অভিজ্ঞতাবোৰলৈ চাই আমি ভাবোঁ পঞ্জিকাৰ প্ৰকাশকমণ্ডলীয়ে পঞ্জিকাখন আগ বতৰতে নিয়মিতভাৱে উলিয়াই থকাৰ উপৰিও প্ৰথমৰে পৰা নিজৰ মাটিত ঘৰ-দুৱাৰ, ছপাশাল, এই কামত লিপ্ত থকাসকলৰ অন্নসংস্থান, জাননী-সংগ্ৰহ, প্ৰচাৰ আৰু সংগঠনৰ ফালটোলৈকো চকু দিব লাগে।

যিমান সোনকালে পৰা যায় নিজৰ ছপাশাল এটা পাতি লব পৰাটোহে ঘাই কথা। তিনিভাগৰীয়া মাটিত শগুণেও বোলে শ নেখায়। যোৱা বছৰ পৰিষদে তিনি-খন স্থানীয় ছপাশালক পঞ্জিকা ছপাবলৈ দি যি অভি-জ্ঞতা লাভ কৰিলে তালৈ যেন সততে মনত ৰাখে। পৰত আশ, বনত বাস। তাৰ উপৰিও এশ এটা দেখা-নেদেখা আছে। সাহসেৰে সেইবোৰৰ লগতো যুঁজ দিব পাৰিব লাগিব বীৰৰ দৰে।

সিংহ চৰ্কাৰ আৰু ইন্দিৰা চৰ্কাৰে নিবনুৱা বিলাকক সংস্থাপিত কৰিবলৈ অনেক কৰ্মসংস্থান আঁচনি তৰিছে। আমি ভাবোঁ, এই পঞ্জিকা-প্ৰতিষ্ঠানটোৱে, সুদৃঢ় ভেটিত গঢ়ি উঠিলে এটা জাতীয় অভাৱ পুৰণ কৰাৰ উপৰিও ভালেমান নিবনুৱাৰ ভাত-কাপোৰৰ সংস্থান উলিয়াই দিব পাৰিব, যদিহে বৰ্তমান এশটকীয়া সদস্যসকলক লৈ গঠিত হোৱা এই পঞ্জিকা পৰিষদখন সমবায় ভিত্তিত চৰ্কাৰী সাহা-য্যপ্ৰাপ্ত 'অসমীয়া পঞ্জিকা নিগম'লৈ ৰূপান্তৰিত হয়। প্ৰকাশক পৰিষদৰ দূৰদৃষ্টি, কাৰ্য্যদক্ষতা, সংগঠন শক্তি আৰু অসমীয়া ৰাইজৰ সহায়-সহযোগৰ ওপৰতেই এই জাতীয় অনুষ্ঠানটোৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছে।

নৱজাত 'অসমীয়া পঞ্জিকা' দীৰ্ঘজীৱী হওক এয়েই আমাৰ ঐকান্তিক কামনা।

## ॥ অসমীয়া হতশ্ৰী ॥

অলপতে কাণত শুত লগোৱা বাতৰি এটাত ৰজন-জনাই প্ৰচাৰ হৈছিল বোলে এইবাৰ কলিয়াবৰৰ সত্ৰীয়া কলাকাৰ শ্ৰীগিৰিকান্ত মহন্তদেৱক ভাৰত সঙ্গীত নাটক একাডেমীয়ে 'ফেলছিপ' প্ৰদান কৰিব। তদুপৰি ভোলা-গুৰি সত্ৰৰ কৃতী কলাকাৰ শ্ৰীজীৱেশ্বৰ গোস্বামীয়ে সঙ্গীতৰ ৰাষ্ট্ৰীয় বঁটা পাব বুলিও অহকাণে পহকাণে শুনি ভাবিছিলো—এইবাৰ শেনৰ এজাত, ভেকুলীৰ পিঠিত নোম গজিল। পিছে সম্প্ৰতি প্ৰকাশ হোৱা বঁটাৰ তালিকা শুনি বুজিব পাৰিলো, সকলো ফুটুকাৰ ফেন। ভাৰত-বৰ্ষৰ আন সকলো ৰাজ্যৰ ভাগ্যত থাকিলেও অসমৰ ভাগত এটা ঘোলা কণী। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে ইতিপূৰ্বে কমলাবাৰীৰ মণিৰাম দত্ত মুক্তিয়াৰ, লেটু-গ্ৰামৰ শ্ৰীশ্ৰীমিত্ৰদেৱ অধিকাৰ আৰু নিকামূলৰ শ্ৰীগহন চন্দ্ৰ গোস্বামী প্ৰভুক সঙ্গীত নাটক একাডেমীয়ে বঁটা প্ৰদান কৰি অসমৰ সত্ৰীয়া সঙ্গীতক স্বীকৃতি দিছিল। এয়া হৈছে এপাচি কচুশাকত এটা জালুকৰ দৰে—বঙ্কিৎ নকৰি কিঞ্চিতৰ নিচুকনি বঁটা মাথোন। অসমীয়া সঙ্গীত নাটকৰ শিল্পীৰ অভাৱৰ বাবেই যে এনে হৈছে সেইটো নহয়। আগৰ সকলৰ কথা বাদ দিও যশস্বী শিল্পী বিষ্ণু ৰাভা, ফণী শৰ্মা, চন্দ্ৰ ফুকন, ললিত চৌধুৰী, নবো ওজাই দিল্লীত লাকৰ ভাগ নোপোৱাকৈয়ে পৃথিৱীৰ পৰা নাম কাটি গুচি গ'ল। এতিয়াও শ্ৰীজীৱেশ্বৰ

( ৬৩ পৃষ্ঠাত চাওক )

রস-রচনা

# নিতাই পগলা

শ্ৰীগোলাপ চন্দ্ৰ বৰা

"কানীমুনি বাই মোৰ গাত দায় নাই, মই হ'লে একো দেখা নাই"—"লেফ্‌ৰাইট লেফ্‌ৰাইট দাযে ঘুম বঁায়ে ঘুম"—বুলি সি মানুহজাকক মাৰিলে এক ঠেলা। মানুহবিলাক কৰ্ফাল খাই ইফালে সিফালে চিটিকি পৰিল। আমোদ পাই—লৰা-ছোৱালীবিলাকে উৎফুল্লিত হৈ চিঞৰি উঠিল—"ঐ পগলা, তই দেখোন দেখিও নেদেখাৰ ভাও জুৰি মানুহবোৰক খুন্দিয়াইছ কিয় ?"

সিহঁতে এইধৰে ক'বলৈহে পালে নিতাই পগলা জাঙুল খাই উঠিল, "খাইলম কলিজা—কাক পগলা পাইছ —তহঁতৰ মাৰ পগলা, বাপেৰ পগলা, চৈধ পুৰুষ পগলা। ঐ আধাকটা বান্দৰটিলিকাহঁত ! মই দেখা নাই বুলি কৈছোঁহে। —খুন্দাটো ইচ্ছা কৰিয়েই মাৰিছো বাপেৰইতক। মই কৈ খুন্দিয়াইছো—তহঁতৰ মাৰ বাপেৰে দেখিও নেদেখে—নাই দেখা বুলিও নকয়—নেদেখাৰ ভাওহে জোৰে আৰু আমাৰ নিচিনা কুকুৰধুলিবোৰক খুন্দিয়াই গড়খাবৈত পেলাই দিয়ে বুজিছ।" এই বুলি নিতাই পগলা ধুপুচ্‌কৈ বহি পৰিল। ধূলিৰে বগাহৈ থকা জঁট বান্ধিবলৈ ধৰা তাৰ চুলিখিনিত খামোচ মাৰি ধৰি সি তললৈ মূৰটো গুজি অলপ পৰ টলকা মাৰি থাকি আকৌ উঠি ভোৰ-ভোৰাই লীলা গতিত আগবাঢ়ি গ'ল। অলপ বাট যোৱাত পিছফালৰ পৰা কোনোবাই চিঞৰি দিলে, "আমি নাই দেখা অ' নিতাই !" এইবাৰ কিন্তু সি ঘূৰি নাচালে—মাত্ৰ ভোৰভোৰনিবোৰ ক্ৰমে স্পষ্ট হৈ আহিছে।

এতিয়া মাতটো ক্ৰমে ডাঙৰ হৈ আহিছে। তাৰ কথাবোৰ বুজিব পৰা হৈছে, "দেখা নাই ? দেখা নাই ! নেদেখতো বুবকহঁত। নেদেখ তহঁতে। গাঁৱত হাজাৰ হাজাৰ মানুহে লঘোনে থাকি পেটৰ নাড়ী শুকাই পিত পানী বমি কৰি কৰি মৰিছে আৰু লাভখোৰ মুনাফাখোৰহঁতে দালান বান্ধিছে। সেয়া ক'ত দেখিবি তহঁতে ? বছৰে বছৰে বান পানীয়ে দেশৰ ৰাইজৰ কি বিলাই-বিপত্তি কৰিছে—সেয়াটো তহঁতে নেদেখ। ঠিকাদাৰে ইঞ্জিনিয়াৰে শঠা মিতিৰ হৈ মঠাউৰি বন্ধা চাবলৈ গৈছ জানো ? গলেহে দেখিবি হাতীৰে গচকোৱা মাথাউৰিত গৰুৰ খুৰা সোমাই যায়। ক'ত দেখিবি, নেদেখ নহয়। ফাইলবোৰ দেখিছ ? তাত কাৰ বুকুৰ কিমান কথা জাহ যায় তাক তহঁতে দেখিছ জানো ! নাই দেখা। নেদেখ, ক'ত দেখিবি ? হঁক মই নেদেখাৰ ভাও জোৰো আৰু তহঁতে নেদেখই। তহঁতে মাত্ৰ শুনহে। আকাছবানী শুন, পৰিয়াল পৰিকল্পনাৰ বক্তৃতা শুন আৰু ৰাতি থঁ ৰাশিয়ালৰ হোৱা শুন। আৰু বক্তৃতাৰ ফুলজাৰিত উফৰি পৰা আঁথৰ সোৱাদ চেলেকি চাব। ওহ্‌ বৰমিঠা। দেশৰ দুখীয়া ছালচিগা ভিকহু নাইকিয়া হ'ব। হবতো। নহব কিয় ? খাবলৈ নাপালে বিনা টিকটে সকলোৱে যম ৰজাৰ ৰাজ্য পাব। সেইটোনো কি নতুন কথা শুনিলিহক। আলু, কচু, নহক, শেলেকু খাই মৰা মানুহবিলাককতো তহঁতে নেদেখ। তহঁতে কেতিয়াবা গণেশপেটা ভেজালকাৰীইতক দেখ। কিটো ধৰিবলৈ যাব। ফুঃ। তাৰ পাছতে নেদেখা হব। শুনিছিল নহয় ৰৰলুইতত হলঃ হব; এখন নহয় তিনিখন। এখন শৰাইঘাটত, এখন ভোমোৰাগুৰিত, এখন যোগীঘোপাত। বহুত কন্দাকটা কৰাত শৰাইঘাটৰখন জাগিল, যোগীঘোপাৰ খন কুম্ভকৰ্ণৰ উমনিত আৰু ভোমোৰাগুৰিৰখন উমনিতে গোলা হ'ল। চেনি খাবি নে ? ভয় নাই, চেনি নেপালেও নতুন নতুন চেনিকলৰ আচনিবোৰকে ধুই পানী খাব পাৰি। ধানৰ খেতিৰ মাটিত কুঁহিয়াৰনি হ'ব ! সৰিয়হতলীবোৰ ভগনীয়াতলী হ'ব ? দেউতাইতৰ জয়ধ্বনি নিদিয় কিয় ? ডাকঘৰৰ বেৰত ওলোমাই খোৱা ইন্‌জেক্‌চন লোৱাৰ পূৰ্বে দণ্ডীৰাম আৰু ইন্‌জেকচন লোৱাৰ পিছত দণ্ডীৰামৰ ছবিখন দেখিছ নে ? ছবি চাব নেলাগে, মহানগৰীলৈ গলে আচল মানুহজনকে দেখা পাবি। চৰকাৰী চাকৰিত (কেৰেণী) সোমোৱাৰ পূৰ্বে 'কেৰেলা বায়ন' আৰু আজি চৰকাৰী চাকৰিৰ পৰা অৱসৰ পোৱাৰ পিছৰ 'গেবেলা মেধি'ক চিনি নেপাব জানো ? তেওঁ আজি সমাজবাদী নেতা, পুজিবাদী ঘেতা (হাজাৰ হাজাৰ টকীয়া কেৰেয়া ঘৰৰ মালিক) আৰু মহানগৰীৰ ভাবী মেয়ৰ।

আৰু শুনিবি নে ? তেলৰ মাক ৰংপুৰে কন্দাকটা কৰি, ফেল খাটি এবেহীও তেল নেপালে ; তাৰ ফলত অৰুণ্ডে বোন্দা (সুনমাটি) আৰু নডাইগাৰে দুটা সৰু তেলৰ খাল লাভ কৰিলে, বাৰুণীয়ে পালে এটা বৰপুখুৰী ; কিন্তু নিজৰ ৰাজ্যত এক ফোটা তেল নথকা স্বত্বেও হাল্‌ধীয়া আৰু মথুৰাই পাব দুটা তেলৰ সাগৰ।

( ৬৪ পৃষ্ঠাত চাওক )



( ৬১ পৃষ্ঠাৰ পিছৰ পৰা )

গোস্বামী, শ্ৰীমধাই ওজা, ডঃ ভূপেন হাজৰিকা প্ৰমুখ্যে নটা-বাহন তুলি লবলৈ, বেছি নহলেও জনচেৰেক কৃতী শিল্পী আমাৰ সমাজত নথকা নহয়। কিন্তু এই সকললৈ চকু দিয়ে কোনে ? দোষ কাৰ ?

সিদিনা ঘোষণা কৰা কৃতী শিক্ষকৰ তালিকাত ক্ষুদ্ৰ মণিপুৰ, ত্ৰিপুৰাও সোমাল ; কিন্তু যি কোনো কাৰণতেই নহওক অসমৰ কোনো শিক্ষক বাছনিত নুঠিল। সেইদৰে যোৱাবাৰ ২৬ জানুৱাৰীৰ ৰাষ্ট্ৰীয় সন্মানতো কোনো অসমীয়াই নিম্নতম পদ্মশ্ৰী সন্মানো লাভ কৰিবলৈ অসমৰ্থ হৈ হ'ল হতশ্ৰী। এবাৰ কোনো বঙালী সাহিত্যিকে সাহিত্য-একাডেমীৰ বটা নোপোৱাত সমগ্ৰ পশ্চিমবঙ্গ তল-ওপৰ হৈছিল, তাৰ বাজ্যিক চকাৰেও মাত মাতিব লগা হৈছিল—একাডেমীয়ে বঙলা সাহিত্যৰ প্ৰতি সুবিচাৰ কৰা নাই বুলি। কিন্তু অসমৰ বেলিকা ৰাজ্যচৰকাৰ—জনমত —সংবাদসেৱী—শিক্ষক— ছাত্ৰ—শিল্পী সকলো নিৰ্বিকাৰ। কে শুমগুমায়, কে চকু মেলি চায় ? মই নেপালে আনে পাওক বা নেপাওক এনে সৰ্বনশীয়া মনোভাব।

ইফালে অসমৰ ছাত্ৰসমাজে কেন্দুকণাৰ পৰা ডেকা-ডেকেৰীলৈকে কৰিছে কি ? ভৱিষ্যতৰ বাবে প্ৰস্তুতিৰ কালছোৱাত তেওঁলোকে হোৱাই নোহোৱাই সঘনে ধৰ্মঘট, শ্ৰেণী-বৰ্জন আদি কৰি—শিক্ষাৰ ফালে পিঠি দিয়াটো উচিত হৈছে নে ? সৰ্বভাৰতীয় পৰীক্ষাৰ কথা নকবেই, ৰাজ্যিক বিশ্ববিদ্যালয় দুখনৰ কৃতকাৰ্যতাৰ তালিকাত তেওঁলোকৰ স্থান যে বছৰে বছৰে তললৈ নামি গৈছে তাৰ হিচাপ ৰাখিছে কোনে ? যোগ্য-ভোগ্য বসুন্ধৰা। নিজে যোগ্য নহলে আনে মুখৰ ভাত কাঢ়ি খাবই খাব। বহু সময়ত ৰাজনৈতিক দলবোৰে নিজৰ স্বাৰ্থ সাধনৰ বাবে তেওঁলোকক হাতৰ পুতলা কৰি লৈ ৰাঙ্কনি উচটাই জোল খাবলৈ ভিতৰি জাল পেলোৱাটো চকু থকাসকলে নিশ্চয় দেখা পাইছে।

"প্ৰতি দিন জীৱ-জন্তু যায় যমঘৰ,
তথাপিতো ভাবে নৰে অজৰ অমৰ।"

এইটোহে হৈছে পৰম আশ্চৰ্যৰ কথা। অসম-চৰকাৰ, অসমৰ ৰাইজ, অসমৰ ছাত্ৰসমাজ ! এতিয়াও ধোদৰ আলিত বহি নাথাকিব। ক্ষুদ্ৰ স্বাৰ্থ পৰিহৰি, দেশৰ—জাতিৰ বৃহৎ স্বাৰ্থলৈ মন দি বাহিৰৰ জগতলৈ ওলাই আহাঁ, নিজকে উপযুক্ত কৰি তোলা। নহলে কেনে-ফোটো কাৰে বাঢ়ি অহা বাৰিষাৰ ৰৰলুইতক ভেটিব কোনে ?

ইয়াকে বোলে কপালীৰ কপাল—হয় নে নহয় ?" ৰৰলুইতখন বোলে বান্ধি পেলাব। শুনিছইক হে। কিবা এই জনমত দেখিবি জানো………?"

এনেতে ভোঁ ভোৰাই জীপ গাড়ী এখন আহি তাৰ ওচৰতে একাষৰীয়া হৈ ৰৈ গ'ল। গাড়ীখনত বান্ধি থোৱা মাইকে ঘোষণা কৰিলে—"ৰাইজসকল বজাৰৰ বস্তুৰ দাম বান্ধি দিয়া হৈছে—এই বন্ধা দামতকৈ অধিক দাম নিদিব।—মচুৰমাহ দুটকা বিশ পইচা, মিঠাতেল ছয় টকা, মাছৰ কিলো চাৰি টকাৰ পৰা ছয় টকা………।" জীপখন যাবলৈহে পালে কাষত জুম বন্ধা মানুহ মখাক চিঞৰি চিঞৰি নিতায়ে কবলৈ ধৰিলে, "শুনিলি ? শুনিলিনে দাম বান্ধি দিলে। কিন্তু দেখিছ জানো ? বজাৰত বস্তু দেখিছ জানো ? মিঠা-তেল দেখিছ ? কণাইত, তাত মৰিল কিমান আছে চাচোন। মাছ দেখিছ জানো ? দামহে শুনিলি, মাছ দেখিলিনে নাই ? ফিচাৰিৰ নাম শুনিছ নহয় ? দীঘলী পুখুৰীটো চাই আহিবি। বাৰিষা পানী সিঁচি কেনেকৈ মাছৰ খেতি নহলেও টকাৰ খেতি হয় জানিব পাৰিবি। অফিচত ফাইল দেখিবি, বজাৰত মাছ নেদেখ।"

আকৌ কোনোবাই মানুহৰ জুমৰ পৰা চিঞৰিলে

"পগলা নিতাই
একোদেখা নাই
আহিছে দেখোন
হেলাই হেম্বাই।"

"দেখা নাই তইতে, দেখা নাইনে" মই ইমানবোৰ কথা দেখিছো তইতেহে দেখা নাই ? তেন্তে বহ, কানিমুনীবাই, মোৰ গাত দায় দোষ নাই। ময়ো হলে একো দেখা নাই।" বুলি লৰি গৈ নিজেই মানুহৰ জুমত সোমাই কেইবা-টাকো ঠেলি হেঁচি বগৰাই দিলে। সি নিজ বাটে যাবলৈ ধৰিলে।

"হুঁ নেদেখ. শুনহে মাথোন। হৰিকান্তই কিমান দৰমহা পায় ? শুনিছতো থাৰবীয়া কেইটা ? দেখা নাই ? দহটা। ঘৰ এটা সাজিছে চাই আহিবি। লাখটকীয়া ঘৰ। বজাৰত তইতে চিমেণ্ট দেখিবলৈকে পোৱা নাই নহয়। তাতে গৈ চাই আহিবি একো নেদেখাৰ জাতইত। একো নেদেখ—নেদেখি নেদেখি তইত কণা হৈ যাবি। নামাতি নামাতি তইত বোবা হৈ যাবি। তথাপিও তইতৰ গাত চেতন নাই। ঐ তইতৰ নামটো কি আছিল ? 'নতুন পুৰুষ'। হুঁ সিংহৰ ছালপিন্ধা ভেৰা-ইত ! তইত নতুন পুৰুষ নে কেঁচা পুৰুষ দিন দুপৰতে চকুৰ আগতে ঘটি থকা কথাবোৰো নেদেখ।"

চহৰৰ বাটে বাটে নিতাই পগলা গৈ আছে। পূজা-ঘৰৰ সন্মুখত প্ৰতিমা ৰং দিয়া চাই ৰৈ থকা মানুহৰ জুম এটা দেখা পাই সি তালৈকে সোমাই গ'ল। প্ৰতিমা-মূৰ্তিখন কাপোৰেৰে আঁৰ দি থৈছে। কাৰণ, কাইলৈহে বেলবৰণ। সি যোৱা দেখি লৰা-ছোৱালী বিলাকে ভয়তে বাট এৰি দিলে। সি সোমাই গ'ল। আঁৰ কাপোৰখন দাঙি ভিতৰ সোমাই দেৱী প্ৰতিমাৰ সন্মুখত ৰৈ একেথিৰে চাই ৰল। চাওঁতে চাওঁতে তাৰ চকু দুটা চলচলীয়া হৈ পৰিল। থোকাথুকি মাতেৰে সি কবলৈ ধৰিলে—"কেলেই আহিলা আই ! কেলেই আহিলা ? আমাৰ দেশত আজিকালি তোমাতকৈ ডাঙৰ দেৱী বহুত আছে। বহুত গণেশ, কাৰ্ত্তিক, লক্ষ্মী, সৰস্বতী আছে। তেওঁলোকে বহুত আগতেই পূজা, বলি খাই গেৰেলা গেৰেলী হৈ আছে। তোমাকনো আজি কোনে মানে আৰু খাবানো কি ? পাবানো কি ? লেৰেলা কোমোৱা, মগুমাহৰ শিলগুটি চোবাওঁতে শক্তিদায়িনী আই তোমাৰো শক্তিক্ষয়হে হব। আৰু কি পাবা ? চেৰেলা মৰ-কুটীয়া মাকৰ পিয়াহ খোৱা মহজাকৰ তেজ। চাবাচোন তোমাক পূজিবলৈ অহা চেৰেলা ভক্ত সকলক………।" কথাখিনি শেষ নকৰাকৈ সি ওলাই বাহিৰত ৰৈ থকা মানুহ জুমলৈ চাই বকিব ধৰিলে "কি চাইছ ? দেখা নাই, তইতক দেখি গোঁসানীয়ে কেনেকৈ চকু পানী টুকিছে। নাই দেখা ? নেদেখ, নেদেখ, ক'ত দেখিবি ?"



এইজনেই নিতাই পগলা। আচল নাম নিত্যানন্দ কন্দলী। মই নাই দেখা ; কিন্তু কোৱা শুনিছো—'৪২ৰ গণ-বিপ্লৱত সি হেনো প্ৰভূত বৰঙণি যোগাইছিল ; যদিও সি তেতিয়া মাত্ৰ দহ-এঘাৰ বছৰীয়া ল'ৰাহে। ইটো শিবিৰৰ পৰা সিটো শিবিৰলৈ, কংগ্ৰেছৰ সম্পা-দকৰ ঘৰৰ পৰা সভাপতিৰ ঘৰলৈ, সদস্যৰ ঘৰলৈ চিঠি কাগজ আদি সি কঢ়িয়াই লৈ যায়। সৰু ল'ৰা বুলি পুলিচেও সন্দেহ নকৰে। গাঁৱত মিটিং হলে সি তিনি আলিৰ মূৰত ৰৈ থাকে। পুলিচ বা মিলিটেৰী অহা দেখিলেই সি তৎক্ষণাৎ গৈ সভাত জান দিয়ে। কেইবাবাৰো সি এনেকৈ নেতাসকলক ৰছোৱাৰ প্ৰমাণ আছে। এইয়া জানো গুৰুত্বপূৰ্ণ বৰঙণি নহয় ? তেতি-য়াৰে পৰা সি কংগ্ৰেছৰ সকলো কামতে লাগি থাকে। হাইস্কুলত থাকোঁতেই দেশ স্বাধীন হ'ল। তাৰ চেমনীয়া মনত অপাৰ আনন্দ। স্বাধীনতা দিৱসৰ সভাত, অন্যান্য কংগ্ৰেছৰ সভাতো সদায় তাক নেতাসকলে প্ৰশংসা কৰিছিল।

কিন্তু স্বাধীনতাৰ পাছত বহু কথাই তাক আমনি দিব ধৰিলে। অভুতপূৰ্ব বৰঙণি থকা গোপীদেউতা, ফুকন দেউতা, বৰদলৈ দেউতা ঢুকাল। প্ৰত্যেকজনৰ মৃত্যুত সি কান্দিছিল। ভূঞা দেউতাও কংগ্ৰেছৰ পৰা ওলাল। আন্দোলনৰ সময়ত আঁতৰি থকা মানুহবোৰ নেতা হ'ল। নেতাসকলে নিজক চহকী কৰাৰ প্ৰচেষ্টা দেখি সি ক্ষুণ্ণ হ'ল। লাহে লাহে গাওঁৰ মানুহ বাঢ়িল। উৎপাদন কমিল। গৰীবৰ সংখ্যা বাঢ়িল। কংগ্ৰেছৰ পৰা সি আঁতৰি পৰিল। কোনো ৰাজনৈতিক পাৰ্টিতে তাৰ বিশ্বাস নাইকিয়া হ'ল। মনত কিছুমান ক্ষোভ জমা হ'ল। মাজে মাজে তাৰ কথাবোৰ লাগবান্ধ নোহোৱা হবলৈ ধৰিলে। মানুহে তাৰ লগত কথা পাতিবলৈ আমনি পোৱা হ'ল। প্ৰকৃততে সি অকলশৰীয়া হ'ল। এই ক্ষোভে তাক মগজুত আঘাত হানিলে। বেছি আঘাত পালে তেতিয়া, যেতিয়া সি স্থানীয় কলেজখনৰ পৰা বি. এ. পাছ কৰি জালুকবাৰীত অৰ্থনীতিত এম্. এ. পঢ়িবলৈ গ'ল। এৰেকেয়া বুটলি পঢ়া নিতায়ে যেতিয়া অৰ্থনীতিৰ জাতীয় ঋণ অধ্যায়ত ভাৰতৰ শ শ কোটি টকা ধাৰৰ হিচাপ পালে, তেতিয়া তাৰ মনত ভীষণ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ল। ইমান ধাৰ কেতিয়া, কোনে, কেনেকৈ পৰিশোধ কৰিব ? ইমান টকা আনিও মানুহে দুবেলা দুসাজ খাবলৈ পোৱা নাই ! এইবোৰ চিন্তা আৰু দেশৰ অন্যান্য বৈষম্যৰ কথা ভাৱি তাৰ মগজুৱে ভাৰসাম্য হেৰুৱাই পেলালে—পৰীক্ষা নিদিয়াকৈয়ে সি জালুকবাৰী এৰিলে। মগজ বেয়া নোহোৱা হ'লে সিও আজি গৰুৰ নেজত ধৰি বৈতৰণী পাৰ হোৱাৰ নিচিনাকৈ কোনোবা এম-পি বা এম-এলএৰ কান্ধত ধৰি কোনো যুদ্ধত নমাকৈয়ে মুক্তিযুঁজাৰু হৈ পেঞ্চন আৰু তাম্ৰপত্ৰ লাভ কৰিব পাৰিলেহেঁতেন। কপালৰ ফেৰত সি মুক্তি-যুঁজাৰু হব নোৱাৰিলে, নিতাই পগলা হৈয়েই থাকিল।

# বিস্ময়কৰ সপোন

ডাঃ ৰাজেন্দ্ৰকুমাৰ ভূঞা

ব্যক্তিগত শত্ৰুতা অথবা ৰাজনৈতিক কিম্বা ধৰ্মীয় বিদ্বেষৰ কাৰণে অনেক মহৎলোক হত্যাকাৰীৰ হাতত প্ৰাণ হেৰুওৱাৰ কাহিনী বিশ্ব-ইতিহাসত বিৰল নহয়; কিন্তু এনে কোনো কাৰণ নথকাকৈ আক্ৰমণকাৰীৰ আঘাতত মৃত্যু বৰণ কৰিব লগীয়া হোৱা ডাঙৰ লোকৰ সংখ্যা প্ৰায় নায়েই বুলি ক'ব পাৰি।

এনেকৈ নিজে সম্পূৰ্ণ নিৰ্দোষী হোৱা সত্ত্বেও হত্যাকাৰীৰ আচম্বিত আক্ৰমণত এদিন মৃত্যু ঘটিছিল ইংলেণ্ডৰ প্ৰধান মন্ত্ৰী স্পেন্‌চাৰ পাৰ্চিভেল্ ডাঙৰীয়াৰ। আচৰিতভাৱে তেওঁ জীৱন হেৰুৱাব লগীয়া হোৱা দিনটো আছিল ১৮১২ খৃষ্টাব্দৰ ১১ মে' তাৰিখ সোমবাৰ। সেই আপদীয়া দিনটোৰ আবেলি বহা পাৰ্লিয়ামেণ্টৰ এখন বিশেষ সভাত যোগদান দিবলৈ তেওঁ খুব খৰখেদাকৈ লণ্ডনৰ ডাউনিং ষ্ট্ৰীটত থকা নিজ ঘৰৰপৰা ওলাই আহিছিল।

প্ৰধান মন্ত্ৰী পাৰ্চিভেলে উধাতু খাই আহি পাৰ্লিয়ামেণ্ট ভৱনৰ আগ-কোঠাত (লবীত) প্ৰৱেশ কৰিছেহে মাথোন, তেনেতে সভাত যোগ-দিবলৈ আহি তাত অপেক্ষা কৰি থকা সদস্যসকলৰ মাজতে সোমাই থকা মানুহ এজনে তেওঁৰ কাষ চাপি বুকুতে পিস্তলেৰে গুলিয়ালে। আঘাত পোৱা ঠাইত বাওঁহাতেৰে হেঁচা দি প্ৰধান মন্ত্ৰীয়ে টলং-পলংকৈ পাৰ্লিয়ামেণ্টৰ সভা বহা কোঠাৰ পিনে তুখোজমান গৈয়ে মাটিত বাগৰি পৰি প্ৰাণত্যাগ কৰিলে।

যিজন লোকে কাৰো প্ৰতি অবিচাৰ কৰা নাছিল, যাৰ লগত কাৰো সৈতে কোনো ধৰণৰ শত্ৰুতা নাছিল, সেইজন সাধু পুৰুষ স্পেন্‌চাৰ্ পাৰ্চিভেলৰ এনেকৈ অভাৱনীয়ভাৱে জীৱন পাত হোৱাত সকলো হতভম্ব হ'ল। কেইমুহূৰ্তমান সকলো জঠৰ হৈ ৰ'ল। ইয়াৰ পিছত তেওঁলোকে ঘাতকক বিচৰাৰ কথা চিন্তা কৰিলে। আচৰিত কথা, হত্যাকাৰীয়ে ঘটনাস্থলীৰপৰা পলাবৰ বাবে কোনো চেষ্টাকে নকৰিলে। তেওঁ য'ৰপৰা গুলীয়াইছিল সেই ঠাইতে থিয় হৈ আছিল। যেতিয়া এজন বিষয়াই চিঞৰি ক'লে, "প্ৰধান মন্ত্ৰীক গুলীয়াই মৰা নৰাধমটো কেনি গ'ল?" তেতিয়া তেওঁ গহীনাই উত্তৰ দিলে, "এয়া মই হতভগীয়া ইয়াতে থিয় হৈ আছোঁ।"

বল প্ৰয়োগ কৰি হত্যাকাৰীজনক কৰায়ত্ত কৰা হ'ল। তেওঁৰ গা খানাতালাচ কৰি কোটৰ জেপৰ ভিতৰত আন এটা খঁাজি থোৱা পিস্তল আৰু কেইখনমান চিঠি পোৱা গ'ল। কেইবাজনো সদস্যই বেলীংহাম্ নামৰ এই হত্যাকাৰীজনক চিনি পালে। তেওঁ আছিল ইংলেণ্ডৰ বাণিজ্যৰ প্ৰাণকেন্দ্ৰ লিভাৰপুৰ মহানগৰীৰ এজন দালাল। সেই সময়ত কাৰবাৰত সৰ্বস্বান্ত হৈ তেওঁ দেৱলীয়া হৈছিল।

সৌভাগ্যৰ সোণ-ৰূপৰ চৰুত হাত দি বেলীংহামে





জন্ম গ্ৰহণ কৰা নাছিল। নানা ঘাত-প্ৰতিঘাতৰ মাজেদিয়েই তেওঁ জীৱনৰ বাটত আগ বাঢ়ি যাব লগীয়া হৈছিল। তেওঁ সংসাৰৰ আওভাও ভালকৈ বুজিবলৈ নোপাওঁতেই সেউত্তাকে মানসিক বিকাৰত ভুগি পগলা-ফাটেকতে মৃত্যুক আঁকোৱালি লয়। বেলিংহামে তেতিয়া নিজৰ পেটৰ ভাত মুঠিৰ বাবে ব্যৱসায়ত নামিবলৈ স্থিৰ কৰিলে। কিন্তু অনভিজ্ঞতাৰ বাবে তেওঁ ইটো-সিটো কৰি বহুত কামত সোমাই সকলোতে থোপনি পিছলাৰ মূৰকত এজন সদাগৰৰ দালাল হিচাপে ৰুছিয়ালৈ যায়। তালৈ গৈ তেওঁ নিজে আলাসত চাং পতা বিধৰ এটা ব্যৱসায় খুলিবলৈ গৈ সদাগৰৰ দহহেজাৰ পাউণ্ড ধন পানীত পেলায়। ইয়াৰ পিছত তেওঁ ইংলেণ্ডলৈ প্ৰত্যাবৰ্তন কৰিলে। কিন্তু সদাগৰে তেওঁৰ বিৰুদ্ধে এটা মোকৰ্দমা তৰিলে আৰু বিচাৰত তেওঁক কাৰাবাস-দণ্ড দিয়া হয়।

বেলিংহামে কিছুকালৰ পিছত দুনাই এটা ব্যৱসায়ী দলৰ দালাল স্বৰূপে কাম কৰিবলৈ ৰুছিয়ালৈ যায়। এইবাৰ আকৌ তেওঁৰ ফুটা কপালৰ বাবেই শ্বেত সাগৰত এখন জাহাজ ডুবাত কাৰবাৰত বিপুল ক্ষতি হয়। ইংলেণ্ডৰ লইড্ বেঙ্কে ৰুচ চৰকাৰক ক্ষতিপূৰণ দিবলৈ অমান্তি হোৱাত বেলিংহামে ৰুচিয়াত পাঁচ বছৰ কাৰাবাস খাটিব লগীয়া হয়। কাৰাগাৰৰপৰা মুকলি হৈ তেওঁ ইংলেণ্ডলৈ ঘূৰি আহি নিজ চৰকাৰৰ ওচৰত তেওঁ কাৰাবাস খাটিব লগীয়া হোৱাৰ বাবে ক্ষতিপূৰণ দাবী কৰে। ইয়াৰ বাবে তেওঁ লিখিত আবেদন কৰি কৰি ভাগৰিল। সম্ভৱতঃ এইবোৰ কাৰণতে তেওঁৰ মানসিক স্থিৰতা হেৰাই গ'ল।

প্ৰধান মন্ত্ৰীক হত্যা কৰা অপৰাধত অভিযুক্ত কৰি বেলিংহামৰ বিচাৰ চলাই থাকোঁতে তেওঁৰ ফালৰ উকীলে তেওঁক বলিয়া বুলি প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছিল। প্ৰকৃততে, তেওঁ যে মানসিক বিকাৰগ্ৰস্ত হৈছিল তাত সন্দেহ নাই। কাৰণ, নিজৰ বিচাৰ চলি থাকোঁতে বেলিংহামে কৈছিল যে পাৰ্চিভেল্ ডাঙৰীয়াৰ ল'ৰা-ছোৱালী আৰু পৰিয়ালৰ প্ৰতি কৰা অন্যায়ৰ বাবে তেওঁ গভীৰভাৱে অনুতপ্ত। লগতে তেওঁ ইয়াকো স্বীকাৰ কৰে যে লৰ্ড গ্ৰেনভিল লেভিচন্ গাৱাৰকহে হত্যা কৰিবলৈ তেওঁ পাৰ্লিয়ামেণ্টৰ আগ-কোঠাত অপেক্ষা কৰি আছিল। কিয়নো এইজনা ৰাজনীতিজ্ঞইহে তেওঁৰ ক্ষতিপূৰণৰ আবেদন নাকচ কৰিবলৈ পাৰ্লিয়ামেণ্টত ৰবকৈ মাতিছিল। কিন্তু যি মাত্ৰেই প্ৰধান মন্ত্ৰী স্পেন্‌চাৰ পাৰ্চিভেলে আহি আগ-কোঠাত প্ৰৱেশ কৰিলে, বেলিংহামৰ মনত ভাব হ'ল যে তেওঁ তৎক্ষণাৎ কাৰোবাক হত্যা কৰা উচিত। সেয়েহে তেওঁ প্ৰধানমন্ত্ৰীৰ গাটোকে গুলীয়াই দিলে।

বিচাৰকে কিন্তু তেওঁৰ কোনো কথালৈকে কাণ নিদিলে। বেলিংহামক দোষী সাব্যস্ত কৰি প্ৰধানমন্ত্ৰীক হত্যাকৰাৰ ঠিক এসপ্তাহৰ মূৰত ফাঁচী দিয়া হ'ল। এনেকৈ বিচাৰকসকলে তেওঁৰ উকীলে তেওঁ যে পগলা তাক প্ৰমাণ কৰি চাবলৈ জনোৱা আবেদনো অগ্ৰাহ্য কৰি ন্যায়ৰ গাত এটা কলঙ্ক কালিমা সানি থৈ গ'ল।

বিনাদোষত প্ৰধানমন্ত্ৰী পাৰ্চিভেলে প্ৰাণ হেৰুওৱা উল্লেখিত কাহিনীটোৰ লগত এটা বৰ আচৰিত সপোন জড়িত আছে। এই সপোনটো হ'ল এনে ধৰণৰ :—

ইংলেণ্ডৰ কৰ্ণৱাল্ অঞ্চলৰ ৰে'ড্‌ৰুথ্ নামৰ ঠাইত উইলিয়ামছ্ নামৰ কয়লাখনিৰ পৰিদৰ্শক এজন আছিল। উইলিয়ামছৰ ৰাজনীতিৰ লগত কোনো সম্পৰ্ক নাছিল; তেওঁ কোনো দিনেই কাৰো লগত এই বিষয়ে চৰ্চা কৰাতো নাছিলেই, নিজে অকলেও ৰাজনীতিৰ কোনো কথা লৈ চিন্তা কৰা নাছিল। তেওঁ কেৱল নিজৰ কৰ্তব্য-নিষ্ঠাৰে পালন কৰাতেই ব্যস্ত আছিল। পাৰ্চিভেলক হত্যা কৰাৰ ন নে দহ দিনৰ আগতে অৰ্থাৎ মে'ৰ দুই কি তিনি তাৰিখে উইলিয়ামছে ৰাতি সপোনত দেখা পালে যে পাৰ্লিয়ামেণ্ট ভৱনৰ আগ-কোঠাত তেওঁ গৈ উপস্থিত হৈছে। সেই ঠাই যেন তেওঁৰ চিৰ পৰিচিত। ক'লা ৰে'ষ্ট্‌ কোটৰ ওপৰত নীলা কোট পিন্ধা চুটি-চাপৰ মানুহ এজন তালৈ সোমাই আহিল। লগে

লগে তেওঁ দেখিবলৈ পালে যে তাত থকা মানুহবিলাকৰ মাজৰপৰা হালধীয়া বঙৰ বুটাম লগোৱা, খয়েৰ বৰণীয়া কোট পিন্ধা মানুহ এজন আগবাঢ়ি গৈ আগন্তুকৰ প্ৰায় বুকুতে পিস্তলৰ নলী লগাই গুলীয়াই দিলে। গুলীবিদ্ধ মানুহজনৰ ক্ষতস্থানৰপৰা হোলোকা-হোলোকে তেজ ওলোৱা তেওঁ দেখিলে। মুহূৰ্ততে তেওঁৰ দেহৰ বৰণ সলনি হৈ গ'ল আৰু মাটিত ঢলি পৰি লগে লগেই প্ৰাণত্যাগ কৰিলে।

সপোনতে তেওঁ ওচৰৰ মানুহবিলাকক মৃত ব্যক্তিজনৰ পৰিচয় সুধি তেঁৱেই প্ৰধানমন্ত্ৰী ডাঙৰীয়া বুলি জানিব পাৰিলে। ইয়াৰ পিছত তেওঁ দেখিলে যে কেইজনমান মানুহে বল প্ৰয়োগ কৰি হত্যাকাৰীজনক কৰায়ত্ত কৰিছে।

উইলিয়ামছে সাৰ পালে আৰু তেওঁৰ পত্নীক এই ভয়াবহ সপোনৰ কথা বিৱৰি কলে। তেওঁৰ কথাত আতঙ্কৰ ভাব ফুটি উঠাত ঘৈণীয়েকে ক'লে, 'ইমানকৈ বিচলিত হৈছে কিয়? সেইটো সপোনৰ ঘটনাহে। মানুহৰ গা-মূৰ ভাল নাথাকিলে, মনত দুঃচিন্তাই বাহ ল'লে মানুহে এনেকুৱা বেয়া সপোন দেখে। একো নাভাবি এতিয়া শুই থাকক।"

ঘৈণীয়েকৰ কথাত কিছু পৰিমাণে আশ্বস্ত হৈ তেওঁ পুনৰ টোপনি গ'ল। কিন্তু অলপ পিছতে তেওঁ পূৰ্বৰ সপোনটোকে প্ৰায় অবিকল ৰূপত দেখা পালে। তেওঁ ঘৈণীয়েকক পুনৰ সপোনৰ কথা কোৱাত তেওঁৰ পৰা বাককৈয়ে তিৰস্কাৰ বাণী শুনিবলৈ পালে আৰু লগতে মন স্থিৰ কৰি দুনাই শুই থাকিবলৈ উপদেশো লাভ কৰিলে।

তৃতীয়বাৰৰ কাৰণে সেই একেটা সপোনৰে পুনৰাবৃত্তি ঘটাত উইলিয়ামছ্ ইমান উত্তেজিত হ'ল যে তেওঁৰ চকুৰ পৰা টোপনি অন্তৰ্ধান হ'ল। ৰাতিৰ বাকীছোৱা সময় তেওঁ উজাগৰে পাৰ কৰি দিলে। তেওঁ মনে মনে ভাবিলে যে সোনকালে লণ্ডনলৈ গৈ পাৰ্লিয়ামেণ্টৰ সদস্যসকলক তেওঁৰ সপোনৰ কথা কৈ অহা উচিত হ'ব। কিবা যেন এটা ডাঙৰ অঘটন ঘটিব সেইভাৱ তেওঁৰ মনত দৃঢ়ভাৱে লাগি ৰ'ল।

ৰাতিপুৱা উইলিয়ামছে কেইজনমান ওচৰচুবুৰীয়া আৰু কয়লাৰ খনিত কাম কৰা তেওঁৰ বন্ধু জনদিয়েকৰ আগত ৰাতিৰ আচৰিত সপোনটোৰ কথা ক'লে আৰু লগতে লণ্ডনলৈ যাবৰ ইচ্ছা কৰাৰ কথাও ব্যক্ত কৰিলে। তেওঁৰ কথা শুনি সকলো আচৰিত হ'ল। সপোনতো দিঠক নহয়; এটা সপোন লৈ মানুহ এজন তেনেকৈ ব্যস্ত হোৱাটো মূৰ্খামিৰহে কথা। তেওঁলোকে উইলিয়ামছক সতৰ্ক কৰি দিলে যে তেওঁ তেনেকৈ কৈ ফুৰিলে মানুহে তেওঁক একেবাৰে অন্ধবিশ্বাসী আৰু অলপ খতুৱা মানুহ বুলিহে গণ্য কৰিব। গতিকে তেওঁ তেনে চিন্তা বৰ্জন কৰাই শ্ৰেয়।

উইলিয়ামছ্ নিমাত হ'বলৈ বাধ্য হ'ল; কিন্তু তেওঁৰ মনৰ খুদুৱনি মাৰ নগ'ল। প্ৰতিদিনে তেওঁ পুৱাৰেপৰা সন্ধ্যালৈকে উৎকণ্ঠাৰে বাট চাই থাকে, কৰবাত তেওঁ সপোন দেখাৰ দৰে দুৰ্ঘটনা ঘটাৰ কথা শুনিবলৈ পাব বুলি। গধূলি খবৰ কাগজখন হাতত পৰাৰ লগে লগেই তেওঁ উশাহ ৰোধ কৰি কেও পিঠিতে পোনতে চকু ফুৰাই লয়, তেনে ধৰণৰ কিবা বাতৰি দেখা পোৱাৰ আশাত।

তেৰ মে'ৰ দিনা সন্ধ্যাৰ কাকতখনো উইলিয়ামছে ব্যগ্ৰভাৱে লুটিয়াই মেলি একো অঘটন ঘটাৰ খবৰ নাপাই সামৰি থৈছে। কিন্তু তেনে সময়তে তেওঁৰ দ্বিতীয় পুত্ৰই ঢপলিয়াই আহি দেউতাকৰ কোঠাত সোমাই ফোপাই জোপাই ক'বলৈ ধৰিলে, "দেউতা, দেউতা, আপোনাৰ সপোন ফলিয়ালে। হাউছ্ অৱ্ কমনছ্ৰ আগ কোঠাত আজি আবেলি প্ৰধানমন্ত্ৰী পাৰ্চিভেল্ ডাঙৰীয়াক গুলীয়াই হত্যা কৰিছে। আজিৰ সন্ধ্যাৰ কাকত ছপোৱাৰ দহমিনিটমান পিছত এই ঘটনা ঘটিছে। মই ট্ৰুৰ'লৈ গৈছিলোঁ। তাতে কেইঘণ্টামানৰ আগতে এই কথা শুনি আহিছোঁ। সেই ঠাইলৈ লণ্ডনৰপৰা হত্যাকাণ্ডৰ এটি বিৱৰণ পঠাইছিল।"



এই হত্যাকাণ্ডৰ কেইসপ্তাহমানৰ পিছত নিজৰ কাৰবাৰৰ কিবা কথাৰ সংক্ৰান্তত উইলিয়ামছ্ লণ্ডনলৈ যায় আৰু নিজৰ কৌতুহলৰ বাবেই লগৰীয়া কেইজনমানক লৈ পাৰ্লিয়ামেণ্ট ভৱনত উপস্থিত হয়গৈ। সেই ঠাইত আগতে কশ্মিনকালেও তেওঁ ভৰি দিয়া নাছিল; কিন্তু তেওঁ দেখিলে যে তাত দেখা সকলো বস্ত্ৰ, দুৱাৰ-ঘৰ আদি তেওঁৰ সপোনত দেখাৰ দৰেই একে। ক'তো একো পাৰ্থক্য নাই, সকলোবে হুবহু মিল আছে। কোন ঠাইত পাৰ্চিৰ্ভেলক হত্যা কৰা হৈছিল, হত্যাকাৰী আৰু প্ৰধান মন্ত্ৰীয়ে কেনেধৰণৰ পোচাক পিন্ধি আছিল, কোনখিনিত প্ৰধানমন্ত্ৰী বাগৰি পৰিছিল এই কথাবোৰ তেওঁ এটা এটাকৈ বৰ্ণাই লগে লগে ঠাইবোৰো দেখুৱাই গ'ল। তদুপৰি কেনে ধৰণৰ সাজ পিন্ধা মানুহে হত্যাকাৰী বেলিংহামক জব্দ কৰিছিল তাৰো তেওঁ বিৱৰণ দিলে। অনুসন্ধান কৰি উইলিয়ামছৰ এই সকলো কথা আখৰে আখৰে সঁচা বুলি প্ৰমাণ পোৱা গ'ল। এই কথা উল্লেখযোগ্য যে উইলিয়ামছে কোনো এজন মানুহকে এদিনো দেখা নাছিল। গতিকে তেওঁ সাজপাৰৰ যোগেদিহে মানুহবোৰৰ বৰ্ণনা দিছিল আৰু সেই বৰ্ণনাই তেওঁলোকক চিনাক্ত কৰাত সহায় কৰিছিল।

এই প্ৰসঙ্গতে আৰু এটা আচৰিত কথা পিছত গম পোৱা গৈছিল যে প্ৰধানমন্ত্ৰী পাৰ্চিভেলে নিজেও হেনো তেওঁৰ কিবা এটা দুৰ্ঘটনা ঘটিব বুলি হত্যাৰ কিছুদিন আগৰে পৰা মনতে আশঙ্কা কৰিছিল। সেয়েহে তেওঁ ঘটনাৰ কেইদিনমানৰ আগতে পত্নীৰ হাতত এখন ইচ্ছাপত্ৰ বা উইল্ গটাই দিছিল।

এতিয়া সকলোৱে স্বীকাৰ কৰিব যে প্ৰধানমন্ত্ৰী স্পেন্চাৰ্ পাৰ্চিভেলৰ হত্যাকাণ্ডৰ বিষয়ে উইলিয়ামছে আগতীয়াকৈ দেখা সপোনটো সঁচাকৈয়ে বিস্ময়কৰ, ৰহস্যাবৃত। এনে সপোনৰ বৈজ্ঞানিক ব্যাখ্যা কিবা আছেনে? সেয়ে হ'ল আমাৰ প্ৰশ্ন।

পৰ্ব্বত বা ভৈয়াম
আপোনাৰ সেৱাৰ বাবে
অসম আৰু মেঘালয় ৰাজ্যিক পথ পৰিবহন নিগম
সদায় সাজু হৈ আছে।
অসম আৰু মেঘালয়ৰ সকলো মুখ্য চহৰ আৰু স্থানত
উপনীত হবৰ কাৰণে—দ্ৰুত যাতায়াত ব্যৱস্থা।
**আপোনাৰ সহায়ৰ বাবে আমাক সহায় কৰক**
**ভ্ৰমণ কালত উপযুক্ত টিকটৰ ওপৰত গুৰুত্ব আৰোপ কৰক**
অসম আৰু মেঘালয় ৰাজ্যিক পথ পৰিবহন নিগম
গুৱাহাটী

আপুনি জানেনে ?

**ক্ষুদ্ৰ সঞ্চয় আঁচনিত** সঞ্চয় কৰিলে

আয়কৰৰ পৰা ৰেহাই পোৱা যায়

**ক্ষুদ্ৰ সঞ্চয় আঁচনিৰ যোগেৰে সঞ্চয় কৰক**

লগতে—

মাতৃভূমিৰ উন্নতি সাধক ।

**বিশদ বিৱৰণৰ বাবে আপোনাৰ এলেকাৰ**

**জাতীয় সঞ্চয়ৰ জিলা সঞ্চয় বিষয়া বা**

**ডাকঘৰত খবৰ কৰক ।**

( গুৱাহাটীত থকা অসম চৰকাৰৰ ক্ষুদ্ৰ সঞ্চয় আঁচনি বিভাগৰ সঞ্চালকৰ দ্বাৰা প্ৰচাৰিত )

# নিৰ্গুণ ব্ৰহ্ম ঃ সগুণ ঈশ্বৰ ঃ সনাতন জীৱ

অধ্যাপক শ্ৰীগদাধৰ দেৱশৰ্ম্মা

শাস্ত্ৰই আমাক কয় যে ঈশ্বৰে এই বিচিত্ৰ আৰু বহুবিভক্ত বিশ্ব নিৰ্মাণ কৰি জীৱৰ প্ৰাপ্য সুখ-দুখবো বিধান কৰিছে। ঈশ্বৰেই জগতৰ সৃষ্টি-স্থিতি-লয়ৰ কৰ্তা। তেৱেঁই জীৱৰ কৰ্মসাক্ষী আৰু কৰ্মৰ ফলদাতা :

"বাসুদেৱে আপুনাৰ কায়ায়ে সকল জগত সৃজিছা : তাত প্ৰৱেশ হয় নানা ৰূপে প্ৰকাশ কৰা। যেন একে অগ্নি নানা কাষ্ঠত নানাৰূপে প্ৰকাশ কৰন্ত, নানা দেহত নানা ভোগ কৰান্ত।" —কথা ভাগৱত।

সংসাৰ যাত্ৰাত কৰ্তব্য আৰু অকৰ্তব্যৰ নিৰ্ধাৰণ সহজ নহয় আৰু সহজ নহয় বাবে মায়াচ্ছন্ন জীৱে অকৰ্তব্যকে কৰ্তব্য বুলি কৰি অবাটে বাট বুলি জীৱনৰ গৰাখহনীয়াৰে দুখ-শোকৰ আবৰ্তত পিছলি পৰি জঁাপি হৈ উটিব লগীয়া হয়। ভাগৱতেও জটিল সংসাৰ-সোঁতৰ বৰ্ণনা এইদৰে কৰিছে :

'আশা নামে নদী ঘোৰ জল মহাধন।
নানা বিধ তৃষ্ণা আত ঢউ সৰ্বক্ষণ॥
কাম-ক্ৰোধ ভৈল ঘোৰ কুম্ভীৰ মগৰ।
নানা তৰ্ক বিতৰ্ক গহন ভয়ঙ্কৰ॥
মোহচয় মহাপাক চিন্তায়ে কাথৰ।
দিন ৰাত্ৰি ভৈল আতি বেগ খৰতৰ॥
ক্ষণে ক্ষণে নেয় ধৈৰ্য বৃক্ষক খসায়।
যত জীৱ আত খাজি উটি যায়॥'

দশম—৩৩৬।৩৩৭

এনেকৈয়ে এই জনমৰ নাইবা জন্মান্তৰৰ কৰ্মফল নাইবা বাসনা অনুসাৰে জন্ম-চক্ৰ বগাই জীৱে জনমে জনমে জীয়াতু ভোগ কৰে :

১। 'নিজ কৰ্মে উপাৰ্জিত নানা দেহে হুয়া স্থিত
মায়া দুখ ভুঞ্জি ঘোৰতৰ'।

—দশম

২। 'নাৰায়ণ কাহে ভকতি কৰোঁ তেৰা।
মেৰি পামৰ মন মাধৱ ধনে ঘন
ঘাতুক পাপ নাছোৰা॥'

মানৱৰ পামৰ মন, সি নিজেই নিজৰ সৰ্বনাশী; চৌপাশে থকা লোভ-মোহৰ শতমুখী আকৰ্ষণৰ মাজত ভগৱৎ ভক্তিৰ বাবে আহৰি বা অৱকাশ ক'ত? অবিদ্যাৰ দুৰ্বলীৰ মাজত পৰি মানুহৰ বিষয়ৰ ধান্দা লাগে, পথ-ভ্ৰম ঘটে, জন্ম-মৃত্যুৰ অসহনীয় দুখ-নিকাৰৰ কথা পাহৰি যায়, ইন্দ্ৰিয়বোৰৰ আপ্যায়নৰ বাবে দৈনন্দিন জীৱনৰ চেষ্টা-প্ৰচেষ্টাৰে সুস্বাদু খোৰাক প্ৰস্তুত কৰে। এইবোৰ কৰোঁতে জীৱে বিবেকৰ শুভ সঙ্কেত অৱমাননা কৰি মলিনা মায়াৰ পৰৱশ হৈ অনৰ্থ সাধন কৰি অজ্ঞাতসাৰে জন্মান্তৰৰ সোপানেদি অৱতৰণ কৰিব লগীয়া হয় আৰু হয়তোবা সেয়েহে ভূমিষ্ঠ হোৱা মানৱ সন্তানে তাৰ দুৰ্বল ক্ৰন্দন ধ্বনিৰে দুখময় সংসাৰ যাত্ৰাৰ আৰম্ভণি সূচনা কৰে। একেদৰে অন্তিম কালত মৃত্যুৰ মলিন ছাঁ দেখি ভয়তে কঁচি-মুচি ঠেঁটুৱা লাগে। সেয়েহে

কোৱা হয় যে মানুহ হৈ সংসাৰ বেহোৱা সহজ নহয়। ইয়াত কাঁচ-মণি বুটলি ফুৰোঁতে সময় অতিবাহিত হয়। এই সম্পৰ্কে ভাগৱতেও এযাৰ সাৱধান বাণী শুনাইছে :

'লভিয়াছা জন্ম যিটো ব্ৰহ্মাৰ বাঞ্ছনি।
নিবিকা কাঁচৰ মোলে মৃত্যুসঞ্জীৱনী॥'

দশম—৪৮৪

'মন তুৰঙ্গম চঞ্চল দুৰ্দম'—গতিকে মনৰ এই চঞ্চল, তীব্ৰ গতিক এটি সত্য আৰু সমীচীন পথেৰে পৰিচালিত কৰিবলৈ হলে এজন যোগ্য কৰ্ণধাৰৰ আৱশ্যক। শাস্ত্ৰৰ অনুশাসন নাইবা নিৰ্দেশ আৰু সৎগুৰু'ৰ উপদেশ জীৱন নাওৰ যোগ্য কাণ্ডাৰী। তেনে উপদেশ আৰু নিৰ্দেশেই সৎ পথ। সেই পথত নিৰলস কৰ্ম আছে, নিষ্কাম ধৰ্ম আছে; তাত ভক্তিও আছে, অহৈতুকী প্ৰীতিও আছে। তেনে পথত বিচৰণ কৰা জীৱে জন্ম-মৃত্যুৰ বান্ধোনৰ পৰা চিৰন্তন অব্যাহতি লাভ কৰিব পাৰে বা এনেদৰে ভক্তি সিদ্ধ হলে অন্তত গৈ ভগৱন্তৰ ৰূপ লাভ কৰিবলৈও সক্ষম হব পাৰে :

'ভকতিৰ বলে মুকুতি লভিলে
তব ৰূপ পাৱে যায়'—ভাগৱত, দশম।

সনাতন ব্ৰহ্মৰ দৰে জীৱো সনাতন, কাৰণ জীৱ ব্ৰহ্মৰেই অংশ :

'হামু যত জীৱ শিৱ তেৰি অংশা
কাহে ওহি মোহ বন্ধ।' —বৰগীত।

সনাতন জীৱ অবিদ্যাৰে আচ্ছন্ন হৈ সাংসাৰিক বিষয় সুখত আবদ্ধ হৈ পৰে। ভগৱৎ ভজনা আদিৰ দ্বাৰা অবিদ্যা দূৰীভূত হলে বিদ্যাৰ দ্বাৰা বন্ধন মুক্ত হয় :

'একস্যৈৱ মমাংশস্য জীৱস্যৈৱ মহামতে।
বন্ধোঽস্যাবিদ্যয়ানাদেৰ্বিদ্যয়া চ তথেতৰঃ॥

—ভাগৱত।

[ মোৰ অংশস্বৰূপ অনাদি জীৱৰ অবিদ্যাৰ দ্বাৰা বন্ধন হয় আৰু বিদ্যাৰ দ্বাৰা মোক্ষ হয়। ]

জীৱাত্মা-পৰমাত্মাৰ এই বন্ধ-মোক্ষ তত্ত্বটো শ্বেতাশ্বতৰো পনিষদ আৰু মুণ্ডকোপনিষদত থকা সুপৰ্ণা[2] আৰু সযুজা নামৰ দুই সখা পখীৰ ৰূপকটোৰ সহায়ত সুন্দৰকৈ স্পষ্টীকৃত হৈছে। এই একে তত্ত্বকে একে ৰূপকৰ সহায়ত ভাগৱত[3] কাৰেও স্পষ্টীভূত কৰিছে। ডালে-পাতে, ফলে-ফুলে জাতিকাৰ একেজুপি গছতে থকা ধুনীয়া সুপৰ্ণা আৰু সযুজা দুই সখা পখী বিষয়ক ভাগৱতৰ শ্লোকটোৰ সুৱলা অসমীয়া পদ্য ভাঙনি ছোৱা তলত উদ্ধৃত কৰা হ'ল :

'একে বৃক্ষে দুই পক্ষী ৰূপে দুইকো সম দেখি
দুইৰো দুই সখা নিৰন্তৰ।
একে বৃক্ষে ফল খাই তভো নিতে শুখাই যায়
নাখায় সিটো যিটো গুণেৰৰ॥
সেই তুমি পৰমাত্মা সংসাৰ বৃক্ষতে আছা
কৰ্মফল নকৰা ভোজন।
জীৱাত্মাও আছৈ তাতে মায়া অহঙ্কাৰ মতে
কৰ্মফল ভুঞ্জে সৰ্বক্ষণ॥
( ভক্তি ৰত্নাকৰৰ অসমীয়া ভাঙনি—ৰামচৰণ ঠাকুৰ। )

কঠোপনিষদৰ ২।৩।১ সংখ্যক শ্লোক (ঊৰ্দ্ধমূলোঽবাক্ শাখ এষোঽশ্বত্থঃ সনাতনঃ ইত্যাদি)ত এই মিত্ৰপখী হালৰ নিবাসস্থল সংসাৰ-বৃক্ষৰ বৰ্ণনা এইদৰে দিয়া হৈছে : 'এই সংসাৰৰূপ অশ্বত্থ গছজোপাৰ ঊৰ্দ্ধমূল অৰ্থাৎ ব্ৰহ্মই হ'ল সৰ্বোচ্চ মূল, ইয়াৰ শাখা-প্ৰশাখাবোৰ জীৱাদিক্ৰমে নিম্নমুখী আৰু এই সংসাৰ বৃক্ষজুপি প্ৰবাহক্ৰমে নিত্য। মূল ব্ৰহ্ম শুদ্ধ, তেৱেঁই অমৃত, তেওঁতেই পৃথিৱীৰ সৈতে সকলো লোক আশ্ৰিত। তেওঁ সকলোৰে অনতিক্ৰম্য। নচিকেতাই জানিবলৈ খোজা আত্মা তেৱেঁই। ঈশ্বৰ

১। যোগ্যগুৰু কোন সেই সম্পৰ্কে 'নিমি-নৱসিদ্ধ'ত কৈছে :

'জানন্ত শাস্ত্ৰৰ তত্ত্ব কৃষ্ণৰ ভকত।
সেহি গুৰু উপদেশ দিবাক শকত॥
যদ্যপি ভকত হন্ত নোহন্ত পণ্ডিত।
শিষ্যৰ সংশয় সিটো নপাৰে খণ্ডিত॥
শাস্ত্ৰক জানন্ত যদি নুহিকা ভকত।
তান উপদেশে বোধ নুপুজে শিষ্যন্ত॥
বিশিষ্ট গুৰুক অকপটে সেৱা কৰি।
মানিবে গুৰুসে আত্মা দেৱ মহাহৰি॥

* ২। 'দ্বা সুপৰ্ণা সযুজা সখায়া সমানং বৃক্ষং পৰিষস্বজাতে।
তয়োৰন্যঃ পিপ্পলং স্বাদ্বত্ত্যনশ্নন্নন্যোঽভিচাকশীতি॥'

—মুণ্ডকোপনিষদ—৩।১।১
—শ্বেতাশ্বতৰোপনিষদ—৪।৬

[ সুপৰ্ণা আৰু সযুজা শোভন পক্ষযুক্ত দুই সখাপখী একে জুপি গছতে ( শৰীৰৰূপ গছ ) পৰস্পৰ আলিঙ্গন কৰি আছে। সিহঁত দুটাৰ এটাই ( জীৱাত্মাই ) সুস্বাদু ফল ( সুখ, দুখৰূপ বিচিত্ৰফল ) ভোজন কৰে, আন পখীটোৱে কোনো ফল নোখোৱাকৈ থাকি মাথোন দৰ্শন কৰে। ]



ভাগৱত : * ৩। 'সুপৰ্ণাবেতৌ সদৃশৌ সখায়ৌ যদৃচ্ছয়ৈতৌ কৃতনীড়ৌ চ বৃক্ষে।
একস্তয়োঃ খাদতি পিপ্পলান্নমন্যো নিৰন্নোঽপি বলেন ভূয়ান্॥
আত্মানমন্যঞ্চ স বেদ বিদ্বান অপিপ্পলাদো নতু পিপ্পলাদঃ।
যোঽবিদ্যয়া যুক্ স তু নিত্যবদ্ধো বিদ্যাময়ো যঃ স তু নিত্যমুক্ত॥

ভাগৱত—১১।১১।৬-৭

[ এজোপা গছত ( দেহৰূপ গছত ) দুটি পখী ( জীৱাত্মা আৰু পৰমাত্মা ) বাহ সাজি একেলগে আছে। দুয়ো একে ধৰণৰ আৰু দুয়ো পৰস্পৰে বন্ধু। এটা পখীয়ে গছৰ সুস্বাদু ফলবোৰ খায় ( বিষয় ভোগ কৰে )। আন পখীটো উপবাসে থাকিলেও নিজৰ শক্তিত শ্ৰেষ্ঠতৰ। ফল নোখোৱা পখীটোৱে নিজকো জানে আৰু আনকো জানে। যিটোৱে ফল খায় সেইটো তেনেকুৱা নহয়। সেই পখীটো অবিদ্যাৰে সৈতে যুক্ত। সেই কাৰণে নিত্যবদ্ধ আৰু যিটো বিদ্যাযুক্ত সেইটো নিত্যমুক্ত। ]

আৰু জীৱৰ বাসস্থল আদি বৃক্ষডুপিৰ বৰ্ণনা দশমতো[৪] দিয়া হৈছে।

সংসাৰ-ভোগৰ সম্ভাৰবোৰ যিমান আপাত-মধুৰ স্বৰূপতে সেইবোৰ তেনে নহয়। বিচিত্ৰ বিশ্বৰ জল-মলনিত জীৱৰ ব' লাগে, পোৱাৰ হেঁপাহ জন্মে, সম্ভোগ-কামনা সজাগ হয়। ঈশ্বৰাধীনা মায়াৰ আৱৰণ আৰু বিক্ষেপণ শক্তিৰ অধীন হৈ জীৱে সত্যক নেদেখে আৰু আত্ম-চৈতন্য হেৰুৱাই অসত্যক সত্য, অনিত্যক নিত্য আৰু অহিতকে হিতকাৰী বুলি ভাবি আঁকোৱালি লয়। এয়ে হ'ল সংসাৰ-বৃক্ষৰ সুস্বাদু ফল ভোগ কৰা প্ৰথম পখীটোৰ প্ৰকৃতি। সংসাৰ-বৃক্ষৰ আনটি পখী নিজতেই নিজে তৃপ্ত, দীপ্ত। এই পখীটোৱে দূৰৰ ডালত বহি আনটি পখীৰ কাৰ্য সাক্ষীৰূপে সততে নিৰীক্ষণ কৰে। বিষয়-স্পৃহাহীন হোৱা বাবে আৰু কৰ্ম-ফল ভোগ নকৰা হেতু দ্বিতীয় পখীটি নিত্যমুক্ত স্বভাৱৰ। প্ৰথম পখীটি হ'ল জীৱাত্মাৰ ৰূপক, দ্বিতীয় পখীটি হ'ল পৰমাত্মাৰ ৰূপক—তেওঁ অনাসক্ত, কূটস্থ, নিত্য-শুদ্ধ, সৰ্বজ্ঞ। তেৱেঁই ভক্ত বৈষ্ণৱসকলৰ উপাস্য দেৱাদিদেৱ—'প্ৰকৃতি পুৰুষ দুইৰো নিয়ন্তা মাধৱ।' তেওঁৰেই নিৰ্দেশত কাৰণাত্মিকা বা ত্ৰিগুণাত্মিকা প্ৰকৃতিয়ে পুৰুষৰ সহযোগত মহদাদি চতুৰ্বিংশতি তত্ত্বক্ৰমে জগৎ সৃষ্টি কৰে। তেওঁ ষড়ৈশ্বৰ্যশালী, অনিমা, লঘিমা আদি অষ্ট বিভূতিমান বিভু। তেওঁৰেই চৰণত শঙ্কৰে দাসানুদাসৰূপে ভক্তি নিবেদন কৰে আৰু মাধৱে দৈৱকী-নন্দনৰূপে যশোদাৰ কোলাৰ পুতলাৰূপে নাম-ধ্যান, কীৰ্তন কৰি বাৎসল্য ৰসত বুৰ গৈ আপোন পাহৰা হয়। ভক্তসকলৰ উপাস্য তেৱেঁই ব্ৰহ্ম—অৰূপ হৈয়ো সৰূপ, নিৰ্গুণ হৈয়ো সগুণ।

॥ নিৰ্গুণ ব্ৰহ্ম : সনাতন জীৱ ॥

মহৰ্ষি বাদৰায়নে প্ৰাচীন উপনিষদসমূহক ভেটি কৰি বেদান্তৰ ব্ৰহ্মসূত্ৰ ৰচনা কৰিছিল। আচাৰ্য শঙ্কৰে[৫] (৭৮৮-৮২০ খ্ৰী:) ব্ৰহ্মসূত্ৰক ভেটি কৰি তেওঁৰ প্ৰখ্যাত শাৰীৰিক ভাষ্য লিখি বেদান্তৰ কেৱলাদ্বৈতবাদ প্ৰচাৰ কৰিছিল। শঙ্কৰাচাৰ্য জ্ঞান মূৰ্ত্তি আৰু তেওঁৰ বিৰচিত শাৰীৰিক ভাষ্য জ্ঞানৰ সম্ভাৰৰূপে জগতৰ এবিধ অতুলনীয় সম্পদ।[৬] শঙ্কৰাচাৰ্যৰ মতবাদত ব্ৰহ্মৰ শুদ্ধ অদ্বিতীয়ত্ব (Absolute Monism) আৰু নিৰ্গুণ ব্ৰহ্মৰ অনিৰ্বচনীয়তা বিদ্যমান। মায়াবাদ অদ্বৈত-বাদৰে এটা মুখ্য দিশ। শঙ্কৰাচাৰ্যৰ মতে 'ব্ৰহ্ম সত্যং জগৎ মিথ্যা, জীৱো ব্ৰহ্মৈৱ নাপৰঃ'—অৰ্থাৎ জীৱ মাত্ৰেই ব্ৰহ্ম স্বৰূপ, জীৱ সৃষ্টিৰ পূৰ্বতেও ব্ৰহ্ম, সৃষ্টিৰ পিছতো ব্ৰহ্ম আৰু ভবিষ্যতেও আনকি মুক্তিৰ পিছতো ব্ৰহ্ম স্বৰূপেই থাকিব। ভূত, ভবিষ্যত আৰু বৰ্তমান এই ত্ৰিকালবৰ্তী সনাতন জীৱ ব্ৰহ্মতকৈ ভিন্ন হব নোৱাৰে। জীৱ আৰু ব্ৰহ্মৰ অভিন্নতা আছে দেখিয়েই বিচিত্ৰ জীৱ ধৰ্মৰ সহায়ত অদ্বিতীয়, ব্ৰহ্মস্তুতিও উপনিষদত সম্ভৱ হৈছে :

'ত্বং স্ত্ৰী ত্বং পুমানসি ত্বং কুমাৰ উত বা কুমাৰী।
ত্বং জীৰ্ণো দণ্ডেন বঞ্চসি ত্বং জাতো ভৱসি বিশ্বতোমুখঃ॥'
—শ্বেতাশ্বতৰোপনিষদ—৪।৩

শঙ্কৰদেৱেও গাইছে :

---

*৪। দশমৰ পদ : 'প্ৰকৃতি আশ্ৰয়ী আছে আদি বৃক্ষ
সুখ-দুখ দুই ফল।
তিনি গুণ মূল অৰ্থ চাৰি ৰস
শিপায়ে ইন্দ্ৰিয় বল॥
ছয় উৰ্মি আস্থা সাত ধাতু ছাল
শাখায়ে আঠ প্ৰকৃতি।
দশ বায়ু পাত ঈশ জীৱ দুই
পক্ষী থাকে তাত নিতি॥'—৮১

[ তিনি গুণ—সত্ত্ব, ৰজ, তম; অৰ্থ চাৰি ৰস—ধৰ্ম, অৰ্থ, কাম মোক্ষ; ইন্দ্ৰিয়—দহ ইন্দ্ৰিয়; ছয় উৰ্মি—শোক, মোহ, জৰা, মৃত্যু, ক্ষুধা, পিপাসা; সাতধাতু—ৰস, ৰক্ত, মাংস মেদ, অস্থি, মজ্জা, শুক্ৰ; আঠ শাখা—অহঙ্কাৰ, মহত্ত্ব, অবিদ্যা, পঞ্চমহাভূত; দশবায়ু—প্ৰাণ, অপান, সমান, উদান, ব্যান, নাগ, কূৰ্ম, কৃকৰ, দেৱদত্ত, ধনঞ্জয়।



*৫। শঙ্কৰাচাৰ্য দক্ষিণ ভাৰতৰ অদ্বৈতবাদী সন্ন্যাসী পণ্ডিত আছিল। তেওঁৰ অদ্বৈতবাদ আৰু মায়াবাদ বিশ্ববিশ্ৰুত। শঙ্কৰাচাৰ্যই গীতা, উপনিষদ আৰু বেদান্তৰ ভাষ্য প্ৰণয়ন কৰাৰ উপৰিও 'মোহ মুদ্গৰ' নামৰ গ্ৰন্থখনো ৰচনা কৰিছিল। তেওঁৰ ধৰ্মমত ভাৰতত সুপ্ৰচাৰিত আৰু সুপ্ৰতিষ্ঠিত কৰিবলৈ চাৰি-দিশত যি চাৰিটা ধৰ্মমঠ স্থাপিত কৰা হৈছিল সেই ধৰ্মমঠ চাৰিটা আজিলৈ তেওঁৰ অনুগামীসকলৰ দ্বাৰা সুপৰিচালিত হৈ আছে। সেই চাৰিটা মঠ হ'ল দ্বাৰকাৰ সাৰদা মঠ, পুৰীৰ গোবৰ্ধন মঠ, দক্ষিণ ভাৰতৰ শৃঙ্গেৰী মঠ আৰু বদৰিকাশ্ৰমৰ যোশী মঠ। শঙ্কৰাচাৰ্যই ঠায়ে ঠায়ে শিৱ মন্দিৰো স্থাপন কৰিছিল। আচাৰ্য শঙ্কৰে ভাৰতবৰ্ষ ভ্ৰমণ কৰি ব্ৰাহ্মণ্য ধৰ্ম প্ৰচাৰ কৰিছিল। ৩২ বছৰ বয়সত কেদাৰ নাথ তীৰ্থত এই মনীষী গৰাকীৰ দেহাৱসান ঘটে।

*৬। শঙ্কৰাচাৰ্য্যৰ অদ্বৈতবাদৰ অনুধ্যায়ীসকলে অনুক্ৰমে কেবাখনো টীকাভাষ্য লিখি বিষয়টোক কিছু সহজবোধ্য কৰিবলৈ প্ৰয়াস কৰিছিল। তাৰ ফলতে তত্ত্ব জিজ্ঞাসুসকলৰ মতবো বহুখিনি ইফাল-সিফাল ঘটিছিল আৰু এই মতবাদবোৰে ক্ৰমে প্ৰসাৰ আৰু প্ৰচাৰ লাভ কৰিছিল। শঙ্কৰাচাৰ্যৰ প্ৰখ্যাত টীকাৰ নাম 'ভামতী'। 'ভামতী' টীকা বাচস্পতি মিশ্ৰৰ দ্বাৰা বিৰচিত। ভামতী টীকাৰ উপৰিও বিষয়-বস্তুৰ অনুধাৱন কৰোঁতে টীকাৰ পিছত টীকা ৰচিত হৈছিল। ভামতী টীকাৰ তেনে এখন টীকা হ'ল 'বেদান্ত কল্পতৰু'। এই টীকাৰ আন এখন টীকা হ'ল 'বেদান্ত কল্পতৰু পৰিমল'। 'পৰিমল'ৰ আন এখন টীকা হ'ল 'আভোগ'। এইদৰে শঙ্কৰাচাৰ্যৰ মতবাদক কেন্দ্ৰ কৰি একালত ভাৰতৰ মনীষা জগতত নানা চিন্তা-চৰ্চা, অনুশীলন-বিশ্লেষণৰ উদ্ভৱ হৈছিল।

অদ্বৈতবাদী শঙ্কৰাচাৰ্যৰ জ্ঞানবাদক বৌদ্ধ ভিক্ষুসকলৰ বিজ্ঞানবাদৰ সৈতে একে পৰ্যায়ত অন্তৰ্ভুক্ত কৰি যি সকলে ভুল কৰিব খোজে সেইসকলে শঙ্কৰাচাৰ্যক প্ৰচ্ছন্ন বৌদ্ধবাদী বুলি এইদৰে প্ৰতিপন্ন কৰিব খোজে : 'মায়াবাদমসচ্ছাস্ত্ৰং প্ৰচ্ছন্নং বৌদ্ধমেৱ তৎ।' কিন্তু পিছলৈ শঙ্কৰাচাৰ্যৰ অদ্বৈতবাদে সকলো বিৰুদ্ধ আলোচনাৰ পৰা মুক্ত হৈ দৰ্শনাচাৰ্যসকলৰ প্ৰশংসাৰে সমাদৃত হৈছিল। ইয়াৰ উপৰিও শঙ্কৰাচাৰ্যই বৌদ্ধধৰ্মীসকলক বিচাৰৰ দ্বাৰা পৰাভূত কৰি ভাৰত ভূমিত ব্ৰাহ্মণ্য ধৰ্মৰ পুনৰ প্ৰতিষ্ঠা কৰিছিল।

'যত জীৱ জঙ্গম কীট পতঙ্গম
অগ-নগ-জগ তেৰি কায়া।'—বৰগীত।

মায়া, অবিদ্যা বা অজ্ঞানতাৰ কাৰণে জীৱে নিজক ব্ৰহ্মতকৈ ভিন্ন যেন দেখিবলৈ পায়। শঙ্কৰাচাৰ্যৰ মতে পৰিদৃশ্যমান বিশ্ব প্ৰপঞ্চ ব্ৰহ্মতকৈ ভিন্ন নহয়, জগতো ব্ৰহ্মৰেই বিবৰ্ত। সত্য ব্ৰহ্মকে অবিদ্যা বশতঃ জগৎ প্ৰপঞ্চৰূপে প্ৰতিভাত হোৱা দেখা যায়। স্বৰূপতে জগতৰ জগতৰূপে কোনো স্বকীয়া পাৰমাৰ্থিক সত্তা নাই। যি সত্তা দেখা যায় সেই সত্তা কেতিয়াবা ব্যৱহাৰিক (Emperical) আৰু কেতিয়াবা প্ৰাতিভাসিক Apparent)

'অসন্ত জগতখান তোমাত উদ্ভৱ ভৈল
সন্ত হেন প্ৰকাশে সদায়।'—বেদস্তুতি।

এই অদ্বৈতবাদত সত্য আৰু মিথ্যা শব্দৰ তাৎপৰ্য্যও অলপ স্বকীয়া। এই মতত সত্য হ'ল সেয়ে যাৰ কোনো পৰিবৰ্তন নাই, সদায় যাৰ একৰূপ। এনে দৃষ্টিকোণেৰে সত্যতা বিচাৰিলে দেখা যায় যে ব্ৰহ্মহে পাৰমাৰ্থিক সত্য ; কাৰণ ব্ৰহ্মৰ কোনো পৰিবৰ্তন নাই, আন সকলো পৰিবৰ্তনশীল, গতিকে অসত্য বা মিথ্যা। পৰিবৰ্তনশীল জগতো এই দৃষ্টিকোণেৰেহে অসত্য বা মিথ্যা। এই মিথ্যাত্বক দুই ভাগত বিভক্ত কৰিব পৰা যায়: (১) পাৰমাৰ্থিক দৃষ্টিৰে মিথ্যাত্ব যেনে 'অসন্ত জগত খান', (২) অলীকতাৰ দৃষ্টিৰে মিথ্যাত্ব, যেনে আকাশ কুসুম বা শহাৰ শিং। অবিদ্যা নাশ হলে, অদ্বৈত (Non-dual) ব্ৰহ্মজ্ঞান হ'লে বহুধা বিভক্ত বিচিত্ৰ জগতৰ স্বকীয়া সত্তাৰ জ্ঞান নোহোৱা হয়:

'অদ্বিতীয় ব্ৰহ্মতত্ত্বে স্বপ্নোহয়ং অখিলং জগৎ"
—পঞ্চদশী।

যেতিয়া জগতৰ স্বকীয়া সত্তা সপোনৰ সদৃশ বুলি প্ৰতীয়মান হয় তেতিয়া জীৱ জগৎ আৰু ব্ৰহ্ম যে নানা নহয় অভিন্ন, একে তেনে জ্ঞানো ওপজে 'নেহ নানাস্তি কিঞ্চন।' দ্বিতীয় শ্ৰেণীৰ অসত্যতাৰ বিচাৰ এই উপলক্ষে অপ্ৰাসঙ্গিক। কাৰণ জগৎ অসত্য হলেও আকাশ কুসুম নহয়। জগত আৰু জীৱৰ মিথ্যাত্ব আকাশ কুসুমৰ সদৃশ নহয় বাবে তেনে বিচাৰো ইয়াত অনাৱশ্যক।

শঙ্কৰাচাৰ্যৰ এই অদ্বৈতবাদী মায়াবাদক বিবৰ্তবাদ বোলা হয়। কোনো সত্য বস্তুক অজ্ঞান বা অবিদ্যাৰ দ্বাৰা বশীভূত হৈ আনৰূপে দেখিলে তাকে বিবৰ্ত বোলা হয়। যেনেকৈ মুনি-চুনি পোহৰত সত্য জৰী এগছিয়ে সাপৰূপে চকুৰ আগত প্ৰতিভাত হৈ পৰে। ইয়াত সত্যৰ আৱৰণ আৰু অসত্যই সত্যৰূপে প্ৰতীয়মান হোৱা হেতুকে ইয়াক বিবৰ্ত বোলা হয়। শঙ্কৰাচাৰ্যৰ মায়াবাদৰ এয়ে অধ্যাস। জৰী এগছিত পূৰ্বে দেখা সৰ্প জ্ঞানৰ আৰোপেই অধ্যাস। তেনেকৈ মৰীচিকাত জল-ভ্ৰমেই অধ্যাস। অদ্বৈত ব্ৰহ্মজ্ঞান হ'লে জ্ঞেয় বস্তু আৰু জ্ঞাতা ব্যক্তি উভয়ৰ ভেদ জ্ঞানো অন্তৰ্হিত হয় আৰু মায়া বা অবিদ্যা আঁতৰি গ'লে জীৱ, জগৎ আৰু ব্ৰহ্ম অভিন্নতাৰ উপলব্ধি হয়।

শ্ৰীধৰস্বামীয়ে প্ৰকৃতিৰ দুইৰূপৰ কথা কৈ আৱৰণ শক্তিৰে প্ৰকৃতিক অবিদ্যা আৰু বিক্ষেপ শক্তিৰে প্ৰকৃতিক মায়া বুলি অভিহিত কৰিছে। অবিদ্যা জীৱৰ উপাধি আৰু মায়া ঈশ্বৰৰ উপাধি। কিন্তু অসমৰ বৈষ্ণৱ ধৰ্মত প্ৰকৃতি, মায়া আৰু অবিদ্যাৰ তেনে ভেদ প্ৰদৰ্শিত হোৱা নাই যেন লাগে। প্ৰকৃতি, মায়া বা অবিদ্যাক ঈশ্বৰাধীনা বুলি কৈ তাৰ পৰা মুক্তিৰ বাবে ভগবদ্ উপাসনাৰ আৱশ্যকহে অসমৰ বৈষ্ণৱ ধৰ্মত দেখুৱাইছে।

ব্ৰহ্ম নিৰ্বিশেষ, নিৰুপাধি, নিৰ্গুণ, চিদাত্মক। তেওঁ বাক্য-মনৰ অগোচৰ—মনে তেওঁক ধাৰণা কৰিব নোৱাৰে, বাক্যই প্ৰকাশ কৰিব নোৱাৰে। কিন্তু সাধকে তেওঁক আনন্দস্বৰূপ বুলি জানি তেওঁত ভয়হীন হৈ পৰে:

'যতো বাচো নিবৰ্ত্তন্তে অপ্ৰাপ্য মনসা সহ।
আনন্দং ব্ৰহ্মণো বিদ্বান, ন বিভেতি কদাচন॥
—তৈত্তিৰীয়োপনিষদ—২।৪

নিৰ্গুণ ব্ৰহ্ম যেতিয়া মায়াৰ দ্বাৰা উপস্থিত হয়, তেতিয়া তেওঁ হয় ঈশ্বৰ আৰু মায়া তেওঁৰে বশীভূতা হয় 'স ঈশো যদ্বশে মায়া'। তেৱেঁই জগতৰ স্ৰষ্টা, পালন আৰু সংহাৰ কৰ্ত্তা, জগতৰ উপাদন আৰু নিমিত্ত কাৰণ (Material and efficent cause)। যি মায়াৰে উপস্থিত হলে ব্ৰহ্ম ঈশ্বৰ হয় সেই মায়া সৎ নহয়—কাৰণ মায়াৰ পাৰমাৰ্থিক সত্যতা নাই। মায়া অসৎ নহয়—কাৰণ মায়াৰ সৃষ্টিত এই পৰিদৃশ্যমান জগতৰ ব্যৱহাৰিক সত্তা আছে। গতিকে মায়াক সৎ বুলিবও নোৱাৰি অসৎ বুলিবও নোৱাৰি—মায়া অনিৰ্বচনীয়া।

(ক্ৰমশঃ)

## ইতিহাসৰ পাত মেলি

# হাতীমূৰা পাহাৰৰ আকাশী গঙ্গা

শ্ৰীশ্ৰীমান চক্ৰবৰ্ত্তী

তীৰ্থভূমি হাজোৰ মণিকূট পাহাৰৰ পৰা পোনে পোনে পশ্চিমলৈ চালে লুইতৰ পাৰত "শুই থকা হাতীৰ দৰে" এখন পাহাৰ দেখা পোৱা যায়। চিৰসেউজী গছ-বননিৰে আগুৰা—প্ৰকাণ্ড শিলাখণ্ডৰে গঠিত এই পাহাৰৰ কাহিনী মানুহৰ মুখে মুখে বহুকালৰে পৰা প্ৰচলিত হৈ আছে। স্বৰ্গীয় বেণুধৰ ৰাজখোৱা ডাঙৰীয়াই তেওঁৰ অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত এই পাহাৰখনৰ কথা উল্লেখ কৰিছে। কামৰূপাধিপতি ভগদত্তই হস্তীৰে কুৰুক্ষেত্ৰৰ মহাৰণত যোগদান কৰিছিল। কথিত আছে, ভীমৰ গদাৰ কোবত ভগদত্ত উঠি ফুৰা হাতীটোৰ মূৰ উফৰি আহি হেনো এই হাতীমূৰা পাহাৰ সৃষ্ট হৈছিল। মানুহৰ মুখে মুখে এটা প্ৰবচন প্ৰচলিত আছে যে 'হাতীমূৰাৰ শাল-বৰথৈ পাহাৰৰ তাল' গজিলে হেনো যুগৰ পৰিবৰ্তন হব। প্ৰসঙ্গক্ৰমে উল্লেখ যোগ্য, মোগলে সোতৰ বাৰ অসম আক্ৰমণ কৰোঁতে শৰাইঘাটৰ ওচৰত অৱস্থিত হাতীমূৰা অঞ্চলত কেবাটাও সৈন্যৰ ছাউনি পাতিছিল। আজিকালিও এই অঞ্চলৰ অ'ত ত'ত সেইকালৰ দুই এখন ঢাল-তৰোৱাল মাটি খান্দোতে পোৱা যায়।

ইতিহাসৰ পম খেদি গলে দেখা যায় যে—এই অঞ্চল শৰাইঘাটৰ সময়লৈকে মুছলমান আক্ৰমণকাৰীসকলৰ অধীনত আছিল। তাৰ আগেয়ে কোচসকলে ৰাজ্য স্থাপন কৰা সময়ত হাজোক সামৰি গোটেই অঞ্চল সেই ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল। গৌড়ৰ সেনাপতি কালাপাহাৰে যি সময়ত ভাটি অসমৰ মঠ-মন্দিৰবোৰ ধ্বংস কৰিছিল—সেই সময়তে উক্ত আক্ৰমণকাৰীৰ হাতত হাতীমূৰা পাহাৰত থকা দুটা মন্দিৰ (গলেশ্বৰী চণ্ডীমন্দিৰ আৰু ধাৰেশ্বৰ শিৱমন্দিৰ) একেবাৰে ধ্বংস হয়। কালাপাহাৰৰ ধ্বংসমুখী আক্ৰমণৰ পিছতেই তেওঁৰ মৃত্যু হোৱা বুলি এটা জনশ্ৰুতি আছে। আজিও হাজোৰ গৰুড়াচল পাহাৰত অৱস্থিত পোৱা মক্কাৰ ওচৰত থকা কবৰটো কালাপাহাৰৰ বুলি কোৱা হয়।

কালাপাহাৰে ধ্বংস কৰা হাতীমূৰা পাহাৰৰ মন্দিৰ দুয়োটা এটা শিৱমন্দিৰ আৰু আনটো চণ্ডী মন্দিৰ বুলি চিনাক্ত কৰা হৈছে সঁচা ; কিন্তু প্ৰকৃততে ধাৰেশ্বৰ শিৱ মন্দিৰ আৰু গলেশ্বৰী চণ্ডী মন্দিৰ আছিল নে ? "যোগিনীতন্ত্ৰ" পুথিত উল্লেখ আছে যে হাতীমূৰাৰ ধাৰেশ্বৰ মন্দিৰ যথাৰ্থতে শিৱমন্দিৰে আছিল। 'অসম বুৰঞ্জী'ত আছে—কৰতোৱালৈ অসম ৰাজ্যৰ সীমা বঢ়াবলৈ আহোঁতে স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ উত্তৰ গুৱাহাটীত মৃত্যু হোৱাৰ পিছত তেওঁৰ পুত্ৰ শিৱসিংহই ভাটীৰ অসমৰ বহুতো মঠ-মন্দিৰ পুনৰ নিৰ্মাণ কৰে। এইজনা স্বৰ্গদেৱে হাতীমূৰাৰ ধাৰেশ্বৰ মন্দিৰ পুনৰ সংস্থাপন কৰে আৰু পূজা-পাতালৰ ব্যৱস্থা কৰি নিজৰ

ভূমি দান কৰে। ধাৰেশ্বৰ মন্দিৰ পুনৰ সংস্কাৰ হ'ল সঁচা; কিন্তু গলেশ্বৰী মন্দিৰ পুনৰ প্ৰতিষ্ঠা কৰিবলৈ স্বৰ্গদেৱৰ সময় নহল। আজিও গুৱালকুছিৰ ৰাজহাটিৰ পৰা হাতীমুৰাৰ দাতিয়েদি এটা পুৰণি কালৰ আলি-বাটৰ চিন দেখা যায়। এই আলিবাট হেনো বৰ্তমানৰ বৰপেটালৈ আছিল। ব্ৰহ্মপুত্ৰ নৈয়ে গতি সলনি কৰাৰ ফলত হাতীমুৰাৰ পৰা আলিবাটৰ বাকী অংশ ব্ৰহ্মপুত্ৰ নৈৰ বুকুত জাহ গ'ল।

'যোগিনীতন্ত্ৰ'ত অকল ধাৰেশ্বৰ পীঠস্থানৰেই নহয় তাৰ ওচৰে পাজৰে থকা ভালেমান তীৰ্থপীঠৰ উল্লেখ আছে আৰু বিভিন্ন দেৱতাৰ পূজা-অৰ্চনাৰ মন্ত্ৰ আছে। কিন্তু ইমানবিলাক লিখিত প্ৰমাণ থকাৰ পিছতো—ধাৰেশ্বৰ মন্দিৰৰ ভগ্নচিহ্নবোৰ চালে—আৰু এই শিৱলিঙ্গৰে সৈতে পাহাৰৰ বুকুৰে কোনোবা অজ্ঞাত শিল্পীয়ে শিলৰে সাজি উলিওৱা আলিটো দেখিলে সকলোৰে মনত এটা প্ৰশ্ন উঠে—সঁচাকৈয়ে এয়া শিৱমন্দিৰ আছিল জানো?

এতিয়া আকাশী গঙ্গাৰ বিষয়ে অলপ কোৱা যাওক। ধাৰেশ্বৰ শিৱমন্দিৰৰ পৰা পাহাৰৰ ওপৰলৈ গৈ থাকিলে পাহাৰৰ শৃঙ্গত এছটা প্ৰকাণ্ড বহল শিলাখণ্ড দেখা যায়। এই শিলাখণ্ডৰ পৰা ঠাকে ঠাকে শিলেৰে সজোৱা বাটেৰে উঠি গলে ওপৰত দেখা পোৱা যায় যে সেই ঠাইত অবিৰাম ভাৱে এটা গাতত জিৰ-জিৰকৈ পানী পৰিয়েই আছে। আচৰিত কথা, বাৰিষা নাইবা খৰালি সকলো সময়তে সেই ঠাইত এটা গাতত পানী পৰি থাকে। শাস্ত্ৰীয় বিধানমতে এই আকাশী গঙ্গাত স্নান কৰিলে হেনো মানুহৰ পুনৰ জন্ম নহয়। আজিও ইয়ালৈ বছৰৰ সকলো সময়তে অসংখ্য তীৰ্থযাত্ৰী আহে। ভুটীয়া সকলে জাৰকালি হাজোৰ হয়গ্ৰীৱ মাধৱ দৰ্শন কৰাৰ পিছত এই তীৰ্থ দৰ্শনৰ বাবে আহে। ভুটীয়াসকলৰ মাজত এটা বিশ্বাস আছে যে—মাধৱ মন্দিৰ দৰ্শন কৰাৰ পিছত এই তীৰ্থ দৰ্শন নকৰিলে হেনো তেওঁলোকে তীৰ্থদৰ্শনৰ ফল লাভ কৰিব নোৱাৰে।

ইমান ওখ শৃঙ্গত গভীৰ বননিৰ মাজত আকাশীগঙ্গা কেনেকৈ আৱিষ্কাৰ হ'ল? এটা জনশ্ৰুতি শুনা যায় যে ১৮৯৭ চনলৈকে হাতীমুৰাৰ চাৰিওফালে কছাৰীগাওঁ আছিল। শিৱসিংহই ধাৰেশ্বৰ মন্দিৰ সংস্কাৰ কৰাৰ আগেয়ে হেনো এই মন্দিৰত এই ঠাইৰ কছাৰী পুৰোহিতে পূজা সেৱা চলাইছিল। প্ৰসঙ্গক্ৰমে উল্লেখ যোগ্য, মহাৰাজ নৰনাৰায়ণে কোনো কোনো মন্দিৰত কছাৰী পুৰহিত নিয়োজিত কৰিছিল। কোনোবা এজন কছাৰীৰ হেনো এজনী কপিলী গাই আছিল। আকাশী গঙ্গাৰ মূলধাৰাৰ ওচৰলৈ কপিলী গাই গলে প্ৰতিদিনে তাইৰ গুহাৰৰ পৰা আপোনা আপুনি গাখীৰ নিগৰি ওলাইছিল আৰু আকাশী গঙ্গাৰ পৰা মাটিৰ তলতে থকা গুপ্ত সুৰঙ্গৰে সেই ক্ষীৰধাৰা নামনিত থকা ধাৰেশ্বৰৰ পুখুৰীলৈ প্ৰবাহিত হৈছিল। আকাশী গঙ্গাৰ নামনি ভাগত বহুতো ভগ্ন শিলাখণ্ড সিঁচৰতি হৈ আছে। তাৰে বহুতো গভীৰ বননিয়ে আৱৰি ধৰিলে। সেই ভগ্ন শিলাখণ্ডবোৰ যোৱালে আশোকচক্ৰ, পদুমফুল আদিৰ সৃষ্টি হয়। বহল শিলাখণ্ডত কিছুমান গাঁত দেখা পোৱা যায়। আজিৰ মানুহে সেইবোৰ "সীতাৰ শাল" বুলি কয়। কাপোৰ বৰলৈ নজনা ছোৱালীয়ে—এই সীতাৰ শালত তাঁত শাল শিকিলে—সোনকালে কাপোৰ বব পৰা হয়।

এইখিনিতে ভুটীয়াসকলৰ আগমন আৰু সময়ে মচিব নোৱাৰা বৌদ্ধযুগৰ চিন-চাববোৰে আকাশী গঙ্গাৰ ইতিহাস আৰু বহু যুগ লৈ পিছুৱাই নিয়ে।

বুৰঞ্জীবিদ্ গুণাভিৰাম বৰুৱাই প্ৰাচীন কামৰূপত বৌদ্ধ ধৰ্মাৱলম্বী কেবাজনো সম্ৰাটৰ উল্লেখ কৰিছে। কিন্তু আহোম যুগত ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰাবল্য বাঢ়িল। তাৰফলত বুৰঞ্জীমূলক নথি-পত্ৰ বহুতো সৃষ্টি হ'ল। আহোম ৰাজত্বৰ কালতে অসমৰ ইতিহাসে কলপ সলালে সঁচা; কিন্তু আজি অসমৰ ঠ'ত-ঠত বুদ্ধযুগৰ শিমানবোৰ মূৰ্তি ওলাইছে—তাৰ পৰা নিঃসন্দেহে কব পৰা হৈছে—অসমৰ বুকুত বৌদ্ধ ধৰ্মই একসময়ত নিশ্চয় প্ৰাধান্য বিস্তাৰ কৰিছিল। আকাশী গঙ্গাৰ প্ৰাচীন কীৰ্তি ভাস্কৰ্য্যই তাৰে প্ৰমাণ কৰে।

হাতীমুৰাৰ "আকাশী গঙ্গাৰ" দৰে মানুহৰ চকুত আৰু বহুতো বৌদ্ধযুগৰ স্মৃতি চিহ্ন অসমৰ বহুতো বুৰঞ্জীবিদসকলৰ চকুত নপৰাকৈ আছে। এইবোৰ যুগুতালে অসম বুৰঞ্জীৰ অন্য এক সোণালী অধ্যায়ৰ সৃষ্টি হব বুলি আমাৰ বিশ্বাস।

# মাধৱদেৱৰ নামঘোষাত শঙ্কৰদেৱ আৰু গুৰুতত্ত্ব

শ্ৰীবাপচন্দ্ৰ মহন্ত

( আগৰ সংখ্যাৰ পিছৰ পৰা )

বাহিৰ-ভিতৰ বা স্থূল আৰু সূক্ষ্ম দুয়োটা ৰূপতেই গুৰুৱে আমাক কৃপা কৰি আছে। মাধৱদেৱে এই গুৰুৰপৰা সেৱাৰস স্বৰূপ সাৰ বস্তু বিচাৰিছে। যি বস্তুৰ অলপমানো ত্যাগ কৰিব নোৱাৰি, সিয়েই সাৰ বস্তু। ভক্তৰ কাৰণে কল্পতৰু স্বৰূপ ভগৱানে ভক্তক সকলো কাম্য বস্তু দিব পাৰে। মাধৱদেৱে কিন্তু ভগৱানৰ ওচৰত [ভগৱানৰে অভিন্ন গুৰুৰ ওচৰতো হ'ব পাৰে] ক্ষণস্থায়ী নাইবা ভাল আৰু বেয়া মিহলি বস্তু বিচৰা নাই। ভগৱানৰ ওচৰত আশ্ৰয় আৰু সাৰ বস্তু সেৱা ৰসহে বিচাৰিছে। লোক হিতৰত আৰু অহংকাৰহীন গুৰুৰ স্বভাৱৰ কথা আগতে কোৱা হৈছে। এনে স্বভাৱৰ গুৰুৰ পৰা সেৱাৰস বা সেৱাৰ আনন্দ লাভ কৰিবৰ কাৰণে প্ৰয়োজনীয় জ্ঞান বা প্ৰেৰণা পোৱাটো স্বাভাৱিক।

(১) তুমি ভক্ত কল্পতৰু বাহিৰে ভিতৰে গুৰু
তুমি বিনে নাহি মোৰ আৰ।
কৃপা কৰা হে হৰি চৰণত ৰক্ষা কৰি
দিয়ো মোক সেৱা ৰস সাৰ ॥৬২

এতিয়া মন কৰিব লগীয়া যে সেৱাৰস সহজ বস্তুনে? সেৱা বুলিলেই লোকহিতৰ কথা আহি পৰে। ভক্তৰ সেৱা নহ'লে ভগৱন্তৰ সেৱাও হ'ব নোৱাৰে। ভক্ত আৰু ভগৱন্ত উভয়ৰে সেৱাত কষ্ট আছে। গতিকে সাধনা সদায় শ্ৰমযুক্ত। সেৱাৰ এই শ্ৰমকে সাধনশ্ৰম বোলা হৈছে।

আন্তৰিকতাহীন কাম সদায় কষ্টকৰ; কিন্তু আন্তৰিকতাৰে কৰা কাম কষ্টসাধ্য হলেও আনন্দদায়ক। সেৱাও এবিধ কৰ্ম। কৰ্ম বুলিলেই জটিলতা আৰু ফল লাভৰ যিটো প্ৰশ্ন মনলৈ আহে, তাক দূৰ কৰিবৰ কাৰণে কৰ্মক সকাম সাধনা ৰূপে নলৈ নিষ্কাম ভক্তিৰ ৰূপত লোৱাৰ এইটো এটা ভাল কৌশল। ভক্তি হৃদয়ৰ বস্তু। ভক্ত বা ভগৱানৰ সেৱাৰ উদ্দেশ্যে আন্তৰিকতাৰে সৈতে আমি যি কাম কৰোঁ, সিয়েই আমাক আনন্দ দিব পাৰে। এই আনন্দই সেৱা ৰস। ইয়াৰ কাৰণে ভগৱানত মন স্থিৰ কৰিব লাগিব। মন স্থিৰ কৰি ল'ব পাৰিলেহে সকলো সাধনশ্ৰম লোপ পাব।

(২) হে ভগৱন্ত গুৰু তযুপদে মন মোৰ
যি কালত স্থিতিক লভয়।
তোমাৰ কৃপাত তেবে সমস্তে সাধন শ্ৰম
এবাৰে সুখী হৈবোহোঁ নিশ্চয় ॥৬৪॥

মনটোক স্থিৰ কৰাটোও সহজ কাম নহয়। ভক্তসকলে ভগৱানৰ সেৱাৰ কাৰণে আৰু ভগৱানৰ চৰণত মন স্থিৰ কৰিবৰ কাৰণে ভগৱানৰ অনুগ্ৰহৰ প্ৰয়োজন বুলি ভাবে। কিয়নো চিত্তবৃত্তিসমূহৰ প্ৰবৰ্তনকাৰী ভগৱানেহে আমাৰ চিত্তবৃত্তিকো ভগৱানৰ অভিমুখী কৰিব পাৰে। গতিকে বাহিৰৰ পৰা গুৰুৱে দিয়া উপদেশৰ দৰেই ভিতৰৰ পৰাও চৈতন্য স্বৰূপ হৰি বা গুৰুৱেই সুমতি দিব লাগিব। সেই বাবে একেজন

ভক্তকল্পতৰু হৰিগুৰুৰ ওচৰত সেৱা ৰস বিচৰাৰ দৰেই সুমতিও বিচাৰিছে।

(৩) বাহিৰে ভিতৰে তুমি হৰি গুৰু
আছাহা চৈতন্য ৰূপে।
দিয়োক সুমতি তুমি বিনে গতি
নাহিকে কৈলোঁ স্বৰূপে ॥৩০৫॥

মনেই সাধনাৰ মূলবস্তু। মনক সৎপথে নিব পাৰিলেই জীৱৰ সদ্‌গতি হয়। মনৰ অধোগতিয়েই জীৱৰো অধোগতি। লোভ, মোহ প্ৰভৃতি মনৰ শত্ৰুবোৰ জয় কৰিব পাৰিলেহে মনৰ উৰ্দ্ধগতি সম্ভৱ। এনে স্থলত হৰি-গুৰুৰ পদসেৱাক মনৰ শত্ৰু জয় কৰিবৰ উদ্দেশ্যে অস্ত্ৰ স্বৰূপে ল'বলৈ কৈছে।

(৪) হৰি-গুৰু পদসেৱা খাণ্ডা ডাটি ধৰা
মন-বৈৰী কাটি সুখে ভৱনদী তৰা ॥৪২৫॥

এই পৰ্যন্ত সাধনাৰ ক্ষেত্ৰত গুৰুৰ প্ৰয়োজন আৰু গুৰুৰ স্বৰূপ সম্বন্ধে কোৱা হ'ল।

গ ঃ গুৰুৰ মানৱীয় ব্যক্তিৰূপ আৰু অন্তৰ্যামী দেৱৰূপৰ বাহিৰেও শাস্ত্ৰৰূপৰ কথা অনেক ঠাইত পোৱা যায়। শাস্ত্ৰৰ প্ৰকৃত ৰূপটো হৈছে জ্ঞান আৰু ব্যৱস্থা। মনুষ্য দেহধাৰী গুৰুৱেও শাস্ত্ৰসম্মত পথেদিহে আগ বাঢ়ি বলৈ পোহৰ দেখুৱায়। এই কথাটিকে অলংকাৰপূৰ্ণ বাক্যত এইদৰে কোৱা হৈছে।

(১) হৰিভক্তি ৰাজমাৰ্গেগুৰু পদনখচন্দ্ৰ প্ৰকাশিত
শ্ৰুতিজননীৰ পদ পন্থ অনুসৰি।
ফুৰৌ হুয়া আমি আনন্দিত স্খলন নাহিকে কদাচিত
মহাজন সবে জানিব নিশ্চয় কৰি ॥৬২৪॥

চিত্ৰটো স্পষ্ট হ'বৰ কাৰণে এনেদৰে ক'ব পাৰি। হৰি-ভক্তিটো ৰাজপথ স্বৰূপ। ৰাজপথ হ'লেও তাত পোহৰৰ প্ৰয়োজন। চন্দ্ৰৰ নিচিনা গুৰুৰ পদনখেই এই ৰাজপথত পোহৰ বিলাইছে। এইক্ষেত্ৰত গুৰু পদনখ গুৰুৰ অনুগ্ৰহৰ প্ৰতীক হ'ব পাৰে। ৰাজপথত বিবিধ যাত্ৰী আৰু যান-বাহন অহা-যোৱা কৰি থাকে। সেই বাবে ৰাজপথতো আনক অনুসৰণ কৰাৰ প্ৰয়োজন থাকে। নহলে পথভ্ৰষ্ট হোৱাৰ ভয় আছে। তথাপি যাকে তাকে অনুসৰণ কৰিলেও পথভ্ৰষ্ট হ'ব পাৰে। গতিকে গুৰুৰ অনুগ্ৰহত পোহৰ দেখিলেও জননী স্বৰূপা শ্ৰুতি বা বেদক অনুসৰণ কৰিহে খোজ দিব লাগে। এইদৰে চলিলে স্খলন বা অন্যধৰণৰ বিপদৰ ভয় নাথাকে আৰু আনন্দ মনেৰে ফুৰিব পাৰি।

লাজ আৰু এলাহ এৰি ভগৱানৰ নাম ল'বৰ কাৰণেও মনৰ কামনা-বাসনা দূৰ কৰিব পাৰিব লাগে। ইয়াৰ বাবে শাস্ত্ৰ আৰু আচাৰ্য বা গুৰুৰ উপাসনা কৰিব লাগিব। উপাসনা কৰাৰ অৰ্থ হৈছে ওচৰ চপা। গতিকে শাস্ত্ৰ আৰু গুৰুৰ ওচৰ নচপাকৈ সাধনা সম্ভৱ নহয়।

(২) ৰাম-কৃষ্ণ ৰাম কৃষ্ণ বোল ভাই
তেজিয়া লাজ আলাস।
শাস্ত্ৰ-আচাৰ্যক উপাসা কৰিবা
বাসনা কৰা বিনাশ ॥ ২১৮ ॥

শংকৰদেৱৰ সাধনমাৰ্গত বেদৰ স্থান সম্বন্ধে বহু সময়ত বহুজনে ভিন্ন ভিন্ন মত দাঙি ধৰে; কিন্তু সূক্ষ্মভাৱে নোচোৱা অৱস্থাত মতৈক্য প্ৰকাশ নাপায়। নামঘোষাতো সেই একে কথাই খাটে। বেদৰ দুটা দিশ। এটা জ্ঞান-মাৰ্গ আৰু আনটো দিশত কৰ্ম-মাৰ্গ। কৰ্ম বুলিলে কেৱল স্বৰ্গ সুখৰ আশাৰে কৰা যজ্ঞাদিকে বুজায়; দশসংস্কাৰ আদি আচৰণ সমূহো কৰ্মৰ শ্ৰেণীভুক্ত। এই কৰ্ম-অকৰ্ম প্ৰভৃতিৰ সংজ্ঞা ভাগৱত-পুৰাণত থকাৰ দৰেই মহাপুৰুষ শংকৰদেৱেও নিমিনৱসিদ্ধৰ পদত এইদৰে দিছে।

বেদে যাক বিহি আছে তাকে বুলি কৰ্ম।
বেদে যাক নিষেধিলে সেহিটো অকৰ্ম ॥
বিহিত নাচৰি হৱে বিকৰ্ম পাতক।
এহি তিনি বিধ কৈলো তোমাত প্ৰত্যেক ॥ ২০৭ ॥

ইয়াৰ পাছত কৰ্মৰ প্ৰয়োজন সম্বন্ধে কৈছে—

যিমত গহন কৰ্ম শুনা পৰিচ্ছেদ।
শিক্ষাদেই মূঢ়ক পৰোক্ষবাদে বেদ ॥
স্বৰ্গসুখ আদি লোভ লগাই প্ৰথমতে
প্ৰবৰ্তাস্ত অজ্ঞানীক সকাম কৰ্মত ॥ ২১১ ॥



যেন পিতৃ শিশুক লাড়ুৰ লোভ দিয়ে।
তাক পাইবো বুলি শিশু ঔষধক পিয়ে ॥
পাছে খণ্ড লাড়ুৰে গৰ্ভৰো ৰোগ হৰে।
সেহিমতে অজ্ঞানী বেদৰ শিক্ষা ধৰে ॥২১৩॥

এইদৰে কৰ্মমাৰ্গৰ সহায়েৰে ভগৱানৰ ফালে মন আকৃষ্ট কৰাৰ পাছত জ্ঞানমাৰ্গৰ সহায়েৰে বেদে নিষ্কাম কৰ্ম আৰু ভক্তিৰ ফালে আগবঢ়াই দিয়ে। বেদে কৰ্ম আৰু জ্ঞান, সকাম আৰু নিষ্কাম উভয়ৰে মাজত সমন্বয় দেখুৱাইছে। মাধৱদেৱেও নাম ঘোষাত একে আদৰ্শকে ৰক্ষা কৰিছে।

(৩) মাধৱে বোলন্ত শ্ৰুতি স্মৃতি মোৰ আজ্ঞাবাণী জ্ঞানা নিষ্ঠ
তাক যিটো জনে উলংঘিয়া প্ৰবৰ্তয়।
ভৈল সিটো মোৰ আজ্ঞাচ্ছেদী মোৰ দ্বেষ কৰিলেক আতি
মোৰ ভক্ত হন্তো বৈষ্ণৱ সিটো নহয় ॥৬২৮॥

শ্ৰুতি বেদৰ এটা নাম আৰু স্মৃতি বেদাংগৰ এটা ভাগ। শ্ৰুতিৰেই অংশ ৰূপত উপনিষদ্ বা বেদান্তও আছে। স্মৃতিত আচৰণ ধৰ্মৰ ব্যৱস্থা আছে। স্মৃতিৰ অন্য নাম ধৰ্মশাস্ত্ৰ। চতুৰ্বৰ্গৰ ধৰ্ম শব্দই ধৰ্মশাস্ত্ৰৰ ধৰ্ম বা আচৰণ ধৰ্মকে বুজায়। এই আচৰণ ধৰ্মৰ মূল শ্ৰুতিৰ দৰেই পুৰণি হ'লে সি দেশ-কালভেদে কিছু সলনি আহিছে। সামাজিক ৰুচি আৰু আচৰণ মাৰ্জিত কৰি ৰখাটোৱেই স্মৃতিৰ ঘাই লক্ষ্য। সাধনাৰ প্ৰথম স্তৰত স্মৃতিৰ প্ৰতি আওকাণ কৰিলে মনক সংযত কৰি ৰাখিব পৰা নহ'ব। মন অসংযত হলে শ্ৰুতি প্ৰদৰ্শিত জ্ঞানৰ সহায়ত নিষ্কাম ভক্তি লাভৰ পথো দুৰ্গম হৈ পৰিব।

সৃষ্টিৰ মূল ত্ৰিগুণাত্মিকা প্ৰকৃতিৰ পৰা আৰম্ভ কৰি সামান্য মনুষ্য দেহলৈকে চৌবিশ তত্ত্বৰ ভিতৰত যিবোৰ প্ৰাকৃতিক বিধি-বিধানৰ ক্ৰিয়া চলি আছে, সেই সকলো ভগৱানৰ নিজা ব্যৱস্থা বা নিজা বাণীস্বৰূপ। সাধনাৰ পথত মনৰ উৰ্দ্ধগতি বা ক্ৰমবিকাশৰ বাবে যিবোৰ স্বাভাৱিক ব্যৱস্থা আছে, শ্ৰুতি-স্মৃতিয়েও সেইবোৰকেইহে দেখুৱাই আহিছে। শ্ৰুতি-স্মৃতিৰ ব্যৱস্থা নমনা কথাই প্ৰকৃততে স্বাভাৱিক ব্যৱস্থাৰ বিৰোধৰ কথাকেহে বুজায়। স্বাভাৱিক ব্যৱস্থাৰ বিৰোধাচৰণেই ভগৱানৰ আজ্ঞাৰ বিৰোধাচৰণ সদৃশ হৈ পৰে। যি ব্যক্তিয়ে এনেকুৱা অস্বাভাৱিক বা ক্ৰমহীন পদ্ধতিৰে ভগৱানক বিচাৰে তেওঁ দুৰ্গম পথেৰে গৈয়ো ভগৱানক পাব পাৰে বা নাপাবও পাৰে। বিশেষ বিশেষ গুণ বা ক্ষমতাসম্পন্ন পৃথক্ পৃথক ব্যক্তিৰ বাবে তেনেকুৱা সাধনাৰ ফলো পৃথক্ পৃথক্ শ্ৰেণীৰ হব পাৰে; কিন্তু বৈষ্ণৱৰ আদৰ্শ সামাজিকতা প্ৰধান! স্বাভাৱিক ক্ৰমবদ্ধপদ্ধতিহে সকলো শ্ৰেণীৰ লোকৰ বাবে উপযুক্ত। এনে পদ্ধতিৰেহে ব্যক্তিৰ দৰেই সমাজো আগ বাঢ়িব পাৰে। সেই কাৰণেহে সেৱা আৰু লোকহিতকো এই সাধনাত বিশেষ স্থান দিয়া হৈছে।

ভাগৱত-পুৰাণত হিৰণ্যাক্ষ-হিৰণ্যকশিপু, ৰাৱণ-কুম্ভকৰ্ণ, আৰু শিশুপাল-দন্তবক্ৰই বৈৰভাৱে চিন্তা কৰিও ভগৱানক পোৱাৰ কথা কৈছে; কিন্তু ভাগৱতৰ এই এই বৈৰভাৱৰ সাধনাটো মহাপুৰুষীয়া ধৰ্মই গ্ৰহণ কৰা নাই। আন ফালে বৈৰভাৱে সাধনা কৰাৰ যোগ্যতাও সকলো ব্যক্তিৰে হ'ব নোৱাৰে। বৈকুণ্ঠৰ পৰিষদ হৈ ভগৱানৰ ভক্ত চাৰিসিদ্ধৰ প্ৰতি দুৰ্ব্যৱহাৰ কৰাত শাপ-ভ্ৰষ্ট হোৱা জয়-বিজয়কহে ক্ৰমে হিৰণ্যাক্ষ-হিৰণ্যকশিপু, ৰাৱণ-কুম্ভকৰ্ণ আৰু শিশুপাল-দন্তবক্ৰ হোৱা বুলিছে। গতিকে এওঁলোকৰ এজনৰ যোগ্যতাও আমাৰ থাকিব নোৱাৰে। এনেস্থলত শ্ৰুতি-স্মৃতিৰ বিৰোধাচৰণৰ দ্বাৰা ভগৱানৰ আজ্ঞাচ্ছেদী বা দ্বেষী হৈ বৈৰভাৱৰ সাধনাৰ পথ লওঁতাসকলৰ আদৰ্শ সাধাৰণ জনৰ বাবে গ্ৰহণীয় নহয়।

শ্ৰুতি-স্মৃতিৰ মাৰ্গ অনুসৰণ কৰি সাধনাৰ ক্ষেত্ৰত আগ বাঢ়ি যি অৱস্থাত বিবেক জ্ঞানৰ উদয় হয় বা বৈৰাগ্য ওপজে আৰু সংসাৰৰ প্ৰতি মোহশূন্য হৈ নিষ্কাম ভক্তিত সাধকৰ মন মগ্ন হয়, তেতিয়া তেওঁ স্বাভাৱিকতেই বেদবিহিত সামাজিক আচৰণসমূহৰ বন্ধনৰ পৰাও মুক্ত হয়। এই স্তৰৰ সাধকে বেদ মানিবও পাৰে নামানিবও পাৰে, সেইটো সাধক নিজে ঠিক কৰি ল'ব

পৰা হয়। সেইবাবে কৈছে—

(৪) অবিৰক্ত ভকতৰ বেদ লংঘিবাৰ দোষ
জানিবাহা ইহাক নিশ্চয়।
পৰম বিৰক্ত যিটো কৃষ্ণৰ ভকত ভৈল
তাৰো একো নাহিকে নিৰ্ণয় ॥৫৯৮॥

কৃষ্ণ কথাত ৰত হোৱা ভক্তৰ নিত্যনৈমিত্তিক আদি ভক্তিমাৰ্গৰ আচৰণসমূহো নিষ্প্ৰয়োজন হ'ব পাৰে, সামাজিক আচৰণ আৰু বেদৰ বিধানৰ কথা বাদেই। এই বিষয়ে কৈছে—

(৫) তাৱত কৃষ্ণৰ ভক্ত নৰে ভক্তি অবিৰোধী কৰ্ম কৰে
কৃষ্ণৰ কথাত ৰতি যাৱে নোপজয়।
যাৱে ভৈল কৃষ্ণ কথাৰত নিত্য নৈমিত্তিক আদি য'ত
কথাৰ বিৰোধী জানিয়া সবে তেজয় ॥৫৯৯॥

এইদৰে কৃষ্ণকথাত ৰত ভক্তক কৰ্মত্যাগৰ অধিকাৰ নৈতিকভাৱে দিয়া হৈছে যদিও 'মহন্ত'ৰ সংজ্ঞা দি এইদৰে কোৱা হৈছে—

(৬) কৃষ্ণপদ মাত্ৰ সেৱা কৰে সমস্ত কামনা পৰিহৰে
বেদ-ব্যৱহাৰ কদাদিতো নলংঘয়।
কৃষ্ণ পদসেৱা সুখ মনে কৰে অনুভৱ সৰ্বক্ষণে
ইহাক মহন্ত বুলিয়া জানা নিশ্চয় ॥ ৫৯৫ ॥

এনে স্থলত বেদব্যৱহাৰ ত্যাগ কৰাৰ অধিকাৰ থকা সকলৰ বাবেও বেদব্যৱহাৰ ভক্তিবিৰোধী বুলি ধৰিব নোৱাৰি।

বিকাশৰ স্বাভাৱিক ক্ৰম ৰক্ষা কৰি শাস্ত্ৰসন্মত পথেদি আগ বাঢ়িবৰ কাৰণে গুৰুৱে শিষ্যক শিক্ষা বা উপদেশ দিয়ে। শাস্ত্ৰৰ অৰ্থ গ্ৰহণ কৰিবৰ কাৰণেও গুৰুৰ আৱশ্যক হয়। কেৱল পৰমাৰ্থবিদ্যাৰ ক্ষেত্ৰতে নহয়, জীৱিকাৰ কাৰণে প্ৰয়োজনীয় সাধাৰণ শিল্প আদি বিদ্যা আয়ত্ত কৰিবৰ কাৰণেও গুৰুৰ সহায় লাগে। এনে স্থলত ব্যক্তিৰূপী গুৰুৱে যি শাস্ত্ৰৰ ব্যৱস্থা মানি চলে আমিও সেই শাস্ত্ৰ চাই চলিলেই হ'ব বুলি ধৰি লৈ ব্যক্তিগুৰুক আওকাণ কৰি আগ বঢ়াৰ চেষ্টা কৰিলে শাস্ত্ৰই সাধকক পঁচআলিত উপস্থিত কৰি বিমোৰত পেলোৱাটোও অসম্ভৱ নহয়। শাস্ত্ৰও জড়বস্তু। চৈতন্য গুৰুবস্তুৰ সংস্পৰ্শতহে শাস্ত্ৰ চেতন হৈ উঠিব পাৰে।

মহাপুৰুষীয়া সাধনমাৰ্গত শাস্ত্ৰকে গুৰু আৰু দেৱ উভয়ৰে পৰিবৰ্তে প্ৰতিষ্ঠা কৰাৰ নিয়ম আছে। অন্য ঠাইৰ মন্দিৰত মূৰ্তি থাকে। আমাৰ গাওঁবোৰৰ নামঘৰত মূৰ্তি নাথাকে। সত্ৰত মূৰ্তি আৰু ভাগৱত শাস্ত্ৰ দুয়োটাই থাকে যদিও মূৰ্তিতকৈ ভাগৱতহে বেছি গুৰুত্ব দিয়া হয়। ভাগৱত শাস্ত্ৰ বুলিও বিশেষকৈ কীৰ্তন পুথিখনকেই স্থাপন কৰা হয়। যেই সেই এখন বৈষ্ণৱ গ্ৰন্থ বা পুৰাণ, ৰামায়ণ, মহাভাৰত, বেদ আদি সৰ্বভাৰতীয় প্ৰতিষ্ঠা থকা শাস্ত্ৰকে থাপনা পাতি থ'ব পৰা গ'লহেঁতেন ; কিন্তু তাকে নকৰি কীৰ্তন পুথি, অভাৱত গুণমালা বা নামঘোষা এখনহে থাপনাত প্ৰতিষ্ঠা কৰা কথাই কিহৰ ইংগিত দিয়ে, এইটোও মন কৰিব লগীয়া কথা।

শাস্ত্ৰমাত্ৰেই গুৰুৰ স্বৰূপ হ'ব নোৱাৰে। গুৰুজনাই লিখা শাস্ত্ৰত গুৰুজনাৰ স্বকীয়া ভাব বা চৈতন্য সত্তা নিহিত আছে বুলি ধৰি লোৱা হয়। এই বাবেহে কীৰ্তন, গুণমালা আৰু নামঘোষাত এই মহত্ত্ব আৰোপ কৰা হৈছে। কীৰ্তন মহাপুৰুষৰ শ্ৰেষ্ঠ ৰচনা, গুণমালা ভাগৱতৰ চমু সংস্কৰণ আৰু নামঘোষাত মাধৱদেৱে নিজকে দেখিবলৈ পোৱা হব বুলিছে। নামঘোষা মাধৱদেৱৰ শ্ৰেষ্ঠ ৰচনা। গুৰুৰ উপদেশ স্মৰণ কৰিবৰ সময়তো আমি গুৰুৰ প্ৰতীক স্বৰূপে তেওঁৰ ৰচিত শাস্ত্ৰ এখনিকে আগত পাতি লওঁ। এইদৰেই শাস্ত্ৰতে দেৱতাৰ মূৰ্তি আৰু ব্যক্তিৰূপী গুৰু উভয়কে দেখাৰ ব্যৱস্থা কৰা হৈছে। তথাপি নামঘৰৰ থাপনাৰ পুথিখনত গুৰু আৰু দেৱক একেৰূপত দেখাটো প্ৰতীক উপাসনাহে। মূল ৰূপত গুৰু আৰু দেৱৰ প্ৰয়োজন থাকিবই। বৈষ্ণৱ সাধনমাৰ্গৰ ইতিহাসতো ইয়াৰ প্ৰমাণ দেখা যায়।

ঋগ্বেদৰ ১০ম মণ্ডলৰ ৯০তম সূক্তৰ দেৱতা পুৰুষ আৰু ঋষি নাৰায়ণ। এই পুৰুষসূক্ত বৈদিক সাহিত্যত বৈষ্ণৱ চিন্তাৰ এটি মূল খুটি। পাছৰ যুগৰ মুদ্গলোপনিষদৰ 'মহাপুৰুষ'ৰ কল্পনা পুৰুষ সূক্তৰ ভিত্তিত গঢ়



লৈছে। গীতাৰ পুৰুষোত্তম তত্ত্বও পুৰুষ সূক্তৰ পৰাই বিকশিত হৈছে। ভাগৱতবো ঠায়ে ঠায়ে ভগৱানক মহাপুৰুষ বুলিছে। সাধনমাৰ্গৰ ক্ষেত্ৰত পাঞ্চৰাত্ৰক অনুসৰণ কৰা ৰামানুজাচাৰ্যয়ো আৰাধ্যদেৱতা নাৰায়ণ বা বিষ্ণুক মহাপুৰুষ বুলিছে। ৰামানুজাচাৰ্যই ৰচনা কৰা বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদক 'মহাপুৰুষনিৰ্ণয়' নামৰ এখন গ্ৰন্থও আছে।

মুদ্গলোপনিষদত পুৰুষসূক্ত প্ৰতিপাদিত বিষয়কে ভগৱান বাসুদেৱে ইন্দ্ৰৰ আগত কৈছে। বাসুদেৱে ইন্দ্ৰক তত্ত্বজ্ঞানৰ উপদেশ দিওঁতে পুৰুষসূক্তৰ পুৰুষকে মহাপুৰুষ আৰু নাৰায়ণ বুলিও কৈছে। পুৰুষ দেৱতাৰ দ্ৰষ্টা নাৰায়ণ ঋষিয়েই পাঞ্চৰাত্ৰমতৰ প্ৰথম স্তৰত (মহাভাৰতৰ বৰ্ণিত স্তৰত) উপদেশ দিওঁতা গুৰুৰ পৰা দেৱতাৰ স্তৰলৈ উঠিল। দ্বিতীয় স্তৰত [মুদ্গলোপনিষদত] পাঞ্চৰাত্ৰ বা সাত্বত মততো দেৱকীনন্দন বাসুদেৱ, কৃষ্ণ গুৰুৰপৰা দেৱৰ স্তৰলৈ উঠিল। এইদৰে পাঞ্চৰাত্ৰ বা ভাগৱত মতত নাৰায়ণ আৰু বাসুদেৱ বা কৃষ্ণৰ স্থান গুৰুৰ পৰা দেৱতাৰ স্তৰলৈ উন্নীত হোৱাৰ লক্ষণ দেখা যায়। গীত বা শ্ৰৱণ-কীৰ্তন-প্ৰধান বাবে সামবেদ সদৃশ বুলি কোৱা পাঞ্চৰাত্ৰ মতত নামৰ গুৰুত্ব বৃদ্ধি হোৱাটো স্বাভাৱিক। গতিকে গুৰুৰ নামেই দেৱৰ নাম-ৰূপে স্বীকৃত হৈ নাৰায়ণ, বাসুদেৱ আৰু কৃষ্ণ নামৰ মাহাত্ম্য বৃদ্ধি পালে। মহাপুৰুষীয়া সাধনমাৰ্গতো এই পৰম্পৰা সুৰক্ষিত হৈ থকা যেন লাগে। গুৰুৰ প্ৰতীক হৰি, দেৱৰ প্ৰতীক কৃষ্ণ আৰু ভকতৰ প্ৰতীক ৰাম নামৰ দৰেই নামৰ বিশিষ্ট প্ৰতীক ৰূপত কৃষ্ণ বা নাৰায়ণ শব্দৰ ব্যৱহাৰ কৰা হয়।

শাস্ত্ৰজ্ঞান আৰু নাম শ্ৰৱণ কীৰ্তন আদি সাধন সমূহৰ যথেষ্ট গুৰুত্ব থকা অৱস্থাতো জড়বস্তুত চৈতন্যৰ সঞ্চাৰ কৰিবৰ উদ্দেশ্যে ব্যক্তিগুৰুৰ প্ৰয়োজন সাধনাৰ বহুত উচ্চস্তৰ পৰ্য্যন্ত থাকে। উপনিষদৰ সত্যকাম জাবালিৰ কাহিনীতো এই কথা প্ৰকাশ পাইছে। কৰ্তব্য পালন কৰি চিত্তশুদ্ধ হোৱাৰ পাছতহে সত্যকামে প্ৰাকৃত জগতৰ পৰা নিজে জ্ঞান আহৰণ কৰিব পাৰিছে। তদুপৰি এইদৰে নিজে প্ৰাকৃতিৰ পৰা উপদেশ গ্ৰহণৰ যোগ্যতা লাভ কৰাৰ পাছতো সত্যকামে গুৰুৰপৰা উপদেশ গ্ৰহণ কৰি আনুষ্ঠানিক বিধি-ব্যৱস্থা পালন কৰি দেখুৱাইছে। (ছান্দোগ্য চতুৰ্থ অধ্যায়)

মাধৱদেৱে তেওঁৰ সময়ত যোগ্য গুৰু স্বৰূপে শংকৰদেৱক পাইছিল। আজিকালি শংকৰদেৱৰ নিচিনা যোগ্য গুৰু পোৱাটো সহজ নহয়। মনত ৰাখিব লগীয়া কথা এয়েহে যে কেৱল বাহিৰৰ বিজ্ঞাপন বা চমৎকাৰত মুগ্ধ হলেও প্ৰকৃত গুৰু পোৱাৰ আশা কৰিব নোৱাৰি। অনেক ক্ষেত্ৰত সদ্গুৰু নীৰৱ হৈ থাকে। তেনে সদ্গুৰু পাবৰ কাৰণে শিষ্যৰ সাধনা আৰু সৰলতা আদি সদ্গুণবো আৱশ্যক। সেইবাবে মাধৱদেৱে 'যোগবাশিষ্ঠ ৰামায়ণ'ৰ অনূদিত পদ দুটাত এইদৰে লিখিছে—

(৭) শাস্ত্ৰগুৰু উপদেশে শিষ্য সবে ঈশ্বৰক নেদেখয়।
বুদ্ধিক সবস্থ কৰিয়া আপুন আত্মাক দেখে নিশ্চয় ॥২৫৩
(৮) শাস্ত্ৰ গুৰুসবে শিষ্যক কৃপায়ে শুদ্ধ উপদেশ দিব।
শিষ্য সবে শুদ্ধ ভাবে নধৰিলে তাৰা সবে কি কৰিব ॥
২৫৬
(৯) যেৱে শিষ্য সবে মহা শুদ্ধ ভাৱে উপদেশ আচৰয়।
শাস্ত্ৰগুৰু আপোনাকো সিটো শিষ্যো তিনিকো ৰক্ষা
কৰয় ॥২৫৭॥

শিষ্যৰ যোগ্যতা আৰু সাধনা অনুসৰিহে গুৰুৰ উপদেশৰ ফল ধৰে। সাধনাৰ বলেৰে শিষ্য গুৰুতকৈয়ো আগ বাঢ়িব পাৰে। প্ৰথমতে যোগ্য শিষ্য আৰু পাছত যোগ্য গুৰুৰূপে খ্যাতি লাভ কৰা মাধৱদেৱে নামঘোষাত গুৰু সম্বন্ধে যিথিনি কথা কৈছে, সেইখিনিও কেৱল পুথিৰ কথাই নহয়, অনুভৱসিদ্ধ শিষ্য আৰু অনুভৱসিদ্ধ গুৰুৰ নিজা অনুভৱৰ কথা।*

* নামঘোষা দিগ্দৰ্শন নামৰ অপ্ৰকাশিত পুথিৰ একাংশ। —লেখক।

গল্প

# জীৱন-তৃষ্ণা

শ্ৰীউমা বৰুৱা

আপোন ভাবতে নিমগ্ন হৈ বহি গৈছিল গৌৰীশঙ্কৰ চৌধাৰী। সমুখত প্ৰকাণ্ড 'ইজেল'ত ছবি এখন অৰ্দ্ধ-অঙ্কিত অৱস্থাতে আছে—নানা ৰঙৰ সমাবেশ, শিল্পীয়ে কি আঁকিবলৈ মন মেলিছে বুজা নাযায়। কপালত হাত দুখন দি চিন্তা কৰিছে গৌৰীশঙ্কৰে। ওখ-পাখ মানুহ-জন, প্ৰৌঢ় চেহেৰা—বয়স হয়তো পঞ্চাছ বছৰমান হ'ব। ক'লা ডাঠ চুলিবোৰত শুভ্ৰ ৰেখাৰ বোল পৰিছে মাজে মাজে। গাত বগা চুৰিয়া আৰু পাঞ্জাবী।

হঠাতে কাৰোবাৰ পদধ্বনি শুনা গ'ল—গৌৰীশঙ্কৰে এবাৰ হাতখন নমাই কেৰাহিকৈ চাই আকৌ চকু মুদি চকীত আউজি থাকে।

"কিনো হ'ল? আকৌ মূৰ কামুৰিছে নেকি?" তিৰোতাৰ মাত। কোনো উত্তৰ নাপাই সেই কণ্ঠস্বৰে আকৌ কৈ উঠে–"এহ, আজি আকৌ সৰ্বোদয়ৰ মিটিং আছে নহয়, মই আকৌ নগলেই নহয়—অ,' টকাখিনিৰ কথাযে কৈছিলো আছে নেকি?"

গৌৰীশঙ্কৰে মুখখন হাতেৰে ঢাকিয়েই উত্তৰ দিলে, "ঔ, সোঁফালৰ ড্ৰয়াৰটোতে আছে।" ড্ৰয়াৰ খোলা শব্দ হয়–কাকতৰ নোটবোৰৰ খছ্ খছ্ শব্দ—"এশ টকাকে লৈছোঁ—শৰ্মানী বাইদেৱে আকৌ মোৰ পৰা অলপ বেছিকৈ বিচাৰিছে—নিদিলেও নহয়—দীঘলকৈ হুমুনিয়াহ এটা কাঢ়ি তিৰোতাৰ মাতষাৰে কৈ যায়—"পিছে গণেশক মই কৈ যাম আপোনাক তপত চাহপানী এপিয়লা দি যাবলৈ—আৰু, 'এছ্‌প্ৰ' এটাও খাব দেই—যাও তেনেহলে?" খট্‌খট্‌কৈ কোঠাটোৰ পৰা তেওঁ ওলাই যায়।

গৌৰীশঙ্কৰে একো উত্তৰ নিদিয়ে—আগৰ দৰেই চকু দুটা মুদি চকীত আউজি থাকে। অলপ পৰৰ পিছতে মটৰ ষ্টাৰ্ট কৰাৰ শব্দ হয়। সেয়া নীহাৰ গৈছে তেওঁৰ সামাজিক মিটিঙলৈ। হঠাতে ক্লান্তিৰ দীঘলীয়া হুমুনিয়াহ এটা কাঢ়ে গৌৰীশঙ্কৰে; উঠি গৈ কাষৰ খিৰিকী-খনৰ ওচৰত থিয় হয়গৈ। তেতিয়া আবেলিৰ ৰাঙলি ৰ'দ আহি ভিতৰত পৰিছেহি। কাষৰ ডাঙৰ আম-গছজোপাৰ পাতবোৰতো ৰ'দৰ ৰঙচুৱা ৰং লাগি জিক্‌মিকাই উঠিছে। ভাল লাগিল এই প্ৰকৃতিক সৌন্দৰ্য চাই গৌৰীশঙ্কৰৰ। তেওঁৰ শিল্পীমন যেন ৰ'দৰ পোহৰ-খিনি পাই পুনৰ সঞ্জীৱিত হৈ উঠিল, গুণগুণকৈ গানৰ কলি দুটামান আওৰালে—কিবা ভাবি ওপৰৰ দুমহলাৰ খটখটীয়েদি লৰালৰিকৈ নামি গ'ল আপোনমনে। খট-খটীৰ তলতে গণেশে হাততে চাহপানী একাপ লৈ ৰৈ



থকা দেখি হাঁহি এটা মাৰি ক'লে, "দে, ইয়াতে।" এই বুলি ঢোক ঢোককৈ গিলি থ'লে আৰু ক'লে, "বাইদেউ কলেজৰ পৰা আহিলনে?"

"আহিলে, পিছে এতিয়া হেনো চিনেমা চাবলৈ যায় মল্লিকাৰ লগত। আই আহিলে কবলৈ কৈছে।"

"অ" বুলি গৌৰীশঙ্কৰ পদূলিমুখ পাৰ হৈ ওলাই যায়।

* * *

প্ৰকাণ্ড মজেইক কৰা দুমহলা ঘৰ। নীহাৰ ব্যস্ত এখন বহীত হিচাপ কৰাত—তেওঁ বহুতো সামাজিক কল্যাণমূলক সমিতিৰ বিষয়বৰীয়া। তেওঁ নগলে কোনো এখন সভাই পূৰ্ণ নহয়। এনেকুৱা একাণপতীয়াকৈ কাম কৰিব পৰা কেইগৰাকী তিৰোতা ওলাব? অৱশ্যে সদায়েই যে এনেকৈ সভা-সমিতি লৈ ব্যস্ত আছিল তেনে নহয়—আৰু সদায়েই যে সকলোৱে এনেকৈ বিচাৰিছিল তেনেও নহয়। কণু সৰু থাকোঁতে কিমান বিপৰ্যয়ৰ মাজত যে সময়বোৰ পাৰ হৈ গৈছিল—কতদিন হাতত এটাও পইচা নাছিল—কত ৰাতি ভগৱানক প্ৰাৰ্থনা কৰিছিল নীহাৰে এই যশ-সম্পদৰ বাবে।

সঁচাকৈয়ে যেন ভগৱানে শুনিলে নীহাৰৰ এই একাণপতীয়া প্ৰাৰ্থনা। যি গৌৰীশঙ্কৰৰ আগেয়ে খাম-খেয়ালি, দায়িত্বহীন বুলি আছিল অপযশ—সেই গৌৰীশঙ্কৰেই হঠাতে জনাজাত হৈ পৰিল—দেশৰ ভিতৰত প্ৰথম শ্ৰেণীৰ শিল্পী হিচাপে আৰু লগে লগে ধন-বিত্ত, মান-যশ সকলো চাৰিওফালৰ পৰা উপচি পৰিল। তেওঁলোকৰ সৰু টিনৰ ঘৰৰ ঠাইত বিৰাট দুমহলা অট্টালিকা থিয় দি উঠিল আৰু সামাজিক সকলো অনুষ্ঠানতে আগ শাৰী লব লগীয়া হল।

শিল্পী গৌৰীশঙ্কৰ কিন্তু ঠিক আগৰ দৰেই থাকিল—এতিয়াও কোনো মিটিং আদিত পৰাপক্ষত তেওঁ যোগ দিব নোখোজে। বহুতো অনুযোগ—অনুৰোধৰ পিচতহে যাবলৈ মান্তি হয়। নহলে কয়, "নীহাৰ তুমিয়েই যোৱা, মোক মাত্ৰ শান্তিৰে থাকিবলৈ দিয়া—মোৰ ৰং আৰু তুলিকাৰ মাজত।"

বাধ্যত পৰি আগ বাঢ়ি যায় নীহাৰ—সকলো ক্ষেত্ৰতে নীহাৰেই আগৰণুৱা হয়—কিন্তু কিয় জানো মাজে মাজে অৱসাদৰে পৰিপূৰ্ণ হৈ উঠে নীহাৰৰ মনটো। ভাবে, হয়তো আগৰ সেই অভাৱৰ দিনবোৰেই যেন আছিল বেছি মধুৰ—যেন এই নাম আৰু যশৰ মাজত গৌৰীশঙ্কৰো বহু দূৰলৈ আঁতৰি গ'ল; মাত্ৰ নীহাৰৰ প্ৰাৰ্থনাই পূৰ্ণ হ'ল—কিন্তু সুখৰ কণিকাবোৰ যেন কৰবাত হেৰাই থাকিল।

* * *

ভৰিৰ নূপুৰৰ তালে তালে নাচিছে কণুৱে—ওচৰতে ৰেডিঅ'গ্ৰামত বাঁহী আৰু অৰ্কেষ্টাৰ বোলৰ লহৰবোৰ ঝংকাৰিত হৈ উঠিল। কোঠাটোৰ পৰিবেশো যেন বিৰহৰ শত-সহস্ৰ মূৰ্চ্ছনাত ভৰপূৰ হৈ গ'ল। অলপতে হ'ব খোজা নাচ-গানৰ মৌমেলত কণুৰ মুখ্য ভূমিকা—বিৰহিণী ৰাধাৰ ভাওত এই নাচটো কণুৱে ৰূপায়িত কৰিব লাগিব। সঁচাকৈয়ে নাচৰ মুদ্ৰাবোৰতে কণু আপোন পাহৰা হৈ পৰে। সঁচাকৈয়ে যেন ৰাধাৰ মনৰ অনুভূতিবোৰ, বিৰহ-কাতৰ মুহূৰ্তবোৰ কণুৱে উপলব্ধি কৰিব পাৰে—ইমান মগ্নতাৰে কণুৱে প্ৰত্যেকটো ভাৱ জীৱিত কৰি তুলিব পাৰে যে মঞ্চৰ দৰ্শকৰ সেই করুণ-ৰসৰে সঞ্চাৰিত নৃত্য দেখি চকু চলচলীয়া হৈ উঠে।

* * *

গৌৰীশঙ্কৰে মটৰখন নিজে ড্ৰাইভ্ কৰি ওলাই যায় চহৰতলীৰ আলিয়েদি। কিমানদূৰ গৈছে কব নোৱাৰে। একচেলেটাৰটো আৰু জোৰেৰে হেঁচা মাৰি ধৰে। চেকুৰ মেলা ঘোঁৰাৰ দৰে মটৰখন আৰু দুগুণ গতিত যাবলৈ ধৰে—আলিৰ কাষত ৰঙচুৱা ধুলিবোৰ উৰাই উৰাই। নগৰখন বহু আঁতৰত এৰি থৈ আহিছে। এতিয়া চাৰিওপিনে গাঁৱলীয়া চিত্ৰহে চকুত পৰিছে। আবেলিৰ সুৰুযে যেন ৰঙচুৱা ডাৱৰ-বোৰৰ লগত লুকাভাকুৰে খেলিছে। দূৰ-দিগন্তৰ পাতল নীলাবোৰৰ মাজেদি এজাক বগা বনৰীয়া হাঁহ উৰি গ'ল।

গৌৰীশঙ্কৰে মটৰৰ গতি কমাই আনিলে—কিছুদূৰ গৈ আলিৰ দাঁতিৰ আঁহত গছজোপাৰ ছাঁত ৰঙৰ তুলিকা, টিউব, ইজেল আদি লৈ কাষৰ ধাঁহনিথিনিত ঠিকঠাককৈ লয় আৰু তন্ময় হৈ আপোন ভাবতে আঁকি যায়। মাজে মাজে মুগ্ধ নয়নে চাৰিওপিনৰ দৃশ্যবোৰ চায়। পথাৰবোৰত সেউজীয়া ধানবোৰ পকি পকি সোণোৱালী বৰণ ধৰিছে। ধাননিবোৰৰ মাজেদি পাতলকৈ বতাহ এজাক বলিলে। পকাধানৰ ভৰত দোঁ খাই থকা থোকবোৰ মৃদুভাবে কঁপি উঠিল। বিলবোৰৰ পানীত অস্তাচলৰ ৰঙচুৱা ৰংবোৰ যেন খেলিমেলি লগাই দিলে—পানীৰ কাষৰ বগা বগা কঁহুৱা বনবোৰ হালিজালি নাচি উঠিল—বিলত গাঁৱৰ মানুহবিলাকে সৰু সৰু টুলুঙা নাওবোৰত আপোন মনে গীত গাই গাই ফুৰিছে। বৰ ভাল লাগিল গৌৰীশঙ্কৰৰ এই দৃশ্য চাই—তৃপ্তিৰ দীঘল উশাহ এটা লৈ গৌৰীশঙ্কৰে পূৰ্ণোদ্যমে ছবি অঁকাত নিমগ্ন হৈ পৰিল। পৃথিৱীৰ এই মনোমোহা ৰূপ যেন ধৰি ৰাখিব প্ৰতিটো ৰঙৰ ৰেখাৰ মাজত—ধুঁৱলীয়া গধূলিৰ অস্পষ্টতাই সকলো আৱৰি লোৱাৰ আগতেই। নিজৰ শিল্পৰ সাধনাতে সকলো পাহৰি যায় গৌৰীশঙ্কৰে।

হঠাতে শিশুসুলভ খিল্‌খিলনি হাঁহিত তন্ময়তা ভাগি পৰে শিল্পীৰ। চকু ঘূৰাই চালে, দেখিলে এজাক সৰু সৰু শিশুৰ দল আহি ঘেৰি পেলাইছে দৰ্শক হিচাপে—অদূৰত মাকহঁতো আছে। গৌৰীশঙ্কৰৰ চকু পৰিলে এগৰাকী গাভৰু মাতৃৰ ওপৰত—সুন্দৰ সুঠাম চেহেৰা—বুকু উদং কৰি কোলাত থকা সন্তানক স্তনপান কৰাইছে। কোমল, নিমজ, শুভ্ৰ বুকুখন উদং হৈ আছে। গৌৰীশঙ্কৰৰ শিল্পমন এই মাতৃত্বৰ স্নিগ্ধ চিত্ৰত আপ্লুত হৈ উঠিল—ইমান সহজ শান্ত মাতৃত্বৰ চিত্ৰ এখন! নতুনকৈ কেনভাচ লৈ একান্ত মনোযোগেৰে আঁকিলে এই মাতৃৰ ছবিখন। শৰীৰৰ সিৰাই সিৰাই যেন মাতৃয়ে অমৃত পান কৰাইছে সন্তানক—জীৱন দান কৰিছে এই নৱজাত শিশুটিক।

গৌৰীশঙ্কৰৰ মনত জাগি উঠে নীহাৰৰ মাতৃমূৰ্তিৰ ছবিখনৰ কথা—নীহাৰেো ঠিক এনেকুৱা মাতৃত্ব বিকশিত ছবি এখন আঁকিছিল। সেই ছবিখনেই আনিছিল গৌৰীশঙ্কৰৰ প্ৰথম সন্মান শিল্পী হিচাপে। ফলত তেওঁ আন্তৰ্জাতিক চিত্ৰ-মেলাত যোগ্যতাৰ বিশেষ প্ৰমাণপত্ৰ লাভ কৰিছিল।

কিন্তু—কিমানদিনৰ আগৰ কথা যেন লাগে সেই দিনবোৰ। আৰু নীহাৰকো কিমান অচিনাকি লাগে আজিকালি। সেই আগৰ লাজকুৰীয়া, অলপতে সৰু সৰু কথাবোৰ শঙ্কাকুল হোৱা নীহাৰজনী যেন কোনোবাখিনিত হেৰাই গ'ল। গৌৰীশঙ্কৰৰ নাম-যশ-সন্মান বঢ়াৰ লগে লগে নীহাৰেো যেন চাৰিওদিশৰ পৰা সন্মান উপচি পৰিল। সামাজিক সকলো অনুষ্ঠানতে আগ শাৰী লৈ বক্তৃতা দিবলৈ ধৰিলে—আৰু লগে লগে সকলো বিষয়তে স্বাৱলম্বী হৈ ফুৰিবলৈ ধৰিলে। বিজুলী চেৰেকনি মাৰিলে গৌৰীশঙ্কৰক ভয়তে সাৱটি ধৰা নীহাৰ আৰু নাই—তাৰ ঠাইত, তাৰ ঠাইত দেশৰ নেত্ৰী হিচাপে আগবাঢ়ি আহিছে আজি নীহাৰ। হঠাতে ক্লান্তিৰ দীঘল হুমুনিয়াহ এটা কাঢ়ে গৌৰীশঙ্কৰে—মন যায় নীহাৰক ঠিক আগৰদৰেই বুকুৰ মাজত সাৱটি যেন কব "বলা সোণজনী, আমি যাওঁগৈ, সেই হিমালয় পৰ্বতমালাৰ মাজত এটা সৰু পঁজাত থাকোঁগৈ—য'ত নাম, যশ, সন্মানে আমাক আৰু চুব নোৱাৰিব, ব'লা যাওঁগৈ।" কিন্তু জানে গৌৰীশঙ্কৰে—এইবোৰ মাত্ৰ শিল্পীৰ মনৰ কল্পনা, তাত যে বাস্তৱৰ কোনো পৰশেই নাই।

সন্ধিয়া ঘনাই আহিল, ওচৰৰ পৰ্বতীয়া লৰাছোৱালীবোৰেও যাবলৈ যো-জা কৰিছে। গৌৰীশঙ্কৰে পাঞ্জাবীৰ ডাঙৰ জেপৰ পৰা মুঠি মাৰি উলিয়ালে লজেঞ্চবোৰ—আৰু সিঁচি দিলে তাহাঁতৰ মাজত। আনন্দৰ কিৰীলি পাৰি উঠিল শিশু মনবোৰ—সিহঁতৰ মাজত হেতাওপৰা লাগি পৰিল লজেঞ্চখিনিৰ বাবে—গৌৰীশঙ্কৰে মিচিকিয়াই হাঁহি তুলিকা আৰু ৰঙবোৰ সামৰি মটৰখনত উঠিলগৈ। দূৰত—আন্ধাৰত কেঁচা এটাই কুৰুলিয়াই উঠিল.......।

# হিন্দু ধৰ্মত বহু দেৱ-দেৱী পূজা

শ্ৰীঅতীন্দ্ৰ নাৰায়ণ গোস্বামী

ধৰ্ম কি? "যেন আত্মনস্তথান্যেষাং জীৱন বৰ্ধনাত্ম্ ভ্ৰিয়তে স ধৰ্মঃ", অৰ্থাৎ নিজৰ আৰু আনৰো জীৱন আৰু বৰ্ধনৰ বাবে যাক ধাৰণ কৰা হয় সেয়ে ধৰ্ম। এতেকে এই সূত্ৰ মতে ধৰ্ম একেটা; কিন্তু ধৰ্ম সম্প্ৰদায়-গত হোৱাত অৰ্থও বিৰূপ হৈ পৰিল।

গোটেই বিশ্বব্ৰহ্মাণ্ড জুৰি যদিও ধৰ্ম মূলতঃ এটাই তথাপি সম্প্ৰদায়-গত হোৱাত সম্প্ৰদায়-ভেদে মানৱ-জাতিৰ মাজত ধৰ্মৰ নীতি-নিয়মবোৰ বহুতো শাখা-প্ৰশাখাত বিভক্ত। তাৰেই প্ৰধান প্ৰধান ধৰ্মবোৰক হিন্দু, মুছলমান, খৃষ্টান, জৈন, বৌদ্ধ আদি নানা ৰূপত ভগোৱা হ'ল। তদুপৰি ধৰ্মবোৰৰ পৰা শাখা সম্প্ৰদায়ৰ সৃষ্টি হ'ল আৰু একেটা প্ৰধান ধৰ্মৰে শাখা-ভেদে প্ৰণালীও পৃথক পৃথক হৈ পৰিল। বাস্তৱিকতে চালি-জাৰি চালে দেখিবলৈ পোৱা যায়, প্ৰত্যেকৰে মূল উদ্দেশ্য—মানৱ জাতিয়ে কেনেকৈ সংসাৰী জীৱন সুখেৰে অতিবাহিত কৰি মৃত্যুৰ পিছতো ভগৱৎ-কৃপা লাভ কৰি অক্ষয় শান্তি লাভ কৰিব পাৰে? এই ধৰ্মবোৰ একো একোজন মনীষীৰ নিজ নিজ জীৱনৰ সাধনা-লব্ধ প্ৰত্যক্ষ জ্ঞানৰ ওপৰত প্ৰতিষ্ঠিত। ভাৰতবৰ্ষতো তেনেকৈ আৰ্য মহৰ্ষিসকলৰ স্বসাধনালব্ধ প্ৰত্যক্ষ জ্ঞানৰাশিয়েই হিন্দু ধৰ্মৰ মূল উৎস। বিভিন্ন জনৰ জ্ঞানলব্ধ বুলিয়েই ধৰ্মৰ ৰীতি-নীতিবোৰে কিছু পৰিমাণে ভিন ভিন।

হিন্দুমাত্ৰেই একেশ্বৰবাদী। ভাৰতীয় দৰ্শনশাস্ত্ৰবোৰৰো এয়ে সিদ্ধান্ত। সকলো প্ৰধান ধৰ্মই ভগবান বা ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰে, কিন্তু হিন্দু ধৰ্মই একেশ্বৰবাদ স্বীকাৰ কৰাৰ উপৰিও বিভিন্ন দেৱতাকো স্বীকাৰ কৰে। ইপিনে দৰ্শন শাস্ত্ৰই কয়, "একমেবাদ্বিতীয়ম"; অথচ বিভিন্ন দেৱ-দেৱীৰ পূজা-অৰ্চনাৰ বিধানো আছে। ইয়াত লোক দ্বিধাগ্ৰস্ত হোৱাটো স্বাভাৱিক। সেইবুলি তাৰ মীমাংসা যে নাই তেনে নহয়।

এই প্ৰবন্ধৰ আলোচ্য বিষয় হ'ল—হিন্দু ধৰ্মীসকলৰ ভিতৰত যিবোৰ বৈষ্ণৱ, শৈৱ, শাক্ত, গাণপত্য আদি শাখা-প্ৰশাখাৰে ধৰ্মাচৰণৰ পদ্ধতি নিৰ্দেশিত হৈছে তাত সাম্প্ৰদায়িক মনোমালিন্য আঁতৰাই সমিলমিল কৰাৰ কোনো উপায় আছে নে নাই তাকে চালি জাৰি চোৱা। সাধাৰণতে শিৱ, দুৰ্গা, বিষ্ণু আদিক লৈয়ে আমাৰ এই সম্প্ৰদায়বোৰৰ মাজত সাম্প্ৰদায়িক বিদ্বেষ বা উচ্চ-নীচ ভেদভাৱৰ সৃষ্টি হৈ থকা দেখা যায়। এই ভেদ ভাৱেই সমাজৰ পক্ষে অহিতকৰ আৰু দিনে দিনে সমাজৰ আধ্যাত্মিক চেতনাৰ মান অৱনমিত কৰি তুলিছে।

বৈদিক যুগত পাঁচটা জাতিৰ উল্লেখ পোৱা যায় (ঋগ্বেদৰ প্ৰথম মণ্ডলৰ সপ্তম সূক্তৰ নৱম মন্ত্ৰ)—ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ আৰু চণ্ডাল। কিন্তু পৰৱৰ্তী যুগত গীতাত গুণ আৰু কৰ্মৰ ভেদৰ

দ্বাৰা চাৰিটা জাতিৰ উল্লেখ কৰিছে। এই জাতি বা সম্প্ৰদায়বোৰৰ প্ৰত্যেকৰে পালনীয় নিয়ম-নীতিবোৰ পৰবৰ্তীকালৰ স্মৃতি-শাস্ত্ৰবোৰে নিৰ্দেশ দি আহিছে।

হিন্দুধৰ্মত বহু দেৱ-দেৱী পূজা-উপাসনাৰ বিধান বৈদিক গ্ৰন্থত পোৱা যায়। সাধাৰণতে হিন্দুৰ দেৱতাৰ সংখ্যা পোৱা যায়—৩৩। অষ্ট বসু, দ্বাদশ আদিত্য, একাদশ ৰুদ্ৰ, ইন্দ্ৰ আৰু প্ৰজাপতি ( অৰ্থাৎ ৮+১২+১১+১+১=৩৩ )। আন এক প্ৰকাৰে ভাগ দেখুৱাইছে—ভূ-লোকৰ দেৱতা ১১ জন, অন্তৰীক্ষ লোকৰ দেৱতা ১১ জন আৰু দ্যুলোকৰ দেৱতা ১১ জন মুঠতে তেত্ৰিশ জন। ঋগ্বেদৰ পৰা এই সংখ্যা ক্ৰমে বাঢ়ি গৈ পৰবৰ্তী পৌৰাণিক যুগত হ'ল তেত্ৰিশ কোটি দেৱতা। ভূলোকৰ দেৱতাসকলৰ মুখ্য দেৱতা অগ্নি, অন্তৰীক্ষলোকৰ দেৱতাসকলৰ মুখ্য দেৱতা বায়ু বা ইন্দ্ৰ আৰু দ্যুলোকৰ দেৱতাসকলৰ মুখ্য দেৱতা সূৰ্য। বেদত এই দেৱতাসকলৰ গুণ ব্যাখ্যানত কৈছে যে দেৱতাসমূহ সৰ্বশক্তিমান, সৰ্বব্যাপী, এক পৰমাত্মাৰ তিনি প্ৰকাৰৰ অভিব্যক্তি মাথোন অৰ্থাৎ সকলো দেৱতাৰ মূলতে এক পৰমাত্মা বা পৰম ব্ৰহ্ম। দেৱতাৰ এক আত্মা বহুৰূপে কল্পিত আৰু কীৰ্তিত হৈছে। নিৰুক্ত গ্ৰন্থত আছে—"দেৱতায়াঃ এক আত্মা বহুধা স্তূয়তে"। দেৱতাসকলৰ এক আত্মাৰ বহুৰূপে স্তুতি কৰা হয়। ঋগ্বেদৰ আন এটি মন্ত্ৰত পোৱা যায়—"একং সদ বিপ্ৰাঃ বহুধা বদন্তি অগ্নি যম মাতৰিশ্বান মাহুঃ", অৰ্থাৎ এক শাশ্বত সত্তাকেই বিপ্ৰসকলে অগ্নি, যম, মাতৰিশ্বা আদি বহুৰূপে অভিহিত কৰে। দেৱতাসকলৰ বিশেষ বিশেষ নাম আৰু ৰূপৰ ফালৰপৰা তেওঁলোক পৰস্পৰ ভিন্ন; কিন্তু তেওঁলোক সকলোৰে মাজত থকা মহাসত্তাৰ স্থিত অভিন্ন। যি দৰে ঘট বা থালী আদি বিভিন্ন মাটিৰ পাত্ৰবোৰ পৰস্পৰ ভিন্ন হলেও মহাসত্তা মাটি বা মৃন্ময়ত্বৰ পৰিপ্ৰেক্ষিতত সেইবোৰ অভিন্ন। সকলো দেৱতাৰেই মহাসত্তা এক পৰমাত্মা। গতিকে সকলো দেৱতাই পৰমাত্মাস্বৰূপ। শুক্ল যজুৰ্বেদ সংহিতাত উল্লেখ কৰিছে—

"এতস্যৈৱ সা বিসৃষ্টিৰেষ উহ্যেৱ সৰ্বেদেৱাঃ" অৰ্থাৎ এই পৰমেশ্বৰৰেই জগৎ প্ৰপঞ্চ, এই পৰমেশ্বৰে সকলো দেৱতা। শুক্ল যজুৰ্বেদৰ আন এটি মন্ত্ৰই স্পষ্টতৰ ভাবেই প্ৰকাশ কৰিছে—

"তদেবাগ্নিস্তদাদিত্যস্তদ বায়ুস্তদু চন্দ্ৰমা।
তদেব শুক্ৰং তদ্‌ব্ৰহ্ম, তা আপঃ স প্ৰজাপতি ॥"

অৰ্থাৎ—তেৱেঁই অগ্নি, তেৱেঁই আদিত্য, তেৱেঁই বায়ু, তেৱেঁই চন্দ্ৰ, তেৱেঁই শুক্ৰ, তেৱেঁই ব্ৰহ্ম, তেৱেঁই বৰুণ, তেৱেঁই প্ৰজাপতি।

বেদৰ পিছতেই উপনিষদৰ স্থান। উপনিষদৰ সাৰ বস্তু লৈ গীতাৰ সৃষ্টি।

পৃথিবীৰ আন আন প্ৰধান ধৰ্মবিলাকৰ অৰ্থাৎ খৃষ্টানসকলৰ যীশু, মুছলমানসকলৰ হজৰত মহম্মদ, বৌদ্ধসকলৰ গৌতম আদি অৱতাৰী পুৰুষসকল যেনেকৈ ধৰ্মীয় পথ প্ৰদৰ্শক, তেনেকৈ আৰ্য (হিন্দু) সকলৰো অৱতাৰী পুৰুষ শ্ৰীকৃষ্ণ। কৃষ্ণই গীতাত অৰ্জুনক উপদেশ দিয়াৰ ছলেৰে আধ্যাত্মিক বিকাশৰ উপদেশবোৰকেই আগ বঢ়াইছে। ইয়াৰ মাজতেই ধৰ্মনীতি, ৰাজনীতি, সমাজনীতি আদি বিষয়ৰ জ্ঞান-উপদেশৰ দ্বাৰা গীতাক মহীয়সী কৰি তুলিছে।

আগতে উল্লেখ কৰা হৈছে যে, যিসকল তীক্ষ্ণধী-সম্পন্ন নহয় নাইবা যিসকলে সংসাৰী জীৱন যাপনৰ মাজেদিয়ে সুখশান্তিৰে জীৱন-যাত্ৰা নিৰ্বাহ কৰাৰ লগে লগে ভগৱৎ-সান্নিধ্য লাভৰে। অদম্য হেঁপাহ অন্তৰত পোষণ কৰে, তেওঁলোকৰ কাৰণে আধ্যাত্মিক চিন্তাধাৰা বিকাশৰ সহায়ক স্বৰূপে বাহ্যিক পূজা-উপাসনাদিৰ ব্যৱস্থা প্ৰৱৰ্তিত হৈছে। এই পূজা-উপাসনাৰ বাবে নিজ নিজ সম্প্ৰদায়ৰ মন্ত্ৰদ্ৰষ্টা মনীষীসকলৰ সাধনালব্ধ জ্ঞানৰ দ্বাৰা উপাস্য দেৱতাৰ মূৰ্তি কল্পনা কৰি ধ্যানৰ ব্যৱস্থা কৰে। কালত নিজ নিজ উপাস্য দেৱতাৰ প্ৰাধান্য লৈ সাম্প্ৰদায়িক মতানৈক্যৰ সৃষ্টি হয় যিটো সমাজৰ বাবে অতি অমঙ্গলকৰ।

শাস্ত্ৰত কৈছে—



"সাধকানাং হিতাৰ্থায় ব্ৰহ্মণো ৰূপকল্পনা।" অৰ্থাৎ উপাসকসকলৰ মঙ্গলৰ নিমিত্তেই পৰম ব্ৰহ্মৰ নানাৰূপ কল্পনা কৰা হয়। পানীৰ যেনেকৈ পাত্ৰভেদে আকৃতি সলনি হয় তেনেকৈ পৰম ব্ৰহ্মৰো উপাসক ভেদে ভিন ভিন ৰূপ হয়। ইয়াতকৈও নিম্নস্তৰৰ উপাসনাও শাস্ত্ৰনিৰ্দেশিত বিভিন্ন দেৱ-দেৱীৰ ধ্যান বৰ্ণিত ৰূপ অনুযায়ী মূৰ্তি বা প্ৰতিমা নিৰ্মাণ কৰাই তাক সন্মুখত ৰাখি পূজা-উপাসনাৰ দ্বাৰা চিত্ত সংযম কৰাৰ প্ৰক্ৰিয়া-কৌশলো বিদ্যমান। এই স্তৰৰ উপাসনাত শাস্ত্ৰ-নিৰ্ধাৰিত অভীষ্ট ফল সিদ্ধ হ'ব পাৰে; কিন্তু মোক্ষ বা মুক্তি লাভ নহয়। শাস্ত্ৰত মুক্তি দান কৰিব পৰা পাঁচজন দেৱতাৰ কথা উল্লেখ আছে—

একং ব্ৰহ্ম নিৰাকাৰং সাকাৰত্বমুপাগমৎ।
ধ্যানাৰ্থং স্বাত্মভক্তানাং সৃষ্টাদৌ পঞ্চমূৰ্তিভিঃ॥
সূৰ্যোগণপতি বিষ্ণুৰ্মহেশো ভগৱত্যপি।
পঞ্চৈতা দেৱতাঃপ্ৰোক্তাঃ শ্ৰুতিভিৰ্ব্ৰহ্মমূৰ্তয়ঃ॥
এতৈৰ্বিমুচ্যতে জন্তুৰ্জন্মসংসাৰসাগৰাৎ।
পঞ্চ দেৱৈৰ্বিনা মুক্তিৰ্ন ভৱেদন্যদৈৱতৈঃ॥

অৰ্থাৎ—এক নিৰাকাৰ ব্ৰহ্মই স্বকীয় ভক্তবৃন্দৰ ধ্যানৰ নিমিত্তে পাঁচ মূৰ্তিৰে সাকাৰ ৰূপ ধাৰণ কৰে। সেই পাঁচ মূৰ্ত্তি সূৰ্য, গণেশ, বিষ্ণু, মহেশ্বৰ আৰু ভগৱতী। শ্ৰুতিত এই পাঁচ দেৱীৰ কথাই কৈছে। প্ৰাণীসকল সংসাৰ ৰূপ সাগৰৰ পৰা পৰিত্ৰাণ পাব খুজিলে কেৱল এই পাঁচজন দেৱতাৰ পৰাই পাব পাৰে। আন দেৱতাৰ পৰা নহয়। এই কাৰণেই বোধকৰো হিন্দুৰ সকলো যাগ, যজ্ঞ, পূজা, পাৰ্বণৰ আদিতে "গণেশঞ্চ দিনেশঞ্চ বাসুদেৱ শিৱং শিৱা" অৰ্থাৎ গণেশ, সূৰ্য, বিষ্ণু, শিৱ আৰু দুৰ্গা এই পঞ্চদেৱতা পূজাৰ বিধান অৱশ্য পালনীয় বুলি শাস্ত্ৰকাৰসকলে কঠোৰভাৱে নিৰ্দেশ দি গৈছে।

দৰ্শন শাস্ত্ৰৰ মতে—সত্ত্ব ৰজঃ তমঃ এই গুণত্ৰয়ৰ বিভিন্ন বিন্যাস আৰু সংযোজনৰ পদ্ধতি অনুসাৰে বিশ্বৰ সমস্ত জীৱ আৰু জড় পদাৰ্থৰ সৃষ্টি। গুণত্ৰয়ৰ সংযোজনৰ তাৰতম্য লৈয়েই প্ৰত্যেক মানুহৰ প্ৰকৃতি গঠিত হয়। তাৰ ফল স্বৰূপে মানুহৰ প্ৰবৃত্তিসমূহৰ মাজতো প্ৰভেদ হয়। নিজ প্ৰবৃত্তিৰ অনুগামী হৈ নানা-দেৱদেৱীৰ প্ৰতি আকৃষ্ট হোৱাটো মানৱ প্ৰকৃতিৰে এটি স্বাভাৱিক লক্ষণ আৰু তদনুযায়ী নানা দেৱদেৱীৰ পূজা-উপাসনা হৈ থকাটো কোনো অস্বাভাৱিক ৰীতি নহয়।

গীতাক ধৰ্ম-শাস্ত্ৰবোৰৰ ভিতৰত এখন উৎকৃষ্ট প্ৰামাণ্য গ্ৰন্থ বুলি ভাৰতবৰ্ষ কিয়, গোটেই পৃথিবীয়ে স্বীকাৰ কৰিছে। গীতাত কৃষ্ণৰূপী স্বয়ং ভগৱানে কৈছে যে, যেয়ে যি মতে যি দেৱতাৰ উপাসনা নকৰক কিয়, সেই উপাসনা যদি শ্ৰদ্ধাপূৰ্ণ হয়, তেনেহলে তেওঁৰ কামনা অৱশ্যেই সিদ্ধ হয়। কিয়নো সেই দেৱতা ভগৱানৰে দ্বাৰাই নিয়োজিত আৰু ভগৱানৰেই স্বৰূপ।

ইয়াতে পাশ্চাত্য মনীষী জৰ্জ বাৰ্ণাড্ শ্ব' (George Barnard Shaw)ৰ এটি অভিমত মন কৰিব লগীয়া। তেখেতে ভাৰতৰ মন্দিৰ আৰু মিছৰৰ মছ্‌জিদ দৰ্শন কৰি গৈ তেওঁৰ বন্ধু ৱালটাৰ্চ (Walters)লৈ ১৯৩৩ চনৰ ৪ ফেব্ৰুৱাৰী তাৰিখে লিখা এখন চিঠিত এই দৰে লিখিছে—"হিন্দু ধৰ্মৰ নানা দেৱ-দেৱীৰ পূজা দেখিলে প্ৰথমে মনত খেলি মেলিৰ সৃষ্টি হয়; কিন্তু অলপ দকৈ চালেই বুজিব পাৰি যে সকলোবিলাক দেৱ-দেৱী এজন পৰমেশ্বৰৰেই মূৰ্তি মাথোন। সকলোৰে ওপৰত আছে এজন সনাতন পৰমেশ্বৰ; এই বাবে কোনো ধৰ্মৰ লগত হিন্দু ধৰ্মৰ কোনো বিৰোধ নাই"।

উপসংহাৰত ইয়াকে ক'ব পাৰি যে হিন্দুৰ তেত্ৰিশ কোটি দেৱতা; যিয়ে যাক শ্ৰদ্ধাৰে সৈতে উপাসনা কৰিব পাৰে তেৱেঁই ভগৱৎ কৃপালাভৰ যোগ্যতা অৰ্জন কৰিব পাৰে আৰু তাৰ পৰাই আত্ম জ্ঞানৰ উদয় হয় আৰু ইন্দ্ৰিয় সংযত কৰিব পৰা ক্ষমতা জন্মে।

শ্ৰদ্ধাবান্ লভতে জ্ঞানং তৎপৰঃ সংযতেন্দ্ৰিয়ঃ।
জ্ঞানং লব্ধ্বা পৰাং শান্তিমচিৰেনাধিগচ্ছতি॥

৪।৩৯ গীতা

( ৯১ পৃষ্ঠাত চাওক )

## বিজ্ঞান জগত

# অসমীয়া বিজ্ঞান সাহিত্য

অধ্যাপক শ্ৰীসোণেশ্বৰ শৰ্মা

নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে পাৰ হৈ আহি অসমীয়া ভাষা সাহিত্য বিকশিত হৈ উঠাৰ দিনতো অসমীয়া ভাষাত বিজ্ঞান বিষয়ক পুথি বা আন ৰচনাৰ অভাৱ বৰ দুখ লগাকৈ অনুভৱ কৰা যায়। নতুন সুস্থ-সবল সমাজ এখন গঢ়ি তোলাত বিজ্ঞানৰ ভূমিকা অনস্বীকাৰ্য। হিন্দী, বঙলা আদি ভাৰতীয় ভাষাত বিজ্ঞানৰ বুৰঞ্জীৰ পৰা আৰম্ভ কৰি মহাকাশ-বিজ্ঞানলৈ সকলো বিষয়তে অনেক জনপ্ৰিয় গ্ৰন্থ প্ৰকাশ হৈছে। অসমীয়া ভাষাত যদিও বিজ্ঞান বিষয়ক পুথিৰ সংখ্যা বেছি নহয় তথাপি বিজ্ঞানৰ বিভিন্ন বিষয়ত ৰেখাপাত কৰিব পৰা কিতাপ নথকা নহয়। অন্ততঃ এই শতিকাৰ সপ্তম আৰু অষ্টম দশকৰ এই কেইবছৰত প্ৰকাশ হোৱা বিজ্ঞানৰ পুথিসমূহৰ পৰা আমি সিদ্ধান্তত উপনীত হব পাৰো যে বিভিন্ন বিষয়ৰ ৰচনাৰ আৱশ্যকতাৰ প্ৰতি লিখকসকল সজাগ হৈছে। কিন্তু ইয়াৰ আগতে বিজ্ঞানৰ কিতাপ বা আন ৰচনা প্ৰকাশ হোৱা নাছিল বুলি ক'লে ভুল কৰা হ'ব; যদিও ষষ্ঠ দশকৰ আগতে বিজ্ঞান বিষয়ক পুথি প্ৰকাশ হোৱা নাছিল,[1] তথাপি বিজ্ঞান বিষয়ক ৰচনা প্ৰকাশত লেখত লব লগীয়া অৰিহণা যোগাইছিল ঊনৈশ শতিকাৰ শেহভাগ আৰু কুৰি শতিকাৰ প্ৰথমভাগৰ আলোচনীসমূহে।[2] 'মৌ', 'বাঁহী' 'চেতনা' 'মিলন', 'আসাম বান্ধৱ', 'আৱাহন' আদি আলোচনীত বিজ্ঞান বিষয়ক ৰচনা প্ৰায় নিয়মীয়াকৈ প্ৰকাশ পাইছিল। অৱশ্যে সেই দিনৰ প্ৰয়োজন আৰু মানুহৰ মূল্যবোধ অনুসৰি ৰচনাৰ প্ৰকৃতি বৰ্তমান সময়ৰ ৰচনাৰ প্ৰকৃতিতকৈ বেলেগ হোৱা অস্বাভাৱিক নহয়। সেয়েহে তেনেদিনত প্ৰকাশ পোৱা কিছুমান প্ৰবন্ধ বিশুদ্ধ বিজ্ঞানৰ প্ৰবন্ধ বুলি কব পৰা নেযায়। তেতিয়া প্ৰধানকৈ স্বাস্থ্যবিজ্ঞানৰ প্ৰবন্ধ-পাতিহে প্ৰকাশ পাইছিল। তলৰ আলোচনাত আমি বিজ্ঞানৰ পাঠ্যপুথিসমূহ সমূলঞ্চে বাদ দিম।

আজি কিছুবছৰৰ পৰা অসমীয়া ভাষাত বিজ্ঞান বিষয়ক পুথিৰ অভাৱ পূৰণৰ বাবে প্ৰকাশন পৰিষদ, অসম বিজ্ঞান সমিতি আদিয়ে যত্ন কৰি আহিছে আৰু কিছু পৰিমাণে সফলো হৈছে। তাৰ উপৰি গাইগুটীয়া প্ৰকাশকসকলেও সাহিত্যৰ এই দিশটোৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰিছে। ই এটা শুভ লক্ষণ। ইয়াৰ ফলত ইংৰাজী ভাষাৰ কিতাপৰ দ্বাৰা নিজৰ জ্ঞানৰ তৃষ্ণা দূৰ কৰিবলৈ যত্নপৰ হোৱা পঢ়ুৱৈসকলে অসমীয়া ভাষাৰ মাধ্যমেৰে বিজ্ঞানৰ নানান কথা জানিবলৈ পাইছো; কিন্তু আজি কিছুবছৰ আগলৈকে বিজ্ঞানৰ ৰচনাবোৰ আলোচনীৰ পাততেই আবদ্ধ আছিল। কিছুমান পুৰণি আলোচনীত এনে প্ৰবন্ধ পঢ়িবলৈ পাওঁ। 'আসাম-বান্ধৱ' আলোচনীত নিয়মীয়াকৈ চিকিৎসাবিজ্ঞানৰ প্ৰবন্ধ প্ৰকাশ হৈছিল। এই প্ৰবন্ধসমূহ ডাক্তৰে লিখিছিল। সেই সময়ৰ বিজ্ঞান-লিখকসকলৰ ভিতৰত প্ৰথমেই নাম লব লাগিব কালিৰাম মেধিৰ। তেওঁ 'আসাম-বান্ধৱ'ত কেবাটাও সুন্দৰ প্ৰবন্ধ লিখিছিল। 'আসাম-বান্ধৱ'ৰ তৃতীয় বছৰ চতুৰ্থ সংখ্যাত ( ১৯১২ চন ) লিখা 'জাতিৰ উৎপত্তি' আৰু তৃতীয় বছৰ ৮ম-৯ম সংখ্যাত ( ১৯১৩ চন ) লিখা 'মূল পদাৰ্থ ইলেকট্ৰোন'—দুটা অতি মূল্যবান প্ৰবন্ধ। জাতিৰ উৎপত্তিত তেওঁ মানুহৰ জন্ম আৰু বিৱৰ্তনৰ কথা সাৱলীলভাৱে উপস্থাপন কৰিছে, আৰু ইলেকট্ৰোন নামৰ দীঘল প্ৰবন্ধটোত Electrolysis ( টেঙা পানী বিশ্লেষণৰ ফল ), Cathode ( বিয়োগক পাত ), Anode ( সংযোগক পাত ), radioactivity ( বিকীৰণশীলতা ), Cathode ray ( অন্ধকাৰ ৰশ্মি ) আদি বিষয়ে ইমান সুন্দৰভাৱে লিখিছে যে আচৰিত নহৈ নোৱাৰি; কিয়নো তেতিয়া বিজ্ঞানৰ এনে জটিল বিষয়ৰ ৰচনা এখন লিখিব পৰাকৈ অসমীয়া ভাষাত বৈজ্ঞানিক পৰিভাষা প্ৰায় নাছিল বুলিলেই হয়। বিষয়টোৰ গভীৰতা বুজাবলৈ প্ৰবন্ধৰ মোখনিও মাৰিছিল এই বুলি,—'There are more things in heaven and earth Horatio, than are dreamt of in your philosopy." [2] ১৯১৪ চনত 'আসাম বান্ধৱ'ত ডাঃ হৰিকৃষ্ণ দাসে বতাহত কি কি বায়ু আছে, সেইৰ ওপৰত সিহঁতৰ প্ৰভাৱ, বায়ু কেনেকৈ দূষিত হয়, দূষিত বায়ুৰ পৰা হব পৰা সম্ভাব্য বেমাৰ আদি বিভিন্ন দিশ সামৰি "নিৰ্মল বায়ুৰ উপকাৰিতা" নাম দি এখনি প্ৰবন্ধ লিখিছিল। তেখেতেই তাৰ পাছত মেলেৰিয়া জ্বৰ, হাইজা, কৃমিৰ কথা আৰু হাকুটি পেলুৰ বেমাৰ আদি কেবাটাও সুন্দৰ প্ৰবন্ধ লিখিছিল। এইখন আলোচনীতেই আন প্ৰবন্ধৰ লগতে সুশীল কুমাৰ চক্ৰবৰ্তীয়ে উল্কা, উল্কাপ্ৰস্তৰ আদি ( ১৯১৮ চন ) নাম দি উল্কাৰ উৎপত্তি, প্ৰকৃতি আদি ব্যাখ্যা কৰি প্ৰবন্ধ লিখিছিল। বৈজ্ঞানিক প্ৰবন্ধ প্ৰকাশত 'মিলন' নামৰ আলোচনীখনৰ ভূমিকাত উলাই কৰিব লগীয়া নহয়। 'মিলন'ৰ লিখকসকলৰ ভিতৰত ডিম্বেশ্বৰ নেওগ ( পানী আৰু তাৰ ৰসায়ন, ১৮৫১ চন ) আৰু ৰোহিণীকান্ত বৰুৱা ( বস্তু জগতৰ শেষ পৰিণতি, ১৮৫১ শক ) নাম লব পাৰি। বস্তুজগতৰ শেষ পৰিণতি অতি গভীৰ বৈজ্ঞানিক

১। ৰজনীকান্ত বৰদলৈৰ 'পদাৰ্থ বিজ্ঞান' আৰু সত্যনাথ বৰাৰ 'আকাশ ৰহস্য'ৰ তৰুণৰাম ফুকনৰ 'যৌনতত্ত্ব' আৰু ললিতকুমাৰ বৰুৱাৰ 'ইলা ভনীটীলৈ চিঠি' প্ৰভৃতি খনচেৰেক বিজ্ঞানৰ পুথি আগতেও ওলাইছিল।

—সম্পাদক



( ৮৯ পৃষ্ঠাৰ পিছত পৰা )

( ইন্দ্ৰিয় সংযত আৰু শ্ৰদ্ধাবান পুৰুষে আত্মজ্ঞান লাভ কৰে আৰু সেই জ্ঞান লাভ কৰি অচিৰে পৰম শান্তি লাভত সক্ষম হয়। ) আৰো—

শ্ৰদ্ধাবন্তোঽনসূয়ন্তো মুচ্যন্তে তেঽপি কৰ্মভিঃ ॥

৩।৩১ গীতা

( যিবিলাক মানুহে শ্ৰদ্ধাবান আৰু অসূয়াহীন হৈ মোৰ এই মতকে নিত্য অনুসৰণ কৰে সিবিলাকেও সকলো কৰ্ম বন্ধনৰ পৰা মুক্তি লাভ কৰে। )

এতেকে দেখা যায়, বৈদিক যুগৰ পৰাই বহু দেৱ-দেৱীৰ পূজাৰ প্ৰথা হিন্দুসকলৰ মাজত চলি আহিছে। তাকে লৈ, সাম্প্ৰদায়িক দেৱতা ভেদ লৈ, উচ্চ-নীচ বা ডাঙৰ-সৰু মনোভাৱৰ সৃষ্টি কৰি মতানৈক্য কোনো প্ৰকাৰে বাঞ্ছনীয় নহয়।

২। কামেশ্বৰ দাসৰ 'সৌৰজগৎ' লক্ষ্মীনাথ দাসৰ 'স্পন্দন'ৰ নিচিনা আৰু কেতবোৰ মূল্যমান বৈজ্ঞানিক প্ৰবন্ধ প্ৰকাশ হৈছিল। ডাঃ লক্ষ্মীপ্ৰসাদ চলিহা, বিপিনবিহাৰী দাস, ডাঃ মহানন্দ বৰুৱা স্বাস্থ্য বিষয়ক প্ৰভৃতিয়েও স্বাস্থ্য আৰু আন বিজ্ঞান সম্বন্ধীয় প্ৰবন্ধ লিখিছিল। ডাঃ ঘনশ্যাম দাস আৰু ডাঃ ললিত বৰুৱাই আলোচনীত প্ৰবন্ধ উলিয়াইছিল।

—সম্পাদক।

তত্বগধুৰ দাৰ্শনিক প্ৰবন্ধ।[৩] 'বাহীত' মহানন্দ বৰুৱাই স্বাস্থ্যবিষয়ক মনোগ্ৰাহী প্ৰবন্ধ লিখিছিল। 'আৱাহন', 'জয়ন্তী' আদি আলোচনীতো অনেক বিজ্ঞান বিষয়ক প্ৰবন্ধ প্ৰকাশ হৈছিল। 'আৱাহন'ৰ লিখকসকলৰ ভিতৰত ৰায়হান শাহ, দণ্ডীৰাম দত্ত, ধনীৰাম দত্ত (উদ্ভিদ), মহানন্দ দাস (আকাশী ৰথৰ জন্ম কথা, ৪ৰ্থ বছৰ ৬ষ্ঠ সংখ্যা), লালিতকুমাৰ বৰুৱা, ঘনশ্যাম দাস, আদিৰ নাম লব পাৰি।[৪] আকাশীযানৰ জন্ম কথা নামৰ প্ৰবন্ধটো যথেষ্ট তথ্য সম্বলিত আৰু ১০ টা ফটোগ্ৰাফেৰে সমৃদ্ধ। যোৱা বছৰ বিজ্ঞান সমিতিয়ে প্ৰকাশ কৰা "আকাশীযানৰ কথা" নামৰ কিতাপখন প্ৰকাশ হোৱাৰ আগলৈকে আকাশীযান সম্পৰ্কে অসমীয়া ভাষাত এইটোৱে একমাত্ৰ পূৰ্ণাঙ্গ প্ৰবন্ধ আছিল বুলি কব পাৰি। এইবোৰ আলোচনীত আৰু আন বহুতো বিজ্ঞান বিষয়ক প্ৰবন্ধ আছিল। ওপৰৰ আলোচনাৰ পৰা স্বাস্থ্যবিজ্ঞান আৰু বিজ্ঞানৰ আন শাখাৰ ৰচনাৰ প্ৰয়োজনীয়তাৰ উপলব্ধি যে আজিৰ নহয় এই কথা সহজেই অনুধাৱন কৰিব পাৰি।

যদিও এই শতিকাৰ পঞ্চম দশকলৈ স্বাস্থ্যবিষয়ক টোকাৰপৰা দাৰ্শনিক চিন্তা সম্বলিত বিজ্ঞান বিষয়ৰ কিছু প্ৰবন্ধ-পাতি প্ৰকাশ হৈছিল, তথাপি বিজ্ঞান-বিষয়ক সম্পূৰ্ণ জনপ্ৰিয় কিতাপ এখনো প্ৰকাশ হৈ ওলোৱা নাছিল। ১৯৫৩ চনত ৰণাকুছিৰ শ্ৰীকুমুদচন্দ্ৰ বৰুৱাই 'অদ্ভুত গছ' নাম দি এখন কিতাপ প্ৰকাশ কৰে। এই কিতাপত তেখেতে পৃথিবীত থকা অদ্ভুত গছবোৰৰ বাস্তৱ বৰ্ণনা কৰিছিল। লাহে লাহে দুই এখনকৈ কিতাপ প্ৰকাশ হবলৈ ধৰিলে আৰু এই বিষয়ত ঘাইকৈ অৰিহণা যোগালে অসম বিজ্ঞান সমিতি আৰু অসম প্ৰকাশন পৰিষদে।[৫] ১৯৬০ চনৰপৰা এই পৰিষদে আন জনপ্ৰিয় কিতাপ প্ৰকাশ কৰাৰ লগতে বিজ্ঞানৰ কিতাপো কেবাখনো প্ৰকাশ কৰিছে। প্ৰকাশন পৰিষদৰ বিজ্ঞান গ্ৰন্থমালা আঁচনিৰ প্ৰথম পুথি হ'ল শ্ৰীবিনয় তামুলীয়ে লিখা 'বিশ্ব ৰহস্য'। বুদ্ধিমান আৰু জ্যোতিৰ্বিজ্ঞানৰ প্ৰতি অনুৰাগী সাধাৰণ পাঠকৰ কাৰণে এইখন এখন লাগতিয়াল কিতাপ। জ্যোতিৰ্বিজ্ঞানৰ চমু বুৰঞ্জীৰপৰা নক্ষত্ৰ ৰাশি, সূৰ্য আৰু উপগ্ৰহ, নক্ষত্ৰ, নক্ষত্ৰ মহানগৰী, আৰু বিশ্বৰ উৎপত্তি আৰু বয়স আদি বিষয়ৰ বৰ্ণনা কিতাপখনত আছে। প্ৰতি অধ্যায়ৰ লগে লগে প্ৰথমতে দিয়া বিখ্যাত বিজ্ঞানী আৰু চিন্তাবিদৰ লিখনীৰ উদ্ধৃতিয়ে কিতাপখনৰ দাৰ্শনিক মূল্য বৃদ্ধি কৰিছে। কিতাপখনিয়ে পাঠকৰ চকুৰ আগত গ্ৰহ নক্ষত্ৰ, নীহাৰিকা আদিৰে ভৰা আদিহীন অন্তহীন বিশ্বব্ৰহ্মাণ্ড এখনৰ ছবি দাঙি ধৰে। বিশ্ব-ৰহস্যৰ লগত পাঠকক পৰিচয় কৰি দিয়া আন এখন কিতাপ হ'ল বিখ্যাত বিজ্ঞানী জেমচ্ জিনছে লিখা 'Mysterious Universe' নামৰ কিতাপখনৰ যোগেন্দ্ৰ নাথ শইকীয়াই কৰা 'ৰহস্যময় বিশ্ব' নামৰ অনুবাদ। এই দুয়োখন পুথিয়ে পাঠকৰ মনত এই বিশ্বৰ বিশালতা,

৩। অধ্যাপক আনন্দকিশোৰ সেন, ডাঃ পৰেশনাথ বৰুৱা শান্তিৰাম দাস প্ৰভৃতিয়েও 'মিলন'ত বৈজ্ঞানিক প্ৰবন্ধ লিখিছিল।

—সম্পাদক।

৪। স্বাস্থ্যবিজ্ঞানৰ উপৰি মাধৱচন্দ্ৰ দাস আৰু জীৱনচন্দ্ৰ ফুকনে লিখা উদ্ভিদ বিজ্ঞান' আৰু শ্ৰীসুশীলকুমাৰ বৰুৱা আৰু শ্ৰীনন্দীপ্ৰসাদ কটকীৰ 'ভূবিজ্ঞান' সম্পৰ্কীয় সহজ ভাষাৰে লিখা কেবাটাও মূল্যবান প্ৰবন্ধও প্ৰকাশ হৈছিল। সেইবোৰৰ মূল্য আজিও কমা নাই।

—সম্পাদক।

৫। অসম সাহিত্য সভাৰ বিজ্ঞান শাখাৰ বিভিন্ন অধিবেশনত পঠিত সভাপতিসকলৰ অভিভাষণবোৰেও বিজ্ঞান-সাহিত্যলৈ অৰিহণা আগবঢ়াইছে। বিশেষকৈ লক্ষ্মীনাথ দাস, ডঃ ৰোহিনীকুমাৰ বৰুৱা, ডঃ হিৰণ্য ভূঞা, ডঃ পবন মহন্ত, হৰিপ্ৰসাদ বৰুৱাৰ আদিৰ ভাষণ কেইখনো ওপৰৰ আলোচনাত অন্তৰ্ভুক্ত কৰিব পাৰি।

—সম্পাদক।



ইয়াৰ অতীত-ভবিষ্যত, বিশ্বত মানুহৰ স্থান আদি নানান শুদ্ধ উত্তৰ বিচাৰি নোপোৱা প্ৰশ্নৰ উদ্ৰেক কৰিব আৰু ঋগ্‌বেদত বৰ্ণনা কৰা মহান সত্যলৈ মনত পেলাই দিব ঃ

Darkness there was at first by darkness hidden;
... .... ... ...
None knoweth whence creation has arisen ;
And whether he has or has not produced it ;
He who surveys it in the highest heaven,
He only knows, or haply he may not know."

RV, X, 129 (Mecdonell)

শ্ৰীমৃগেন্দ্ৰনাৰায়ণ মহন্তই লিখা "আপেক্ষিকতাবাদ" শীৰ্ষক কিতাপখনৰ কথাও উল্লেখযোগ্য। তেখেতেই ১৯৫৬ চনত "এলবাৰ্ট আইনষ্টাইন আৰু আপেক্ষিকতাবাদ" নাম দি এখন কিতাপ লিখিছিল যাতে "এই কিতাপ পঢ়ি কোনোবাই আগলৈ এই বিষয়ে পঢ়াশুনা কৰিবৰ বাবে অনুপ্ৰেৰণা পায়।" কিতাপখনত আপেক্ষিকতা-বাদৰ সৰল বৰ্ণনাৰ লগতে তেখেতৰ আইনষ্টাইন মানুহ-জনক পাঠকৰ আগত চিনাকি কৰি দিছে। এই বিখ্যাত বিজ্ঞানীজনৰ চিন্তাধাৰা, তেওঁৰ জীৱনৰ হাঁহি-কান্দোনৰ উমান দিবলৈ লিখকে চেষ্টা কৰিছে। যেতিয়া আইনষ্টাইনে কয়, যদি মোৰ আপেক্ষিকতাবাদৰ তথ্যসমূহ সঁচা বুলি প্ৰমাণিত হয় তেন্তে জাৰ্মানসকলে কব মই জাৰ্মান আৰু ফৰাছীসকলে কব যে মই পৃথিবীৰ নাগৰিক; আনফালে যদি তথ্যবিলাক মিছা বুলি প্ৰমাণ হয় তেনেহলে ফৰাছীসকলে কব যে মই জাৰ্মান, আৰু জাৰ্মানসকলে কব যে মই ইহুদী।" এই কথাষাৰৰ অন্তৰালত লুকাই থকা পৃথিবী বিখ্যাত বিজ্ঞানীজনৰ হৃদয়ৰ বেদনাই কাকো স্পৰ্শ নকৰাকৈ থাকিব নোৱাৰে। বিজ্ঞান গ্ৰন্থমালাৰ দশম গ্ৰন্থ হ'ল 'ভাৰতৰ বনৰীয়া জন্তু' (১৯৬৬ চন)। লিখিছে শ্ৰীফটিকচন্দ্ৰ গগৈয়ে। অনু-সন্ধিৎসু পাঠকৰ কাৰণে উপযোগীকৈ লিখা এইখনেই অসমীয়া ভাষাত স্তন্যপায়ী প্ৰাণী সম্পৰ্কীয় একমাত্ৰ কিতাপ।[৬] তেওঁৰ নিজৰ অভিজ্ঞতাই এই কিতাপৰ যথেষ্ট সমল যোগোৱাত কিতাপখনৰ বৈজ্ঞানিক মূল্য বহুখিনি বাঢ়িছে। এই কিতাপখনত তেখেতে ৯৪ বিধ স্তন্যপায়ী প্ৰাণীৰ কথা লিখিছে। কিতাপখনত থকা প্ৰচুৰ ছবি আৰু ফটোগ্ৰাফে (৯৬ খন) কিতাপখনৰ ব্যৱহাৰিক মূল্যও বঢ়াইছে। শ্ৰীসুৰেন্দ্ৰনাথ মেধিয়ে (সৌৰভ চলিহা) লিখা 'তৰঙ্গ জগত' এখন তথ্য-সম্বলিত জটিল পুথি। পদাৰ্থ বিজ্ঞানত ৰাপ থকা মানুহৰ কাৰণেহে এনে কিতাপ উপযুক্ত।

বিজ্ঞানৰ দুটা শাখাত অসমীয়া ভাষাত ৰচনা কৰা কিতাপ বা প্ৰবন্ধপাতি প্ৰায় নাই বুলিবই পাৰি। এই শাখা দুটা হ'ল বিজ্ঞানৰ বুৰঞ্জী আৰু আচৰণ-বিজ্ঞান। বিজ্ঞানৰ অগ্ৰগতিৰ কথা সম্পূৰ্ণৰূপে হৃদয়ঙ্গম কৰিবলৈ হ'লে বিজ্ঞানৰ ক্ৰমবিকাশৰ কথা থৰচি মাৰি জনা নিতান্ত প্ৰয়োজন; কিয়নো কোনোবাই দাঙি গছৰ ওপৰত তুলি দিলে যেনেকৈ গছজোপা বগোৱাৰ অনুভূতি আৰু কষ্ট উপলব্ধি কৰিবপৰা নেযায়, সেইদৰে বিজ্ঞানৰ কেৱল বৰ্তমান অৱস্থাৰ লগত পৰিচিত হৈ কোনেও এই অগ্ৰগতিৰ প্ৰকৃত মূল্যায়ন কৰিবলৈ সামৰ্থ্য অৰ্জন কৰিব নোৱাৰে। সেয়েহে পৃথিবীৰ বিভিন্ন ভাষাত বিজ্ঞানৰ বুৰঞ্জীৰ বহু কিতাপ পোৱা যায়। এনে কেইখনমান কিতাপ হ'ল, Brighter than a thousand suns (এইখন ৰবাৰ্ট য়ুঙ্কে লিখা

৬। এই কিতাপ প্ৰকাশ হোৱাৰ পূৰ্বে প্ৰকাশন পৰিষদে হৰেন কলিতা ৰচিত 'চিৰিয়াখানা' নামৰ এখন ডাঙৰ পুথি প্ৰকাশ কৰিবলৈ লৈছিল। দুখৰ বিষয় ৰহস্যজনক কাৰণত সেই পুথিৰ পাণ্ডুলিপি আজিও উদ্ধাৰ কৰিব পৰা হোৱা নাই। 'চিৰিয়াখানা'ৰ দ্বিতীয় খণ্ড আজিও অপ্ৰকাশিত অৱস্থাত ৺কলিতাৰ ঘৰত আছে। পুথিৰ সচিত্ৰ প্ৰবন্ধবোৰ তাহানিৰ "পখিলা" আৰু 'পাৰিজাত'ত প্ৰকাশ হৈছিল।

—সম্পাদক।

Heller als tansend Sonnen নামৰ পৰমাণু বিজ্ঞানী সকলৰ ব্যক্তিগত বুৰঞ্জী সম্বলিত পৰমাণু বোমাৰ ইতিহাসৰ ইংৰাজী ভাঙনি ), নৰ্মাণ মচে লিখা হাইড্ৰ'জেন বোমাৰ ইতিহাস "Men who play God" আৰু জেমচ্ ডি ৱাটচনে লিখা 'The double helix', এইখন কিতাপত ন'বেল বঁটা বিজয়ী বিজ্ঞানীজনে ডি-এন-এ সম্পৰ্কীয় নিজৰ গৱেষণাৰ ইতিহাস বৰ্ণনা কৰিছে। অসমীয়া ভাষাত বিজ্ঞানৰ এইটো দিশ সামৰা এখনহে মাথোন গ্ৰন্থ আজিলৈকে ৰাইজৰ আগত ওলাইছে। সেইখন হ'ল ডাঃ প্ৰতুল গোস্বামীৰ "চিকিৎসা বিজ্ঞানৰ চমু ইতিহাস" ( ১৯৭১ চন )।

ডঃ গোস্বামীৰ কিতাপ ওলোৱাৰ বহু বছৰ আগেয়ে উমেশচন্দ্ৰ বৰুৱাই 'পুৰণি ভাৰতত চিকিৎসা শাস্ত্ৰ আৰু অস্ত্ৰবিজ্ঞান' ( মিলন, প্ৰথম বছৰ ৩য় সংখ্যা ) নামৰ প্ৰবন্ধ এটা লিখিছিল। ডাঃ গোস্বামীয়েও ভাৰতৰ চিকিৎসা-বিজ্ঞানৰ ইতিহাসৰ আভাস দিবলৈ যত্ন কৰিছে।

ডাক্তৰ যতীন্দ্ৰৰাম থাউণ্ডে লিখা "জীৱজন্তু, চৰাই-চিৰিকতি আৰু মই" বোলা কিতাপখন আন এটা দিশৰ পৰা অসমীয়া জনপ্ৰিয় বৈজ্ঞানিক ৰচনাত এটা গুৰুত্বপূৰ্ণ সংযোজন বুলি কব পাৰি। কিতাপখন তেওঁ যাইকৈ নিজৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি ৰচনা কৰিছে। জীৱজন্তুৰ আচৰণৰ অন্তৰালত থকা প্ৰকৃত বৈজ্ঞানিক ব্যাখ্যা তেওঁ আগবঢ়াব পৰা নাই যদিও বিভিন্ন জীৱজন্তু, পোক-পতঙ্গ আদিৰ আচৰণৰ কোনো কোনো দিশ ৰসাল ভাষাৰে বৰ্ণনা কৰিছে।

ৰেৰিল ৰেকাৰৰ কিতাপ এখন 'যান্ত্ৰিক মানৱ' নাম দি অনুবাদ কৰিছে অমূল্য হাজৰিকাই। এইখনত কেইবিধমান যন্ত্ৰৰ আৱিষ্কাৰ আৰু আবিষ্কাৰকসকলৰ কাহিনী সন্নিৱিষ্ট কৰিছে। এইখিনিতে মুকুল শৰ্মাই লিখা 'পৰমাণু বিজ্ঞান' (১৯৬৬ চন) নামৰ কিতাপখনৰ কথা কোৱা উচিত হব। যদিও লিখকে মাধ্যমিক স্তৰৰ বিজ্ঞান পঢ়া ছাত্ৰ-ছাত্ৰী, কলেজত বিজ্ঞান পঢ়া ছাত্ৰ-ছাত্ৰী আৰু বিজ্ঞানৰ বিষয়ে আগ্ৰহ থকা শিক্ষিত সমাজৰ কাৰণে উপযোগীকৈ এইখন কিতাপ লিখা বুলি উল্লেখ কৰিছে, তথাপি তেওঁৰ এই উদ্দেশ্য সম্পূৰ্ণ পূৰণ হোৱা বুলি কব নোৱাৰি। কিয়নো বিজ্ঞানৰ জটিল সূত্ৰসমূহ সৰল ভাষাত প্ৰকাশ কৰিবলৈ আৰু বক্তব্যসমূহ আকৰ্ষণীয়কৈ উপস্থাপন কৰিবলৈ যত্নপৰ হলেও তাৰ পাঠ্যপুথিগন্ধিতা নোহোৱা হৈ নোযোৱা কাৰণে আৰু বিষয় বস্তুৰ ভৰো বেছি হোৱা কাৰণে স্কুলীয়া লৰা-ছোৱালীয়ে পঢ়ি বুজি পাব বুলি ক'ব নোৱাৰি।

( ক্ৰমশঃ )

# আগৰৱালাৰ তেজীমলা

ড° শ্ৰীহৰিনাথ শৰ্মা দলৈ

তেজীমলাৰ সাধুটো অসমীয়া লোক-সমাজত বৰ সৰবৰহী। দুই এটা চিত্ৰ-বৈশিষ্ট্যৰে সৈতে অসমৰ সকলো অঞ্চলতে এই সাধু মানুহৰ মুখে মুখে প্ৰচাৰিত। কোনোবা দূৰ-অতীতৰ পৰা জনগণৰ মুখস্থ এই সাধুটোক বেজবৰুৱাই প্ৰথমতে পুস্তকস্থ কৰে—তেওঁৰ "বুঢ়ী আইৰ সাধু"ত। তেজীমলাৰ সাধুটোৰ মূল কথাখিনি এই :

কোনো এজন সাউদৰ পৰম ৰূপৱতী আৰু গুণৱতী কন্যা তেজীমলা। তাই মাতৃহাৰা, মাহীমাকৰ অনুশাসনৰ অধীনা। এসময়ত সাউদ গল দূৰ ঠাইলৈ—বণিজ কৰিবলৈ। সদাগৰৰ দীঘলীয়া অনুপস্থিতিৰ সুযোগতে স্বভাৱতে নিষ্ঠুৰহৃদয়া আৰু হিংসাকুৰীয়া মাহীমাকে অভাৱনীয় কষ্ট আৰু শাস্তিৰ মাজেদি তেজীমলাক নি মৃত্যুৰ মুখত পেলায়। তাইৰ শটো ঘৰৰ কাষতে পুতি থয়। কেইদিনমান পাছতে আচৰিত ধৰণে সেই ঠাইৰ পৰা এজোপা লাউ গজি উঠি লহ্ পহ্‌কৈ বাঢ়ি যায় আৰু ফলে-ফুলে জাতিষ্কাৰ হয়। গাঁৱৰ এলাবাহু ডুখুনী তিৰোতা এজনীয়ে লাউ এটা ছিঙি আনো বুলি হাত মেলি এক হাত বুক হৈ আগ বাঢ়ি গল। কিন্তু আচৰিত! লগে লগে লাউ জোপাই কৈ উঠিল—"হাতো নেমেলিবি, লাবো নিছিঙিবি, তেজীমলাহে মই।" অলপ ধতুৰা বুঢ়ীয়ে থট্‌মট্ খাই আদ্‌ভীত্‌কৈ হাত কোঁচাই আনিলে—তাইৰ চুলিৰ আগে জীউ গল। এই তাৎপৰ্যপূৰ্ণ উক্তি আহি মাহীমাকৰো কৰ্ণ গোচৰ হল। তেওঁ লাউ জোপা কাটি নি বাৰীৰ আন ঠাইত পেলাই দিলে। সেই ঠাইত এজোপা জলকীয়াৰ গছ গজি ফলে ফুলে জকমকীয়া হৈ উঠে। ঠিক একে কাৰণতে মাহীমাকে জলকীয়া জোপাকো কাটি নি আন ঠাইত পেলাব লগীয়া হয়। তাতো জৰা গছ এজোপা হৈ ফলৰ ভৰত ডালবোৰ হালিজালি পৰিল। গৰখীয়া ল'ৰাই সেই জৰা টেঙা ছিঙিবলৈ যাওঁতে আগৰ নিচিনা আচৰিত নিষেধ-বাণী শুনিবলৈ পালে—"তেজীমলাহে মই"। মাহীমাকে ইয়াৰো গম পাই সেই গছজোপা কাটি নি ওচৰেদি বৈ যোৱা নদীত পেলাই দিলে। নদীৰ সোঁতে তাক দূৰলৈ উটুৱাই নিদি ওচৰতে ঘূৰলিত তুলি দিয়ে। তাতেই এজোপা পাৰিজাত ফুলৰ উদ্ভৱ হয়, সেউজীয়া পাত আৰু মনোমোহা ফুল-বোৰেৰে ই অপূৰ্ব শোভা ধাৰণ কৰে। কিছুদিন পাছত তেজীমলাৰ বাপেক বণিজৰ পৰা নাৱেৰে আহি সেই ঘাট পায়। দূৰ ঠাইৰপৰা বাপেকে তেজীমলাৰ কাৰণে এজন উপযুক্ত পাত্ৰও নিজৰ নাওতে একেলগে লৈ আহিছে। সাউদ নাৱৰপৰা নামি মৰমৰ কন্যাৰ কাৰণে ফুল ছিঙিবলৈ হাত মেলি গছজোপাৰ ফালে আগ বাঢ়ি যায়। লগে লগে "হাতো নেমেলিবা, ফুলে নিছিঙিবি"—এই নিষেধ-বাক্য গছৰ পৰা উদ্ভৱ হোৱা সত্বেও সাউদে গছত হাত দিয়ে। তেতিয়া আচৰিত ধৰণে পাৰিজাত ফুলজোপা সাউদৰ পৰম-ৰূপৱতী কন্যা তেজীমলালৈ ৰূপান্তৰিত হল কন্যাৰ মুখৰপৰা

মাহীমাকৰ সকলো কাৰ্যৰ কথা সদাগৰে শুনিলে। ঘৰলৈ আহি সদাগৰে তেজীমলাৰ মাহীমাকক অমানুষিক শাস্তি দিয়ে আৰু ঘৰৰপৰা চৰ্‌চৰাই টানি নি গাঁৱৰ বাহিৰ কৰি দিলে।

এই সাধুটিয়ে প্ৰধানভাৱে তিনিটা কথা শিকায়—(১) মাহী-মাকৰ ঈৰ্ষা, (২) প্ৰকৃতিৰ লগত আদিম মানৱৰ নিবিড় সম্বন্ধ আৰু (৩) স্বাৰ্থপৰতা আৰু ঈৰ্ষাপৰায়ণতা যাৰ কাৰণে মনুষ্য সমাজত প্ৰকৃত ৰূপ-গুণৰ বিকাশ হব নোৱাৰিলে, অথচ উদাৰ প্ৰকৃতিৰ বুকুত তাৰ উপযুক্ত বিকাশ হল।

মাহীমাক আৰু সতিনীৰ ঈৰ্ষা মানৱ জাতিৰ চিৰ-কলীয়া সমস্যা। এই সমস্যাই যে মানৱ-জাতিৰ কত উত্থান-পতন ঘটাইছে, কিমান ৰক্তপাতৰ সৃষ্টি কৰিছে, কোনো ঐতিহাসিকে ইয়াৰ সঠিক লেখ দিব নোৱাৰে। এই চিৰকলীয়া সমস্যাক কেন্দ্ৰ কৰি আমাৰ ভাষাত ভালেমান লোক-সাধুই গঢ় লৈছে। এই শ্ৰেণীৰ সাধুৰ লগত তেজীমলাৰ সাধুটোকো উল্লেখ কৰিব পাৰি।[১] মন কৰিবলগীয়া কথা যে, মাহীমাক আৰু সতিনীয়ে নিজৰ পাপ-কৰ্ম স্থায়ী কৰিব নোৱাৰে, দুষ্কৃতিৰ কাৰণে ভীষণ শাস্তি লাভি শেষত নিজৰ প্ৰাণ পৰ্যন্ত এৰিব লগা হয়—এই আদৰ্শৰদ্বাৰা গোটেই কেইটা সাধু জীৱন্ত আৰু জনসমাজত সমাদৃত।

তেজীমলাৰ উপৰিও প্ৰকৃতিৰ লগত আদি মানৱ সমাজৰ নিবিড় সম্বন্ধসূচক আৰু বহুত সাধু আমাৰ লোক সমাজত প্ৰচলিত আছে।[২] তেজীমলা, হাঁহকুঁৱৰী, কলফুলকুঁৱৰী আদি সাধুত মানৱী ৰূপৰপৰা প্ৰাকৃতিক ৰূপলৈ আৰু তাৰপৰা পুনঃ হোৱা অলৌকিক, অথচ গণচিত্তবিনোদক পৰিবৰ্তনসমূহে, বেলেগ পৰিস্থিতিৰ হলেও, কালিদাসৰ উৰ্বশী লতালৈ ৰূপান্তৰিত হোৱা আৰু শেষত প্ৰেমিক পুৰুৰবাৰ স্পৰ্শত পুনঃ মানৱী-ৰূপ পোৱা কথালৈ মনত পেলায়।[৩]

চন্দ্ৰকুমাৰ আগৰৱালাই "তেজীমলা" কবিতাত তেজীমলা-সাধুটোৰ বৰ্ণনা দিয়া নাই। সাধুৰ মতে পাৰিজাত ফুল তেজীমলাৰ শেষতম প্ৰাকৃতিক ৰূপ। এই ৰূপ লৈ পানীৰ যুৰলিত থকা কাল ভোগৰ (সাধুৰ মতে) শেষ দিনত ৰোমাণ্টিক কবিৰ অন্তৰত যিবোৰ অনুভূতিয়ে আঘাত কৰিছে তাৰেই অভিনৱ সুন্দৰ বিকাশ সাধন হৈছে কবিতাৰ মাজত।

কবিৰ ৰুচিসুলভ (aesthetic) সুক্ষ্মদৃষ্টিত তেজীমলা প্ৰকৃত ৰূপ আৰু গুণৰ অধিষ্ঠাত্ৰী দেৱী। মানৱ-সমাজত তেওঁ আপোনা আপুনি আবিৰ্ভাৱ হৈছিল কোনো সাউদৰ কন্যাৰূপিণী হৈ। কিন্তু মানুহ স্বাৰ্থপৰ, কিবা প্ৰকাৰে নহয় কিবা প্ৰকাৰে সদায় অসম্পূৰ্ণ (imperfect)। ব্যক্তিভেদে, ৰুচিভেদে সকলোৰে অন্তৰ স্বাৰ্থপৰতাৰ ৰঙীণ আৱৰণে ঢাকি ৰখা কাৰণে তেওঁলোকে প্ৰকৃত ৰূপ-গুণৰ উপলব্ধিও কৰিব নোৱাৰে, তাৰ গৰিমা-মাহাত্ম্যও সহ কৰিব নোৱাৰে। সেয়েহে ৰূপ-গুণৰ অধিষ্ঠাত্ৰী দেৱী তেজীমলা মানৱ-সমাজত বিশেষভাৱে অনাদৃতা আৰু নানাভাৱে লাঞ্ছিতাই নহয়—সেই লাঞ্ছনাৰ যোগেদি প্ৰাণ হেৰুৱাই বিতাৰিতাও:

মানুহৰ চোতালত মাধুৰী ফুটিলে
মানুহে নিচিনি হায়,
সাৰি, তুলি, ছিঙি মোহাৰি পেলালে
মানুহৰ মৰমো নাই।

কিন্তু প্ৰকৃতিৰ ৰাজ্যত স্বাৰ্থপৰতা নাই—আছে উদাৰতা; ইয়াত প্ৰকৃত ৰূপ-গুণে যথোচিত সমাদৰ পায়। সেয়েহে মানৱীৰূপ হেৰুৱাই প্ৰকৃতিয়ে এই দেৱীক আলফুলকৈ গ্ৰহণ কৰিলে। শেষত কলুষতাপূৰ্ণ

১। আমাৰ "অসমীয়া সাধু" নামৰ প্ৰবন্ধত এই সাধুবোৰৰ বিষয়ে বহুল আলোচনা কৰা হৈছে। (পৰুভত্ত্ব, ২য় বছৰ, ৩য় সংখ্যা)
—লেখক।

২। হাঁহকুঁৱৰী, কলফুলকুঁৱৰী, জালুককুঁৱৰী, জলকুঁৱৰী আদি সাধুবোৰ এই শ্ৰেণীৰ অন্তৰ্ভুক্ত।

৩। বিক্ৰমোৰ্বশী, ৪ৰ্থ অঙ্ক।



মানৱ-সমাজৰ পৰা ভালেখিনি আঁতৰত প্ৰকৃতিৰ সকলোখিনি মৰম-চেনেহ পাই, শেষতম প্ৰাকৃতিক ৰূপত, অৰ্থাৎ পাৰিজাত ফুলৰ ৰূপত এই দেৱীয়ে নিজৰ সকলোখিনি ৰূপ-গুণৰ পূৰ্ণ-বিকাশ সাধন কৰি সমগ্ৰ প্ৰাকৃতিক জগতক অতি আনন্দিত আৰু মুগ্ধ কৰি তুলিলে।

এই দেৱীক পাই প্ৰকৃতিৰ ৰাজ্যত আজি যেন-অভূতপূৰ্ব আনন্দৰ পূৰ্ণ পয়োভৰ। আনন্দ-উৎসাহত প্ৰাকৃতিক সম্পদবোৰৰ মন থৌকিবাথৌ। বিভিন্ন প্ৰকাৰে দেৱীৰ প্ৰীতি সুখদায়ক শুশ্ৰূষা কৰাত আৰু সম্বৰ্ধনা জনোৱাত যেন সেইবোৰ ব্যতিব্যস্ত। আজি ৰাতিপুৱাই আকাশৰ সূৰ্যদেৱে আনন্দত অত্যধিক উজ্জ্বল হৈ ৰঙীন ৰশ্মিজাল পাৰিজাত ৰূপিনী তেজীমলাক উদ্দেশ্য কৰি ধৰাৰ বুকুত বিকীৰণ কৰিছে। বায়ুদেৱতাই প্ৰাতসতে উঠি এই দেৱীৰ গাত আলফুলকৈ হাত বুলাই "উঠা তেজীমলা" বুলি নিজৰ কৰ্তব্য পালন কৰি নিজেই কৃতাৰ্থ হৈছে। "মেঘমালা"-ৰূপ সুন্দৰ ৰঙীন শাৰী পিন্ধি দিগঙ্গনা-সকল ওলাই আহিছে—কেনেভাবে দেৱীক যথোচিত সম্বৰ্ধনা জনাব, এই আশাৰ লুকাভাকুয়ে তেওঁলোকৰ মন উৎফুল্ল কৰিছে। এই দেৱীক একেবাৰে কাষতে পাই নৈৰ পানী আজি আনন্দত উদ্বেলিত। অনায়াসে দেৱীৰ ভৰি দুই সেৱা কৰিবৰ সুযোগ পাই জলৰাশিয়ে অন্তৰ খুলি হাঁহিব ধৰিছে। এইদৰে কেউদিশৰ পৰা প্ৰাকৃতিক সম্পদ-বোৰৰ স্নেহ-শ্ৰদ্ধা মিশ্ৰিত আদৰ-সম্বৰ্ধনা পাই তেজীমলাই পাৰিজাত-ৰূপ দেহৰ মাজেদি নিজৰ ৰূপ-গুণৰ পূৰ্ণ-বিকাশ কৰিব কৰিব পাৰিলে:

ৰূপতে ৰূপ তুলি পাৰিজাত ফুলি
তেজীমলা জকমকায়।

ইয়াৰ লগতে কবিয়ে সাউদৰ কন্যাৰূপিনী তেজীমলাৰ প্ৰাকৃতিক-সম্পদবোৰৰ লগত থকা আত্মীয়তাৰ যি সুন্দৰ বৰ্ণনা দিছে, ই চিত্ৰপ্ৰধান হলেও প্ৰাসঙ্গিক, সুসঙ্গত আৰু অৰ্থপূৰ্ণ। মানৱৰূপিনী তেজীমলাৰ আছিল অতি মৰমৰ এযুৰি পোহনীয়া পাৰ; হাত মেলি মাতিলে সিহঁত উৰা মাৰি আহি তেওঁৰ হাতত পৰিছিল। ফুলনিত থকা হৰিণা, বাহত থকা শালিকা—এইবোৰক সেই কালত তেজীমলাই আতোল্‌তোলকৈ খুৱাইছিল, প্ৰতিপালন কৰিছিল। কিন্তু তেজীমলাৰ অভাৱত এতিয়া সিহঁতৰ কি দুৰৱস্থা? প্ৰকৃতিৰ লগত তেজী-মলাৰ যি গভীৰ আত্মীয়তা, ইয়াৰ অতীত-বৰ্তমানৰ মাজত সংযোগ-প্ৰদৰ্শনৰ ই কলায়ক সাৰ্থক চিত্ৰণ। এই অতীত স্মৃতিয়ে পাৰিজাতৰূপিনী তেজীমলাৰ প্ৰতি পাঠকৰ সহানুভূতি অধিকভাৱে আকৰ্ষণ কৰাত সহায়তা কৰিছে।

উদাত্তচিত্তে মানৱৰ শ্ৰেষ্ঠত্ব ঘোষণা কৰি আগৰৱালাই আন কবিতা ৰচনা কৰিছে যদিও এই কবিতাত হিংসা, দ্বেষ, স্বাৰ্থপৰতা আদি কুৎসিৎ মানৱীয় বৃত্তিবোৰহে তেওঁৰ দৃষ্টিত প্ৰকট। কবি আগৰৱালা ৰূপ-গুণৰ পূজাৰী; ৰূপ-গুণৰ প্ৰতি স্বাভাৱিক উদাৰতা, সহানুভূতি আৰু ইয়াৰ ভোগস্পৃহা তেওঁৰ অন্তৰত বৰ্তমান। সেয়েহে এই ৰূপ-গুণৰ পূৰ্ণ-বিকাশ আৰু সুপ্ৰতিষ্ঠাৰ পথত যি মানৱীয় বৃত্তি অন্তৰায় স্বৰূপ, তাৰ প্ৰতি কবি খড়্গহস্ত। এই প্ৰসঙ্গত কবিৰ মানুহৰ ওপৰত বিশ্বাস নাই, মানুহৰ প্ৰতি তিল মাত্ৰও সহানুভূতি নাই। সেয়েহে ব্যঙ্গ-উপহাসৰ তীক্ষ্ণ-বাণৰ আগত তুলি লৈ অতি নিষ্ঠুৰ-ভাৱে মানুহক তেওঁ হানি-খুচি থকাসবকা কৰিছে:

মানুহে মানুহে ইমানহে মৰম
চকুলো পৰে ঝুঁৰৰি।

আন হাতেদি, এই ৰূপ-গুণৰ পূৰ্ণ-বিকাশ আৰু প্ৰতিষ্ঠাৰ ক্ষেত্ৰত প্ৰকৃতিৰ উদাৰতা আৰু সহৃদয়তা অতীৱ স্পষ্ট। যি মানৱ-ৰূপিনী দেৱীক "মানুহ কুটুমে" নেওচিলে—অমানুষিক লাঞ্ছনাৰ মাজেদি মৃত্যুমুখলৈ ঠেলি দিলে, সেই "আজলী কুঁৱৰী"য়ে চন্দ্ৰ-সূৰ্য, নৈ-সৰোবৰ, গছ-লতা, পশু-পক্ষী আদি সকলো প্ৰাকৃতিক-সম্পদকে নিজৰ ৰূপ-গুণৰ মহিমাৰ দ্বাৰা আপোন কৰিব পাৰিলে। কাৰণ, কলঙ্ক কালিমাবিহীন নিস্বাৰ্থ হৃদয়তহে প্ৰকৃত ৰূপ-গুণৰ সমাদৰ। সেয়েহে ৰোমাণ্টিক কবি

আগৰৱালা প্ৰকৃতিৰ প্ৰতি ইয়াত অত্যন্ত অনুৰাগী আৰু সহানুভূতিশীল। ইয়াৰ সকলো ঠাইতে কবিয়ে দেখুৱাইছে ৰূপ-গুণৰ বিকাশ আৰু প্ৰতিষ্ঠাৰ অনুকূলে প্ৰকৃতিৰ মনোৰম আৰু স্নেহময় কাৰ্যক্ৰম। অথচ বিশাল প্ৰকৃতিৰ বুকুত ধ্বংসাত্মক-বিভীষিকাময় শক্তি-উপাদানৰ সংখ্যাও কম নহয়। কবিয়ে সেইবোৰত গুৰুত্ব দিয়া নাই। কবিৰ বিশ্বাস—প্ৰকৃতিৰ ধ্বংসাত্মক শক্তিতকৈ মৰম-চেনেহৰ জৰীগছ বহুত বেছি টান। প্ৰকৃতিৰ সকলোখিনি মৰম-চেনেহ পাই যি দেৱী ৰূপ-গুণৰ পূৰ্ণ-বিকাশ কৰি পাৰিজাত-ৰূপত সুপ্ৰতিষ্ঠিতা, ধ্বংসাত্মক শক্তিয়ে তেওঁক সহজতে একো কৰিব নোৱাৰে:

শকত বান্ধেৰে তলিৰে সইতে
বান্ধিলে নিছিগা কৰি,
ধুমুহা বতাহে থং ৰাগে আৰু
কিনো নো কৰিব পাৰি?

মাহীমাকৰ নিষ্ঠুৰ যাতনাত যিদিনা তেজীমলাই মানৱ-সমাজ এৰিব লগা হৈছিল, সিদিনা যেন সূৰ্যদেৱ মনৰ দুখত চকু-পানী টুকি টুকি পশ্চিম আকাশত মাৰ গৈছিল। কিন্তু আজি আকৌ সূৰ্যদেৱ হাঁহি হাঁহি ওলাইছে আৰু পাৰিজাতৰূপিনী তেজীমলালৈ কিবা যেন শুভ-বাতৰি পঠাইছে। আচলতে তেজীমলাৰ কাৰণে এই বাতৰি শুভ নহয়—ই ইঙ্গিত কৰিছে, তেজীমলা যেন আকৌ মানৱ-সমাজলৈ উভতি যোৱাৰ সময় হ'ল। দূৰত দেখা গৈছে—সুন্দৰ নাওখনি উজাই ওচৰ চাপি আহিব ধৰিছে। আশাৰ কিৰণমালা বিকীৰণ কৰি ক্ৰমে ওচৰ চাপি অহা এই নাওখনিয়ে কিন্তু পাৰিজাত-ৰূপিনী তেজিমলাৰ অন্তৰলৈ দুৰ্বলতা আনিব নোৱাৰিলে। কাৰণ তেজীমলাই জীৱনৰ অভিজ্ঞতাৰ পৰা এতিয়া হাড়ে হাড়ে, মৰ্মে মৰ্মে অনুভৱ কৰিব পাৰিছে—মানুহত তিলমাত্ৰও বিশ্বাস নাই। মানুহৰ ভাও যেনেকৈ দেখিবলৈ মনোৰম, অথচ স্বৰূপাৰ্থত মিছা—সাৰহীন, ঠিক তেনেকৈ মানুহৰ সকলো কাৰ্য আপাত দৃষ্টিত মনোৰম; কিন্তু সেইবোৰৰ মনোৰম আৱৰণৰ মাজত ঈৰ্ষা-বিদ্বেষ-স্বাৰ্থপৰতাৰ কালকূট বৰ্তমান। বন্ধু-বান্ধৱৰ সম্বন্ধ দেখুৱাই মুখত হাঁহি মাৰি, স্নেহৰ সঁফুৰাৰ ঢাকনিখন গুচাই দুহাত মেলি মানুহ আগ বাঢ়ি যায় মানুহৰ কাষলৈ, কিন্তু সেই সঁফুৰাৰ অন্তৰতম নিভৃত কোণত পৰি থাকে স্বাৰ্থসিদ্ধিৰ কুৎসিৎ ষড়যন্ত্ৰ:

মানুহৰ নাও মানুহৰ ভাও
দেখি যে লাগিছে ভাল,
মানুহ মিতিৰ বৰ মৰমৰ
পাতিছে কিহৰ জাল?

নাওখন ওচৰ চাপি আহি পাৰিজাতৰূপিনী তেজীমলাৰ কাষত সেই ঘাটতে লাগিল। কবিৰ ভাষাত "গহীন মুখখনি মৰমেৰে সনা" কোনোবা এজন নাওখনৰ পৰা ওলাই আহিল। "মোৰেইতো দেৱতা এওঁ" বুলি তেজীমলাই সেইজনৰ লগত পূৰ্ব-পৰিচয়ৰ প্ৰমাণ দিয়ে। এইখিনিতে এটা ডাঙৰ প্ৰশ্ন—"মোৰেইতো দেৱতা এওঁ" জন কোন? কবিতাত ইয়াৰ উত্তৰ অস্পষ্ট। এই কাৰণত আমি সাধুটোৰ এবাৰ ওচৰ চপা উচিত। আমি প্ৰথমতে কৈ আহিছো যে, সাধুৰ মতে, নাওৰ ভিতৰত বাপেকে তেজীমলাৰ কাৰণে এজন দৰাও লৈ আহিছে। এই কথাই "মোৰেইতো দেৱতা" জনক তেজীমলাৰ ভাবীস্বামী বুলি ভাবিবলৈও কোনো কোনোৰ অৱকাশ যোগায়। এইখিনিতে ভাবিব লগীয়া কথা এই যে, দূৰ ঠাইৰ পৰা অনা পাত্ৰজন তেজীমলাৰ পৰিচিত নহয়। এনেস্থলত 'মোৰেইতো দেৱতা এওঁ" বুলি অপৰিচিত পাত্ৰ এজনক পূৰ্ব পৰিচয়ৰ প্ৰমাণ দিয়া কথা নিৰাপদ নহয়। এই প্ৰসঙ্গত সাধুৰ ঘটনা-ক্ৰম মনত অনাটো বেছি সঙ্গতিপূৰ্ণ। সাউদ নাওৰ ভিতৰৰ পৰা ওলাল, তেজীমলাই পিতৃ-দেৱতাক চিনি পাই "মোৰেইতো দেৱতা এওঁ" বুলি কৈ উঠিছে। কিন্তু মানৱ সান্নিধ্যজনিত সুখ-আনন্দৰ প্ৰতি তেওঁৰ এতিয়া স্পৃহা মুঠেই নাই। সেয়েহে পৰম আশা কৰি ফুল ছিঙি আনিবলৈ হাত মেলি, সাউদ আগবাঢ়ি যোৱাৰ লগে লগে সন্ত্ৰাস আৰু আৰ্তৰ মাজেদি তেজীমলা চিঞৰি উঠে—"আহিয়ে দেখো ধৰেওঁ।" অথচ কন্যাৰ মৰমে সাউদৰ অন্তৰত পাৰিজাত-স্পৃহা বঢ়াই তুলিছে—তেওঁৰ ভৰি পিছুৱাই নগল, হাত কোঁচ খাই নাহিল, বৰং আগ বাঢ়ি একেবাৰে ফুলৰ কাষ পালেগৈ। কিন্তু পাৰিজাতৰূপিনী তেজীমলাই এতিয়া আৰু মানুহৰ স্পৰ্শ মুঠেই আশা নকৰে। কাৰণ, প্ৰকৃতিৰ মৰম চেনেহ পাই প্ৰকৃতিৰ অন্যতম শ্ৰেষ্ঠ সম্পদ ফুলৰ ৰূপ লৈ তেওঁ পূৰ্ণ বিকাশিতা—যি নেকি পৰম দিব্য, পবিত্ৰ আৰু নিষ্কলঙ্ক। আন হাতেদি মানুহ নানা স্বাৰ্থ আৰু কলঙ্ক-কালিমাৰে অতীৱ কুৎসিত। এই দিব্য সম্পদ স্পৰ্শৰ কাৰণে মানুহ কোনোমতেই যোগ্য নহয়। গতিকে বিদ্ৰোহ আৰু অভিমানৰ ভাৱে তেজীমলাক অভিভূতা কৰিলে। পাহৰি গ'ল তাই মানৱীয় সম্বন্ধ,—নিষ্ঠুৰভাৱে তাই কৈ উঠিল—

হাতো নেমেলিবি ফুলো নিছিঙিবি
কৰে নাৰৱীয়া ভই।
মানুহে ফুলৰ কি জানে আদৰ
তেজীমলাহে মই।

এয়েই কবিতাটিৰ নাটকীয় পৰিণতি।

সাধুৰ পৰিসমাপ্তিয়ে মানৱ-সমাজত এটা ধৰ্মীয় আদৰ্শ প্ৰতিষ্ঠা কৰিছে। মাহীমাকক দুৰ্ঘোৰ শাস্তি দি তেজীমলাক সুখ-সম্ভোগৰ মাজত ৰখা কাৰ্যই দোষীৰ উচ্ছেদ আৰু নিৰ্দোষীৰ ৰক্ষণ—এই সমাজ-ব্যৱস্থা প্ৰকট হৈছে। এই আদৰ্শই তেজীমলাৰ সাধুক জন-সমাজত চিৰ দিনৰ কাৰণে অধিক শক্তিশালী আৰু আদৰণীয় কৰি ৰাখিছে। কবিতাত কিন্তু এই আদৰ্শ নাই। ৰোমাণ্টিক কবি আগৰৱালাৰ কল্পনাপ্ৰসূত আদৰ্শই তেওঁৰ কবিতাৰ পৰিণতি নিয়ন্ত্ৰণ কৰিছে। কবিয়ে ভাবে-ঈৰ্ষা, স্বাৰ্থপৰতা আৰু নিষ্ঠুৰতাৰ বিষাক্ত কীটে অকল ব্যক্তিবিশেষকেই দংশন কৰা নাই, ইয়াৰ দংশনত সমগ্ৰ সমাজ স্বভাৱগতভাৱে দুৰ্বল হৈ পৰিছে। ব্যক্তিবিশেষৰ শাস্তিয়ে সমাজৰ সহানুভূতিপূৰ্ণ অনুকূল দৃষ্টি প্ৰকৃত ৰূপ-গুণৰ ওপৰত পেলাব নোৱাৰে। এনেস্থলত, ৰূপ-গুণৰ পূৰ্ণ-বিকাশ লাভ কৰা পাৰিজাত ৰূপিনী তেজীমলাই বিৰাট প্ৰকৃতিৰ অপৰিসীম আদৰ-সম্ভাষণৰ মাজৰ পৰা মানৱ সমাজৰ ঠেক গণ্ডীত সোমাই, তাতে আকৌ হান-খোচ খাবলৈ কিয় যাব? সেয়েহে, কবিতাৰ পৰিণতিত তেজীমলা মানৱ-সমাজলৈ উভতি যোৱাৰ ইঙ্গিত ব্যঞ্জিত হোৱা নাই। কবিৰ আদৰ্শ আৰু দৃষ্টিভঙ্গীৰ ফালৰ পৰা এই পৰিসমাপ্তি অতীৱ সাৰ্থক।

"তেজীমলা" চন্দ্ৰকুমাৰ আগৰৱালাৰ মালিতা বা বেলাড শ্ৰেণীৰ কবিতা। তেওঁৰ এই শ্ৰেণীৰ আন দুটা প্ৰসিদ্ধ কবিতা হৈছে "বনকুঁৱৰী" আৰু "জলকুঁৱৰী"। কোনো নিৰ্দিষ্ট আখ্যান বেলাডৰ প্ৰধান উপজীব্য। কিন্তু এই কবিতা কেইটাৰ মাজত কোনো কাহিনীয়ে নিৰ্দিষ্ট ৰূপ লৈ উঠা নাই। তেজীমলা কবিতাৰ অন্তৰালত অৱশ্যে তেজীমলাৰ আখ্যান অবিস্মৰণীয়ভাৱে ৰৈ আছে। অলৌকিকতাৰ সংমিশ্ৰণে বহু সময়ত বেলাডৰ আখ্যানক মনোৰম কৰি তোলে। অলৌকিকতাৰ মসৃণ স্পৰ্শই এই তিনিওটা কবিতাতে সৌন্দৰ্যৰ সাঁচ স্পষ্টভাৱে বহুৱাই ৰাখিছে। "বনকুঁৱৰী" আৰু "জলকুঁৱৰী"তকৈ বেলাডৰ সাঙ্গীতিক লয় আৰু ছন্দৰ মাধুৰ্য "তেজীমলা"তহে সাৰ্থকভাৱে বিচাৰিব পৰা যায়। প্ৰাকৃতিক আবেষ্টনী তিনিওটা কবিতাৰে অপৰিহাৰ্য অঙ্গ যদিও "তেজীমলা"ত প্ৰকৃতি অধিক সজীৱ, ইয়াৰ কাৰ্যাৱলী অৰ্থপূৰ্ণ আৰু সহানুভূতিপূৰ্ণ "বনকুঁৱৰী" আৰু "জলকুঁৱৰী" পূৰ্ণমাত্ৰাই প্ৰকৃতিকন্যা; মনুষ্য-সমাজৰ পৰা আঁতৰত প্ৰাকৃতিক সৌন্দৰ্য-বিভূতি ৰাশিৰ মাজতেই উদুলি-মুদুলি হৈ ফুৰিছে। তেজীমলাই মানৱী ৰূপ লৈ প্ৰথমতে জন্মিলে মানৱ-সমাজত। তাৰ পাছত প্ৰাকৃতিক সম্পদৰ ৰূপ লৈ পৰম সুখে বাস কৰে প্ৰাকৃতিক সমাজত। সমাজৰ ঈৰ্ষা, দ্বেষ, স্বাৰ্থপৰতা নিষ্ঠুৰতা আৰু প্ৰাকৃতিক জগতৰ দয়া, প্ৰেম, উদাৰতা, নিস্বাৰ্থতা—পৰস্পৰ বিৰোধী এই দুই শ্ৰেণীৰ অভিজ্ঞতাৰে পৰিপুষ্টা

(১০২ পৃষ্ঠাত চাওক)

# শ্ৰীশ্ৰীশীতলা
## (আইনাম)

সংগ্ৰাহক : **শ্ৰীসমীন কলিতা**

[ নামনি অঞ্চলৰ বিভিন্ন ঠাই ঘূৰি ফুৰি এতিয়ালৈকে ভালেখিনি লোকগীত, আইৰ নাম, অপেস্বৰীৰ নাম, সাধুকথা, সাঁথৰ, ফঁকৰা, প্ৰবাদ, পটন্তৰ আদি অশেষ কষ্টেৰে সংগ্ৰহ কৰিছোঁ। জনসাহিত্য সংগ্ৰহ কৰাটো কেনে কঠিন কাম তাক নোদোহাৰিলেও পাঠকে নিশ্চয় বুজিব। একোজনী বুঢ়ীৰ ঘৰলৈ কিবা এটা শুধিবৰ কাৰণে বা ভু লবলৈ দিনত ২৪ বাৰ হলেও যাব লগা হয়। সি যি নহ'ক বৰ্তমানে ৩৬টা 'শীতলা-নাম' সংগ্ৰহ কৰি আমাৰ ভাষা-সাহিত্যৰ বেদীলৈ আগবঢ়োৱা হ'ল।

এই আইৰ নামবোৰ আমাৰ সাহিত্যৰ অমূল্য সম্পদ। ভক্তিভাৱে, শুদ্ধচিত্তে তিনিদিন ধৰি—আইসকলে আই ওলোৱা ঘৰত আইনাম গোৱাৰ প্ৰথা প্ৰাচীন কালৰ পৰা আজিলৈকে এক খৰস্ৰোতা প্ৰবাহ যেন হৈ বৈয়ে আছে। লোকসমাজত ইয়াৰ প্ৰভাৱ আছে কাৰণেই কোনেও ইয়াৰ নোম এডালকে লৰাব পৰা নাই।

এই আইৰ নামকেইটা হাজো অঞ্চলৰ ভালে কেইগৰাকীমান বুঢ়ীৰ মুখৰ পৰা বিভিন্ন সময়ত বুটলা হৈছে। তাবে কেইজনীমানৰ নাম-ধাম-আৰু বয়স কৃতজ্ঞতাৰে উল্লেখ কৰিলোঁ।

| | | | | |
|---|---|---|---|---|
| ১। | শ্ৰীমতী গোলাপ দাস, | গাওঁ গেৰুৱা | বয়স | ৭০ বছৰ |
| ২। | " বাতিপুইৰা দাস | " " | " | ৬৮ " |
| ৩। | " বকুলী দাস | " বৰদধি | " | ৮৫ " |
| ৪। | " বাসন্তী দাস | " অভয়পুৰ | " | ৯০ " |

এই সংগ্ৰহ-কাৰ্যত এখেতসকলৰ উপৰি আৰু ভালেমান লোকৰ পৰা সহায় আৰু উৎসাহ পাইছো। আটাইকে কৃতজ্ঞতা জনাইছোঁ। —সংগ্ৰাহক ]

[১]

দিহা :—মোচা-কোচা ঠাইখেনি
ফুল জলমল কৰে।
তাতে আহি ভগৱতী
আতি-আনন্দ কৰে॥

পদ :— ভগৱতীৰ চৰণোত কৰোঁ নমস্কাৰ।
কমল নয়না নাম চওঁৰি বাৰম্বাৰ॥

আহি আহি ভগৱতী বাটে আছে বৈ।
ঘেলীফুলৰ মালা লৈ বৰি আনো গৈ॥
আহি আহি সৰু আই বাটে আছে বৈ।
কাঠাগুৱাৰ মালা লৈ বৰি আনো গৈ॥
আহি আহি ডাঙৰ আই বাটে আছে বৈ।
জবা ফুলৰ মালালৈ বৰি আনোগৈ॥
আহি আহি ন-বনী বাটে আছে বৈ।
সকাল ফুলৰ মালালৈ বৰি আনোগৈ॥





দিহা :—আহান[১] পাৰি দিয়া আই এ, বহোক মহামায়া।
থাকোক হৰিৰ কথা শুনি আই এ হৰি জায়া॥

১ = আসন

[২]

পদ :— ভগৱতী হুল-থুল[২] আহানে দে ফুল।
চোতালে দে ছায়ামায়া।
ডাঙৰ আই হুল-থুল আহানে দে ফুল
চোতালে দে ছাঁয়ামায়া।
মাজু আই হুল-থুল আহানে দে ফুল
চোতালে দে ছাঁয়ামায়া।
কাহৰী আই হুল-থুল আহানে দে ফুল
চোতালে দে ছায়ামায়া।
ৰঙোলী আই হুল-থুল আহানে দে ফুল
চোতালে দে ছাঁয়ামায়া।
চহলী আই হুল-থুল আহানে দে ফুল
চোতালে দে ছাঁয়ামায়া।
কালী মাই হুল-থুল আহানে দে ফুল
চোতালে দে ছায়ামায়া।
লক্ষ্মী আই হুল-থুল আহানে দে ফুল
চোতালে দে ছাঁয়ামায়া।
সৰস্বতী আই হুল-থুল আহানে দে ফুল
চোতালে দে ছাঁয়ামায়া।
ন-বনী হুল-থুল আহানে দে ফুল
চোতালে দে ছাঁয়ামায়া।

২ = আইৰ ভৰপকনি

[৩]

দিহা :—আইকে প্ৰণাম কৰোঁ দুই চৰণে ধৰোঁ।
আইৰ চৰণোত ভক্তি থৈ
সুখে সংসাৰ তৰোঁ।

পদ :— গঙ্গা-দুৰ্গাৰ চৰণোত ভক্তি থৈ
সুখে সংসাৰ তৰো।
কালিকা দেৱীৰ চৰণোত ভক্তি থৈ
সুখে সংসাৰ তৰো।
চণ্ডিকাৰ চৰণোত ভক্তি থৈ
সুখে সংসাৰ তৰো।
আই দিলা হৰিৰ নাম হৃদয়ৰ কাৰি।
আইকে প্ৰণাম কৰোঁ হাত যোৰ কৰি॥

[৪]

দিহা :—গোপাল আই এ, আই মোৰ ঘৰে।

পদ :— বগা ফুলৰ মালা দিছে আইৰে শৰীৰে।
কাঠাগুৱাৰে মালা দিছে আইৰে শৰীৰে।
গোমা ফুলৰ মালা দিছে আইৰে শৰীৰে।
পদ্মো ফুলৰ মালা দিছে আইৰে শৰীৰে।
যুতি ফুলৰ মালা দিছে আইৰে শৰীৰে।
অশোক ফুলৰ মালা দিছে আইৰে শৰীৰে।
লৰা ফুলৰ মালা দিছে আইৰে শৰীৰে।
বকুল ফুলৰ মালা দিছে আইৰে শৰীৰে।

[৫]

দিহা :—কৈলাশৰ পৰা আই নামি আহে
হৰোৰে মন্দিৰ চাই।
শুকুলা ফুলৰ আসন পাৰি থৈছো
আগ বাঢ়ি বহা আই॥

পদ :— চাকি-ধূপ ধৰি আসন বঢ়াই দিছো
আগ বাঢ়ি বহা আই।
তামোল-পান যুৰি আগবঢ়াই দিছো
আগ বাঢ়ি বহা আই।
মাথাৰ আঞ্চল পাৰি দিছো
আগবাঢ়ি বহা আই।
মাথাৰ কেশ পাৰি দিছো
আগবাঢ়ি বহা আই।
জল-ফুল ধৰি আসন বঢ়াই দিছো
আগবাঢ়ি বহা আই।

নৈবাদ পৰহাদ ধৰি আসন বঢ়াই দিছো
আগবাঢ়ি বহা আই।
দং-ছত্ৰো[১] আগবঢ়াই দিছো
আগবাঢ়ি বহা আই।

১। দং ছত্ৰো = বেদীৰ আগত থোৱা ফুলৰ ছত্ৰ।

[ ৬ ]

দিহা :— কি দিয়া পূজিম মাই চৰণ তোমাৰ।
পদ :— যিয়ো ফুলে পূজিম মাই সিয়ো ফুল চুৱা।
তোমাৰ নামে তোমাক পূজিম গধূলি-পুৱা॥
যিও ফুলে পূজিম মাই সিয়ো ফুল কৰি।
সংসাৰতে গন্ধ-পুষ্প নাপালো বিচাৰি॥
যিয়ো ফুলে পূজিম মাই সিয়ো ফুলবাহি।
আইৰ ৰঙা চৰাণোত আমি হলো দাসী॥
চৰণ মুৰালি আই চৰণ মুৰালি।
সংসাৰত গন্ধপুষ্প নাপাওঁ বিচাৰি॥

মন দিয়া পূজিম মাই মনৰ নাই থিৰ।
চিত্ দিয়া পূজিম মাই পাপে জৰা-জিৰ॥

[ ৭ ]

দিহা :— জগত জননী যোগমায়া।
চৰণে শৰাণ লৈলো ৰাখা মহামায়া॥
পদ :— স্বৰ্গে পূজে দেবগণে
অনেক সম্ভাৰে।
পাতালে পূজিছে নাগে
নানান ফল-ফুলে॥
মনিচে পূজিছে মাও
শীতলাৰ চৰণ।
শীতলাৰ চৰণে মাও
লৈলো শৰণ॥
কহে ৰাম সৰাস্বতী এৰি আন কাম।
শীতলা সন্তুষ্টো হও'ক বোলা ৰাম ৰাম॥


ক্ৰমশঃ

( ৯৯ পৃষ্ঠাৰ পিছৰ পৰা )

তেজীমলাৰ জীৱন-চৰিত দুখন জগতৰ প্ৰামাণিক ইতিহাস। এই বিৰাট ইতিহাস ইঙ্গিতধৰ্মী ভাষাৰ মাজেদি ক্ষুদ্ৰ কবিতা "তেজীমলা"ৰ মাজেদি সূচিত হৈছে। সেয়েহে এই কবিতা মানৱৰ অধিক হৃদয়স্পৰ্শী।

প্ৰকৃতি-উপাসনা ৰোমাণ্টিক সাহিত্যৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। ৱৰ্ডছ্‌ৱাৰ্থৰ নিচিনা নিবিষ্ট ধ্যানময় চিত্তেৰে প্ৰকৃতিৰ মাজত সচ্চিদানন্দৰ জ্যোতিৰ্ময় ৰূপ দৰ্শন কৰিব নোৱাৰিলেও আৰু কালিদাসৰ নিচিনা প্ৰকৃতিক সজীৱ আৰু মানৱাত্মাৰ প্ৰতি সম্পূৰ্ণৰূপে সমবেদনাশীল কৰি তুলিব নোৱাৰিলেও, বহুতো বিখ্যাত কবিৰ কাব্যৰ মাজেদি মানৱাত্মা আৰু প্ৰকৃতিৰ মাজত আত্মীয়তা স্থাপন হৈ উঠিছে। আগৰৱালাৰ "তেজীমলা" কবিতাত প্ৰকৃতি আৰু মানৱাত্মাৰ মাজৰ আত্মীয়তা উল্লেখ কৰিব লগীয়া কথা। আগৰৱালাৰ আন কবিতাত থকাৰ নিচিনা ইয়াত প্ৰাকৃতিক সম্পদবোৰে আনন্দত অভিভূত হৈ ইটোৱে সিটোক আদৰ-সম্ভাষণ জনোৱা নাই।[৪] ইয়াত সকলো প্ৰাকৃতিক সম্পদ পাৰিজাতৰূপিনী তেজীমলাক আদৰ সম্ভাষণ জনোৱা উৎসৱতহে অভিভূত। প্ৰকৃতিৰ বৈচিত্ৰ্যময়, আড়ম্বৰপূৰ্ণ আৰু বিভীষিকাময় ৰূপপ্ৰপঞ্চ ৰূপায়ণ কৰাত ভৱভূতি আছিল সিদ্ধহস্ত। এই ৰূপ-অঙ্কনত আগৰৱালাৰ তুলিকা সচেষ্ট নহয়। আন প্ৰসঙ্গত, আমি ওপৰতে দেখুৱাইছো— কেনেকৈ তেওঁ তেজীমলা কবিতাত ধুমুহা আদি প্ৰকৃতিৰ বিভীষিকাময় ধ্বংসাত্মক বৈচিত্ৰ্যবোৰক দুৰ্বলকৈ দেখুৱাইছে। এই বৰ্ণনাৰ মাজত কবিৰ অন্তৰৰ অনুৰাগ ৰক্ষিত হোৱা দেখা নাযায়। ভাৰতীয় সাংস্কৃতিক আদৰ্শটি মানৱ, প্ৰকৃতি আৰু ঈশ্বৰক বিভিন্নভাৱে ভাবিবলৈ নিশিকায়। অকল "তেজীমলা"ৰ ওপৰত এই উক্তিৰ সাৰ্থকতা নিৰ্ণয় কৰিব নোৱাৰিলেও, সমালোচকৰ দৃষ্টিত আগৰৱালাৰ সমগ্ৰ কবিতাৰ পৰ্যালোচনাত অন্ততঃ আংশিক পৰিমাণে ইয়াৰ সত্যতা ধৰা পৰিব।

(৪) বনকুঁৱৰী



## ॥ শৰতৰ আগমন ॥

দুৰ্যোগপূৰ্ণ বৰ্ষা আঁতৰিল। শুভ্ৰবসনা শৰতৰ আগমন হ'ল। নিৰ্মল শৰতৰ মনোমোহা ৰূপ দেখি জীয়াই থকাৰ হেঁপাহেৰে বৈদিক যুগৰ ঋষিয়ে আনন্দতে চিঞৰি উঠিছিল—"পশ্যেম শৰদং শতম্, জীৱেম শৰদং শতম্, শৃনুয়াম্ শৰদং শতম্।" শৰতে প্ৰকৃতিৰ এন্ধাৰ ৰূপ আঁতৰাই চৌদিশ উদ্ভাসিত কৰাৰ দৰে মানৱ অন্তৰতো থকা কু-প্ৰবৃত্তিবোৰ আঁতৰাই মানৱাত্মাক পোহৰৰ বাটলৈ লৈ যাওক—এয়ে আমাৰ কামনা।

## ॥ বাগ্মীবৰ ফুকনলৈ সন্মান ॥

অতি সুখৰ সংবাদ যে আমাৰ সকলোৰে শ্ৰদ্ধাৰ ককা বাগ্মীবৰ শ্ৰীনীলমণি ফুকন ডাঙৰীয়াক সাহিত্য একাডেমীয়ে এই চেপ্তেম্বৰ মাহতে যোৰহাট চন্দ্ৰকান্ত সন্দিকৈ ভৱনত এটা অনুষ্ঠান পাতি 'ফেলোশ্বিপ' প্ৰদান কৰিব। সাহিত্য একাডেমীয়ে দিব পৰা এইটো এটা ডাঙৰ সন্মান। প্ৰকৃত সাহিত্যিকে কোনো মান-যশ আশা কৰি সাহিত্য চৰ্চা নকৰে। ফুকন ডাঙৰীয়ায়ো কোনো বটা-বাহনলৈ প্ৰত্যাশা নকৰি ওৰে জীৱনে সাহিত্য সাধনা কৰি আহিছে। অসম সাহিত্য সভাই ইতিপূৰ্বে তেওঁক দুবাৰো সভাপতিৰ পদত বৰণ কৰি সন্মান যাচিছে। সদৌ অসমৰ ৰাইজে অনা-চৰকাৰী-ভাৱে 'বাগ্মীবৰ' বিশেষণেৰে তেওঁক বিভূষিত কৰিছে। সাহিত্য একাডেমীয়ে পলম কৈ হলেও এই সন্মান তেওঁক যাচি নিজেও গৌৰৱান্বিত হ'ব নিশ্চয়। বাগ্মীবৰ ককাই আজি চাৰিকুৰি চৈধ্য বছৰ বয়সতো জৰা-ব্যাধিক দমাই ৰাখি, সুস্থ শৰীৰে অসমৰ সাহিত্য, সংস্কৃতি আৰু সমাজ-সেৱাৰ ক্ষেত্ৰত নেতৃত্ব কৰি আহিছে। আমাৰ কামনা—অসমৰ ভীষ্ম পিতামহ সদৃশ ফুকন ডাঙৰীয়া ছকুৰি বছৰলৈ সুস্থ শৰীৰে থাকি দেশ-মাতৃৰ মুখ উজ্জ্বলাই ৰাখক। গুণীৰ গুণৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাৰ বাবে সাহিত্য একাডেমীৰো আমি শলাগ লৈছো।

# ॥ আলোচনী বাতৰি-কাকতৰ সংগ্ৰহ-সংৰক্ষণৰ ব্যৱস্থা ॥

পূজা আহিল। পূজাত বিভিন্ন ৰঙৰ সাজ-পাৰ বজাৰত উভৈনদী হৈ ওলোৱাৰ দৰে আজি কেইবছৰমানৰ পৰা অসমত কিতাপৰ বজাৰত বিভিন্ন ধৰণৰ আলোচনী আৰু বাতৰি কাকত বা সিবিলাকৰ বিশেষ সংখ্যা পূজা আৰু বিহুৰ সময়ত ওলোৱা দেখা গৈছে। এইটো সঁচাকৈয়ে বৰ আনন্দৰ কথা। এই কাকতবোৰৰ কিছুমান স্থায়ী প্ৰতিষ্ঠান আৰু আন কিছুমান সাময়িক অনুষ্ঠান বা ব্যক্তিৰ উচ্ছ্বাস অথবা পৃষ্ঠপোষকতাত প্ৰকাশিত হয়। তদুপৰি অসমৰ প্ৰায়বোৰ স্কুল-কলেজৰে একোখনকৈ বছৰেকীয়া আলোচনী থকা দেখা যায়। যদিও এইটো প্ৰায়ে কোৱা শুনা যায় যে 'অসমীয়া আলোচনী বাতৰি-কাকতৰ আয়ুস কচুপাতৰ পানীৰ দৰে', তথাপি এইটোও স্বীকাৰ্য যে এনে ক্ষণস্থায়ী কাকতৰ মাজেদি হলেও অসমীয়া আলোচনী আৰু বাতৰি কাকতৰ এটা পৰম্পৰা ৰক্ষিত হৈ আহিছে আৰু জুটুলা বনতো বাঘ থকাৰ দৰে এনে আলোচনী-বাতৰি কাকততো মাজে মাজে বৰ মূল্যৱান গল্প-প্ৰবন্ধাদি ওলায়। সেই ফালৰ পৰা আৰু ঐতিহাসিক দিশৰ পিনৰপৰা কোনো আলোচনী বাতৰি-কাকতৰে মূল্য কম বুলি ক'ব নোৱাৰি। সাম্প্ৰতিক কালত কোনো কাকতৰ মূল্য কম বুলি ভাবিলেও দিন পুৰণি হয় মানে তাৰ মূল্যও বাঢ়ি অহা দেখা যায়। সময়ত এইবোৰেই জাতিৰ অমূল্য সম্পদ হৈ পৰে। কিন্তু দুখৰ বিষয়, এই কাকতবোৰ থাওকতে পাবলৈ সংগ্ৰহ আৰু সংৰক্ষণৰ দিহা কোনো অনুষ্ঠানে আজিলৈকে কৰা দেখা নাই। আনকি কাকতৰ জন্মদাতাসকলেও স্বকীয় কাকতবোৰ নষ্ট নোহোৱাকৈ ৰক্ষা কৰিছেনে নাই সন্দেহৰ কথা। আমি আশা কৰোঁ অন্ততঃ অসম সাহিত্য সভা, অসম ৰাজ্যিক পুথিভঁৰাল আৰু অসমৰ বিশ্ববিদ্যালয় কেইটাই এই বিষয়ত আগ ভাগ লব। স্বকীয় অনুষ্ঠানবোৰেও নিজৰ প্ৰকাশিত কাকত পুৰণি হোৱা মাত্ৰকে আবৰ্জনা বুলি অনাদৰ নকৰি যত্নেৰে সংৰক্ষণ কৰিব। এই প্ৰসঙ্গত 'প্ৰতিমা'ৰ খনিকৰ ৺চন্দ্ৰকুমাৰ আগৰৱালাই নিজা ছপাশাল নিউপ্ৰেছৰ পৰা প্ৰকাশ কৰা অসমীয়া কাকতখনৰ কথা উল্লেখ কৰিব পাৰি। প্ৰায় দুই দশক কাল প্ৰকাশিত এই কাকতখনৰ সমস্ত সংখ্যা কৰ্তৃপক্ষৰ দিহামতে নিউ প্ৰেছৰ কৰ্মী ৺নিত্যানন্দ বৰদলৈদেৱে বৰ আটোমটোকাৰীকৈ ৰাখিছিল। পিছত নিউপ্ৰেছ হস্তান্তৰিত হোৱাত সেই কাকতবোৰো বিলুপ্তিৰ সম্ভাৱনা হৈছিল; কিন্তু অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱৰ পৰামৰ্শমতে প্ৰেছৰ গৰাকী শ্ৰীতৰুণকুমাৰ আগৰৱালাদেৱে কাকতবোৰ (কেইখনো বোৰাৰ গাড়ীত) অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগক দান কৰে আৰু সেইবোৰ বৰ্তমানে উক্ত বিভাগত সযত্নেৰে ৰখা হৈছে—বিভাগীয় সঞ্চালক ডঃ প্ৰতাপচন্দ্ৰ চৌধুৰীদেৱৰ তৎপৰতাত। আমি ভাবোঁ অসমৰ আন আন কাকত-পত্ৰবোৰো এনে ধৰণে ৰাজ্যিক অনুষ্ঠান সমূহে যত্নেৰে সংগ্ৰহ আৰু সংৰক্ষণ কৰি ৰখা উচিত। কিয়নো এইবোৰেই ভৱিষ্যতৰ বাবে মূল্যৱান দলিল স্বৰূপ হ'ব।


## বাণী-অৰ্ঘ্য : কেইখনমান বাছকবনীয়া গ্ৰন্থৰ শৰাই

| | | | |
|---|---|---|---|
| ১। | ভালিমীৰ সপোন (উপন্যাস) | কৈলাস শৰ্মা | ৫·০০ |
| ২। | বিদায় যুদ্ধ বিদায় ঐ | ড. সত্যেন গোস্বামী | ৬·০০ |
| ৩। | মাটিৰ মানুহ ঐ | ড. সত্যেন্দ্ৰনাথ শৰ্মা | ৩·০০ |
| ৪। | সোণালী জখলা ঐ | তৌফিক বৰুৱা | ৩·০০ |
| ৫। | গোপনীয় ঐ | লক্ষীকান্ত মহন্ত | ৩·০০ |
| ৬। | শৈল শিখৰ ঐ | নীলিমা দত্ত | ৩·০০ |
| ৭। | ভ্ৰষ্টলগ্ন ঐ | নৰকান্ত বৰদলৈ | ৩·৫০ |
| ৮। | ৰাজকন্যা! তুমি অনন্যা | ভূপেন্দ্ৰকুমাৰ দাস | ৩·৫০ |
| ৯। | অজেয় ভিয়েতনাম অমৰ ইন্দোচীন | দধি মহন্ত | ৩·০০ |
| ১০। | ভূগৰ্ভৰ কেন্দ্ৰলৈ আলামুখী যাত্ৰা | গোলাপ বৰা | ৫·০০ |
| ১১। | আড্ডা অমিতাভ (বিপ্লৱ কাহিনী) | প্ৰফুল্লকুমাৰ বৰুৱা | ৩·০০ |
| ১২। | এই মাটিৰ মানুহ | প্ৰমোদ বৰুৱা | ১·৫০ |
| ১৩। | নতুন নাটক (এক অঙ্কীয়া নাটক সংকলন) | শ্যামা প্ৰসাদ শৰ্মা (সম্পাদিত) | ৩·৫০ |
| ১৪। | বিভ্ৰাট (নাটক) | শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা | ৩·০০ |
| ১৫। | ৰমণীয় (ৰম্য ৰচনা) | নৰকান্ত বৰুৱা | ২·০০ |
| ১৬। | সন্ধিয়াৰ সুৰ (কবিতা) | পদ্মশ্ৰী নলিনীবালা দেৱী | ২·৫০ |
| ১৭। | অ' মোৰ চিকুনী দেশ | পৰাগ চলিহা | ১·৫০ |
| ১৮। | বিশ্বশান্তিৰ পথত ৰাষ্ট্ৰসংঘ | প্ৰফুল্ল চন্দ্ৰ বৰুৱা | ৪·০০ |
| ১৯। | হিউৱেনচাং | নিশিপদ চৌধুৰী | ৫·০০ |
| ২০। | অসমীয়া বচন ভঙ্গী | হৰেন্দ্ৰনাথ শৰ্মা | ৮·০০ |
| | [প্ৰায় সাত হেজাৰ বচন ভঙ্গীৰ অৰ্থ ব্যাখ্যাৰে অমূল্য কোষ গ্ৰন্থ] | | |
| ২১। | অসমীয়া সাহিত্যৰ ইতিবৃত্ত | ড. সত্যেন্দ্ৰনাথ শৰ্মা | ১০·০০ |
| ২২। | অসমীয়া কাহিনী কাব্যৰ প্ৰবাহ | ড. সত্যেন্দ্ৰনাথ শৰ্মা | ১০·০০ |
| ২৩। | অসমীয়া সত্ৰ-সংস্কৃতিৰ ৰূপৰেখা | ড. কেশৱানন্দ দেৱগোস্বামী | ৫·০০ |
| ২৪। | অসমীয়া সংস্কৃতি আৰু সাহিত্য | পৰাগ চলিহা | ৫·০০ |
| ২৫। | অসমীয়া সাহিত্যত ঐতিহাসিক উপন্যাস | ড. শৈলেন ভৰালী | ৫·০০ |
| ২৬। | ট্ৰেজেডি বিচাৰ | ড. শৈলেন ভৰালী | ২·০০ |
| ২৭। | ধ্বনিবিজ্ঞানৰ ভূমিকা | ড. গোলোকচন্দ্ৰ গোস্বামী | ৭·০০ |
| ২৮। | দৰঙ্গ ৰাজবংশাৱলী | নবীনচন্দ্ৰ শৰ্মা | ৭·০০ |
| ২৯। | অসমীয়া ভাষা আৰু সাহিত্যৰ ৰূপৰেখা | নবীনচন্দ্ৰ শৰ্মা | ৪·০০ |
| ৩০। | প্ৰাকৃত সাহিত্য | ড. সত্যেন্দ্ৰ গোস্বামী | ৭·০০ |
| ৩১। | উন্নতিশীল দেশত শিক্ষাৰ মান | বীণা ৰায় বৰ্মণ | ২·৫০ |
| ৩২। | চেক্সপীয়েৰৰ প্ৰতিভা | জীৱনাথ হাজৰিকা, লক্ষীকান্ত মহন্ত | ৪·০০ |
| ৩৩। | এখন নদীৰ মৃত্যু (পকেট পুথি) | মহিম বৰা | ২·৫০ |
| ৩৪। | কবৰ আৰু ফুল ঐ | বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য | ২·৫০ |
| ৩৫। | অবৈধ ঐ | যোগেশ দাস | ২·৫০ |
| ৩৬। | চতুৰঙ্গ ঐ | হৰেন্দ্ৰ দেৱগোস্বামী | ২·৫০ |
| ৩৭। | গোলাম ঐ | সৌৰভকুমাৰ চলিহা | ২·৫০ |

বাণী প্ৰকাশৰ কিতাপ মাত্ৰেই শ্ৰেষ্ঠ লিখকৰ উৎকৃষ্ট গ্ৰন্থ।

**বাণী প্ৰকাশ**

**পাঠশালা • গুৱাহাটী • কলিকতা**

**জাতীয় সাহিত্যৰ বিশিষ্ট প্ৰকাশক**

*He Profits most*
*Who Serves best*

# RAVI PRAKASH ANAND & CO.

ANAND BHAWAN, GAUHATI-8

Depots : Tinsukia ◦ Silchar ◦ Dhubri

*With best Compliments of :*

# NIRMAL CHIT FUND PVT. LTD.

*Regd. Office :*
**CALCUTTA-14**

*Divisional Office :*
**PANBAZAR :: GAUHATI-1**

*Central & Administrative Office :*
**M. C. ROAD, GAUHATI-1**
Phone : 5370

*Branches :* // ALL OVER ASSAM, MEGHALAYA NAGALAND, BENGAL AND BIHAR.

The Premier and biggest Chit Promoters in North-East India. ( Incorporated Under Indian Companies Act of 1956 )
Govt. Regd. No. 27591.

*Our happiest Puza Greetings*
*to our Patrons & Customers*

# SHUTTERS INDIA

A. T. ROAD, GAUHATI-1
Phone No. : 4772

*Manufacturers of :*
Rolling Shutters, Collapsible Gates, Steel Windows & Grills

সম্পাদক : হেমন্তকুমাৰ শৰ্মা মূল্য—দুই টকা